ISSN-0971-8397

# যোজনা

## আলোচনী গোষ্ঠীৰ মাহেকীয়া

# পয়োভৰা

ষষ্ঠ চত্বাৰিংশ বৰ্ষ পঞ্চম সংখ্যা জুলাই ২০১৫ মূল্য ১০.০০ টকা

## আন্তৰ্জাতিক সম্পৰ্কৰ নতুন দৃশ্যাৱলী

ভাৰত আৰু ইয়াৰ চুবুৰীয়া দেশ ঃ নৱ প্ৰয়াস, নতুন দিক্ নিৰ্দেশনা

আঁচল মালহোত্ৰা

ভাৰত-আমেৰিকা অংশীদাৰত্ব ঃ ক্ৰমবিকশিত সম্পৰ্ক

কে.চি. সিং

অৰ্থনৈতিক উন্নয়নৰ বাবে কূটনীতি

ৰাম উপেন্দ্ৰ দাস

সু-প্ৰশাসন ঃ শৈলী আৰু সাৰাংশ

এ সূৰ্য প্ৰকাশ











# আপুনি জানেনে ?

## ট্ৰিপ্‌ছ

ট্ৰিপ্‌ছৰ সম্পূৰ্ণ ৰূপ হ'ল — 'ট্ৰেড ৰিলেটেড আছপেক্টঅব ইন্টেলেকচুৱেল প্ৰ'পাৰ্টী ৰাইটছ।' অৰ্থাৎ বৌদ্ধিক সম্পত্তিৰ অধিকাৰৰ বাণিজ্যিক দিশ। এখন আন্তঃৰাষ্ট্ৰীয় চুক্তিৰ আধাৰত সমগ্ৰ পৃথিৱীৰ বাবে প্ৰযোজ্য হোৱাকৈ বৌদ্ধিক সম্পত্তিৰ অধিকাৰ সম্পৰ্কীয় এটা পদ্ধতি গ্ৰহণ কৰা হৈছে। আন্তঃৰাষ্ট্ৰীয় কুম্ভিলক বৃত্তি সম্পৰ্কীয় সমস্যা, বৌদ্ধিক সম্পদৰ ব্যৱহাৰ সম্পৰ্কীয় বিধি-ব্যৱস্থা উলংঘা কৰা , বৌদ্ধিক সম্পদৰ অধিকাৰৰ পৰিসৰ তথা পেটেন্টৰ সুৰক্ষা আদিৰ সমস্যা সমাধানৰ বাবে এটা উমৈহতীয়া আৰু সকলোৰে গ্ৰহণযোগ্য আন্তঃৰাষ্ট্ৰীয় বিধি-ব্যৱস্থাৰে এই পদ্ধতি গঢ়ি তোলা হৈছে। ইয়াৰ মান বিশ্ব বাণিজ্য সংস্থাৰ সদস্য ৰাষ্ট্ৰৰ আইনেৰে সংলগ্ন কৰাৰ লগতে 'অতিকৈ প্ৰিয় ৰাষ্ট্ৰ'ৰ সূত্ৰৰে সংপৃক্ত কৰাৰ উপৰি ৰাষ্ট্ৰীয় গুৰুত্ব প্ৰদান কৰা হৈছে।

এই বুজাবুজিৰ প্ৰধান উদ্দেশ্য হৈছে মাপক নিৰ্ধাৰণ কৰা, বিধি-ব্যৱস্থা বলবৎ কৰা আৰু মতবিৰোধৰ মীমাংসা কৰা। এই চুক্তিয়ে নিৰ্ধাৰণ কৰা মাপক সমূহৰ জৰিয়তে — সুৰক্ষা প্ৰদান কৰিব লগীয়া বিষয় বস্তু নিৰ্বাচন কৰা, প্ৰদান কৰিব লগীয়া অধিকাৰৰ স্বৰূপ নিৰ্ধাৰণ কৰা আৰু তেনে অধিকাৰৰ ক্ষেত্ৰত অনুমোদিত ব্যতিক্ৰম তথা সুৰক্ষাৰ ন্যূনতম সময় নিৰ্ধাৰণৰ ব্যৱস্থা কৰা হয়। এইবোৰ বিধি -ব্যৱস্থা অতি সম্প্ৰতি সম্পন্ন হোৱা পেৰিছ আৰু বাৰ্ণ সন্মিলনৰ সিদ্ধান্তৰ আধাৰত প্ৰযোজ্য কৰা হৈছে।

বলবৎকৰণৰ প্ৰক্ৰিয়াত সচৰাচৰ সদস্য ৰাষ্ট্ৰসমূহ জড়িত হয় আৰু চুক্তিয়ে সূচিত কৰা বিধি ব্যৱস্থা কঠোৰ ভাৱে অনুসৰণ কৰি সমাধান সূত্ৰ উদ্ভাৱনৰ প্ৰয়াস কৰা হয়। অধিকাৰ ভোগ কৰোতাৰ ক্ষেত্ৰত প্ৰভাৱশালী ৰূপত অধিকাৰ সাব্যস্ত কৰিব পৰাকৈ অসামৰিক তথা প্ৰশাসনীয় বিধি -ব্যৱস্থা, সীমান্তৰ বাধ্য-বাধতকা আৰু অপৰাধ আইনৰ বিভিন্ন অনুচ্ছেদে আগবঢ়োৱা সুযোগ গ্ৰহণৰ নিশ্চিতি প্ৰদান কৰা হয়।

সেইদৰে বিবাদ মীমাংসাৰ প্ৰসংগত বিশ্ব বাণিজ্য সংস্থাৰ সদস্য ৰাষ্ট্ৰসমূহে 'ট্ৰিপছ'ৰ প্ৰতি দায়বদ্ধতা সাৰোগত কৰি ইয়াৰ বিধি-ব্যৱস্থাৰ আধাৰত তেওঁলোকৰ বিবাদ মীমাংসা কৰে। তদুপৰি বৌদ্ধিক সম্পত্তিৰ অধিকাৰ আহৰণ তথা অক্ষুণ্ণ ৰখাৰ ক্ষেত্ৰত আহিব পৰা জটিলতা তথা দুৰূহতা আঁতৰোৱাৰ বাবে থকা বিধিয়ে চুক্তি প্ৰদত্ত সুযোগৰ গুৰুত্ব লাঘৱ নকৰাটো নিশ্চিত কৰে। সদস্য ৰাষ্ট্ৰসমূহে নিজৰ পচন্দ মতে নিজ নিজ আইনৰ উপযোগী হোৱা চুক্তিৰ দফাৰে ব্যৱস্থা কাৰ্যকৰী কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে।

সকলো শ্ৰেণীৰ সম্পত্তিৰ অধিকাৰ সুৰক্ষিত কৰিব পৰাকৈ ন্যূনতম মান নিৰ্ধাৰণ কৰা হৈছে। এইবোৰৰ ভিতৰত গ্ৰন্থ স্বত্ব তথা আনুষংগিক অধিকাৰ (পৰিৱেশনকাৰী, শব্দ তথা বাণীবদ্ধকৰণৰ প্ৰযোজক, সম্প্ৰচাৰক সংস্থা), ট্ৰেডমাৰ্ক বা বিপণন চিহ্ন (সেৱা চিহ্ন, ঔদ্যোগিক আৰ্হি ভৌগোলিক সংকেতকে ধৰি), নতুন প্ৰজাতিৰ গছৰ সুৰক্ষাৰ পেটেন্ট, সংহত বৰ্তনীৰ সজ্জাৰ আৰ্হি, ব্যক্তিগত তথা অপ্ৰকাশিত তথ্য (সম্পৰীক্ষাৰ তথ্য অথবা বাণিজ্যিক গোপনীয়তাকে ধৰি) অন্তৰ্ভুক্ত কৰা হৈছে। যি কি নহওক ঔষধৰ উৎপাদন তথা ব্যৱহাৰ, বিশেষকৈ উন্নয়নশীল দেশৰ ক্ষেত্ৰত 'ট্ৰিপছ' অধিক ভাৱে জড়িত হৈ আছে। সাধাৰণতে পেটেন্টৰ বাবে আবেদন জনোৱাৰ পৰা ২০ বছৰ পৰ্যন্ত বৌদ্ধিক সম্পত্তিৰ অধিকাৰৰ সময় সীমা সম্প্ৰসাৰিত হয়। পিছে অনুন্নত ৰাষ্ট্ৰসমূহক অৱস্থা সলনি কৰি চুক্তিয়ে নিৰ্দেশ কৰা বিধি-ব্যৱস্থাৰে কৰ্ম সম্পাদন কৰাৰ বাবে অধিক সময় অনুমোদিত কৰা হয়।

## মাৰ্কোছুৰ

মাৰ্কোছুৰ (এম ই আৰ চি অ' এছ আৰ) অথবা মাৰ্কোছুল (এম ই আৰ চি অ' এছ ইউ এল) বাণিজ্যিক উদ্দেশ্যে মৈত্ৰী স্থাপন কৰা কেইখনমান লেটিন আমেৰিকীয় ৰাষ্ট্ৰৰ উমৈহতীয়া গোট। এই গোটত অন্তৰ্ভুক্ত হোৱা দেশকেইখন হ'ল— ব্ৰাজিল, আৰ্জেন্টিনা, উৰুগুৱে, পেৰাগুৱে আৰু ভেনিজুৱেলা। (পেৰাগুৱেৰ নিলম্বনৰ পাছত অন্তৰ্ভুক্ত হোৱা দেশখন হ'ল ভেনিজুৱেলা) তেওঁলোকে সম্পূৰ্ণ ভোটৰ অধিকাৰ লাভ নকৰাৰ লগতে 'মাৰ্কোছুৰ' দেশৰ বজাৰত সম্পূৰ্ণ প্ৰৱেশৰ অধিকাৰ লাভ নকৰে যদিও কমোৱা নিৰিখৰ সুবিধা আদায় কৰিব পাৰে। সদস্য ৰাষ্ট্ৰসমূহৰ মাজত সামগ্ৰী, সেৱা, মূলধন তথা জনসাধাৰণৰ মুক্ত আদান প্ৰদান তথা অহা - যোৱাৰ সুবিধা প্ৰদানৰ মূল উদ্দেশ্য লৈয়ে ১৯৯১ চনত এই মঞ্চ স্থাপিত হৈছিল। মাৰ্কোছুৰত পাঁচখন সহযোগী সদস্য ৰাষ্ট্ৰ

৩৬ নং পৃষ্ঠাত চাওঁক

# পয়োভৰা

**উন্নয়নমূলক বিষয়-বস্তুৰে সমৃদ্ধ অসমীয়া ভাষাৰ একমাত্র মাহেকীয়া আলোচনী**



| | | পৃষ্ঠা |
|---|---|---|
| ভাৰত আৰু ইয়াৰ চুবুৰীয়া দেশঃ নৱ প্রয়াস নতুন দিক্, নির্দেশনা | আঁচল মালহোট্রা | ৩ |
| ভাৰত- আমেৰিকা অংশীদাৰত্ব; ক্রমবিকশিত সম্পর্ক | কে. চি.সিং | ৯ |
| অর্থনৈতিক উন্নয়নৰ বাবে কূটনীতি | ৰাম উপেন্দ্র দাস | ১৩ |
| সু-প্রশাসনঃ শৈলী আৰু সাৰাংশ | এ. সূর্যপ্রকাশ | ১৭ |
| চীন-ভাৰত সম্পর্ক ৰূপান্তৰিত বান্ধোন | মণীষ চান্দ | ২২ |
| মোডী চৰকাৰৰ প্রথম বছৰত বৈদেশিক সম্পর্কৰ ক্ষেত্রত প্রতিৰক্ষাৰ ভূমিকা | অলক বাগুাল | ২৭ |
| পূৱ-এছীয় দেশবোৰৰ সম্পর্কৰ ক্ষেত্রত নতুন গতি প্রদানৰ প্রয়াস | সুনন্দ দীক্ষিত | ৩২ |
| স্বচ্ছ ভাৰত অভিযান ঃ প্রগতিশীল ভাৰতবর্ষৰ বাবে এটি আহিলা | কে এন পাঠক | ৩৭ |
| জনগোষ্ঠীয় খাদ্য সম্ভাৰৰ অর্থনৈতিক দিশ আৰু ইয়াৰ জনপ্রিয়তা | ধনেশ্বৰ হুজুৰী | ৪৩ |
| আধিয়াৰ পদ্ধতিৰ কৃষি আৰু অসমৰ কৃষিখণ্ডত ইয়াৰ প্রাসংগিকতা | ড° গোবিন চন্দ্র বৰুৱা, ৰুমী দত্ত | ৪৬ |
| অসমৰ আলংকৰিক মাছ ঃ বাণিজ্যিক সম্ভাৱনীয়তা আৰু আলোকপাত | ধ্রুৱজ্যাতি শর্মা | ৫০ |
| গভীৰ সামুদ্রিক খনন আৰু সংকটাপন্ন জৈৱবৈচিত্র | পংকজ দাস | ৫৩ |
| উত্তৰ-পূৱ ডায়েৰি | | ৫২-৫৬ |



সঞ্চালক আৰু
মুখ্য সম্পাদক ঃ **দীপিকা কচ্চল**
জ্যেষ্ঠ সম্পাদক ঃ **অনুপমা দাস**

**PAYOBHARA**
**VOL. - 46 No.5**
**ষষ্ঠ চত্বাৰিংশ বৰ্ষ ঃ পঞ্চম সংখ্যা**
**জুলাই ঃ ২০১৫**

শিক্ষক, ছাত্র-ছাত্রী, শিক্ষা প্রতিষ্ঠান আৰু পুথি ভঁৰালৰ বাবে ১০ শতাংশ ৰেহাই

বেটুপাতৰ শিল্পী ঃ
**গজানন পি ধোপে**

পয়োভৰাত প্রকাশিত প্রবন্ধ-পাতিৰ মতামত লেখকৰ নিজস্ব

পয়োভৰাৰ বছৰেকীয়া গ্রাহক মূল্য ঃ ১০০.০০ টকা
দুবছৰৰ গ্রাহক মূল্য ঃ ১৮০.০০ টকা
তিনি বছৰৰ গ্রাহক মূল্য ঃ ২৫০.০০ টকা
সম্পাদকীয় কার্য্যালয় কে কে বি পথ নিউ কলনি গৃহ নং ৭,চেনিকুঠি
গুৱাহাটী-৭৮১০০৩ ফোন ঃ ২৬৬৫০৯০, ই-মেইলঃ ypeguw@dataone.in
yojanaasomia@yahoo.co.in

**প্রকাশক ঃ** অতিৰিক্ত সঞ্চালক প্রধান (ভাৰপ্রাপ্ত), প্রকাশন বিভাগ, সূচনা ভৱন, চি জি অ’ কমপ্লেক্স, নতুন দিল্লী ঃ ১১০০০৩

**মুদ্রক ঃ** আশী পাব্লিশিং হাউছ (পেৰাডাইজৰ ওচৰত), গোস্বামী ছাৰ্ভিচ, বিবিধা কমপ্লেক্স, এম আৰ ডি ৰোড, গুৱাহাটী-৭৮১০০৩ ফোন/ম’বাইল - ০৩৬১-২৬৬০৬২৫/৯৮৬৪৩২৩৭৯১

# এই সংখ্যাৰ প্ৰসংগত

## ভাৰতৰ উদয়

প

য়ো

ভ

ৰা

এখন দেশৰ মৰ্যাদা আৰু অদৃষ্ট সামৰিক শক্তিয়ে নহয়, ইয়াৰ কুটনৈতিক সম্পৰ্কইহে গঢ় দিয়ে বুলি আন্তৰ্জাতিক সম্পৰ্ক বিষয়ক বিশেষজ্ঞ সকলে কয়। ভাৰতৰ ক্ষেত্ৰত এই উক্তি অতি সত্য। জাতি হিচাপে আমাৰ দেশপ্ৰেমৰ মৃদু উত্তাপ সকলোৰেদ্বাৰা প্ৰশংসিত, শান্তিকামী দেশ হিচাপেও ভাৰতৰ আন্তৰ্জাতিক পাৰ্শ্ব দৃশ্য গুৰুত্বপূৰ্ণভাৱে বৃদ্ধি পাইছে। একে সময়তে আমাৰ সীমা পহৰা দিয়া সমবেশ পৰিধানকাৰী সকলক সদায় অভিবাদন জনাও, ভাৰতৰ কুটনৈতিক ক্ষেত্ৰৰ প্ৰাপ্তিৰ দিশৰ পৰা তেওঁলোকৰ কৰ্ত্তব্যপৰায়ণতাৰ প্ৰতি মনোযোগ দিয়াটো বেছি দিনৰ আগৰ কথা নহয়। সি যি কি নহওক, বৰ্তমান এই ক্ষেত্ৰত এটা আদৰণীয় পৰিবৰ্তন দেখা গৈছে। ঘাইসুঁতিৰ গণসাধ্যমসমূহে পৰ্যাপ্ত পৰিমাণে সামৰি লোৱাৰ উপৰি সাধাৰণ লোকেও ভাৰতীয় কূটনীতিৰ বীৰত্বৰ সফলতাৰ দিশে মনোযোগ প্ৰদান কৰিছে। তেওঁলোকে কূটনৈতিক শব্দ আৰু পৰিভাষিক শব্দাৱলীৰ দুৰ্বোধ্যতা বুজি নাপালেও কূটনৈতিক প্ৰচেষ্টা আৰু জাতি গঠনত ইয়াৰ মাজত নিহিত থকা হিতৰ বিষয়ে বুজি পায় আৰু প্ৰশংসা কৰে।

উদাৰীকৰণ আৰু গোলকীয় বাণিজ্যত দ্ৰুত পৰিবৰ্তনে ভাৰতৰ আন্তৰ্জাতিক সম্পৰ্কত বিবেচনাযোগ্য পৰিবৰ্তনৰ ঢল আনিছে। আভ্যন্তৰিকমুখী অৰ্থনীতিৰ পৰা অধিক গোলকীয়ভাৱে সংহত অৰ্থনীতিলৈ সফল পৰিবৰ্তনৰ বাবে চলোৱা প্ৰচেষ্ঠাই আন্তৰ্জাতিক মঞ্চত ভাৰতৰ ভাৱমূৰ্তিৰ ওপৰত শুভ প্ৰভাৱ পেলাইছে। শেহতীয়া বছৰটোৰে আমাৰ কূটনৈতিক প্ৰচেষ্টাৰ গোলকীয় উচ্চ-প্ৰশংসা প্ৰতিধ্বনিত হোৱা পৰিলক্ষিত হৈছে। ভাৰতীয় কূটনীতিয়ে অতি-সতৰ্কতা বা কুণ্ঠিত অৱস্থাৰ পৰা শক্তিশালী উদ্যোগলৈ বাঞ্ছিত জাপ দিছে। এই সকলোবোৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ শপত গ্ৰহণ অনুষ্ঠানলৈ ছাৰ্ক দেশসমূহৰ মূৰব্বীসকলক জনোৱা আমন্ত্ৰণৰ পৰা আৰম্ভ হৈছে। বিশেষজ্ঞসকলে এই গতিক কূটনৈতিক অভ্যুত্থান হিচাপে বৰ্ণনা কৰিছে। এবছৰৰ তেনেই কম সময়ৰ ভিতৰত উন্নত আৰু উন্নয়নশীল উনৈশ খন দেশত কৰা প্ৰধান মন্ত্ৰীৰ ভ্ৰমণে বৈদেশিক সম্পৰ্কৰ ক্ষেত্ৰত নতুন ভৱিষ্যতৰ দৃশ্যাৱলীৰ দুৱাৰ মুকলি কৰিছে। এই বছৰটো ভাৰতে প্ৰতিবেশীত্বক অগ্ৰাধিকাৰ দিয়াৰ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপ আৰু প্ৰতিবেশীত্ব সম্প্ৰসাৰণৰ সাক্ষী হৈ ৰ'ব। আমি বিশ্বৰ সকলো প্ৰধান শক্তিৰ লগত সম্পৰ্ক দৃঢ়কৰণত গুৰুত্ব প্ৰদান কৰিছোঁ। নেপালত হোৱা বিধ্বংসী ভূমিকম্পৰ পাছত দ্ৰুত উদ্ধাৰ অভিযান আৰু সাহায্য আগবঢ়োৱাৰ ক্ষেত্ৰত ভাৰতৰ ক্ষীপ্ৰ প্ৰতিক্ৰিয়াই বিশ্বজোৰা মনোযোগ আকৰ্ষণ কৰিছে। আনহাতে ৰাষ্ট্ৰসংঘৰ শান্তি ৰক্ষা অভিযানৰ প্ৰতি বহু বছৰ জোৰা বৰঙণিও বিশ্বৰ ভিতৰতে অন্যতম সৰ্বোচ্চ পৰিমাণৰ হিচাপে পৰিগণিত হৈছে।

বিশ্বৰ ভিতৰত দ্বিতীয় বৃহত্তম হিচাপে ভাৰতীয়ৰ উপস্থিতি বিয়পি থকাটোৱে আন দেশৰ লগত ভাৰতৰ সম্পৰ্কলৈ অতিশয় বাঞ্ছিত উদ্যোগ প্ৰদান কৰিছে। বৰ্তমান অদ্যাৱধি সুপ্ত দেশ সমূহেও ভাৰতৰ লগত সম্পৰ্ক ৰক্ষা কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে। অতি দক্ষ মানৱ শক্তিৰ বৃহৎ পৰিমাণ, বিশ্বৰ বৃহত্তম গণতন্ত্ৰ আৰু চীনক চেৰ পেলাই দ্ৰুততাৰে বিকশি উঠা ভাৰতীয়ক কোনো দেশে উপেক্ষা কৰিব নোৱাৰে।

অৰ্থনৈতিক ক্ষেত্ৰ, মানৱ শক্তিৰ উন্নয়ন আৰু আন্তৰ্জাতিক সম্পৰ্কৰ ক্ষেত্ৰত ভাৰতে দিয়া দীঘল খোজে আমি এটা জাতি হিচাপে কি ক'ব খুজিছোঁ তাৰ প্ৰতি বিশ্বৰ মনোযোগ আকৰ্ষণ কৰিছে। ভাৰতৰ প্ৰধান মন্ত্ৰীৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই ৰাষ্ট্ৰসংঘই ২০১৫ চনৰ ২১ জুন তাৰিখটো বিশ্ব যোগ দিৱস হিচাপে পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। একে সময়তে ই আন্তৰ্জাতিক সম্প্ৰদায়ৰ প্ৰত্যাহ্বানজনক চাহিদা বৃদ্ধি কৰিছে। সি যি নহওক, ভাৰতে বহনক্ষম প্ৰচেষ্টা আৰু নীতি উদ্যোগৰ জৰিয়তে এই প্ৰত্যাহ্বান সমূহৰ জোৰা মাৰিবলৈ সমৰ্থ হৈছে। ১৯৮৭ চনৰ পৰা ২০১৫ চনলৈকে শক্তিৰ পৰা শক্তিলৈ উদিত হৈ ভাৰতে নিজৰ অদৃষ্ট গঢ় দিছে আৰু ৰাষ্ট্ৰসমূহৰ সৌজন্যত সঠিক স্থান দখল কৰিছে। আমি আশাকৰোঁ ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্য হিচাপে ভাৰত উদিত হোৱাৰ দিনটো হয়তো বেছি দূৰত নাই, যিটোৰ সময় অতীত হৈ গৈছে।

# ভাৰত আৰু ইয়াৰ চুবুৰীয়া দেশ ঃ নৱ প্ৰয়াস, নতুন দিক্-নিৰ্দেশনা

*** আঁচল মালহোট্ৰা**

২০১৪ ৰ সাধাৰণ নিৰ্বাচনৰ জৰিয়তে নতুন দিল্লীত ক্ষমতাসীন হোৱা শক্তিশালী আৰু সুস্থিৰ চৰকাৰখনে চুবুৰীয়া দেশসমূহৰ লগতে সামগ্ৰিক ভাৱে আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়লৈ আজিৰ ভাৰতক গুৰুত্ব সহকাৰে লোৱাৰ বাবে উচিত বাৰ্তাই প্ৰেৰণ কৰিছে। আন্তঃৰাষ্ট্ৰীয় পৰিক্ৰমা সমূহৰ প্ৰতি থকা ব্যক্তিগত প্ৰতিশ্ৰুতি-বদ্ধতাক প্ৰতিবিম্বিত কৰি প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে যোৱা এটা বছৰত ১৯ খনকৈ দেশ ভ্ৰমণ কৰাৰ উপৰি ৰাজধানী দিল্লীলৈকো বহু সংখ্যক গুৰুত্বপূৰ্ণ বিশ্ব নেতাক আদৰণি জনাইছে। এই সময়ছোৱাত তেওঁ পৃথিৱীৰ প্ৰায় সকলো গুৰুত্বপূৰ্ণ নেতাৰে দ্বিপাক্ষিক, আঞ্চলিক কিম্বা বহুপাক্ষিক পৰ্যায়ত মিলিত হৈ আলোচনাত অৱতীৰ্ণ হৈছে।

বৰ্তমানৰ চৰকাৰখনে বৈদেশিক নীতিৰ অগ্ৰাধিকাৰ সূচীত যে 'প্ৰথমে চুবুৰীয়া' নীতি গ্ৰহণ কৰিছে সেইকথা ইতিমধ্যে স্পষ্ট হৈ উঠিছে। চুবুৰীয়া দেশসমূহৰ সৈতে সম্পৰ্ক স্থাপনৰ বাবে যে প্ৰথম পদক্ষেপ গ্ৰহণ কৰা হ'ব সেই সিদ্ধান্ত আনকি মোডীয়ে আনুষ্ঠানিক ভাৱে প্ৰধান মন্ত্ৰী হিচাপে দায়িত্ব লোৱাৰ পূৰ্বেই চুড়ান্ত কৰা হৈছিল। যোৱাটো বছৰৰ ২৬ মে'ৰ দিনা অনুষ্ঠিত প্ৰধান মন্ত্ৰী মোডীৰ শপত গ্ৰহণ অনুষ্ঠানলৈ 'ছাৰ্ক' দেশৰ মুৰব্বী সকলক আমন্ত্ৰণ জনোৱা হৈছিল। এই পদক্ষেপৰ জৰিয়তে নৱ গঠিত চৰকাখনে দক্ষিণ এছিয়াৰ দেশসমূহৰ সৈতে ভাৰতৰ সম্পৰ্কক বিশেষ গুৰুত্ব প্ৰদান কৰাৰ বাৰ্তা প্ৰেৰণ কৰাৰ উপৰি আঞ্চলিক সংহতিৰ বাবে ব্ৰহ্মাস্ত্ৰ নিক্ষেপ কৰাৰ লগতে এটা শক্তিশালী পদক্ষেপ আগবঢ়ালে বুলি বৰ্ণনা কৰা হৈছে। ভাৰতৰ এই আগ্ৰহৰ প্ৰতি যে চুবুৰীয়া দেশসমূহেও সঁহাৰি জনাইছে সেয়া স্পষ্ট হৈ উঠিছিল শপত গ্ৰহণ অনুষ্ঠানটোত প্ৰতিখন দেশৰ চৰকাৰৰ মূৰব্বী তথা প্ৰতিনিধি সকলৰ সক্ৰিয় উপস্থিতিৰ জৰিয়তে। সংশ্লিষ্টসকলৰ সৈতে প্ৰাথমিক সম্পৰ্ক স্থাপনৰ ক্ষেত্ৰত এই অনুষ্ঠানে সুন্দৰ সুযোগ প্ৰদান কৰিছিল। পৰৱৰ্তী সময়ত অনুষ্ঠিত আঞ্চলিক তথা আন্তঃৰাষ্ট্ৰীয় সন্মিলনসমূহৰ আহৰি পৰত হোৱা সাক্ষাৎ, বাৰ্তালাপ আদিৰ জৰিয়তে এই ধাৰাই অগ্ৰগতি লাভ কৰে। প্ৰধান মন্ত্ৰী মোডীয়ে প্ৰথমটো বছৰত কৰা বিদেশ ভ্ৰমণসমূহৰ ভিতৰত ছাৰ্ক দেশৰ চাৰিখন সদস্য ৰাষ্ট্ৰ (ভূটান, নেপাল, শ্ৰীলংকা আৰু বাংলাদেশ) ৰ লগতে চীন অন্তৰ্ভুক্ত হৈছে। ছাৰ্ক ৰাষ্ট্ৰমণ্ডলীৰ আন তিনিখন সদস্য দেশ ( আফগানিস্তান, পাকিস্তান আৰু মালদ্বীপ)ৰ ৰাজনৈতিক, সুৰক্ষা তথা কৌশলগত প্ৰেক্ষাপটৰ পৰিপ্ৰেক্ষিতত দেশকেইখনলৈ যোৱাৰ বাবে কিছু সময়ৰ প্ৰয়োজন হৈছে যদিও অচিৰেই এই ভ্ৰমণসূচী যুগুতোৱা হ'ব বুলি আশা কৰিব পাৰি। অৱশ্যে এইবছৰৰ এপ্ৰিল মাহত আফগানিস্তানৰ ৰাষ্ট্ৰপতিয়ে ভাৰত ভ্ৰমণ কৰি গৈছে আৰু পাকিস্তান আৰু মালদ্বীপৰ প্ৰধান মন্ত্ৰী দ্বয়ৰ সৈতে প্ৰধান মন্ত্ৰী মোডী তেওঁৰ শপত গ্ৰহণ অনুষ্ঠানত মিলিত হৈছিল। থোৰতে ক'বলৈ গ'লে এবছৰীয়া সময়ৰ ভিতৰত প্ৰধান মন্ত্ৰী মোডী একেবাৰে চুবুৰীয়া দেশকেইখনৰ আটাইকেইজন মূৰব্বীৰে অন্ততঃ এবাৰলৈ হ'লেও মিলিত হৈছে। ইয়াৰে কেইজন মানৰ সৈতে অৱশ্যে বিভিন্ন উপলক্ষত একাধিকবাৰো মিলিত হোৱাৰ নজিৰ নথকা নহয়।

অঞ্চলটোৰ কোনো এখন নিৰ্দিষ্ট দেশৰ সৈতে ভাৰতৰ সম্পৰ্কই লোৱা গঢ়ৰ বিষয়ে আলোচনা কৰিবলৈ যোৱাৰ পূৰ্বে দক্ষিণ এছিয়াক সামগ্ৰিক ভাৱে এটা অঞ্চল বুলি আলোচনা কৰাৰ প্ৰাসংগিকতা থাকিব। সংক্ষেপে ক'বলৈ গ'লে দক্ষিণ এছিয়াক এটা জটিল অঞ্চল বুলি অভিহিত কৰিব লাগিব। অঞ্চলটোৰ দেশসমূহে বস্তুতঃ উমৈহতীয়া উত্তৰাধিকাৰিত্ব তথা ঐতিহাসিক সংযোগেই বহন কৰি আহিছে যদিও একে সময়তে ধৰ্মীয়, জনগোষ্ঠীয়, ভাষিক তথা ৰাজনৈতিক বিভিন্নতাকো প্ৰতিবিম্বিত কৰি আহিছে। দক্ষিণ এছিয়াই বিগত সময়ত ৰক্তাক্ত যুদ্ধ তথা অসামৰিক যুদ্ধৰ পটভূমি হিচাপেই পৰিচিতি দান কৰি আহিছে। তদুপৰি অঞ্চলটোৱে মুক্তি সংগ্ৰাম, পাৰমাণৱিক শত্ৰুতা,সামৰিক একনায়কত্ব বাদৰ সন্মুখীন হ'বলগীয়া হোৱাৰ লগতে উগ্ৰপন্থী কাৰ্যকলাপ, ধৰ্মীয় মৌলবাদ, সন্ত্ৰাসবাদ তথা ড্ৰাগছ্ আৰু মানৱ বেহাৰ দৰে অনাকাংক্ষিত কৰ্ম-কাণ্ডৰ ধামখুমীয়াত দিন কটাবলগীয়া হৈছে। ধৰ্মীয় সহিষ্ণুতাৰ প্ৰসংগত দেশবোৰৰ

*** আঁচল মালহোট্ৰা আৰ্মেনিয়া আৰু জৰ্জিয়াত ভাৰতৰ ৰাষ্ট্ৰদূত আৰু ৰাষ্ট্ৰসংঘ আৰু ভিয়েনাৰ আন্তৰ্জাতিক সংগঠনত ভাৰতৰ উপ বৈদেশিক নীতি আৰু আন্তৰ্জাতিক পৰিক্ৰমা বিষয়ত মুক্ত বিশ্লেষক হিচাপে সেৱা আগঢ়াই**

অৱস্থান শিথিল ধৰ্ম নিৰপেক্ষতাৰ পৰা কট্টৰ মৌলবাদলৈকে সম্প্ৰসাৰিত কৰিব লাগিব। দক্ষিণ এছীয় অঞ্চলক পৃথিৱীৰ ভিতৰতে আটাইতকৈ কম সংহতিপূৰ্ণ অঞ্চল হিচাপে চিহ্নিত কৰা হৈছে। ত্ৰিশবছৰৰো অধিক কাল প্ৰবৰ্তি আছে যদিও 'ছাৰ্ক' —এ অতিকে মন্থৰ আৰু অলস প্ৰগতিহে লাভ কৰা দেখিবলৈ পোৱা গৈছে। শেহতীয়া প্ৰেক্ষাপটত ঠন ধৰি উঠা গণতান্ত্ৰিক পদ্ধতিৰ চৰকাৰ গঠনৰ পৰাহে অঞ্চলটোৰ কিছুমান দেশে কিছু সম্ভাৱনাৰ সৃষ্টি কৰাৰ লগতে অৰ্থনৈতিক ক্ষেত্ৰতো ইতিবাচক ভৱিষ্যতৰ ইংগিত বহন কৰিবলৈ সক্ষম হৈছে।

অঞ্চলটোত ভাৰতৰ অৱস্থান ক'ত? ভৌগোলিক আকাৰ আৰু জনসংখ্যাৰ ফালৰ পৰা ভাৰত এখন বৃহৎ দেশ ; কম-বেছি পৰিমাণে এখন উজ্জীৱিত গণতান্ত্ৰিক দেশৰ ঐতিহ্য বহন কৰিছে ভাৰতে। আপেক্ষিক ভাৱে ইয়াৰ এটা বিশাল অৰ্থনৈতিক বুনিয়াদ আছে। তদুপৰি আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত ইয়াৰ ভাৱমূৰ্তিৰ উত্তৰণে গোলকীয় পৰিমণ্ডলত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পৰাকৈ ইয়াক সামৰ্থ্য প্ৰদান কৰিছে। ইয়াৰ ফলত ভাৰতে দক্ষিণ এছিয়াৰ আন দেশসমূহৰ গুৰুত্ব স্তিমিত কৰি তুলিছে। দুৰ্ভাগ্যজনক ভাৱে, সৰু সৰু চুবুৰীয়া দেশবোৰে ভাৰতৰ আচৰণক 'জ্যেষ্ঠ ভাতৃ'ৰ আধিপত্যসুলভ ব্যৱহাৰ বুলি গণ্য কৰি অহা পৰিলক্ষিত হয়। এনে মুহূৰ্তত ভাৰতৰ পৰা পৰিত্ৰাণ পোৱাৰ তাড়নাত তেওঁলোকে চীনৰ পক্ষ ত তথাকথিত অৱস্থান গ্ৰহণৰ ছল কৰিব খোজে।

অঞ্চলটোৰ ক্ষেত্ৰত ভাৰতে গ্ৰহণ কৰা দৃষ্টিভংগী কাঠমাণ্ডুত (২৬ নৱেম্বৰ, ২০১৪) অনুষ্ঠিত ছাৰ্ক শীৰ্ষ সন্মিলনত ঘোষণা কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ঘোষণা কৰা এই দৃষ্টিভংগী অনুসৰি অঞ্চলটোৰ প্ৰতি ভাৰতৰ দৃষ্টিভংগী পাঁচোটা স্তম্ভত প্ৰতিষ্ঠিত। সেয়া হৈছে বাণিজ্য, বিনিয়োগ, সাহায্য, সকলো ক্ষেত্ৰতে সহযোগিতা, নাগৰিকৰ মাজত যোগাযোগ আৰু পৰস্পৰৰ মাজত মসৃণ সংযোগ স্থাপন। প্ৰগতিক বাধাগ্ৰস্ত কৰিব খোজা সকলৰ প্ৰতি কটাক্ষ কৰি তেওঁ কয় যে ছাৰ্ক দেশসমূহৰ মাজত 'নৱ চেতনা' আৰু একাত্মতাই গা টঙাই উঠিছে আৰু প্ৰতিখন সদস্য ৰাষ্ট্ৰই এই সত্যক স্বীকাৰ কৰি ল'বই লাগিব। তেওঁ আৰু কয়, 'এয়া 'ছাৰ্ক'ৰ জৰিয়তে কিম্বা ছাৰ্কৰ বাহিৰতো সম্ভৱ হ'ব পাৰে। এই প্ৰক্ৰিয়াত ছাৰ্কৰ সকলো সদস্য থাকিবও পাৰে অথবা কেৱল একাংশ দেশৰ সহযোগিতাৰেও এই প্ৰক্ৰিয়া সম্পূৰ্ণ হ'ব পাৰে।

যি কি নহওক, আমাৰ চুবুৰীয়া সকলৰ মাজৰ গুৰুত্বপূৰ্ণ কেইখনমান দেশৰ সৈতে গঢ় লোৱা আমাৰ সম্পৰ্কৰ বিষয়ে আলোচনা কৰোঁ।

**ভূটানঃ**

হিমালয়স্থিত ৰাজতন্ত্ৰ ভূটানৰ লগত আমাৰ সম্পৰ্ক অতি সতৰ্কতাৰে প্ৰতিপালন কৰি অহা হৈছে। ইয়াক এটা দৃষ্টান্ত বুলিয়েই অভিহিত কৰিব পাৰি। প্ৰধান মন্ত্ৰী হিচাপে কাৰ্য ভাৰ গ্ৰহণ কৰাৰ পাছত কৰা বিদেশ ভ্ৰমণৰ বাবে মোডীয়ে ভূটানক নিৰ্বাচিত কৰা কথাই যেন বিশেষ তাৎপৰ্য বহন কৰিছে। দৰাচলতে ভূটানক ভৰসাৰ পাত্ৰ আৰু বিশ্বাসী বন্ধু হিচাপে দীৰ্ঘদিনে ভাৰতে গ্ৰহণ কৰি অহা স্থিতি দোহাৰিবলৈকে যেন এই যাত্ৰা কৰা হৈছিল (১৫-১৬ জুন, ২০১৪)। প্ৰধান মন্ত্ৰীৰ এই ভ্ৰমণত দেশখনৰ সৈতে সহযোগিতা বৃদ্ধিৰ লগতে অৰ্থনৈতিক সম্পৰ্ক শক্তিশালী কৰাত বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছিল। ১৯৬১ চনত প্ৰথমবাৰৰ বাবে পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰে পৰা ভাৰতে আগবঢ়াই অহা সহযোগিতাক ভূটানে বাৰুকৈয়ে প্ৰশংসা কৰি আহিছে। ভূটানৰ জলবিদ্যুৎ প্ৰকল্পলৈ ভাৰতে আগবঢ়োৱা সহযোগিতা দুয়োখন দেশৰ বাবে শুভফলদায়ক হিচাপে পৰিগণিত হোৱাৰ লগতে এই নিদৰ্শন আন দেশৰ, বিশেষকৈ নেপালৰ দৰে দেশৰ বাবে সুযোগ গ্ৰহণ কৰিবলৈ উৎকৃষ্ট আৰ্হি হিচাপে চিহ্নিত হ'ব পাৰে। জলবিদ্যুতৰ বাবে থকা ভূটানৰ বিপুল সম্ভাৱনীয়তালৈ লক্ষ্য কৰি ইয়াত স্থাপিত প্ৰকল্পলৈ ভাৰতে বিত্তীয় সহযোগিতা আগবঢ়োৱাৰ বিপৰীতে আমাৰ দেশত দ্ৰুত গতিত বৃদ্ধি পাই অহা বিদ্যুতৰ চাহিদা পূৰণৰ বাবে ভূটানৰ বিদ্যুৎ ক্ৰয় কৰাৰ সুযোগ গ্ৰহণ কৰা হৈছে। ফলত ভাৰতৰ বিদ্যুৎ-চাহিদা পূৰণ হোৱাৰ বিপৰীতে ভূটানে ৰাজহ আহৰণৰ সুবিধা লাভ কৰিছে। ইতিপূৰ্বে ভূটানে প্ৰধান মন্ত্ৰী মোডীৰ ভ্ৰমণৰ সময়ত দেশখনত থিতাপি লোৱা উগ্ৰপন্থীক উৎখাতত ভাৰতক সহযোগিতা আগবঢ়োৱাৰ উপৰি ভৱিষ্যতে ভাৰত-বিৰোধী কোনো কূটাঘাতকাৰীক আশ্ৰয় নিদিয়াৰ প্ৰতিশ্ৰুতি দোহাৰে।

**বাংলাদেশঃ**

১৯৭১ চনৰ মুক্তি সংগ্ৰামত ভাৰতে গ্ৰহণ কৰা ভূমিকাক ভূয়সী প্ৰশংসা কৰি আহিলেও বাংলাদেশেৰে ভাৰতৰ সম্পৰ্কক বহু উত্থান-পতনৰ সম্পৰ্ক বুলিহে অভিহিত কৰিব পাৰি। যি মুহূৰ্তত শ্বেইখ হাছিনা নেতৃত্বাধীন আৱামী লীগ পাৰ্টীক ভাৰতৰ প্ৰতি সহানুভূতিশীল বুলি গ্ৰহণ কৰি অহা হৈছে সেই মুহূৰ্তত কিন্তু খালেদা জিয়া নেতৃত্বাধীন 'বাংলাদেশ জামাত-ঈ-ইছলামী' দলে ভাৰতৰ প্ৰতি কঠোৰ দৃষ্টি ভংগী গ্ৰহণ কৰা দলৰ নিদৰ্শনাহে দাঙি ধৰি আহিছে। শেহতীয়া ভাৱে দল দুটাই পাল পাতি দেশখনৰ শাসন ভাৰ গ্ৰহণ কৰাৰ পৰিপ্ৰেক্ষিতত ভাৰতেৰে সম্পৰ্কৰ ক্ষেত্ৰতো 'অগ্ৰগতি লাভ' আৰু 'বাধাগ্ৰস্ত' হোৱাৰ ইতিহাস ৰচিত হৈছে। বিভিন্ন

সময়ত ভাৰতৰ উগ্ৰপন্থীক আশ্ৰয় দি ভাৰত-বিৰোধী কাৰ্যকলাপ চলাবলৈ সুযোগ দান কৰি বাংলাদেশে সম্পৰ্ক বিঘ্নিত কৰি অহাৰ উপৰি, দেশখনৰ পৰা ভাৰতলৈ হোৱা অনুপ্ৰৱেশ, উত্তৰ-পূৰ্বাঞ্চলত সৃষ্টি কৰা সামাজিক উত্তেজনা, অমীমাংসিত সীমান্তৰে চোৰাং বেহা অব্যাহত ৰখা, উমৈহতীয়া নৈ সমূহৰ পানীৰ ভাগ-বাতোৰাৰা, বিশেষকৈ তিস্তা নৈৰ পানীক লৈ অব্যাহত মত বিৰোধ আদিয়ে দেশখনৰ সৈতে ভাৰতৰ সম্পৰ্ক তিক্ততাপূৰ্ণ কৰি আহিছে। অৱশ্যে শেহতীয় বছৰচেৰেকত দেশখনৰ শাসনাধিষ্ঠিত শ্বেইখ হাছিনা চৰকাৰে ভাৰতৰ নিৰাপত্তা জনিত সমস্যা সমাধানৰ প্ৰতি গ্ৰহণ কৰা স্থিতিৰ বিপৰীতে ভাৰতে পৰ্যাপ্ত ৰূপত পৃষ্ঠপোষকতা আগবঢ়োৱা নাই বুলি এই বিশেষ ধাৰণাই গঢ় লৈ উঠিছিল। এই কথা হৃদয়ংগম কৰিয়েই প্ৰধান মন্ত্ৰী মোডীয়ে তেওঁৰ কাৰ্যকালৰ এবছৰ সম্পূৰ্ণ হোৱাৰ সময়তে যোৱা ৬-৭ জুনত বাংলাদেশ ভ্ৰমণ কৰে। এই ভ্ৰমণৰ কেন্দ্ৰ বিন্দু আছিল ভাৰত-বাংলাদেশৰ মাজৰ স্থলসীমাৰ দীৰ্ঘদিনীয়া বিবাদৰ স্থায়ী মীমাংসা। সীমা সমস্যা সমাধানৰ লক্ষ্যৰে দুয়োখন দেশৰ মাজত ১৯৭৪ চনতে চুক্তি স্বাক্ষৰিত হৈছিল যদিও পৰৱৰ্তী চৰকাৰ সমূহে বিভিন্ন কাৰণত চুক্তিখন সংসদত গৃহীত কৰোৱাত সফল হ'ব পৰা নাছিল। এই ক্ষেত্ৰত পশ্চিম বংগ,অসমৰ দৰে ৰাজ্যই উত্থাপন কৰি অহা আপত্তিয়েও প্ৰতিবন্ধকতাৰ সৃষ্টি কৰি আহিছিল। শেহতীয়া ভাৱে প্ৰধান মন্ত্ৰী মোডীয়ে গ্ৰহণ কৰা দক্ষতাপূৰ্ণ ভূমিকাৰ সুবাদত১৯৭৪ চনৰ চুক্তিখনৰ লগতে ২০১১ চনত সম্পাদিত ভূমি হস্তান্তৰ বুজাবুজি গৃহীত কৰিব পৰাকৈ সংবিধানৰ ১০০ সংখ্যক সংশোধনী প্ৰস্তাৱত সংসদৰ দুয়োখন সদনে সৰ্বসন্মত ভাৱে অনুমোদন জনায়। স্থল সীমা সম্পৰ্কীয় চুক্তিখনৰ ৰূপায়ণে দুয়োখন দেশৰ মাজৰ ৪০৯৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ সীমান্তৰ অস্পষ্টতা আতঁৰাই অঞ্চল সমূহত বসবাস কৰা ৫০,০০০ ৰো অধিক অধিবাসীক নতুন পৰিচিতিয়েই কেৱল প্ৰদান কৰা নাই, বৰং প্ৰভাৱশালী সীমান্ত প্ৰবন্ধন ব্যৱস্থা গঢ়ি তুলি উগ্ৰপন্থী কাৰ্যকলাপৰ উপৰি মানৱ সম্পদৰ বেহা, অনুপ্ৰৱেশ তথা ক'লা বেপাৰৰ দৰে সমস্যা সমাধানৰ লগতে অন্যান্য বহু সমস্যাৰ সমাধানৰ বাট প্ৰশস্ত কৰি তুলিছে।

ইয়াৰ উপৰি প্ৰধান মন্ত্ৰীৰ বাংলাদেশ ভ্ৰমণৰ সুপৰিণতি হিচাপে বাণিজ্যিক আৰু ভ্ৰমণ সংক্ৰান্তীয় কাৰ্যকলাপৰ বাবে বাংলাদেশে ভাৰতলৈ আগবঢ়োৱা সংযোগী পথৰ সুবিধাৰ কথা বিশেষভাৱে উল্লেখ কৰিব লাগিব। এই পথৰ সুবাদত দেশৰ অন্য প্ৰান্তৰ সৈতে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ যোগাযোগ ব্যৱস্থাই বিশেষ মাত্ৰা লাভ কৰিব। প্ৰণিধানযোগ্য যে ইমান দিনে এই কাৰ্য কেৱল 'চিকেন নেক' বুলি পৰিচিতি লাভ কৰা অতিকৈ সংকুল শিলিগুড়ি কৰিড'ৰৰেই চলাই থকা হৈছিল। সেইদৰে আঞ্চলিক পৰ্যায়ত পথ যোগাযোগ ব্যৱস্থাত নতুন দিগন্তৰ সূচনা কৰি কলকাতা-ঢাকা-আগৰতলা আৰু ঢাকা শ্বিলং -গুৱাহাটীৰ মাজত বাছ সেৱা প্ৰৱৰ্তন কৰা হৈছে। সেইদৰে উপকূলীয় জাহাজ পৰিবহন সংক্ৰান্তীয় চুক্তিৰ আধাৰত জাহাজ পৰিবহণৰ বাবে প্ৰয়োজনীয় সময় উল্লেখনীয় ভাৱে হ্ৰাস কৰিব পৰাৰ উপৰি অন্যান্য সুবিধাসমূহো উপলব্ধ কৰিব পৰা গৈছে। তদুপৰি বুজাবুজি চুক্তিৰ আধাৰত ভাৰতে বাংলাদেশৰ চট্টগ্ৰাম আৰু মঙলা বন্দৰ ব্যৱহাৰ কৰাৰ সুযোগ লাভ কৰিব। তাৎপৰ্যপূৰ্ণ কথাটো হ'ল বাংলাদেশে এইবাৰ এনেবোৰ সুবিধা প্ৰদানৰ বিনিময়ত 'তিস্তা'ৰ পানীৰ ভাগ বাতোৰাৰাৰ প্ৰসংগৰে চৰ্ত আৰোপ কৰা নাছিল।

বাংলাদেশত স্থাপন কৰিব খোজা বিশেষ ভাৰতীয় অৰ্থনৈতিক মণ্ডলত ভাৰতৰ বিনিয়োগক উৎসাহিত কৰা উচিত। ইয়াৰ বিপৰীতে বাণিজ্যিক ঘাটি, অথবা নিয়োগ সম্ভাৱনা সৃষ্টিৰ দৰে বাংলাদেশৰ স্বাৰ্থ জড়িত প্ৰসংগসমূহ পূৰণৰ বাবে পদক্ষেপ গ্ৰহণৰো প্ৰয়োজনীয়তা থাকিব। ইফালে দ্বিতীয় পৰ্যায়ৰ সহযোগিতা হিচাপে আগবঢ়োৱা ২ বিলিয়ন মাৰ্কিন ডলাৰ পৰিমাণৰ ঋণৰ সুবিধাই বাংলাদেশক বিশেষকৈ ৰাজহুৱা পৰিবহণ, স্থল পথ নিৰ্মাণ, আভ্যন্তৰীণ ৰে'ল সেৱা, বন্দৰ, শিক্ষা, স্বাস্থ্য আদি খণ্ডৰ বিভিন্ন উন্নয়নমূলক প্ৰকল্প ৰূপায়ণৰ বাবে বিশেষ সুবিধা আগবঢ়াব। ভাৰত-বাংলাদেশৰ সম্পৰ্ক এতিয়া যুক্তিসিদ্ধ ভাৱেই মূল্যবোধ সম্পন্ন নতুন পৰ্যায়ত উপনীত হৈছে। সম্পৰ্কৰ সুস্থিৰতাই নিশ্চিতি লাভ কৰিছে। তদুপৰি প্ৰধান মন্ত্ৰীৰ ভ্ৰমণে ভৱিষ্যতৰ দ্বিপাক্ষিক তথা উপ আঞ্চলিক সহযোগিতাৰ বাবে গুৰুত্বপূৰ্ণ ক্ষেত্ৰৰ বাবে দীঘলীয়া কৰ্মসূচীৰ ৰূপৰেখা নিৰূপিত কৰিলে বুলি ভবাৰ থল আছে। ইয়াৰ ভিতৰত জল সম্পদৰ অংশীদাৰিত্ব,শক্তি খণ্ড (অসামৰিক পাৰমাণৱিক শক্তিখণ্ডকে ধৰি), মহাকাশ, দ্বিপাক্ষিক বাণিজ্যৰ ক্ষেত্ৰত থকা বাধা আঁতৰোৱাকে ধৰি বাণিজ্য তথা বিনিয়োগ,বাংলাদেশত স্থাপন কৰিব খোজা ভাৰতৰ বাবে বিশেষ অৰ্থনৈতিক মণ্ডল স্থাপনৰ প্ৰকল্প, মসৃণ বহুমুখী যোগাযোগ ব্যৱস্থা আৰু প্ৰভাৱশালী সীমান্ত প্ৰবন্ধন ব্যৱস্থা গঢ়ি তোলাৰ দৰে ক্ষেত্ৰসমূহ উল্লেখনীয়। আটাইতকৈ ডাঙৰ কথাটো হ'ল, প্ৰধান মন্ত্ৰীৰ এই ভ্ৰমণে বাংলাদেশত ভাৰতৰ সামৰ্থ্য সম্পৰ্কে জনসাধাৰণৰ মনত গভীৰ বিশ্বাসযোগ্যতাৰ সৃষ্টি কৰিবলৈ সক্ষম হ'ল।

**আফগানিস্তানঃ**

অতীতৰ বহুকেইটা বছৰত আফগানিস্তানে গভীৰ সংকটৰ সময় অতিবাহিত কৰিছিল। আফগানিস্তানৰ সাম্প্রতিক পৰিস্থিতিও ভাৰতৰ বাবে উদ্বিগ্নতাৰ কাৰণ হৈয়ে ৰৈছে। কিয়নো দেশখনৰ সৈতে ভাৰতৰো নিৰাপত্তাজনিত স্বাৰ্থ জড়িতহৈ আছে। নাটো সেনাৰ উপস্থিতিও ক্রমাৎ স্তিমিত হৈ আহিছে। দেশখনৰ শেহতীয়া ৰাজনৈতিক পট পৰিৱৰ্তন প্রক্রিয়া মসৃণ ৰূপত সম্পন্ন হোৱা নাই। অদূৰ ভৱিষ্যতে যদি দেশখনলৈ তালিবানৰ পুনৰাৱৰ্তন ঘটে তেন্তে ভাৰতৰ প্রয়াস সমূলঞ্চে অথলে যাব। আনহাতে পাকিস্তানৰ ছত্ৰছায়াত পৰিচালিত, মৌলবাদীৰ নিয়ন্ত্রণাধীন কোনো আফগান প্রশাসনো ভাৰতৰ স্বাৰ্থৰ অনুকূল নহ'ব। যোৱা বছৰৰ ছেপ্টেম্বৰ মাহত কাৰ্যভাৰ গ্ৰহণ কৰিয়েই আফগানিস্তানৰ নতুন ৰাষ্ট্রপতি মহম্মদ আশ্রফ ঘানীয়ে তেওঁৰ বৈদেশিক নাতিৰ অগ্ৰাধিকাৰ সূচীত ভাৰতৰ স্থান বহুখিনি অৱনমিত কৰাৰহে ইংগিত প্রদান কৰিলে। দায়িত্ব ভাৰ গ্ৰহণৰ বহুকেইটা মাহৰ পাছতহে তেওঁ (২৮-২৯ এপ্রিল,২০১৫) ভাৰত ভ্ৰমণলৈ অহাৰ বাবে আহৰি উলিয়াইছিল। ইয়াৰ আগতে তেওঁ কিন্তু ইউনাইটেড কিংডম আৰু ছৌদী আৰবৰ উপৰি আমাৰ অঞ্চলৰ দুখন দেশ চীন আৰু পাকিস্তান ভ্ৰমণ কৰিছিল। স্বাভাৱিক কাৰণতে তেওঁৰ এই ভ্ৰমণ সূচীয়ে ভাৰতত সকলোৰে চকু কপালত তুলিছিল। তেওঁৰ ভ্ৰমণ কালত সেয়ে প্ৰশ্নৰ অৱতাৰণা কৰা হৈছিল যে তেওঁৰ ভ্ৰমণ সূচীয়ে বাৰু ভাৰতক পৰিহাৰ কৰি পাকিস্তানৰ সপক্ষে স্থিতি গ্ৰহণ কৰিব পৰাকৈ আফগানিস্তানৰ বৈদেশিক নাতিৰ পৰিৱৰ্তনৰ ইংগিত বহন কৰিছে নেকি? অৱশ্যে নতুন দিল্লীত থকা সময়ছোৱাত আফগান ৰাষ্ট্রপতিজনে এনে ধৰণৰ ধাৰণাক গুৰুত্বহীন বুলি প্রতিষ্ঠা কৰাৰ বাবে বহুবাৰ সচেতনতাৰে প্রয়াস কৰা দেখিবলৈ পোৱা গৈছিল। ভাৰতৰ টেলিভিছন চেনেল এন ডি টি ভিত যেতিয়া ৰাষ্ট্রপতিগৰাকীক সুধিছিল — আপোনাৰ ভ্ৰমণৰ সময়সূচীয়ে বাৰু অগ্ৰাধিকাৰক প্রতিফলিত কৰিছেনে কি? ৰাষ্ট্রপতি গৰাকীয়ে পোনপতীয়া উত্তৰ দিয়াৰ পৰা বিৰত থাকি এটা যোজনাৰ উল্লেখ কৰি কয়, 'দেৰ আয়াদ, দুৰুস্ত আয়াদ' (একে বাৰে নহাতকৈ পলমকৈ অহাই ভাল)। যেন মৈত্ৰীক লৈ সন্দিহানহে হৈছিল, তেনে সুৰেই প্ৰকট কৰি ২৮ এপ্রিল, দিনা ২০১৫ ৰ প্রকাশিত যুটীয়া বিবৃতিত সংযোজিত কৰা হৈছিল, ' এই অঞ্চলৰ শান্তি, সমৃদ্ধি আৰু সুৰক্ষাৰ প্রসংগ অবিভাজ্য আৰু কোনোবা দেশ কিম্বা দেশৰ গোটৰ স্বাৰ্থ বিঘ্নিত কৰি দেশ সমূহৰ মাজত পৰস্পৰৰ প্রতি সন্মানজনক সম্পৰ্ক স্থাপন কৰা সম্ভৱ নহয়।' একেটা বিবৃতিত আফগান ৰাষ্ট্রপতি গৰাকীয়ে ভাৰতৰ সৈতে আফগানিস্তানৰ দৃষ্টি ভংগী দোহাৰি কয়, 'আফগানিস্তানৰ বিদেশ নাতিৰ পাঁচোটা 'বৃত্ত'ৰ চতুৰ্থত ভাৰতে অৱস্থান কৰিছে।' যি কি নহওক এনে ধৰণৰ বিবৃতিৰ পাছত ভাৰতীয় নেতৃত্বই আফগানিস্তানৰ ভিতৰে-বাহিৰে অব্যাহত থকা পৰিস্থিতিৰ ক্ষেত্ৰত সতৰ্ক দৃষ্টি ৰখাৰ প্রয়োজনীয়তা স্বীকাৰ কৰিব লাগিব, কিয়নো আফগানিস্তানৰ সুস্থিৰতা আৰু বন্ধুত্বৰ ক্ষেত্ৰত ভাৰতে মনোযোগী স্থিতি গ্ৰহণ কৰি আহিছে। দ্বিপাক্ষিক ভাৱে ভাৰত আফগানিস্তানৰ সৈতে কৌশলগত সহযোগিতা চুক্তিৰে বান্ধ খাই আছে। সেই মৰ্মে দেশ খনৰ আন্তঃগাঁথনিমূলক উন্নয়ন ত্বৰান্বিত কৰা, গণতান্ত্রিক নিকায়সমূহৰ সবলীকৰণ, আফগানিস্তানলৈ সুস্থিৰতা ঘুৰাই অনাৰ বাবে আৰম্ভ কৰা অভিযানৰ অংশ হিচাপে আফগান সশস্ত্র সেনা বাহিনীৰ প্রশিক্ষণকে ধৰি দক্ষতা বিকাশ কাৰ্যক্রম ৰূপায়ণ প্রসংগক ভাৰতে অগ্ৰগণ্য বিষয় হিচাপে সূচীভুক্ত কৰিছে।

**পাকিস্তান :** ১৯৪৭ চনত দেশ বিভাজনৰে পৰা ভাৰত-পাকিস্তানৰ মাজৰ সম্পৰ্কই সদায়ে সাধাৰণতকৈ তলত অৱস্থান কৰি আহিছে। দুয়োখন দেশৰ মাজত ১৯৪৮, ১৯৬৫, ১৯৭১ আৰু শেহতীয়া ভাৱে ১৯৯৯ চনত কাৰ্গিলত যুদ্ধ সংঘটিত হৈ গৈছে। সীমাৰ সিপাৰৰ পৰা ভাৰতৰ বিৰুদ্ধে অব্যাহত সন্ত্ৰাসবাদীৰ যুঁজ বিৰামহীন ভাৱে চলি আছে। বিগত সময়ছোৱাত হাজাৰ প্রয়াস কৰা হৈছে যদিও প্রতিবাৰেই এই প্রয়াসে মুখ ঠেকেচা খাই পূৰ্বৰ স্থানলৈকে উভতি অহাহে দেখিবলৈ পোৱা গৈছে।

নতুন চৰকাৰে কাৰ্যভাৰ গ্ৰহণ কৰাৰ সময়ত পাকিস্তানেৰে সম্পৰ্ক আটাইতকৈশোচনীয় পৰ্যায় পাইছিলগৈ। যোৱা বছৰৰ মে' মাহত অনুষ্ঠিত প্রধানমন্ত্রী মোডীৰ শপত গ্ৰহণ অনুষ্ঠানলৈ পাকিস্তানকে ধৰি ছাৰ্ক দেশৰ ৰাষ্ট্র তথা চৰকাৰৰ মূৰব্বী সকলক জনোৱা আমন্ত্ৰণৰ হাত ধৰি এই অৱস্থাৰ পৰিৱৰ্তন সাধনৰ এটা পথ মুকলি হোৱা বুলি ধাৰণা কৰা হৈছিল। প্রাথমিক পৰ্যায়ত হেঁহকা-পিচলা কৰিছিল যদিও মূৰকত পাক প্রধান মন্ত্রী নৱাজ শ্বৰিফে অনুষ্ঠানত ভাগ লৈছিলহি আৰু ভাৰতীয় নেতৃত্বৰে হোৱা সাক্ষাতৰ পাছত বিদেশ সচিব পৰ্যায়ৰ আলোচনাত মিলিত হোৱাৰ বাবে সন্মতি জ্ঞাপন কৰিছিল। পিছে পৰৱৰ্তী আগষ্ট মাহত আলোচনাৰ উদ্দেশ্যে ভাৰতৰ সচিবগৰাকীয়ে ইছলামাবাদলৈ যাত্রা কৰাৰ প্ৰাক মুহূৰ্তত ভাৰতস্থিত পাক উচ্চায়ুক্ত গৰাকীয়ে কাশ্মীৰৰ বিচ্ছিন্নতাবাদী সংগঠনৰ নেতৃবৃন্দৰে সাক্ষাৎ কৰা কাণ্ডত স্তম্ভিত হৈ ভাৰতে সচিব পৰ্যায়ৰ আলোচনা স্থগিত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই সিদ্ধান্তৰ জৰিয়তে ভাৰতে দৰাচলতে কোনো পৰিস্থিতিতে কাশ্মীৰ প্রসংগক লৈ পাকিস্তানৰ হস্তক্ষেপ গ্রাহ্য কৰা নহ'ব বুলি এটা বাৰ্তা প্ৰেৰণ কৰে।

এই প্ৰসংগত ভাৰত চৰকাৰে প্ৰকাশ কৰা এটাবিবৃতিত উল্লেখ কৰা হয় , 'হুৰিয়তৰ তথাকথিত নেতাসকলক পাকিস্তানৰ উচ্চায়ুক্ত গৰাকীয়ে জনোৱা আমন্ত্ৰণে দৰচলতেই দেশখনৰ আন্তৰিকতা সন্দৰ্ভত প্ৰশ্নৰ অৱতাৰণা কৰালে, এই কাণ্ডই নেতিবাচকতা প্ৰকট কৰাৰ লগতে ভাৰতৰ আভ্যন্তৰীণ প্ৰসংগত হস্তক্ষেপ কৰাৰ অব্যাহত প্ৰৱণতাকহে উদঙাই দেখুৱালে। এনে পৰিস্থিতিত অহা সপ্তাহত ইছলামাবাদলৈ যাব লগা বিদেশ সচিব গৰাকীৰ ভ্ৰমণে কোনো সুফল লাভ কৰিব বুলি আশা কৰিব নোৱাৰি।' যোৱা বছৰৰ ছেপ্টেম্বৰ মাহত অনুষ্ঠিত ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ অধিৱেশনত পাকিস্তানে আকৌ এবাৰ কাশ্মীৰ প্ৰসংগক আন্তঃৰাষ্ট্ৰীয় কৰণৰ অপচেষ্টা চলাই পৰিস্থিতি অধিক শোচনীয় কৰি তোলে। প্ৰণিধানযোগ্য যে ১৯৭২ চনত স্বাক্ষৰিত চিমলা চুক্তিৰ আধাৰত পাকিস্তানে কাশ্মীৰ প্ৰসংগক উভয় দেশৰ দ্বিপাক্ষিক প্ৰসংগ হিচাপে স্বীকাৰ কৰিছিল ।

তথাকথিত 'ছাৰ্ক যাত্ৰা'ৰ নামত বিদেশ সচিব গৰাকীক পাকিস্তানলৈ প্ৰেৰণৰ (৩ মাৰ্চ, ২০১৫) বাবে লোৱা চৰকাৰৰ সিদ্ধান্ত, ইয়াৰ আধাৰত ভাৰত-পাকিস্তানৰ মাজত ক্ৰিকেট শৃংখলা পুনৰ আৰম্ভ কৰাৰ বাবে প্ৰচেষ্টা চলোৱা বুলি একাংশ সংবাদ মাধ্যমত প্ৰকাশিত বাতৰিয়ে ভাৰতৰ পাকিস্তান নীতি প্ৰসংগত প্ৰশ্নৰ অৱতাৰণা কৰিছিল। এই প্ৰসংগত ৩১ মাৰ্চ, ২০১৫ ত নতুন দিল্লীত অনুষ্ঠিত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী সুষমা স্বৰাজৰ সংবাদ মেলখন নিতান্তই গুৰুত্বপূৰ্ণ আছিল। ভাৰতৰ পাক নীতিৰ ক্ষেত্ৰত কোনো ধৰণৰ হোঁহকা-পিচলা কৰাৰ কথা স্পষ্ট ভাষাৰে অস্বীকাৰ কৰা মন্ত্ৰীগৰাকীয়ে কয় যে আৰম্ভণিৰে পৰা তেওঁলোকৰ চৰকাৰে আলোচনাৰ বাবে তিনিটা মাপক নিৰ্ধাৰণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে আৰু এই কথা পাকিস্তানক বাৰম্বাৰ অৱগত কৰি থকা হৈছে ; ভাৰত সামান্য হীন-দেঢ়ি নোহোৱাকৈ সেই স্থিতিত অটল আছে। ভাৰতে গ্ৰহণ কৰা প্ৰথম সূত্ৰ অনুসৰি সকলো প্ৰসংগ শান্তিপূৰ্ণ আলোচনাৰ জৰিয়তে সমাধান কৰিব লাগিব; দ্বিতীয়তে আলোচনা কেৱল ভাৰত-পাকিস্তানৰ মাজতে সীমাবদ্ধ থাকিব,কোনো পৰিস্থিতিতে তৃতীয় দেশৰ উপস্থিতি মানি লোৱা নহ'ব আৰু অন্তত চিমলা চুক্তি তথা লাহোৰ ঘোষণা পত্ৰৰ আধাৰত শান্তিপূৰ্ণ পৰিৱেশত আলোচনা অনুষ্ঠিত হ'ব লাগিব।

পাকিস্তানেৰে সম্পৰ্কৰ প্ৰসংগ বিশ্লেষণ কৰি চালে এটা কথা স্পষ্ট হয় যে ভাৰত- পাক সম্পৰ্ক বিঘ্নিত হোৱাৰ অন্তৰালত সমস্যাৰ গুৰি কাশ্মীৰ নহয়, বৰং এই সমস্যাৰ প্ৰকৃত গুৰি হ'ল পাকিস্তানত বৰ্তি থকা ক্ষমতাৰ বহুকেন্দ্ৰিক পৰিৱেশ। এয়া হৈছে ক্ষমতাশালী সেনা বাহিনী, প্ৰভাৱশালী আই এছ আই, মোলবাদী বাহিনী তথা লবী আৰু গণতান্ত্ৰিক ভাবে নিৰ্বাচিত যদিও অতিকে সোপা ঢিলা চৰকাৰ। ক্ষমতাৰ এই কেন্দ্ৰসমূহৰ মাজত ঐক্যমত স্থাপন অবিহনে ভাৰত-পাক সম্পৰ্ক উন্নত হোৱাৰ সম্ভাৱনা কেৱল আকাশ কুসুম কল্পনা হৈয়ে ৰ'ব।

**শ্ৰীলংকাঃ**

২০০৯ চনত এল টি টি ইৰ পতনৰ পিচত শ্ৰীলংকাৰ ক্ষেত্ৰত ভাৰতে বহুমুখী নীতি গ্ৰহণ কৰিব খুজিছে। এই নীতিৰ উল্লেখনীয় দিশবোৰ হ'ল— ১) শ্ৰীলংকাৰ তামিলসকলক প্ৰদান কৰা প্ৰতিশ্ৰুতি, বিশেষকৈ ক্ষমতাৰ অৰ্থবহ হস্তান্তৰণ নিশ্চিত কৰাৰ বাবে শ্ৰীলংকাৰ চৰকাৰক সৈমান কৰাৰ উপৰি সময় নিৰ্ধাৰণত ৰূপত ত্ৰয়োদশ সংশোধনী ৰূপায়ণ কৰা, ২) ত্ৰয়োদশ সংশোধনী প্ৰশমনৰ কোনো প্ৰচেষ্টা সফল হ'বলৈ নিদিয়াৰ বাবে সকলো প্ৰয়াস অব্যাহত ৰখাৰ প্ৰতিশ্ৰুতি দোহৰাৰ উপৰি ভৱিষ্যতে সম্প্ৰদায়টোক সমতা, ন্যায় আৰু আত্ম-সন্মান বোধেৰে জীয়াই থকাৰ সুযোগ দিয়াৰ বাবে প্ৰদান কৰা প্ৰতিশ্ৰুতি অক্ষুণ্ণ ৰখা, ৩) অসামৰিক যুদ্ধৰ সময় ছোৱাত বাৰুকৈয়ে ক্ষতিগ্ৰস্ত হোৱা উত্তৰ শ্ৰীলংকাৰ পুণৰুত্থান সম্ভৱ কৰিব পৰাকৈ বিনিয়োগৰ দিহা কৰা, ৪) যিমান দূৰ সম্ভৱ ভাৰতৰ তামিল নেতৃবৃন্দৰ দাবী সমূহ গ্ৰহণ কৰি মূৰকত কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাৰ ভিত্তিত যুগুতোৱা বিদেশ নীতিৰ জৰিয়তে ক্ষুদ্ৰ আঞ্চলিক অগ্ৰগণ্যতাৰ বিপৰীতে বিস্তৃত ৰূপত ৰাষ্ট্ৰীয় স্বাৰ্থ পূৰণৰ দিহা কৰা, ৫) শ্ৰীলংকাত অব্যাহত থকা চীনৰ তৎপৰতাক সতৰ্কতাৰে নিৰীক্ষণ কৰাৰ উপৰি দেশখনৰ চীনৰ প্ৰতি থকা দুৰ্বলতাক বাধা প্ৰদান কৰা আৰু ৬) মাছমৰীয়া সকলৰ প্ৰসংগাৱলীৰ সমাধানসূত্ৰ উদ্ভাৱন কৰা।

দুৰ্ভাগ্যজনক ভাৱে দেশখনৰ ভূতপূৰ্ব ৰাষ্ট্ৰপতি মহিন্দ্ৰ ৰাজপাক্ষই তামিল সংখ্যালঘু সকললৈ ক্ষমতা হস্তান্তৰণৰ প্ৰতিশ্ৰুতি পালন নকৰাৰ লগতে চীনৰ পক্ষত অৱস্থান গ্ৰহণ কৰি থৈছে গৈছে। তেওঁ গ্ৰহণ কৰা চীন সাপেক্ষ নীতিৰ সুবিধা গ্ৰহণ কৰি চীনে শ্ৰীলংকাৰ গুৰুত্বপূৰ্ণ সমৰ কৌশলগত স্থানসমূহ অধিগ্ৰহণ কৰে। এল টি টি ইৰ বিৰুদ্ধে অব্যাহত যুদ্ধৰ সময়ছোৱাত শ্ৰীলংকা চৰকাৰে খৰ্ব কৰা মানৱাধিকাৰ সন্দৰ্ভত ৰাষ্ট্ৰসংঘৰ মানৱাধিকাৰ পৰিষদৰ সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত ভাৰতে ২০১২ আৰু ২০১৩ চনত দুবাৰকৈ শ্ৰীলংকাৰ বিৰুদ্ধে ভোট দান কৰা কাৰ্যক দেশখনে আক্ষৰিক অৰ্থতেই সহজভাৱে গ্ৰহণ কৰা নাছিল। ২০১৪ চনত ভাৰতে এই প্ৰক্ৰিয়াত ভাগ লোৱাৰ পৰা আঁতৰি থকাৰ সিদ্ধান্ত গ্ৰহণ কৰে যদিও এয়া শ্ৰীলংকাক নিচুকাবলৈ পৰ্যাপ্ত নাছিল বুলিয়েই ক'ব লাগিব।

আজিৰ তাৰিখত ভাৰত আৰু শ্ৰীলংকা দুয়োখন দেশতে নতুন চৰকাৰে কাৰ্যভাৰ গ্ৰহণ কৰিছে। চলিত বৰ্ষৰ জানুৱাৰি মাহত শ্ৰীলংকাত নতুন চৰকাৰে কাৰ্যভাৰ গ্ৰহণ কৰাৰে পৰা এই কম সময়ছোৱাতে দুয়োখন দেশৰ মাজত চাৰিটাকৈ শীৰ্ষ পৰ্যায়ৰ ভ্ৰমণ সম্পন্ন হয়। (শ্ৰীলংকাৰ বিদেশ মন্ত্ৰীৰ ভাৰত ভ্ৰমণ, ভাৰতৰ বৈদেশিক মন্ত্ৰীৰ শ্ৰীলংকা ভ্ৰমণ; শ্ৰীলংকাৰ ৰাষ্ট্ৰপতিৰ ভাৰত ভ্ৰমণ আৰু ভাৰতৰ প্ৰধান মন্ত্ৰীৰ শ্ৰীলংকা ভ্ৰমণ) বাস্তৱিকতেই এই ভ্ৰমণ পৰিক্ৰমাই দুয়োখন দেশে যে নতুন সংজ্ঞাৰে পৰস্পৰৰ মাজত সমন্ধৰ এনাজৰী বান্ধিববলৈ মন মেলিছে সেই কথাকে প্ৰতীয়মান কৰে। শ্ৰীলংকাৰ সংবিধানৰ ত্ৰয়োদশ সংশোধনীৰ উপৰি দুয়োখন দেশৰ মাজত পুনৰ মৈত্ৰী স্থাপন কৰা, মাছমৰীয়াসকলৰ নিৰাপত্তা আৰু সুৰক্ষা নিশ্চিত কৰা, ভাৰতৰ সুৰক্ষাৰ প্ৰতি থকা স্পৰ্শকাতৰতা আঁতৰোৱা, দুয়োখন দেশৰ মাজত বেপাৰ-বাণিজ্য বৃদ্ধি কৰাৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰা, নৌ সুৰক্ষা তথা মহাসাগৰীয় অৰ্থনীতিৰ দৰে প্ৰসংগ সমূহৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণত গুৰুত্ব আৰোপ কৰা হৈছে। সবাতোকৈ গুৰুত্ব পূৰ্ণ কথাটো হৈছে দুয়োখন দেশৰ চৰকাৰে পৰস্পৰৰ মাজত পুনৰ স্থাপন হোৱা বন্ধুত্বক আন এটা মাত্ৰা প্ৰদানৰ বাবে ইচ্ছা প্ৰকট কৰিছে। এনে প্ৰেক্ষাপটত শ্ৰীলংকাৰ নতুন চৰকাৰখনে ভাৰত আৰু চীনৰ সৈতে তেওঁলোকৰ সম্পৰ্কৰ ক্ষেত্ৰত এটা বাস্তৱসন্মত সমতুলতা বৰ্তাই ৰখাৰ প্ৰয়াস কৰিব বুলি আমি এই মুহূৰ্তত আশা কৰিব পাৰো।

**নেপালঃ**

বিগত বছৰচেৰেকত বিভিন্ন কাৰণত নেপালৰ সৈতে সম্পৰ্কলৈ এক ধৰণৰ স্থবিৰতা আহিছিল। নেপালৰ ৰাষ্ট্ৰীয়তাবাদী শক্তিসমূহে ভাৰত-নেপাল সম্পৰ্কৰ বুনিয়াদ ৰচনা কৰা ১৯৫০ চনৰ শান্তি আৰু বন্ধুত্ব সম্পৰ্কীয় চুক্তিখনৰ পুণৰীক্ষণৰ পোষকতা কৰিবলৈ লৈছিল। চুক্তিখনৰ আধাৰত নেপালী নাগৰিক সকলে ভাৰতত ভাৰতীয় নাগৰিকসকলে উপভোগ কৰা প্ৰায় সকলো ধৰণৰ সা-সুবিধা উপভোগৰ দুৰ্লভ সুযোগ লাভ কৰি আহিছে। চুক্তিখনৰ সুবাদতে ভূ-আৱদ্ধ দেশ হিচাপে সন্মুখীন হ'ব লগা সমস্যাৱলীৰ পৰা মুক্ত হোৱাৰ সুযোগ লাভ কৰিছে। নেপালৰ ন্যস্ত স্বাৰ্থজড়িত শক্তি সমূহৰ বাধাৰ বাবেই ভূটানৰ আৰ্হিত সেই দেশখনতো সম্ভৱ হ'ব পৰা জলবিদ্যুৎ প্ৰকল্পৰ বিপুল সম্ভাৱনীয়তা অথলে যাবলগীয়া হৈছে। ভাৰত-নেপাল জল বিদ্যুৎ সহযোগিতা বাস্তৱায়িত নোহোৱাৰ পৰিণতিত নিজৰ চাহিদাৰ সম্পূৰ্ণ পৰিমাণৰ বিদ্যুৎ শক্তি আমদানি কৰা দেশ হিচাপে চিহ্নিত হ'ব লগীয়া হৈছে নেপাল। দেশখনৰ জল সম্পদৰ অপচয় হোৱাৰ বিপৰীতে দেশখনৰ সীমান্তৱৰ্তী ভাৰতীয় ৰাজ্যকেইখন প্ৰচণ্ড বানৰ সন্মুখীন হৈ আহিব লগা হৈছে। এইবোৰৰ উপৰি বিগত এটা দশকৰো ওপৰ কালে নেপালত এক ধৰণৰ ৰাজনৈতিক পক্ষান্তৰ প্ৰক্ৰিয়া অব্যাহত আছে। দেশখনত ৰাজতন্ত্ৰৰ অৱসান ঘটিছে; মাওবাদী উগ্ৰপন্থাৰ উত্থান আৰু প্ৰশমন হৈছে, মূল সুঁতিলৈ উভতিছে মাওবাদী, গণতন্ত্ৰৰ জন্ম হৈছে আৰু শেহতীয়া ভাৱে দেশখনত এখন নতুন সংবিধান ৰচনা প্ৰক্ৰিয়া অব্যাহত আছে।

যোৱা আগষ্ট মাহত প্ৰধান মন্ত্ৰী মোডীয়ে কৰা নেপাল ভ্ৰমণ একাধিক অৰ্থত ঐতিহাসিক বুলি চিহ্নিত হৈছে। বিগত ১৭ টা বছৰত এয়া আছিল কোনো এজন ভাৰতীয় প্ৰধান মন্ত্ৰীৰ প্ৰথম নেপাল ভ্ৰমণ। কাৰ্যভাৰ গ্ৰহণৰ তিনি মাহতকৈও কম সময়তে প্ৰধান মন্ত্ৰী মোডীয়ে এই ভ্ৰমণ সম্পন্ন কৰিছিল। এই যাত্ৰাৰ পূৰ্বে দুয়োখন দেশৰ বিদেশ মন্ত্ৰীদ্বয়ৰ নেতৃত্বত ২৩ বছৰৰ ভিতৰত প্ৰথম বাৰৰ বাবে ভাৰত-নেপাল যুটীয়া আয়োগৰ বৈঠক অনুষ্ঠিত হৈছিল। এই পৰ্যন্ত নেপালৰ বিধান সভা আৰু সংসদক সম্বোধন কৰা একমাত্ৰ বিদেশী নেতা গৰাকী হ'ল প্ৰধান মন্ত্ৰী মোডী।

নেপালী সকলে প্ৰদৰ্শন কৰা বিশেষ আগ্ৰহৰ প্ৰতি সঁহাৰি জনাই ১৯৫০ চনৰ শান্তি আৰু মৈত্ৰী চুক্তিখন পুনৰীক্ষণ কৰাৰ উপৰি অদ্যাৱধিকৰণৰ বাবে সহমত ব্যক্ত কৰা হয়। ইয়াৰ জৰিয়তে ভাৰত-নেপালৰ মাজত যুগ যুগ ধৰি অব্যাহত থকা মৈত্ৰীৰ বান্ধোন অধিক কটকটীয়া কৰাৰ প্ৰয়াস কৰাৰ আশা কৰা হৈছে।

সামৰণিত দোহাৰিব লাগিব যে বিগত এটা বছৰে দক্ষিণ এছিয়াত অব্যাহত ৰখা বিস্তৃত আৰু কূটনীতি বিভিন্ন দিশত সফল কাম হৈছে। আজিৰ তাৰিখত ভাৰতে যে প্ৰতিশ্ৰুতি পূৰণৰ বাবে বিশেষ কিবা কৰি দেখুৱাব পাৰে সেই বিশ্বাস ওভতাই পাইছে। বৰ্তমানে অব্যাহত থকা সম্পৰ্ক সুদৃঢ় কৰাৰ উপৰি বহুক্ষেত্ৰত সম্বন্ধ পুনৰ স্থাপন কৰিছে। সাম্প্ৰতিক প্ৰত্যাহ্বানৰ মোকাবিলা কৰাৰ উপৰি দীৰ্ঘম্যাদী কৰ্মসূচী গ্ৰহণ কৰিছে। অঞ্চলটোৰ সংহতি আৰু বিকাশৰ বাবে শান্তিপূৰ্ণ সহাৱস্থানক প্ৰাথমিক চৰ্ত হিচাপে গণ্য কৰি ইয়াৰ প্ৰাসংগিকতা দোহাৰিছে। এই সংহতিত স্থলপথ, নৌপথ তথা বায়ুপথৰ সংযোগ স্থাপনৰ উপৰি অৰ্থনৈতিক সহযোগিতাৰ পোষকতা কৰা হৈছে। সকলো সদস্য ৰাষ্ট্ৰ একেলগ হ'ব নোৱাৰা জটিলতা থকা প্ৰসংগ সমূহ প্ৰয়োজন সাপেক্ষে দ্বিপাক্ষিক কিম্বা উপ- আঞ্চলিক পৰ্যায়ত মীমাংসা কৰি ইচ্ছুক সদস্যসকল যাতে হাতত হাত ধৰি আগুৱাই যাব পাৰে তাৰ দিহা কৰাৰ বাবে এটা বাৰ্তা প্ৰেৰণ কৰা হৈছে। এতিয়া ইয়াৰ অগ্ৰগতি নিৰীক্ষণ কৰাৰ লগতে এই পৰ্যন্ত আহৰণ কৰা সাফল্য জুকিওৱাৰ সময়। ◇

# ভাৰত-আমেৰিকা অংশীদাৰত্ব

* কে চি সিং

১৯৪৭ চনত ভাৰতে স্বাধীনতা লাভ কৰাৰে পৰা ভাৰত-আমেৰিকা সম্পৰ্ক উন্নত কৰাৰ প্ৰয়াস অব্যাহত ৰখা হৈছিল। প্ৰাচীন সভ্যতাৰ উন্মেষথলী হোৱাৰ লগতে গণতান্ত্ৰিক পৰম্পৰাক আদৰা দুয়োখন ৰাষ্ট্ৰৰ মাজত বহু বিষয়ত থকা সাদৃশ্যই স্বাভাৱিক অৰ্থতে সু-সম্পৰ্কৰ সম্ভাৱনা প্ৰকট কৰি আহিছিল যদিও বিগত বহুকেইটা দশকত আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত দুয়োখন দেশে প্ৰায়েই বিপৰীত পক্ষতহে অৱস্থান কৰি অহা পৰিলক্ষিত হৈছিল। ছোভিয়েট সংঘৰ বিভাজন তথা ১৯৮৯ চনত সামৰণি পৰা তথাকথিত 'ক'ল্ড ৱাৰ'ৰ পৰিসমাপ্তিৰ পাছৰ পৰাহে ভাৰত-আমেৰিকাৰ মাজত বস্তুতঃ সৌহাৰ্দ্য স্থাপনৰ পথ মুকলি হৈছিল বুলি ক'ব পৰা যায়।

তেতিয়াৰে পৰা, পি ভি নৰসিংহ ৰাওৰ দিনত আৰম্ভ হোৱা প্ৰক্ৰিয়াটোক পৰৱৰ্তী প্ৰধান মন্ত্ৰী সকলে অব্যাহত ৰাখি ভাৰত-আমেৰিকা সম্পৰ্ক সুদৃঢ় কৰাত অৰিহণা আগবঢ়াই আহিছে। ইয়াৰ মাজতো বিভিন্ন সময়ত ভিন্ন কাৰকে এই সম্পৰ্কত ঘাটি নেপেলোৱা নহয়; পেলাইছে। উদাহৰণ স্বৰূপে প্ৰধান মন্ত্ৰী অটল বিহাৰী বাজপেয়ীয়ে দেশৰ শাসনভাৰ লৈয়ে সম্পন্ন কৰা পাৰমাণৱিক বোমাৰ পৰীক্ষণে সৃষ্টি কৰা পৰিস্থিতিত আমেৰিকা যুক্তৰাষ্ট্ৰই আনকি 'গ্ৰেণ্ড এমেণ্ডমেন্ট'ৰ জৰিয়তে ভাৰতৰ বিৰুদ্ধে অৰ্থনৈতিক প্ৰতিৰোধৰ দৰে কঠোৰতম পদক্ষেপো গ্ৰহণ কৰিছিল। অৱশ্যে পৰৱৰ্তী সময়ত যশৱন্ত সিং — স্তোৰ্ব টলবটৰ মধ্যস্থতাত এই সংকটৰ অৱসান ঘটাই নহয়, ভাৰত - আমেৰিকা সম্পৰ্কই অন্য মাত্ৰা লাভ কৰাৰো পথ প্ৰশস্ত হৈ উঠে। এই ঘটনাক্ৰমৰ পাছৰে পৰাই গোলকীয় প্ৰেক্ষাপটত ভাৰতৰ ভূমিকাই প্ৰকৃতাৰ্থত এটা মৰ্যাদা সম্পন্ন স্বীকৃতি লাভ কৰাৰ লগতে দুয়োখন দেশৰ মাজৰ সম্পৰ্কয়ো প্ৰগাঢ় ৰূপ ধাৰণ কৰে।

ভাৰতক যে গোলকীয় পাৰমাণৱিক শক্তি তথা প্ৰযুক্তিৰ নিয়ন্ত্ৰণ ব্যৱস্থাৰ আওতাৰ পৰা নিলগাই ৰাখিব পৰা নাযাব সেই কথা হৃদয়ংগম কৰি আমেৰিকা যুক্তৰাষ্ট্ৰই ভাৰতক উদীয়মান বিশ্ব শক্তি হিচাপে স্বীকৃতি দান কৰাৰ লগতে প্ৰচলিত বিত্তীয় তথা নিৰাপত্তা পৰিকাঠামোৰ অংশ হিচাপে অন্তৰ্ভুক্ত কৰাৰ প্ৰয়োজনীয়তাক স্বীকাৰ কৰে। 'শীতল-যুদ্ধ'ৰ সময়ছোৱাত গোষ্ঠী নিৰপেক্ষ ভাৰতক বন্ধুত্ব ভাৱাপন্ন দেশ হিচাপে চিহ্নিত কৰা হৈছিল যদিও মিত্ৰ হিচাপে বিশ্বাসযোগ্যত প্ৰদান কৰা পৰিলক্ষিত হোৱা নাছিল। আনকি ১৯৭১-৭২ চনত বাংলাদেশৰ স্বাধীনতা তথা চীন অভিমুখী আগ্ৰাসনৰ সময়ছোৱাত ভাৰতক ছোভিয়েট ৰাছিয়াৰ অঘোষিত সমৰ্থক হিচাপে গণ্য কৰা হৈছিল। অৱশ্যে শেহতীয়া ভাৱে সলনি হোৱা বিশ্ব প্ৰেক্ষাপট তথা ভাৰতৰ অৰ্থনৈতিক পৰিপক্কতাৰ সুবাদত আমেৰিকা যুক্তৰাষ্ট্ৰই আজি ভাৰতক মিত্ৰ হিচাপে গ্ৰহণৰ বাবে বিশেষ আগ্ৰহ প্ৰকাশ কৰাটো পৰিদৃশ্যমান হৈছে।

ক্লিন্টনৰ ৰাষ্ট্ৰপতিত্বৰ কালছোৱাত আমেৰিকা যুক্তৰাষ্ট্ৰই কৌশলগত সহযোগিতাৰ নামত অৰ্থনৈতিক ঘনিষ্ঠতা স্থাপনৰ নীতি গ্ৰহণ কৰিছিল। এই ক্ষেত্ৰত বিশালতা তথা বিপণন সম্ভাৱনীয়তাৰ ব্যাপকতাই স্বাভাৱিক অৰ্থতে ভাৰতৰ গুৰুত্ব বৃদ্ধি কৰিছিল। এই নীতিৰ আধাৰতে আমেৰিকা যুক্তৰাষ্ট্ৰই আৰম্ভ কৰা উদোগৰ আধাৰত ১৯৯৫ চনত বাণিজ্য সচিব ৰণ ব্ৰাউনৰ নেতৃত্বত ভাৰতত দেশখনৰ 'ৰাষ্ট্ৰপতীয় বাণিজ্য বিকাশ অভিযান'ৰ পাতনি মেলা হৈছিল। ১৯৯৯ চনৰ পৰা ভাৰত -আমেৰিকা সম্পৰ্কই নতুন গতি লয়। ২০০০ চনত ৰাষ্ট্ৰপতি বিল ক্লিন্টনৰ ভাৰত ভ্ৰমণ আৰু ২০০১ চনত প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ আমেৰিকা ভ্ৰমণৰ লগতে ৯/১১ ৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পৰৱৰ্তী পৰিস্থিতিত আমেৰিকাই ভাৰতক বিশেষকৈ সন্ত্ৰাসবাদে সৃষ্টি কৰা নতুন গোলকীয় প্ৰত্যাহ্বান প্ৰতিহত কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ সংগী হিচাপে গণ্য কৰিবলৈ লয়। তদুপৰি চীনৰ উত্থান প্ৰশমিত কৰিব পৰাকৈ নতুন এছীয় সুৰক্ষা নীতি গ্ৰহণৰ ক্ষেত্ৰত এখন শক্তিশালী ভাৰতৰ গুৰুত্বপূৰ্ণ ভূমিকা থাকিব বুলি ৰাষ্ট্ৰপতি জৰ্জ বুশ্বে কৰা বিশ্বাস আৰু ধাৰণাও দুয়োখন দেশৰ মাজৰ সম্পৰ্কৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ কাৰক হিচাপে চিহ্নিত হয়।

তেতিয়াৰে পৰা ব্যাপক পৰিসৰত তথা উচ্চ পৰ্যায়ত গঠিত হোৱা যৌথ কৰ্ম গোটৰ অহৰহ প্ৰচেষ্টাত ভাৰত-আমেৰিকা সম্পৰ্কই ক্ৰমাগত ভাৱে দৃঢ়তা লাভ কৰিছে। অৱশ্যে মোডী চৰকাৰে আমেৰিকাৰ সৈতে স্থাপন কৰিব খোজা সম্বন্ধক এই প্ৰেক্ষাপটৰ বিপৰীতেহে

*** কে চি সিং বহিঃ পৰিক্ৰমা দপ্তৰৰ ভূতপূৰ্ব সচিব আৰু ইৰাণ, ইউ এ ই-ত ৰাষ্ট্ৰদূত হিচাপে কাম কৰিছিল, বৰ্তমান তেওঁ নতুন থিংক টেংক ফ'ৰামৰ গৱৰ্ণৰসকলৰ বোৰ্ডৰ লগত জড়িত। তেওঁ কেইবাখনো প্ৰসিদ্ধ কাকতৰ স্তম্ভ লেখক তথা টেলিভিশ্বন কাৰ্যসূচীৰ লগতো জড়িত।**

পৰ্যালোচনা কৰা উচিত হ'ব। উদাহৰণ স্বৰূপে ভাৰত-আমেৰিকা পাৰমাণৱিক চুক্তিখন কেৱল পাৰমাণৱিক শক্তি আহৰণৰ নিমিত্তেই সম্পাদন কৰা হোৱা নাছিল বৰং ইয়াৰ জৰিয়তে ১৯৭৪ চনত ভাৰতে সম্পন্ন কৰা 'শান্তিপূৰ্ণ' পাৰমাণৱিক পৰীক্ষাৰ পাছৰ পৰা আমেৰিকা আৰু অন্যান্য সংগী দেশসমূহে 'উচ্চ প্ৰযুক্তি হস্তান্তৰণ'ৰ ক্ষেত্ৰত আৰোপ কৰা নিয়ন্ত্ৰণ বাতিলৰো ব্যৱস্থা কৰাৰ বাবেহে এই চুক্তি সম্পাদিত হৈছিল। 'পাৰমাণৱিক যোগনীয়াৰ গোষ্ঠী', 'ক্ষেপণাস্ত্ৰ সম্পৰ্কীয় প্ৰযুক্তি নিয়ন্ত্ৰণ ব্যৱস্থা', ৱাছেনাৰ আৰু অষ্ট্ৰেলীয় গোট— মূলত ঃ এই চাৰিটা গোষ্ঠীয়ে পৃথিৱীৰ পাৰমাণৱিক শক্তি তথা প্ৰযুক্তিৰ দ্বৈত ব্যৱহাৰ সম্পৰ্কীয় প্ৰায় সমুদায় কৰ্ম-কাণ্ড নিয়ন্ত্ৰণ কৰি আহিছিল। যদি ভাৰতে উন্নত দেশেৰে ফেৰ মাৰিব লগীয়া হয়, বিশেষকৈ চীনৰ দৰে দেশৰ সন্মুখত থিয় দিয়াবলৈ হ'লে ভাৰতক 'শীতল যুদ্ধ'ৰ সময়ৰ শৃংখলটোৰ পৰা মুক্ত কৰিবই লাগিব বুলি অন্ততঃ আমেৰিকাই অনুভৱ কৰিছিল।

যি কি নহওক বিগত সময়ছোৱাত আমেৰিকাই সন্মুখীন হোৱা বিত্তীয়, বেংক ব্যৱস্থা তথা 'ইউৰ' জ'ন' সংকটে ভাৰত-আমেৰিকা সম্পৰ্কলৈ জড়তা আনিছিল। তদুপৰি এই সময়ছোৱাত ভাৰতো বিভিন্ন আভ্যন্তৰীণ সমস্যাৰে জৰ্জৰিত হোৱাৰ ফলত অৰ্থনৈতিক সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়ালৈ অহা স্থবিৰতাৰ লগতে ক্ৰমাগত ৰূপত বাঢ়ি অহা নেতিবাচক বহিঃ পাৰিপাৰ্শ্বিক পৰিস্থিতিৰ সন্মুখীন হ'ব লগীয়া হৈছিল।

ভাৰত-আমেৰিকা সম্পৰ্কৰ স্থবিৰতা আঁতৰোৱাৰ লগতে এই সম্পৰ্কৰ বিপুল সম্ভাৱনীয়তাক হৃদয়ংগম কৰিয়েই প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে তেওঁৰ কাৰ্যকালৰ শুভাৰম্ভ কৰিছে। দুয়োখন দেশে সামগ্ৰিকতা পৰিহাৰ কৰি ব্যক্তিগত সংস্থা কিম্বা নিৰ্দিষ্ট বিভাগীয় দৃষ্টিভংগীৰে কাৰ্যক্ৰম আগবঢ়োৱাৰ প্ৰয়াস আৰম্ভ কৰা পৰিলক্ষিত হৈছে । স্মৰ্তব্য যে ডোহা সন্মিলনত খাদ্য দ্ৰব্যৰ মজুতকৰণ সম্পৰ্কীয় বিষয়ত ভাৰতে উত্থাপন কৰা প্ৰস্তাৱ গ্ৰাহ্য নকৰাৰ পৰিণতিত বাণিজ্যিক সেৱা সম্পৰ্কীয় বিষয় সমূহত স্থবিৰতাই বিৰাজ কৰিছিল। ইফালে ভাৰতে গৃহীত কৰা পাৰমাণৱিক ক্ষতিপূৰণ আইনখনৰ জৰিয়তে সা-সৰঞ্জাম যোগনীয়াৰ দেশসমূহৰ ক্ষেত্ৰত কঠোৰ চৰ্ত আৰোপ কৰিছে বুলি অনুভৱ প্ৰকাশ কৰা আমেৰিকাই এনে চৰ্ত পূৰণ কৰিববলৈ অসমৰ্থতা কিম্বা অনিচ্ছা প্ৰকাশ কৰাহে পৰিলক্ষিত হৈছে। তদুপৰি ভাৰতত বৌদ্ধিক সম্পত্তি আইনৰ অপব্যৱহাৰ হোৱা বুলি উঠা অভিযোগ সন্দৰ্ভত গুৰুত্ব আৰোপ কৰা দেখা গৈছে। আনহাতে ভাৰতীয় তথ্য-প্ৰযুক্তি খণ্ডৰ কৰ্মীসকলক নেতিবাচক ভাৱে প্ৰভাৱিত কৰিব পৰা এটা কঠোৰ ভিছা ব্যৱস্থাৰ প্ৰতি আমেৰিকা ৰাষ্ট্ৰপতিয়ে অনুমোদন জনাইছে বুলি ভাৰতে বিশ্বাস প্ৰকট কৰিছে। এনে প্ৰেক্ষাপটত দুয়োখন দেশৰ শীৰ্ষ নেতৃত্বই দ্বিপাক্ষিক সম্পৰ্ক উন্নত কৰিব পৰাকৈ পৰিবেশ সৃষ্টিৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰাৰ সময় সমাগত হৈছে বুলি ভবাৰ থল আছে।

অৱশ্যে ২০১৪ চনৰ ছেপ্টেম্বৰ মাহত প্ৰধান মন্ত্ৰী মোডীৰ আমেৰিকা ভ্ৰমণ তথা ২০১৫ চনত আমেৰিকা ৰাষ্ট্ৰপতি বাৰাক ওবামাৰ ভাৰত ভ্ৰমণে আক্ষৰিক অৰ্থতে সময়োচিত পদক্ষেপ হিচাপে বিবেচিত হৈছে। বিশেষকৈ কোনো এজন আমেৰিকা ৰাষ্ট্ৰপতি হিচাপে তেওঁৰ কাৰ্যকালত দ্বিতীয় বাৰৰ বাবে ভাৰত ভ্ৰমণ কৰাৰ লগতে গণৰাজ্য দিৱস কাৰ্যক্ৰমৰ মুখ্য অতিথি হিচাপে ভাগ লোৱা প্ৰথম গৰাকী আমেৰিকা ৰাষ্ট্ৰপতি হিচাপে ওবামাই এই ক্ষেত্ৰত তেওঁৰ সদিচ্ছা বাৰুকৈয়ে প্ৰকাশ কৰিছে।

শেহতীয়া ভাৱে আমেৰিকা যুক্তৰাষ্ট্ৰৰ সহমতৰ আধাৰত খাদ্য দ্ৰব্য মজুত সম্পৰ্কত ভাৰতে জনোৱা আহ্বানৰ প্ৰতি ইতিবাচক স্থিতি গ্ৰহণৰ বাবে বিশ্ব বাণিজ্য সংস্থাই পদক্ষেপ গ্ৰহণ কৰিছে। পাৰমাণৱিক দায়বদ্ধতাৰ প্ৰসংগ সমাধানৰ ক্ষেত্ৰত ৰাষ্ট্ৰপতি ওবামাৰ ভ্ৰমণ পৰ্যন্ত ভাৰতে অপেক্ষা কৰিবলগীয়া হ'ল। দৰাচলতে এইখিনি সময়ত ভাৰতে উত্থাপন কৰা দায়বদ্ধতা সম্পৰ্কীয় চৰ্তাৱলী সন্দৰ্ভত আমেৰিকা যোগনীয়াৰ সংস্থাসমূহক ইয়াৰ গ্ৰহণযোগ্যতা যুক্তি সহকাৰে সাব্যস্ত কৰিবলৈ ভাৰতক পৰোক্ষ ভাৱে আমেৰিকা চৰকাৰে সুযোগ উলিয়াই দিছিল বুলিব পাৰি। প্ৰধানমন্ত্ৰী মোডীৰ আমেৰিকা ভ্ৰমণ আৰু ওবামাৰ ভাৰত ভ্ৰমণ কালত প্ৰকাশ কৰা যুটীয়া বিবৃতিৰ তুলনাত্মক বিশ্লেষণ কৰিলে দুয়োখন দেশৰ সহযোগিতাৰ ক্ষেত্ৰত বৰ্দ্ধিত বিষয় সূচীয়ে পৰস্পৰৰ প্ৰতি বাঢ়ি অহা বিশ্বাসযোগ্য-তাকে প্ৰতিপন্ন কৰে।

যোৱা এটা বছৰত ভাৰত-আমেৰিকা সম্পৰ্কই উজ্জীৱিত ৰূপ ধাৰণ কৰিছে। শক্তি সম্পৰ্কীয় বুজাবুজিৰ পৰা মোডী-ওবামাৰ ব্যক্তিগত সৌহাৰ্দ্যলৈ এই সকলোৰে এই কথাকে ই প্ৰতীয়মান কৰিছে।২০১৪ চনত ৱাশ্বিংটনত অনুষ্ঠিত আলোচনাত সকলো প্ৰসংগৰে সমাধান সূত্ৰ উদ্ভাৱন কৰাৰ লগতে এই সকলো বিষয় যুটীয়া বিবৃতিত উল্লেখ কৰা হৈছিল। বাণিজ্য সন্দৰ্ভত সামগ্ৰী আৰু সেৱাক্ষেত্ৰত ১০০ বিলিয়ন আমেৰিকা ডলাৰ পৰিমাণৰ বৈদেশিক বাণিজ্যৰ পৰিমাণ পাঁচ গুণলৈ বৃদ্ধিৰ প্ৰতিশ্ৰুতি প্ৰদান কৰাৰ লগতে এখন আন্তঃগাঁথনি উন্নয়ন মঞ্চ গঠনৰো পোষকতা কৰা হয়। ইফালে বৌদ্ধিক সমস্যাৰ সমাধান সূত্ৰ উলিয়াব পৰাকৈ এটা উচ্চ ক্ষমতা সম্পন্ন বৌদ্ধিক সম্পত্তি গোটো গঠন কৰা হয়। হ্ৰস্বকালীন

বৃত্তিধাৰীসকললৈ এইচ-১ ভিছা’ আগবঢ়োৱা প্ৰসংগত কোনো ধৰণৰ প্ৰতিশ্ৰুতি প্ৰদান কৰা নহ’ল যদিও তথ্য প্ৰযুক্তি সম্পৰ্কীয় অৱদানৰ প্ৰতি স্বীকৃতি জনোৱাৰ ব্যৱস্থা কৰা হ’ল। সেইদৰে দক্ষতা বিকাশ কাৰ্যক্ৰমৰ লগতে উৎপাদনী ক্ষেত্ৰত উদ্ভাৱনী পৰিৱেশ গঠনৰ বাবে দুয়ো দেশৰ মাজত সহযোগিতা বৃদ্ধি কৰিব পৰাকৈ আলোচনা অনুষ্ঠিত কৰাৰ প্ৰস্তাৱ লোৱা হয়।

শক্তি আৰু জলবায়ু পৰিৱৰ্তনৰ প্ৰসংগক একত্ৰে পৰ্যালোচনা কৰি, নিকা আৰু নবীকৰণযোগ্য শক্তিৰ মাজৰ সম্পৰ্কক বিশেষ গুৰুত্ব প্ৰদান কৰাৰ উপৰি পাৰমাণৱিক শক্তিক পৰিৱেশ পৰিৱৰ্তনৰ সমাধান সূত্ৰ হিচাপে প্ৰতিষ্ঠা কৰাৰ প্ৰয়াস কৰা হৈছে। এই উদ্দেশ্যে ‘পাৰ্টনাৰশ্বিপ টু এডভান্স ক্লীন এনাৰ্জী’ শীৰ্ষক কৌশলগত মৈত্ৰী স্থাপনৰ উদ্যোগ গ্ৰহণ কৰা হৈছে। জলবায়ু পৰিৱৰ্তন সম্পৰ্কীয় ৰাষ্ট্ৰসংঘৰ বিধি-ব্যৱস্থাৰ অধীনত অনুষ্ঠিত ২০১৫ৰ পেৰিছ সন্মিলনৰ সফলতাৰ বাবে এটা প্ৰতিশ্ৰুতি দোহৰা হয়। এই সন্মিলনে কিঅ’ট’ সন্মিলনৰ পৰৱৰ্তী পৰিস্থিতিত কাৰ্বন নিৰ্গমন সম্পৰ্কীয় ব্যৱস্থাৱলী নিৰ্ধাৰণ কৰিব। নিম্ন কাৰ্বন অৰ্থনীতিলৈ অগ্ৰসৰ হ’ব পৰাকৈ ভাৰতক সহযোগিতা আগবঢ়োৱাৰ উদ্দেশ্যে আমেৰিকাই ১ বিলিয়ন আমেৰিকা ডলাৰ পৰিমাণৰ ‘এগ্‌জিম বেংক’ সুবিধা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতিও প্ৰদান কৰিছে।

বৰ্তমানে থকা প্ৰতিৰক্ষা সহযোগিতা সম্পৰ্কীয় চুক্তিৰ নৱীকৰণ সম্ভৱ কৰি প্ৰতিৰক্ষা আৰু আভ্যন্তৰীণ সুৰক্ষা সম্পৰ্কীয় বিষয় সমূহ সমাধানৰ ব্যাপক ব্যৱস্থা হাতত লোৱা হৈছে। ইয়াৰ ফলত প্ৰতিৰক্ষা সম্পৰ্কীয় প্ৰযুক্তিৰ হস্তান্তৰ প্ৰক্ৰিয়াই শক্তিলাভ কৰাৰ লগতে বিশেষ গতি লাভ কৰিব।

আনহাতে সন্ত্ৰাসবাদ নিৰস্ত্ৰকৰণৰ ক্ষেত্ৰত দুয়োখন দেশে নিজ নিজ প্ৰতিশ্ৰুতিবদ্ধতা দোহৰাৰ লগতে ‘সন্ত্ৰাসবাদীৰ নিৰাপদ আশ্ৰয়থলী তথা অপৰাধী চক্ৰক সমুলঞ্চে উৎখাত’কে ধৰি সামগ্ৰিক ভাৱে সন্ত্ৰাস মহাব্যাধি উচ্ছন্ন কৰাৰ বাবে যুটীয়া তথা সন্মিলিত পদক্ষেপ গ্ৰহণৰ পণ লয়। পাকিস্তানৰ পৰা কুটাঘাত অব্যাহত ৰখা সকলো সন্ত্ৰাসবাদী সংগঠনৰ তালিকা ঘোষণা কৰাৰ দিহা কৰা হৈছে। এই তালিকাত লস্কৰ-ঈ-তৈবা, ডি-কোম্পানীৰ দৰে ভাৰতক লক্ষ্য হিচাপে গণ্য কৰা সংগঠনকে ধৰি সকলো সন্ত্ৰাসবাদী সংগঠন অন্তৰ্ভূক্ত হৈছে। সেইদৰে ২৬/১১ ত সংঘটিত মুম্বাই আক্ৰমণ কাণ্ডৰ সকলো কুটাঘাতকাৰীক আটক কৰাৰ প্ৰসংগকো গুৰুত্ব সহকাৰে বিবেচনা কৰা হৈছে। পাকিস্তানৰ নামোচ্চাৰণৰ লগতে সন্ত্ৰাসৰ বিৰুদ্ধে যৌথ পদক্ষেপ গ্ৰহণৰ ইংগিত প্ৰদান কৰা কাৰ্য পাকিস্তানৰ প্ৰতি সময়োচিত বাৰ্তা হিচাপে চিহ্নিত হৈছে বুলি ক’ব পাৰি।

ইফালে উৎপাদনী ক্ষেত্ৰত ভাৰতে একবিংশ শতিকা পৰ্যায়ৰ কৰ্ম-কুশলতা লাভ কৰিব পৰাকৈ ‘উচ্চ প্ৰযুক্তি, মহাকাশ তথা স্বাস্থ্য সহযোগিতা’ৰ প্ৰসংগত সহমত ব্যক্ত কৰা হৈছে। যদিও শেহতীয়া ভাৱে আমেৰিকাত শক্তি ব্যয় হ্ৰাসৰ হাত ধৰি উৎপাদনী খণ্ডকে ধৰি অন্যান্য বহু ক্ষেত্ৰত কৰ্মৰত লোকে চাকৰি হেৰুৱাব লগা পৰিস্থিতিৰ উদ্ভৱ হৈছে তথাপি মোডী চৰকাৰৰ ‘মেইক ইন ইণ্ডিয়া’ অভিযানৰ কেতবোৰ কৰ্মসূচীয়ে আমেৰিকাৰ সহযোগিতা আদায় কৰিব পাৰিব বুলি আশা কৰা যায়। ইফালে প্ৰধান মন্ত্ৰী মোডীৰ ‘গিয়ান’— ‘গ্লোবেল ইনিচিয়েটিভ অব্ অকাডেমিক নেটৱৰ্ক’ শীৰ্ষক অভিলাষী আঁচনিখনৰ জৰিয়তে প্ৰতিবছৰে ১০০০ গৰাকী আমেৰিকা শিক্ষাবিদক ভাৰতলৈ আহি শিক্ষাদানৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। আজিৰ তাৰিখত আন নালাগে এছিয়াৰ শীৰ্ষ শিক্ষা প্ৰতিষ্ঠানৰ তালিকাতে নাম অন্তৰ্ভুক্ত কৰিবলৈ অসমৰ্থ হোৱা ভাৰতীয় উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহৰ শৈক্ষিক মান উন্নত কৰাৰ ক্ষেত্ৰত আঁচনিখনৰ সফল ৰূপায়ণ যথাৰ্থতে উচিত বুলি বিবেচিত হ’ব পাৰে।

কূটনৈতিক ক্ষেত্ৰত মোডীৰ ‘এক্ট হষ্ট’ নীতিৰ সৈতে ওবামাৰ ‘ৰি বেলেঞ্চ ইন এছিয়া ’ নীতিৰ মিলন ঘটাব খোজা হৈছে। মধ্য, দক্ষিণ আৰু পূব এছিয়াক সংযুক্ত কৰি স্থল-সংযোগ স্থাপনৰ বাবে গ্ৰহণ কৰা ভাৰত-আমেৰিকা উদ্যোগ চীনৰ ‘ৱান বেল্ট ৱান ৰোড, হাব এণ্ড স্প’ক’ শীৰ্ষক পদক্ষেপৰ যোগ্য প্ৰত্যুত্তৰ হ’ব পাৰে। এছীয়-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ শান্তি আৰু নিৰাপত্তা প্ৰসংগত চীনৰ কথা মনত ৰাখি পদক্ষেপ গ্ৰহণৰ পৰামৰ্শ আগবঢ়োৱাৰ লগতে নৌ পথৰ, বিশেষকৈ দক্ষিণ চীন সাগৰৰ নৌপথত মুক্ত বিচৰণত গুৰুত্ব আৰোপ কৰা হৈছে।

২০১৫ চনৰ জানুৱাৰী মাহত আমেৰিকা ৰাষ্ট্ৰপতি বাৰাক ওবামাই কৰা দিল্লী ভ্ৰমণৰ কালছোৱাত তিনিটাকৈ যুটীয়া বিবৃতি প্ৰকাশ কৰা হয়। এই বিবৃতিৰ জৰিয়তে ২০১৪ চনৰ যুটীয়া বিবৃতিত প্ৰকাশ কৰা বিষয়সমূহৰ পৰিসৰ প্ৰসাৰণৰ দিহা কৰাৰ উপৰি কূটনৈতিক জোঁট বন্ধনৰ দিশত বিশেষ গুৰুত্ব প্ৰদান কৰা দেখা যায়। এই ক্ষেত্ৰত ‘বন্ধুত্বৰ ঘোষণা পত্ৰ ’ শীৰ্ষক ‘ডিক্লেয়াৰেশ্যন অব্ ফ্ৰেইণ্ডশ্বিপ’ ব্যতিক্ৰমী বুলি চিহ্নিত হৈছে। এই ঘোষণা পত্ৰৰ জৰিয়তে আগন্তুক বছৰ সমূহত আন্তঃৰাষ্ট্ৰীয় নিৰাপত্তা, আঞ্চলিক তথা গোলকীয় শান্তি -সমৃদ্ধি তথা সুস্থিৰতাৰ দিশত অগ্ৰসৰ হোৱাৰ বাবে কৌশল ৰচনাত গুৰুত্ব আৰোপ কৰা হয়। বহু প্ৰয়াসৰ প্ৰয়োজন হোৱা এনেবোৰ মহৎ আকাংক্ষা পূৰণৰ বাবে ভাৰতে অতীতৰে পৰা অহোপুৰুষাৰ্থ কৰি আহিছে অথবা এই ভূমিকাত অংশ গ্ৰহণ কৰি আহিছে। তদুপৰি

ঘোষণা পত্ৰখনত গণতন্ত্ৰ তথা মৌলিক অধিকাৰৰ দৰে উভয় দেশে বহন কৰি অহা প্ৰমূল্য, জলবায়ু পৰিৱৰ্তনৰ দৰে বিষয়সমূহৰ ক্ষেত্ৰত সমাধান সূত্ৰ উদ্ভাৱনৰ বাবে কৰ্তব্য সমাপন, অবিৰত বিকাশ সাধন কৰা তথা নীতিৰ ভিত্তিত তথা স্বচ্ছ বিপণন ব্যৱস্থা গঢ়ি তোলাৰ ক্ষেত্ৰত উভয় দেশে দায়বদ্ধতা দোহাৰে। এই ঘোষণা পত্ৰই ইমান দিনে অব্যাহত থকা কূটনৈতিক আলোচনাক কূটনৈতিক তথা বাণিজ্যিক আলোচনালৈ ৰূপান্তৰিত কৰাৰ লগতে চৰকাৰৰ মূৰব্বীদ্বয়ৰ উপৰি নিৰাপত্তা পৰামৰ্শদাতাদ্বয়ৰ মাজত হটলাইন-বাৰ্তালাপৰ পৰম্পৰা আৰম্ভ কৰে।

দ্বিতীয়খন ঘোষণা পত্ৰই এছীয়-প্ৰশান্ত মহাসাগৰীয়া অঞ্চলৰ ক্ষেত্ৰত গ্ৰহণ কৰিব খোজা যুটীয়া কূটনীতিৰ আধাৰ নিৰূপণ কৰে। ইফালে সামগ্ৰিক ভাৱে অঞ্চলটোত নীতি ভিত্তিক শৃংখলা প্ৰতিষ্ঠাৰ বাবে ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই গণতান্ত্ৰিক দেশৰ ভূমিকাৰে একেলগে পদক্ষেপ গ্ৰহণত গুৰুত্ব আৰোপ কৰে। ঘোষণা পত্ৰ দুখনত স্পষ্ট উল্লেখ নকৰিলেও চীনৰ উপস্থিতি অনুভূত হৈছে। ছিংগাপুৰত অনুষ্ঠিত 'ছাংগ্ৰীলা আলোচনা'লৈ ভাৰতে প্ৰতিৰক্ষা মন্ত্ৰী গৰাকীক নপঠালেও এই ক্ষেত্ৰত যে ভাৰতে আমেৰিকাৰ স্থিতিকে স্বীকৃতি দান কৰিছে সেই কথা ঘোষণা পত্ৰখনত স্পষ্ট হৈ উঠিছে। এয়া ভাৰতে ছয় দশক পুৰণি গোষ্ঠী-নিৰপেক্ষ পৰিচিতি পৰিহাৰ কৰি বহুতে ক'ব খোজাৰ দৰে 'বহু গোষ্ঠীয় মৈত্ৰী'ৰ দিশে অগ্ৰসৰ হোৱাৰ নিদৰ্শন বুলি ক'ব পাৰি।

প্ৰতিৰক্ষা প্ৰসংগত আমেৰিকাৰ তৎপৰতা লক্ষণীয়। এই কথা ২০১৫ৰ ২-৩ জুনত আমেৰিকা প্ৰতিৰক্ষা সচিব এশ্বটন কাৰ্টাৰে কৰা ভাৰত ভ্ৰমণে প্ৰতীয়মান কৰে। নতুনকৈ সম্পাদিত ১০ বছৰীয়া প্ৰতিৰক্ষা পৰিকাঠামো সংক্ৰান্তীয় চুক্তিখনৰ আধাৰত ভাৰতৰ 'মেইক ইন ইণ্ডিয়া' অভিযানত মাৰ্কিন প্ৰযুক্তিৰ ব্যৱহাৰ সম্ভৱ কৰি তোলা হৈছে। অৱশ্যে এয়াৰক্ৰাফ্ট -কেৰিয়াৰৰ আৰ্হি তথা জেট ইঞ্জিনৰ প্ৰযুক্তি দৰে আন কেতবোৰ বিষয়ত এতিয়াও আলোচনাৰ অৱকাশ ৰৈ গৈছে। সেইদৰে আমেৰিকাৰে ঘনিষ্ঠতা বঢ়োৱাৰ বাবে প্ৰদান কৰা প্ৰতিশ্ৰুতি পূৰণ কৰিবলৈ যাওঁতে বিভিন্ন ক্ষেত্ৰত অধিক বিচাৰ -বিবেচনা কৰাৰ প্ৰয়োজন আছে। তাতে দক্ষিণ চীন সাগৰৰ অধিপত্যক লৈ অব্যাহত থকা প্ৰতিদ্বন্দ্বিতাই আক্ষৰিক অৰ্থতে ই উদ্বিগ্নতা বৰ্তাই ৰাখিছে। অৱশ্যে ইয়াৰ মাজতো ভাৰতে 'ব্ৰিক্‌ছ'ৰ মাধ্যমেৰে ৰাছিয়া আৰু চীনৰ বাবেও দুৱাৰ মুকলি কৰি ৰাখিছে। তদুপৰি 'ছাংহা সহযোগিতা সংস্থাতো ভাৰত অন্তৰ্ভুক্ত হোৱাৰ সম্ভাৱনা প্ৰকট হৈ উঠিছে। এনে পৰিস্থিতিত এনে সমান্তৰাল অথবা প্ৰতিদ্বন্দ্বী শৃংখলৰ মাজত সমতুলতা বৰ্তাই ৰখাটো ভাৰতৰ বাবে প্ৰত্যাহ্বান হ'ব। সেইদৰে সমতুলক অথবা সিদ্ধান্ত গ্ৰহণকাৰী শক্তি হিচাপে ভাৰতৰ ভূমিকা বৰ্তাৰ ৰখাটো গোষ্ঠী নিৰপেক্ষতাৰ অভিজ্ঞতাৰে পুষ্ট ছাউথ ব্লকৰ কূটনীতিকসকলৰ বাবে বৃহৎ প্ৰত্যাহ্বান হিচাপেই দেখা দিব বুলি ধাৰণা কৰা হৈছে।

ক্ষমতাৰ সমতুলতা স্থাপনৰ ক্ষেত্ৰত বিশাৰদৰ কৃতিত্ব অৰ্জন কৰিছিল ১৮৭৩-১৮৯০ ত কাৰ্যনিৰ্বাহ কৰা জাৰ্মান চেন্সেলৰ অট' ভন বিছমাৰ্কে। তেওঁ প্ৰথম বিশ্বযুদ্ধৰ আগৰ প্ৰেক্ষাপটত ৰাছিয়া, অষ্ট্ৰিয়া, ফ্ৰান্স, ব্ৰিটেইন আৰু জাৰ্মানীৰ দৰে পাঁচ মহা শক্তিধৰৰ মাজত থাকিও নিজৰ দেশৰ স্বাৰ্থ পূৰণৰ ক্ষেত্ৰত সুচিন্তিত পদক্ষেপ গ্ৰহণত সাফল্য প্ৰদৰ্শন কৰিছিল। আজিৰ প্ৰেক্ষাপটত ভাৰতৰ বাবে তেওঁৰ পৰামৰ্শ নিশ্চয় গ্ৰহণযোগ্য হ'ব বুলি ভবাৰ থল আছে। সেয়া হ'ল— 'দুই বা তাতকৈ কম শক্তিধৰৰ সৈতে নহয়, বৰং তিনিখন বা ততোধিকৰ সৈতেহে অৱস্থান গ্ৰহণ কৰা উচিত।' বিগত সময়ত হেৰুওৱা বহু সুযোগৰ ক্ষতিপূৰণ কৰিব খোজা ভাৰত আৰু আমেৰিকাৰ বাবে আগন্তুক দশকবোৰ অধিক প্ৰত্যাহ্বানপূৰ্ণ হ'ব। প্ৰতিখন দেশেই প্ৰথমে নিজৰ স্বাৰ্থ পূৰণৰহকেহে পদক্ষেপ গ্ৰহণ কৰে। আমেৰিকাই যদি বাণিজ্যৰ বাবে বাট মোকলাই নিদিলেহেতেন, বিনিয়োগ আৰু প্ৰযুক্তিৰ প্ৰবহনৰ সুযোগ আগনবঢ়ালেহেতেন তেন্তে চীনৰ উত্থান কেতিয়াও সম্ভৱ নহ'লহেতেন। এয়া সম্ভৱ হৈছিল ভাৰতলৈ প্ৰযুক্তিৰ হস্তান্তৰণ অস্বীকাৰ কৰা ব্যৱস্থা অব্যাহত থকাৰ সময়ছোৱাত। পৰৱৰ্তী সময়ত কাৰ্যভাৰ গ্ৰহণ কৰা চৰকাৰ সমূহে গ্ৰহণ কৰা পদক্ষেপে বিগত সময়ছোৱাত ভাৰতৰ উত্থানৰ বুনিয়াদ নিৰ্মাণ কৰিছিল আৰু আজিৰ তাৰিখত ভাৰতক ৰুধিব পৰা শক্তি কেৱল ভাৰতেহে বহন কৰিছে বুলি ন-দি ক'ব পাৰি।

# ।। অৰ্থনৈতিক উন্নয়নৰ বাবে কূটনীতি ।।

*** ৰাম উপেন্দ্ৰ দাস**

গোলকীয় প্ৰেক্ষাপটত ভাৰতৰ অৰ্থনৈতিক প্ৰতিশ্ৰুতিবদ্ধতাই নতুন মাত্ৰা লাভ কৰিছে আৰু অদূৰ ভৱিষ্যতে ই অধিক উন্নত স্তৰলৈ আগবাঢ়িব বুলি আশা কৰা হৈছে। যিহেতু আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক সম্পৰ্কৰ প্ৰসংগ এটা জটিল আৰু ভিন্ন বিষয়ৰ সমাধানেৰে আৰ্জিত বিষয়, সেয়ে এই প্ৰসংগ গভীৰ ভাৱে হৃদয়ংগম কৰাৰ প্ৰয়োজন আছে। নীতি-নিৰ্ধাৰণ প্ৰক্ৰিয়াৰ লগতে বাণিজ্যিক উজ্জীৱিতকৰণৰ ক্ষেত্ৰত আক্ষৰিত অৰ্থতে ইয়াৰ গুৰুত্বপূৰ্ণ ভূমিকা থাকে। এনে প্ৰেক্ষাপটত কূটনীতি আৰু অৰ্থনৈতিক কূটনীতিয়ে এটা নতুন অৰ্থ বহন কৰিছে বুলি ভবাৰ থল আছে।

**অৰ্থনৈতিক কূটনীতিৰ নতুন ব্যাখ্যাঃ**

অন্যতম প্ৰসিদ্ধ সংজ্ঞা অনুসৰি কূটনীতি হ'ল— স্বাধীন ৰাষ্ট্ৰসমূহৰ মাজত চৰকাৰী সম্পৰ্ক স্থাপনৰ বাবে ব্যৱহৃত বুদ্ধিমত্তা তথা কৰ্ম সম্পাদন কৌশল (ছেট',১৯৬১)। অৱশ্যে বিগত বহু বছৰজোৰা পৰিক্ৰমাত কূটনীতিৰ আওতাত নতুন নতুন প্ৰসংগ তথা বিষয়বস্তুৰ অন্তৰ্ভুক্তি ঘটিছে। এইক্ষেত্ৰত প্ৰথমে উল্লেখ কৰিব পৰা প্ৰসংগটো হ'ল যে— কূটনীতিৰ পৰিসৰ কেৱল চৰকাৰ সমূহৰ মাজত স্থাপিত সম্পৰ্কৰ আওতাতে সীমাবদ্ধ হৈ থকা নাই। বৰঞ্চ ইয়াৰ পৰিসৰ এখন দেশৰ নাগৰিকেৰে আন এখন দেশৰ নাগৰিকৰ মাজত স্থাপিত সম্পৰ্কলৈ সম্প্ৰসাৰিত হৈছে। এনে সম্পৰ্ক স্থাপনৰ ক্ষেত্ৰত যোগাযোগৰ ন-ন প্ৰযুক্তি তথা পৰ্যটনৰ অপাৰ সা-সুবিধাই বিশেষ অৰিহণা আগবঢ়াইছে। দ্বিতীয়তে, অৰ্থনীতিৰ গোলকীয়কৰণ আৰু মুক্ত বাণিজ্যৰ আজিৰ যুগত ৰাজনৈতিক, সামৰিক তথা ৰণ কৌশলগত মৈত্ৰীও বৰ্দ্ধিত ৰূপত অৰ্থনৈতিক প্ৰতিশ্ৰুতিবদ্ধতাৰ বিকল্প কিম্বা সম্পূৰক হিচাপে পৰিগণিত হয়। আন্তঃৰাষ্ট্ৰীয় প্ৰতিশ্ৰুতিবদ্ধতাৰ এই দুই চাৰিত্ৰিক বৈশিষ্ট্যই ভাৰতৰ বাবে অৰ্থনৈতিক কূটনীতিৰ প্ৰসাংগিকতা বৃদ্ধি কৰি তুলিছে বুলিব পাৰি।

বহুপাক্ষিক, আঞ্চলিক তথা দ্বিপাক্ষিক পৰ্যায়ত হোৱা প্ৰতিষ্ঠানিক উন্নয়নৰ বাবেও অৰ্থনৈতিক কূটনীতিৰ বিশেষ গুৰুত্ব থাকে বুলি ধাৰণা কৰা হয়। এই ধাৰণা আনকি ব্ৰেটন উড প্ৰতিষ্ঠানৰ বিপৰ্যয়, কিম্বা ৰাষ্ট্ৰসংঘৰ সৌজন্যত সম্পাদিত কোনো অৰ্থবহ অৰ্থনৈতিক বুজাবুজিৰ বাবে অৱকাশ নথকা সময়ছোৱাৰ উপৰি ডোহা সন্মিলনকে ধৰি বিশ্ব বাণিজ্য সংস্থাৰ মধ্যস্থতাই যথোপযুক্ত অগ্ৰগতি লাভ নকৰা সময়ছোৱাতো অব্যাহত আছিল। আনহাতে আঞ্চলিক তথা দ্বিপাক্ষিক বুজাবুজিয়ে অভূতপূৰ্ব গতি লাভ কৰা দেখিবলৈ পোৱা যায়। প্ৰকৃতিগত ভাৱে এনে বুজাবুজিৰ পৰিসৰ অধিক বিস্তৃত হোৱাও পৰিলক্ষিত হয়। এনে বুজাবুজিৰ পৰিসৰ সামগ্ৰীৰ বাণিজ্যৰ লগতে সেৱাৰ বাণিজ্যলৈও সম্প্ৰসাৰিত হয়। বুজাবুজিত উপনীত হোৱাৰ ক্ষেত্ৰত এইপ্ৰয়াস অধিক খৰতকীয়া হোৱাৰ উপৰি স্বতঃপ্ৰণোদিত শক্তি হিচাপে চিহ্নিত হয়। ইয়ে বিশ্বৰ বিভিন্ন প্ৰান্তত অৰ্থনৈতিক কূটনীতিৰ বিভিন্ন কৌশলৰ বিকাশত অৰিহণা আগবঢ়ায়। স্বাভাৱিক অৰ্থতে ভাৰততো ইয়াৰ ব্যতিক্ৰম হোৱা দেখা নাই।

**দৃষ্টান্তমূলক পৰিৱৰ্তনৰ বাবে অৱশ্য কৰণীয় ঃ শান্তি আৰ্জিত সমৃদ্ধিৰ দিশে**

অৰ্থনৈতিক কূটনীতিক অধিক প্ৰভাৱশালী ৰূপত বাস্তৱায়িত কৰিবলৈ হ'লে আন দেশৰ সৈতে সম্পৰ্ক স্থাপনৰ বাবে আমি গ্ৰহণ কৰা কৌশলৰ দৃষ্টান্তমূলক পৰিৱৰ্তন সাধন কৰাটো যে প্ৰয়োজন সেই কথা স্বীকাৰ কৰি ল'বই লাগিব। ইয়াৰ অৰ্থ হ'ব দ্বিপাক্ষিক অথবা নিৰ্দিষ্ট অঞ্চল বিশেষত শান্তিৰ পৰিৱেশ সৃষ্টিৰ ক্ষেত্ৰত ফলপ্ৰসূ ভূমিকা পালন কৰিব পৰাকৈ আমি আমাৰ অৰ্থনৈতিক কূটনীতিক গঢ় দিব লাগিব আৰু তাকে কৰিবলৈ হ'লে অৰ্থনৈতিক কূটনীতিৰ জৰিয়তে 'শান্তি-আৰ্জিত সমৃদ্ধি' আহৰণত গুৰুত্ব আৰোপ কৰিব লাগিব। ইয়াৰ অৰ্থ হ'ব, অন্য দেশৰ সৈতে প্ৰথম শান্তিপূৰ্ণ সম্পৰ্ক স্থাপনৰ প্ৰয়াস কৰাৰ জৰিয়তে অৰ্থনৈতিক সমৃদ্ধি আহৰণেৰে ইপ্সিত শান্তি প্ৰতিষ্ঠা কৰাত গুৰুত্ব দিয়া। এনে প্ৰয়াসে পৰ্যায়ক্ৰমে বিশ্ব শান্তি প্ৰতিষ্ঠাৰ প্ৰশস্ত কৰি তুলিব বুলি আশা কৰিব পাৰি। এনে প্ৰেক্ষাপটত অৰ্থনৈতিক কূটনীতিক গ্ৰহণযোগ্য আৰু দৃষ্টান্তমূলক ভাৱে গঢ় দিয়াৰ বাবে প্ৰয়োজনীয় গ্ৰন্থ চৰ্চাৰ প্ৰাসংগিকতা আছে। ফৰাচী দাৰ্শনিক মন্তেস্কো (১৭৪৮)ৰে

ড° ৰাম উপেন্দ্ৰ দাস নতুন দিল্লী স্থিত 'ৰিছাৰ্চ এণ্ড ইনফৰ্মেইশ্বন ছিষ্টেম ফৰ ডেভেলপিং কান্ট্ৰিজ' নামৰ প্ৰতিষ্ঠানটোৰ অধ্যাপক।

কৈছিল— শান্তি হ'ল 'বাণিজ্যৰ প্ৰাকৃতিক পৰিণতি।' ইটালীয়ান অৰ্থনীতিবিদ পেৰেটো (১৮৮৯) ৰে যুক্তি দাঙি ধৰি কৈছিল যে শুল্ক সংঘই দেশসমূহৰ মাজত শান্তি স্থাপনত সহযোগিতা আগবঢ়াব পাৰে। উল্লিখিত বক্তব্য সমূহৰ আধাৰত ক'ব পাৰি যে বহু দিনৰ আগতেই দৰাচলতে আঞ্চলিক অৰ্থনৈতিক ঐক্যত বান্ধখোৱা সদস্য ৰাষ্ট্ৰসমূহৰ মাজত শান্তি স্থাপনৰ সম্ভাৱনীয়তা উপলব্ধি কৰা হৈছিল (স্কিফ আৰু উইন্টাৰ, ২০০৩, পৃষ্ঠা ১৮৯)।

অতি-সম্প্ৰতি, ব্ৰাউন (২০০৫) —এ কৰা এটা বিশ্লেষণ অনুযায়ীও কোৱা হৈছে যে অঞ্চল ভিত্তিক বাণিজ্যিক ঐক্যৰ পৰিণতিত শান্তিৰ সম্ভাৱনা প্ৰকট হয়। উদাহৰণ স্বৰূপে—

১) ঠন ধৰি উঠা বাণিজ্যিক ভেটি ক্ষতিগ্ৰস্ত হোৱাৰ ভয়তে সদস্য ৰাষ্ট্ৰসমূহে সংঘাতত লিপ্ত হৈ অৰ্থনৈতিক সংহতি বিঘ্নিত কৰিবলৈ নিবিচাৰে ২) আঞ্চলিক সহযোগিতাই হীৰা, কাঠৰ অবৈধ বেহাৰ হাৰ বহু পৰিমাণে হ্ৰাস কৰিব পাৰে। উদাহৰণ স্বৰূপে 'ইক'নমিক কমিউনিটী অব্ ৱেষ্ট আফ্ৰিকা ষ্টেটছ' (ইচিঅ'ডব্লিউ এছ) নামৰ পশ্চিম আফ্ৰিকীয় দেশৰ ঐক্য মঞ্চখনে প্ৰথমবাৰৰ বাবে ১৯৯৮ চনত গ্ৰহণ কৰা সিদ্ধান্ত মৰ্মে সদস্য ৰাষ্ট্ৰসমূহৰ অনুমোদন অবিহনে ক্ষুদ্ৰ মাৰণাস্ত্ৰৰ সৰবৰাহ তথা নতুন অস্ত্ৰৰ আমদানি নিষিদ্ধ কৰিছিল। সেইদৰে ৩) আঞ্চলিক বাণিজ্যিক বুজাবুজিয়ে দেশসমূহৰ মাজত মতানৈক্য আঁতৰোৱা, বুজাবুজি বৃদ্ধি কৰা তথা আলোচনাৰ পৰিবেশ সৃষ্টি কৰাৰ ক্ষেত্ৰত অনা-সামৰিক পথৰ বিকল্প দান কৰে।

লী আৰু প্যুন (২০০৯) ৰ মতে, মন্তেস্কো, কান্ট, এঞ্জেল আৰু স্কুমপিটাৰকে ধৰি ৰাজনীতি বিজ্ঞানৰ 'মুক্ত শান্তি'ৰ প্ৰবক্তাসকলে শান্তিৰ পথ প্ৰশস্ত কৰাৰ বাবে পাৰস্পৰিক অৰ্থনৈতিক নিৰ্ভৰশীলতা স্থাপনত গুৰুত্ব আৰোপ কৰিছিল। ইয়ে এটা কথা স্পষ্ট কৰে যে, দ্বিপাক্ষিক অৰ্থনৈতিক নিৰ্ভৰশীলতাই আন্তঃদেশীয় সম্পৰ্ক স্থাপনৰ ক্ষেত্ৰত সেনা বাহিনীৰ ব্যৱহাৰ হ্ৰাস কৰে। চুক্তিৰ আধাৰত স্থাপিত বাণিজ্যিক সম্পৰ্ক ক্ষতিগ্ৰস্ত হোৱাৰ আশংকাতে কোনো দেশে বাণিজ্যিক মিত্ৰৰ সৈতে সংঘাতত লিপ্ত হ'ব নোখোজে। তদুপৰি জোঁট বন্ধা দেশসমূহৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ ভিত্তিত আন্তঃদেশীয় সংঘাতৰ ক্ষেত্ৰত বাণিজ্যিক সংহতিৰ প্ৰভাৱৰ তাৰতম্য ঘটে। সকীফ আৰু উইন্টাৰৰ মতে, চুবুৰীয়া ৰাষ্ট্ৰসমূহৰ মাজত বাণিজ্যিক সম্পৰ্কই পৰস্পৰৰ প্ৰতি বিশ্বাস প্ৰগাঢ় কৰি নিৰাপত্তাৰ সম্ভাৱনা বৃদ্ধি কৰিব পাৰে। বাণিজ্যিক চুক্তিত স্বাক্ষৰ দান কৰিব নে নকৰিব সেই সিদ্ধান্ত গ্ৰহণ কৰিব পৰাকৈ বিভিন্ন কৌশলৰ বিশ্লেষণ আগবঢ়োৱাৰ বাবে মাৰ্টিনে (২০১০) এটা তাত্বিক ব্যাখ্যা দাঙি ধৰিছিল। নিয়মীয়া বাণিজ্যিক লাভৰ উপৰি ৰাজনৈতিক নেতাসকলে দুই ধৰণৰ শান্তিৰ জৰিয়তে সম্ভৱ হ'ব পৰা সুৰক্ষা আহৰণৰ প্ৰয়াস কৰে। সেয়া হৈছেঃ (১) বাণিজ্যিক চুক্তিৰ সিদ্ধান্তই মতবিৰোধ উপশমৰ মঞ্চ হিচাপে সহযোগিতা আগবঢ়ায় আৰু (২) বাণিজ্যিক চুক্তিৰ সিদ্ধান্তই বাণিজ্য ক্ষতি কৰিব পৰা যিকোনো যুদ্ধৰ সম্ভাৱনা হ্ৰাস কৰে।

সদস্য ৰাষ্ট্ৰসমূহৰ মাজত শান্তিৰ পৰিৱেশ স্থাপনৰ প্ৰাথমিক লক্ষ্য লৈয়ে বহুবোৰ বাণিজ্যিক যুক্তি সম্পাদিত কৰা দেখা যায়। উদাহৰণ স্বৰূপে 'এছোচিয়েচন অব্ ছাউথ ইষ্ট এছিয়ান নেশ্বনছ'(আছীয়ান) আৰু 'ছাউথ এছিয়ান এছোচিয়েচন ফৰ ৰিজিঅ'নেল কো-অপাৰেশ্বন' (ছাৰ্ক)ৰ দৰে আঞ্চলিক জোঁটবন্ধন অনা সংস্থাসমূহ অৰ্থনৈতিক প্ৰসংগৰ সমাধান সূত্ৰ বিচাৰিয়েই আৰম্ভ হৈছিল যদিও পৰৱৰ্তী সময়ত আগবঢ়া আগ্ৰহৰ পৰিণতিত বহু বছৰৰ মূৰত আনুষ্ঠানিক বাণিজ্যিক চুক্তিৰ ৰূপত অৰ্থনৈতিক কাৰ্যসূচীয়ে অগ্ৰগতি লাভ কৰিছিল। সেইদৰে আৰ্জেন্টিনা আৰু ব্ৰাজিলৰ মাজৰ সংঘাত উপশমৰ লক্ষ্য লৈয়েই পোনতে 'মাৰ্কছাৰ' (এম ইআৰ চি অ' এছ ইউ আৰ) গঠন কৰা হৈছিল। যুদ্ধ বিধ্বস্ত বালকান অঞ্চলৰ অৰ্থনৈতিক পুনৰ উত্থানৰ লক্ষ্য লৈয়ে ২০০০ চনত দক্ষিণ-পূব ইউৰোপক মুক্ত বাণিজ্য মণ্ডল হিচাপে গঢ়ি তোলাৰ প্ৰচেষ্টা আৰম্ভ কৰা হৈছিল। ২০০৪ চনত ইজিপ্ত আৰু ইজৰাইলে আমেৰিকাৰ সৈতে এখন বাণিজ্যিক চুক্তিত স্বাক্ষৰ দান কৰিছিল। এই চুক্তিৰ আধাৰত মাৰ্কিন বজাৰত ইজিপ্তত তৈয়াৰী সামগ্ৰীৰ মুক্ত প্ৰৱেশ সম্ভৱ কৰিব পৰাকৈ পাঁচোটা বিশেষ মণ্ডল গঢ়াৰ পদক্ষেপ গ্ৰহণ কৰা হয়। এনে সামগ্ৰীৰ ৩৫ শতাংশই হ'ল ইজৰাইল- ইজিপ্তৰ সহযোগিতাৰে নিৰ্মিত (ব্ৰাউন, ২০০৫)। আঞ্চলিক বাণিজ্যিক চুক্তিয়ে সংঘাতৰ উৎস স্তিমিত কৰি হিংসাত্মক সংঘাতত অৱতীৰ্ণ হোৱা আফ্ৰিকাৰ উত্তেজনা প্ৰশমিত কৰিব পাৰিব বুলি বিশ্বাস কিম্বা যুক্তি দাঙি ধৰা হয়। ইয়ে চুবুৰীয়া ৰাষ্ট্ৰসমূহৰ মাজত থকা সন্দেহ বহু পৰিমাণে হ্ৰাস কৰিব পাৰে। আঞ্চলিক ক্ষেত্ৰত বুজাবুজিৰে মৈত্ৰী স্থাপন কৰা ৰাষ্ট্ৰসমূহৰ সদস্য ৰাষ্ট্ৰৰ মাজৰ সংঘাত প্ৰতিৰোধ কৰিব পৰাটো অতিৰিক্ত লাভ (আফ্ৰিকীয় বিকাশ বেংক, ২০০০)।

থোৰতে ক'বলৈ গ'লে আঞ্চলিক বাণিজ্য চুক্তিয়ে সদস্য ৰাষ্ট্ৰসমূহৰ মাজৰ সেনা সংঘাত কমোৱাৰ ক্ষেত্ৰত বিশেষ সাফল্য লাভ কৰাৰ লগতে শান্তিৰ বাতাবৰণ স্থাপনৰ দিশতো অগ্ৰসৰ হোৱা পৰিলক্ষিত হৈছে।

**ঘৰুৱা তথা বৈদেশিক উভয় পৰিক্ৰমাৰ বাবেই গুৰুত্বপূৰ্ণঃ**

অৰ্থনৈতিক কূটনীতিৰ প্ৰসংগ পৰ্যলোচনা কৰিবলৈ যাওঁতে উল্লিখিত

প্ৰেক্ষাপটৰ বিপৰীতে আন এটা গুৰুত্ব পূৰ্ণ দিশৰ কথাও উল্লেখ কৰিব লাগিব। সেয়া হৈছে — অৰ্থনৈতিক কূটনীতিয়ে ঘৰুৱা অৰ্থনীতিৰ বাবে গুৰুত্বপূৰ্ণ কাৰকসমূহৰ সৈতে বৈদেশিক অৰ্থনৈতিক পাৰি-পাৰ্শ্বিকতাৰ সংযোগ স্থাপন কৰে। অৰ্থাৎ ই ঘৰুৱা আৰু বহিঃ অৰ্থনৈতিক মাপক সমূহৰ মাজত সমন্বয় স্থাপন কৰে। অৰ্থনৈতিক কূটনীতি আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক প্ৰসংগসমূহেৰে জড়িত হৈ থাকে। নিয়ম মতে এইকথাই প্ৰসংগটোৰ সৰল ব্যাখ্যা হ'ব লাগিছিল। পিছে, কিনো 'ঘৰুৱা' আৰু কিনো 'বৈদেশিক' সেয়া নিৰ্ধাৰণ কৰিব পৰাকৈ কোনো সীমাৰেখা অঁকাটো দিনে দিনে জটিল হৈ পৰিছে। ১৯৫০ চনৰ পৰৱৰ্তী পৰিস্থিতিত পৰস্পৰৰ মাজত গঢ়ি উঠা অৰ্থনৈতিক আন্তঃনিৰ্ভৰশীলতাই শেহতীয়া ভাৱে লাভ কৰা বিশেষ উত্থানৰ মাজত পূৰ্বতে ঘৰুৱা (অথবা ইউৰোপীয়) বুলি ভাবি অহা বিষয় সমূহেই এতিয়া আন্তঃৰাষ্ট্ৰীয় বুজাবুজিৰ বাবে প্ৰয়োজনীয় বিষয় হিচাপে চিহ্নিত হ'বলৈ ধৰিছে (বেইন আৰু উলকক, ২০০৩)।

অৰ্থনৈতিক কূটনীতিক অধিক বস্তুনিষ্ঠভাৱে ব্যাখ্যা কৰিবলৈ হ'লে বৈদেশিক দৃষ্টিকোণেৰে ভাৰতে গ্ৰহণ কৰা ঘৰুৱা অৰ্থনৈতিক বিকাশ কাৰ্যক্ৰমৰ প্ৰসংগ উল্লেখ কৰাৰ প্ৰয়োজন থাকিব।

## 'মেইক ইন ইণ্ডিয়া' অভিযানৰ বৈদেশিক গুৰুত্ব ঃ

প্ৰধানমন্ত্ৰীয়ে গ্ৰহণ কৰা 'মেইক ইন ইণ্ডিয়া' কাৰ্যক্ৰমৰ পদক্ষেপে ভাৰতীয় অৰ্থনীতিৰ দীৰ্ঘদিনীয়া প্ৰয়োজন এটা পূৰণ কৰিছে। অৱশ্যে ইয়াৰ জৰিয়তে নিৰ্মাণ খণ্ডৰ বিকাশ তথা নিয়োগ সম্ভাৱনা সৃষ্টিত গুৰুত্ব প্ৰদান কৰিব খুজিলেই এই অভিযানে কেৱল ঘৰুৱা অৰ্থনীতিৰ প্ৰয়োজনীয়তাকেহে পূৰণ কৰিব বুলি ভুল ব্যাখ্যা আগবঢ়োৱাৰ প্ৰৱণতা এটাই সততে গা-কৰি উঠা দেখা যায়। যি কি নহওক, এই অভিযানৰ গুৰুত্বপূৰ্ণ বৈদেশিক গুৰুত্বও আছে। তদুপৰি নিৰ্মাণ খণ্ডক অৰ্থনীতিৰ অন্যান্য খণ্ড সমূহৰ পৰা নিলগাই কেতিয়াও আচুতীয়াকৈ পৰ্যালোচনা কৰিব নোৱাৰি। সাম্প্ৰতিক সময়ত আটাইতকৈ সংৰক্ষণশীল প্ৰাককলনৰ আধাৰতো ভাৰতৰ মুঠ ঘৰুৱা উৎপাদনৰ আধাতকৈ অধিক বিদেশী প্ৰত্যক্ষ বিনিয়োগৰ আগমন-বহিঃগমনেৰে জোঁট বান্ধি সামগ্ৰী তথা সেৱাৰ বাণিজ্য সম্পাদিত হয়। উৎপাদনী আৰু সেৱা খণ্ডৰ তুলনাত্মক তথা প্ৰতিযোগিতামূলক কাৰককে ধৰি বিভিন্ন কাৰকৰ বাবে বহিঃখণ্ডই বিদেশী মূলধন, প্ৰযুক্তি, দক্ষতা তথা প্ৰবন্ধন পাৰদৰ্শিতা, আঞ্চলিক প্ৰমূল্য শৃংখল আদিৰ ক্ষেত্ৰত অন্যান্য খণ্ডৰ মাজত আধিপত্য বিস্তাৰ কৰি আহিছে। সেয়ে 'মেইক ইন ইণ্ডিয়া' অভিযানৰ আধাৰত সম্পাদিত কৰিব খোজা কাৰ্যক্ৰমৰ ঘৰুৱা আৰু বহিঃ উভয় দিশৰ অৰ্থনৈতিক গুৰুত্ব হৃদয়ংগম কৰা উচিত। বিশেষকৈ প্ৰাচ্যৰ দেশৰ অৰ্থনৈতিক কূটনীতি তথা ইয়াৰ প্ৰকৃতি অনুধাৱন কৰাৰ বাবে এয়া নিতান্তই প্ৰাসংগিক।

'প্ৰগতিৰ চকৰি ঘূৰোৱা' নিৰ্মাণ খণ্ডই যোগান আৰু চাহিদা উভয় দিশতে অৰিহণা আগবঢ়াই উৎপাদনশীলতা তথা নিয়োগ সম্ভাৱনাৰ সৃষ্টি কৰি ফল দান কৰাটো সহজবোধগম্য কথা। ইফালে বিভিন্ন অধ্যয়নেও উৎপাদন আৰু উদ্ভাৱন তথা কৰ্ম সংস্থানৰ সম্ভাৱনা সৃষ্টিৰ ক্ষেত্ৰত থকা বিশেষত্বৰ জৰিয়তে নিৰ্মাণ খণ্ডই প্ৰগতি সম্ভৱ কৰিব পৰা বিশেষ গুণ বহন কৰি আহিছে বুলি নিশ্চিত কৰিছে। যিহেতু বজাৰৰ পৰিসৰ, সীমিত চাহিদা, প্ৰযুক্তিৰ প্ৰাচুৰ্যহীনতা, যোগানৰ সমস্যা আদিৰ পৰিণতিত এখন দেশৰ ভিতৰত নিৰ্মাণে সদায় প্ৰগতি সম্ভৱ কৰি তুলিব নোৱাৰে, সেয়ে এনে ক্ষেত্ৰত বাণিজ্য তথা বিদেশী প্ৰত্যক্ষ বিনিয়োগৰ মাধ্যমেৰে আঞ্চলিক সংহতি উৎকৃষ্ট বিকল্প হ'ব পাৰে। সামগ্ৰী তথা সেৱা বিপণন সম্ভৱ কৰিব পৰা মুক্ত বিধি-ব্যৱস্থাৰ সুপৰিণতিয়ে সংশ্লিষ্ট পক্ষক চাহিদা সংক্ৰান্তীয় সমস্যাৰ পৰা সকাহ দান কৰে। আনহাতে যোগান সংক্ৰান্তীয় সমস্যা আঁতৰোৱাৰ ক্ষেত্ৰত বিদেশী প্ৰত্যক্ষ বিনিয়োগে সুফল দান কৰিব পাৰে। কিয়নো এনে বিনিয়োগে কেৱল বিত্তীয় সম্পদৰ যোগানকে নিশ্চিত নকৰে; বৰং আঞ্চলিক বাতাবৰণৰ বাবে উপযোগী প্ৰযুক্তি, প্ৰবন্ধন পাৰদৰ্শিতা তথা কাৰিকৰী দক্ষতাও উপলব্ধ কৰায়। নিৰ্মাণক প্ৰগতিৰ চকৰি হিচাপে গঢ়ি তুলিলেও আঞ্চলিক বাণিজ্য তথা বিনিয়োগ সংহতিৰ এটা সংহত পদক্ষেপ গ্ৰহণৰো বিশেষ প্ৰয়োজনীয়তা থাকে। ইয়ে অৰ্থনৈতিক বিকাশ সম্ভৱ কৰি তোলে আৰু তাকে কৰিবলৈ হ'লে আঞ্চলিক সংহতি সম্ভৱ কৰিব পৰাকৈ অৰ্থনৈতিক কূটনীতিৰ সদ্ব্যৱহাৰত বিশেষ গুৰুত্ব দিব লাগিব।

প্ৰতিষ্ঠানিক সেৱা উপলব্ধ কৰাব পৰা ব্যৱস্থাৰ দিহা কৰিব নোৱাৰিলে নিৰ্মিত সামগ্ৰীৰ ব্যৱসায়ৰ পৰিসৰ বৃদ্ধি কৰিব পৰা নাযায়। উদাহৰণ স্বৰূপে সামগ্ৰীৰ বেহাৰ বিস্তৃতি হস্তান্তৰোত্তৰ ঋণ, সৰবৰাহ বীমা, বেংক-নিশ্চিতি তথা পৰিবহন সেৱাৰ দৰে সা-সুবিধাৰ উপলব্ধতাৰ ওপৰত নিৰ্ভৰশীল। এই সা-সুবিধাসমূহে বাণিজ্য বিস্তাৰতে সহযোগিতা আগ নবঢ়ায়, বৰং ৰপ্তানিৰ ক্ষেত্ৰতো বিশেষ ভূমিকা ৰূপায়ণ কৰে। ইফালে স্বাস্থ্যৰ সেৱা খণ্ডৰ ক্ষেত্ৰত আকৌ সেৱাৰ বাণিজ্য চিকিৎসা সা-সৰঞ্জাম, ঔষধ-পাতিৰ উপলব্ধতাৰ ওপৰত নিৰ্ভৰশীল হোৱা দেখা যায়। সেয়ে যিকোনো ধৰণৰ বাণিজ্যিক বুজাবুজিয়ে সামগ্ৰী আৰু সেৱা উভয়খণ্ডৰ মাজত দুমুখীয়া সেঁতুবন্ধনত গুৰুত্ব আৰোপ কৰাৰ প্ৰয়োজন থাকে। অৱশ্যে,বাস্তৱক্ষেত্ৰত

ইয়াৰ বিপৰীত দৃষ্টিভংগীও গ্ৰহণ কৰিব পৰা যায়। গৃহ নিৰ্মাণ আৰু বিত্তীয় খণ্ডৰ দৰে ভিন্ন ধৰ্মী খণ্ডৰ মাজত বাঢ়ি অহা সংযোগ বিহীনতাৰ প্ৰেক্ষাপটত এনে খণ্ডৰ সামগ্ৰী আৰু সেৱাৰ বাণিজ্যই সমৃদ্ধিৰ ক্ষেত্ৰত নিজাববীয়া পথৰ সন্ধান কৰা দেখা যায়। এনেদৰে স্বতন্ত্ৰ ৰূপত সম্পাদিত সেৱা আৰু সামগ্ৰীৰ উভয় বাণিজ্য সমীক্ষাৰ প্ৰয়োজনীয়তা থাকিব। বুনিয়াদী সেৱাৰ উন্নয়নত আগবঢ়োৱা সহযোগিতাই লেন-দেন ব্যয় হ্ৰাস কৰাৰ লগতে আঞ্চলিক প্ৰেক্ষাপটত সামগ্ৰীৰ দাম হ্ৰাস কৰে।

উচ্চ পৰ্যায়ৰ আঞ্চলিক বাণিজ্য তথা ইয়াৰ বিকাশ সম্ভৱ কৰিবলৈ বাণিজ্যিক বিনিয়োগৰ সম্ভাৱনীয়তা সৰলীকৰণৰ দিহা কৰাটো জৰুৰী। এনে প্ৰয়াসে আঞ্চলিক জোঁট বন্ধনত আবদ্ধ হোৱা দেশসমূহৰ ৰপ্তানি দক্ষতা উন্নত কৰাত সহায় কৰে। এনে পৰিস্থিতিয়ে আঞ্চলিক পৰ্যায়ত নিয়োগৰ সম্ভাৱনাও বৃদ্ধি কৰিব পাৰে। যি মুহূৰ্তত মুক্ত বাণিজ্য চুক্তি (এফ টি এ) য়ে আঞ্চলিক পুনৰ্গঠনৰ পাৰদৰ্শিতাৰ ভিত্তিত বিনিয়োগৰ পয়োভৰ ঘটাব পাৰে, সেই মুহূৰ্তত বাণিজ্যিক সম্ভাৱনা সৃষ্টিকাৰী যুটীয়া উদ্যোগে আঞ্চলিক বাণিজ্যৰ প্ৰবাহ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত অৱশেষত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰাৰ যোগ্যতা অৰ্জন কৰিব পাৰে। সেয়ে বাণিজ্যিক সম্ভাৱনা সৃষ্টিকাৰী যৌথ উদ্যোগে আঞ্চলিক মুক্ত বাণিজ্য চুক্তিৰ জৰিয়তে বিশেষ সুবিধা আদায়ৰ সুযোগ গ্ৰহণৰ যোগ্যতা অৰ্জন কৰে। নিৰ্মাণ খণ্ডৰ উত্তৰণৰ গতি ত্বৰান্বিত কৰাৰ ক্ষেত্ৰত এনেবোৰ সুযোগৰ প্ৰত্যক্ষ প্ৰভাৱ থাকে।

সংহতি আৰু বিশেষত্ব আৰোপনেৰে আন্তঃদেশীয় বিনিয়োগত গুৰুত্ব আৰোপ কৰিলে সিয়ে বাণিজ্যিক বিনিয়োগ শক্তিশালী কৰি তোলাৰ ফলত নিয়োগ সম্ভাৱনা সৃষ্টিৰ পৰিসৰ বৃদ্ধি কৰিব পাৰে। ইয়াৰ বাবে অঞ্চল বিশেষৰ নিৰ্দিষ্ট উদ্যোগৰ উৎপাদনৰ বিভিন্ন পৰ্যায়ত সংহত ৰূপত বিতৰণৰ দিহা কৰাটো জৰুৰী হৈ উঠে।

সেই দৰে, সমন্বিত ৰূপত আঞ্চলিক নিৰ্মাণৰ লক্ষ্যত উপনীত হ'ব পাৰিলে নিৰ্মাণক 'প্ৰগতিৰ চকৰি' হিচাপে চিহ্নিত কৰাৰ লগতে নিয়োগ সম্ভাৱনা বৃদ্ধিৰ দৰে ইতিবাচক পৰিণতিৰ সম্ভাৱনাও ই নিশ্চিত কৰে। থোৰতে ক'বলৈ হ'লে, মুক্ত বাণিজ্য চুক্তিৰ অধীনত গৃহীত মূল নীতিয়ে নিৰ্মাণৰ গতি ত্বৰান্বিত কৰাৰ লগতে নিয়োগৰ সম্ভাৱনা সৃষ্টিৰ ক্ষেত্ৰত বিকাশ মূলক ভূমিকা ৰূপায়ন কৰে।

এনে প্ৰেক্ষাপটত 'মেইক ইন ইণ্ডিয়া' অভিযান পাৰদৰ্শী পদক্ষেপ ৰূপে চিহ্নিত হ'ব পাৰে। ইয়াৰ বাবে নিৰ্মাণ খণ্ডক অন্যান্য খণ্ডসমূহৰ সৈতে সংহত ৰূপত পৰ্যালোচনা কৰাৰ প্ৰয়োজন থাকিব। ইফালে, আন্তঃৰাষ্ট্ৰীয় বুজাবুজিৰ ক্ষেত্ৰত অৰ্থনৈতিক প্ৰসংগত গুৰুত্ব প্ৰদান কৰা কাৰ্য অৰ্থনৈতিক কূটনীতিৰ ভিত্তিত হ'ব লাগিব। কিয়নো এনে পদক্ষেপেহে নিয়োগৰ সম্ভাৱনা সৃষ্টি, দাৰিদ্ৰ্য দূৰীকৰণ তথা সামগ্ৰিক ভাৱে মানুহৰ জীৱনশৈলীৰ উন্নয়নৰ দৰে অৰ্থনৈতিক উন্নয়নৰ লক্ষ্য সমূহ আহৰণৰ বাবে অৰ্থনৈতিক কূটনীতিক অস্ত্ৰ হিচাপে গঢ়ি তুলিব পাৰিব।

***'পয়োভৰা'ত প্ৰকাশিত প্ৰবন্ধপাতিৰ ওপৰত পাঠকৰ কিবা মন্তব্য থাকিলে অথবা প্ৰকাশিত তথ্যৰ উপৰি পঢ়ুৱৈ সমাজক অধিক তথ্য জনাব বিচাৰিলে, সেই বিষয়ে আমালৈ লিখি পঠিয়াই যেন। উপযুক্ত বিবেচিত হ'লে 'পয়োভৰা'ত প্ৰকাশ কৰা হ'ব।***

# সু-প্ৰশাসন ঃ শৈলী আৰু সাৰাংশ

* এ সূৰ্য প্ৰকাশ

ভাৰতৰ ৰাষ্ট্ৰীয় ৰাজনীতিত মৰ্চা যুগ আৰম্ভ হোৱাৰ পৰা এটা সাধাৰণ ভাৱধাৰাই গা কৰি উঠে যে দেশত সঠিক উদ্দেশ্যৰ পথ বিলীন হৈ গৈছে আৰু আলোকিত কৰণৰ দিশো হেৰাই গৈছে। ১৯৮৯ চনৰ পৰাই সেই মৰ্চা যুগৰ আৰম্ভণি হয়। সেই ভাৱধাৰাই জীৱনৰ সকলো ক্ষেত্ৰতে ক্ৰিয়া কৰিবলৈ ধৰে আৰু প্ৰশাসনৰ ক্ষেত্ৰতো সমানভাবে ই প্ৰতিফলিত হয় — তেহেলৈ সেয়া সামাজিক বিষয়েই হওক অথবা অৰ্থনৈতিক বিষয়েই হওক। এই ৰাজনৈতিক অনিশ্চয়তাই অক্ষমতাৰ পথ প্ৰশস্ত কৰে আৰু স্বচ্ছতাৰো অভাৱ দেখা যায়। কিন্তু এই স্খলন আৰু সন্দিহান ভাৱ বিশ্বৰ বাকী ৰাষ্ট্ৰৰ সতে ভাৰতে কৰা বিনিময় কাৰ্যত অধিক স্পষ্ট। আন্তৰ্জাতিক কাৰ্যাৱলীৰ প্ৰতি অস্পষ্ট প্ৰতিক্ৰিয়া আৰু চুবুৰীয়া দেশে অনাহকত সৃষ্টি কৰা উত্তেজনাৰ প্ৰতি জনোৱা দুৰ্বল সঁহাৰিয়ে আত্ম-সন্মানৰ দৈন্যকেই আনৰ আগত দাঙি ধৰে আৰু এইবোৰে আন্তৰ্জাতিক সম্প্ৰদায়ক এনে ধাৰণাত উপবিষ্ট কৰায় যে নেতৃত্বদান দূৰৈৰ কথা ভাৰত হ'ল এখন নেতৃত্বহীন ৰাষ্ট্ৰ।

কিন্তু এই সকলো চিন্তাৰ ২০১৪ চনৰ মে'ত নাটকীয়ভাৱে পৰিৱৰ্তন ঘটে যেতিয়া জনগণে নৰেন্দ্ৰ মোদীৰ নেতৃত্বত নেশ্বনেল ডেম'ক্ৰেটিক এলায়েন্সক (এন ডি এ) লোকসভালৈ স্পষ্ট সংখ্যাগৰিষ্ঠ-তাৰে অধিষ্ঠিত কৰায়। যোৱা ১২ মাহত যিসকলে এই প্ৰধান মন্ত্ৰী গৰাকীক কাম কৰা দেখিছে, তেওঁলোকৰ সৰহভাগেই এইটো মানি ল'ব যে এটা বলিষ্ঠ আৰু দৃঢ় মনেৰে তেওঁ কেৱল সন্মুখৰ পৰাই নেতৃত্ব দিয়া নাই, তাৰ উপৰি আধুনিক চিন্তাধাৰাৰে ভাৰত নিৰ্মাণ কৰিবলৈ আগ্ৰহী সহস্ৰ লোকক তেওঁ অনুপ্ৰাণিতও কৰিছে।

এইটো যুক্তি দৰ্শাব পাৰি যে নিৰ্বাচনৰ সময়ত কৰা প্ৰতিজ্ঞা আৰু কাৰ্য ৰূপায়ণৰ মাজত প্ৰভেদে দেখা দিছে, কিম্বা এন ডি এ চৰকাৰে যোৱা বছৰৰ লোকসভা নিৰ্বাচনত যি ভাৱ জগাই তুলিছিল সেই ভাৱ আশান্বিত ৰূপত কাৰ্যকৰী কৰাত অপাৰগ হৈছে। কিন্তু এইটো কোনেও অস্বীকাৰ কৰিব নোৱাৰে যে নিৰাশাজনক ভাৱ-অনুভূতি অতীতৰহে ঘটনা ; বৰ্তমান চৰকাৰে যি বোৰ আশ্বাস দিছিল সেইবোৰ এটা এটাকৈ পূৰ্ণ হ'বলৈ ধৰিছে আৰু তাকো খৰতকীয়া গতিৰে।

কেন্দ্ৰীয়ভাৱে যিবোৰ ভাৱ-চিন্তা কৰা হৈছে তাৰ পৰা অন্য দিশতো সফলতাৰ মুখ দেখা গৈছে। পিছে বিভিন্ন ক্ষেত্ৰত চৰকাৰৰ সফলতা আৰু বিফলতা জানিবলৈ হ'লে আমি এন ডি এৰ কাৰ্যকলাপৰ বিভিন্ন ভাগবোৰলৈ চোৱাৰ আৱশ্যক হয় আৰু তাৰ পাছত সমগ্ৰ দৃশ্যপট সম্বন্ধে এটা দৃষ্টিভঙ্গী গ্ৰহণ কৰা প্ৰয়োজন। প্ৰথম বছৰটোত বিপুল ধৰণৰ কাম-কাজৰ মেটমৰা বোজা তাৰ বাবে। চৰকাৰে প্ৰশাসন যন্ত্ৰক সীমান্তলৈকে ঠেলি দিয়ে - য'ত এতিয়ালৈকে প্ৰয়োজনীয় কাৰ্যৰ ৰূপান্তৰ সাধন হোৱা নাই। বহু পুৰণি সমস্যা সমাধান কৰিবৰ কাৰণে বছৰটোত এলানি ৰাষ্ট্ৰীয় কাৰ্যসূচী আৰম্ভ কৰা হয়। তেনেবোৰ সমস্যাৰ ভিতৰত উল্লেখযোগ্য হ'ল— লিঙ্গ অসমতা, অনাময় আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা, বেংক ব্যৱস্থাৰ পৰা বাদ পৰি থকা সহস্ৰজনৰ সমস্যা। আন্তঃ গাঁথনিমূলক বিকাশ এলেকাবোৰত নিৰ্দিষ্ট লক্ষ্যৰে অধিক আলোকপাত —য'ত আছে বিদ্যুৎ শক্তিৰ সঞ্চাৰ, ৰে'লৰে, ঘাই পথ নিৰ্মাণ ইত্যাদি বৈদেশিক পৰিক্ৰমাৰ কাম-কাজত বিক্ষিপ্ত অভিযান। সংকট আৰু দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত কেন্দ্ৰীয় মন্ত্ৰীসকলৰ দ্বাৰা পোনপটীয়াকৈ তদাৰক কাৰ্যৰ বিষয়ে উল্লেখ কৰিব পাৰি। এই প্ৰতিটো খণ্ডত কিমান পৰিৱৰ্তন সাধন হৈছে তাক পৰীক্ষা কৰি চালে আপুনি দেখা পাব যে যি পৰিৱৰ্তন সাধন হৈছে তাৰ ধৰণ বাস্তৱিকতেই সন্তোষজনক। বিনিয়োগ সমৰ্থন, দুখীয়া লোক আৰু কৃষকৰ উন্নতি সাধন, নিয়োগ সমৰ্থিত যিবোৰ নতুন আঁচনি এবছৰতেই প্ৰচলন কৰা হৈছে সেয়া সঁচাকৈয়ে স্বাধীন ভাৰতৰ ইতিহাসত এটা আচৰিত হ'ব লগা বিষয়।

সামগ্ৰিক কল্যাণ সাধনৰ বাবে সঠিকভাবে বিক্ষিপ্ত আঁচনিসমূহ ৰূপায়ণ কৰি চৰকাৰে সেই সমস্যাবোৰ চাবলৈ প্ৰয়াস কৰিছে যিবোৰে সমাজত মহিলাসকলৰ বিকাশ সাধনত বাধা দিছে। এই দিশৰ, এনে প্ৰয়াস আদৰণিজনক পদক্ষেপ হ'লেও আগন্তুক দিনবোৰত বহুখিনি কৰিবলগীয়া আছে।

কন্যা সন্তানৰ ভ্ৰূণ নাশৰ

* ড° এ সূৰ্য প্ৰকাশ বৰ্তমান প্ৰসাৰ ভাৰতীৰ অধ্যক্ষ। তেওঁ সাংবিধানিক আৰু সংসদীয় অধ্যয়ন আৰু প্ৰশাসন সম্পৰ্কীয় বিষয়ত বিশেষজ্ঞ আৰু অভিজ্ঞতাৰে ৪০ বছৰ ধৰি গণমাধ্যমত স্তম্ভলেখত হিচাপে প্ৰসিদ্ধি লাভ কৰিছে।

বিষয়টোৰে যাতে সমাজত ঠাই নাপায় তাক নিশ্চিত কৰিবৰ কাৰণে কন্যা সন্তানৰ জন্মক উৎসাহিত কৰিবলৈ সামগ্ৰিক ভাৱে যিবোৰ মূল কাৰ্যসূচী গ্ৰহণ কৰা হৈছে তাত এই বিষয়টোকো সামৰি লোৱা হৈছে। পিছে এই ক্ষেত্ৰত তেনে কাৰ্যসূচী কিমান দূৰ আগবাঢ়িছে তাক নিৰীক্ষণ কৰা প্ৰয়োজন যাতে সেই আঁচনিবোৰে প্ৰকৃততে এটা পৰিৱৰ্তন আনিব পৰিছেনে নাই তাক নিশ্চিত কৰিব পৰা যায়। সেইবোৰ কেৱল অফিচৰ ফাইলত ধূলি-মাকতি ভৰি থাকিলেই নহ'ব।

ডাঙৰ উদ্বেগৰ ক্ষেত্ৰসমূহ হ'ল মানসিক দৃষ্টিভংগীৰ পৰিৱৰ্তন কৰাটো। পঞ্জাৱ,হাৰিয়ানা আৰু গুজৰাটৰ দৰে অধিক সমৃদ্ধিশালী ৰাজ্য বোৰেও কন্যা সন্তানৰ ভ্ৰূণ নাশৰ বিষয়টোৰ বিৰুদ্ধে যুঁজ দিছে আৰু লিঙ্গ সমানুপাতৰ হাৰ উন্নত কৰিবলৈ চেষ্টা কৰিছে। পূৰ্বতেও এনে প্ৰচেষ্টা গ্ৰহণ কৰা হৈছিল, কিন্তু জনগণৰ মাজত সজাগতাৰ অভাৱৰ হেতু বৈশিষ্ট্যপূৰ্ণভাৱে পদক্ষেপ গ্ৰহণ কৰিবলৈ এতিয়াও বাকী আছে। এই সকলো আঁচনি সফল কৰি তুলিবৰ কাৰণে জনগণৰ মানসিক দৃষ্টিভঙ্গীত এটা পৰিবৰ্ত্তন সাধিবলৈ সচেষ্টভাৱে প্ৰয়াস কৰা হৈছে। তাৰ বাবে শিক্ষা আৰু স্বাস্থ্যৰ দিশত গুৰুত্ব আৰোপ কৰা হৈছে। মাকৰ প্ৰাক্-প্ৰসূতি কালৰ প্ৰতি গুৰুত্ব তথা সন্তান আৰু মাকৰ প্ৰসূতিৰ পৰৱৰ্তী কালৰ প্ৰতিও দৃষ্টি আৰোপ কৰিবলৈ লোৱা হৈছে। ইয়াৰ বাহিৰেও ৰে'ল ষ্টেচনত উদ্ভৱ হোৱা স্পৰ্শকাতৰ বিষয়ৰ প্ৰতি গুৰুত্ব দি সন্তানৰ নিৰাপত্তা নিশ্চিত কৰাৰ এখন আঁচনিৰো দিহা কৰা হৈছে।

এই সমস্যাবোৰ সমাধান কৰিবৰ বাবে মহিলা কল্যাণ আঁচনিসমূহ উপযুক্তভাৱে ৰূপায়ণ কৰাৰ ক্ষেত্ৰত মন্ত্ৰালয়ে সকলো প্ৰয়াস কৰিছে। কিন্তু সেইবোৰ ক্ষেত্ৰত সফলতা লাভ কৰিলেও এতিয়াও বহু কৰিবলৈ বাকী আছে। মহিলাৰ বিৰুদ্ধে কৰা হিংসাক কাৰ্যবোৰ ভালদৰে সমাধান কৰিবৰ কাৰণে এটা নিৰ্দিষ্ট ঠাইৰ কেন্দ্ৰ স্থাপন কৰা হৈছে। এতিয়া ইয়াৰ বাবে দ্বিতীয় পদক্ষেপ হ'ল আঁচনিখনৰ সুফল প্ৰকৃত হিতাধিকাৰী সকলে পোৱাটো নিশ্চিত কৰাটো। দুৰণিবটীয়া গাঁওবোৰত ইয়াৰ বাতৰি বিস্তাৰিত হোৱা আৱশ্যক— যাতে হিতাধিকাৰীসকলে ইয়াৰ সা-সুবিধা গ্ৰহণ কৰিব পাৰে।

এই বছৰ চৰকাৰে আঁচনি এখন আৰম্ভ কৰিছে আৰু এই আঁচনিৰ অধীনত প্ৰতিখন জিলাৰ একোগৰাকী মহিলাক জিলা সন্মান পুৰস্কাৰ প্ৰদান কৰা হ'ব তথা ৰাজ্যিক পৰ্যায়ত এগৰাকী মহিলাক ৰাজ্য সন্মান পুৰস্কাৰো দিয়া হ'ব। পুৰস্কাৰসমূহ ২০১৪ চনৰ জুনত চলিত চৰকাৰখনে প্ৰতিষ্ঠা কৰে। তৃণমূল পৰ্যায়ত মহিলাসকলৰ বিষয়সমূহৰ প্ৰতি বৰঙণি যোগোৱা আৰু ক্ষেত্ৰভিত্তিকভাৱে কৰা কাম-কাজক স্বীকৃতি দিয়াই হ'ল এই পুৰস্কাৰৰ উদ্দেশ্য। পুৰস্কাৰৰ আঁচনিখন ইতিমধ্যে ৰূপায়িত কৰিবলৈ লোৱা হৈছে।

চৰকাৰৰ "বেটী বাচাও বেটী পঢ়াও" আঁচনিখন এই বছৰ প্ৰচলন কৰা হৈছে। কন্যা সন্তানৰ ভ্ৰূণ নাশৰ অভ্যাস ৰোধ কৰিবৰ বাবেই ইয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। প্ৰধান মন্ত্ৰী মোদীৰ উক্তি হ'ল লিঙ্গৰ ক্ষেত্ৰত বৈষম্যৰ ভাৱে মানসিক ৰোগক'হে প্ৰতিফলিত কৰে আৰু ই এনে এটা মানসিক দৃষ্টিভঙ্গী দাঙি ধৰে "যিটো ওঠৰ শতিকাৰ মানুহতকৈ অধিক বেয়া"। ইয়াৰ পৰা ইতিবাচক প্ৰভাৱ পৰিছে। আঁচনিখন সম্প্ৰতি ভালদৰে আগবাঢ়িছে। এই ক্ষেত্ৰত উল্লেখনীয় বিষয়টো হ'ল হাৰিয়ানাত প্ৰচলন কৰা আঁচনিখন। সেই ৰাজ্যখনত লিঙ্গ সমানুপাতৰ হাৰ দেশৰ ভিতৰতেই অতি বেয়া। আটাইতকৈ নিম্নতম হাৰ আছে মহেন্দ্ৰগড়ত। তাৰ লিঙ্গ সমানুপাতৰ হাৰ হ'ল প্ৰতি ১০০০ ল'ৰাৰ বিপৰীতে ছোৱালীৰ সংখ্যা হ'ল মাত্ৰ ৭৭৫। অৱশ্যে দেশৰ বাকী অংশত এই আঁচনিখনে গতি লাভ কৰিছে।

এনে অভ্যাস বন্ধ কৰি পাব পৰা লাভৰ ওপৰত আলোকপাত কৰি হাৰিয়ানা চৰকাৰে আঁচনি প্ৰচলন কৰাৰ বাবে চেষ্টাৰ ত্ৰুটী কৰা নাই। সেয়ে এই মাহত চৰকাৰে কন্যা সন্তানৰ ভ্ৰূণ নাশ কৰা অভ্যাসৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা ল'বলৈ আৰম্ভ কৰিছে। চৰকাৰখনে এনে বিনাশ সাধন কাৰ্যত জড়িত হোৱা যি কোনো লোকৰ সম্ভেদ দিওঁতাৰ বাবে পুৰস্কাৰৰ ধন দুগুণ কৰিছে। এতিয়া সেই পুৰস্কাৰৰ ধনৰ পৰিমাণ হ'ল ১ লাখ টকা।

" বেটী বাচাও, বেটী পঢ়াও" আঁচনিখন আৰম্ভণিতে হাৰিয়ানাৰ ১২ খন জিলাকে ধৰি দেশৰ ১০০ খন জিলাত ৰূপায়িত কৰা হ'ব। ইয়াৰ ভিতৰত এনে ৮৭ খন জিলাও আছে য'ত শিশুৰ লিঙ্গ সমানুপাতৰ হাৰ ৰাষ্ট্ৰীয় গড়তকৈ কম; আঠখন জিলা এনে ধৰণৰ, য'ত ৰাষ্ট্ৰীয় গড়তকৈ অধিক কিন্তু হ্ৰাস গতি এতিয়া পৰিলক্ষিত হৈছে আৰু ৰাষ্ট্ৰীয় গড় হিচাপতকৈ ওপৰত থকা পাঁচখন জিলাও আছে।

তদুপৰি দেশৰ বিভিন্ন ঠাইত স্থাপন কৰিব লগা নিৰ্দিষ্ট কেন্দ্ৰৰ বাবে নীতি -নিৰ্দেশনা তৈয়াৰ কৰা হৈছে যাতে হিংসাত্মক কাৰ্যত আক্ৰান্ত হোৱা মহিলাসকলক সমন্বিতভাৱে সহায়-সমৰ্থন প্ৰদান কৰিব পৰা যায়। প্ৰথম পৰ্যায়ত নিৰ্ভয়া পুঁজিৰ ধন ব্যৱহাৰ কৰি ৰূপায়িত কৰিবলগা '' ওৱান ষ্টপ চেন্টাৰ'' আঁচনিখন প্ৰত্যেক ৰাজ্য আৰু কেন্দ্ৰ শাসিত আঞ্চলত স্থাপন কৰা হ'ব। লিঙ্গ ভিত্তিক হিংসাত্মক কাৰ্যৰ দ্বাৰা আক্ৰান্ত হোৱা মাহিলাসকলক ইয়াৰ সা-সুবিধা প্ৰদান কৰা হ'ব। তেনেবোৰ সুবিধাৰ

ভিতৰত আছে চিকিৎসা, ন্যায়িক আৰু মনোবৈজ্ঞানিক দিশত দিহা-পৰামৰ্শ আগবঢ়োৱা।

তেনে কেন্দ্ৰবোৰ ১৮১ বা তথা বৰ্তমানে থকা অন্য হেল্প লাইনৰ সতে সমন্বিত কৰা হ'ব। আঁচনিখনৰ ৰূপায়ণৰ অৰ্থে মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে এজেন্সিসমূহক সমৰ্থন প্ৰদান আৰু ৰাজ্য, জিলা তথা তৃণমূল স্তৰৰ সংগঠনসমূহক সমৰ্থন জনাবৰ বাবে নীতি-নিৰ্দেশনা তৈয়াৰ কৰিছে। এই নীতি-নিৰ্দেশনাবোৰে ৰাষ্ট্ৰীয়, ৰাজ্যিক আৰু কেন্দ্ৰ শাসিত পৰ্যায়ত নীতিৰ পৰিচালনা তথা পৰ্যবেক্ষণ কৰিবলৈ কৰ্মচাৰীসকলৰ বাবে এটা প্ৰাসঙ্গিক নিয়ম ৰূপে কাম কৰিব। দেশৰ বিভিন্ন ঠাইত পৰ্যায় ক্ৰমে এই কেন্দ্ৰবোৰ স্থাপন কৰা হ'ব। নাতি-নিৰ্দেশনাত বিভিন্ন বিভাগৰ ভূমিকা আৰু দায়িত্বকো আলোকপাত কৰিছে। বিভিন্ন স্তৰত ব্যৱহাৰ কৰিব লগা ৰিপোৰ্টিং ফৰমেট আৰু পৰ্যবেক্ষণ ব্যৱস্থাৰ যোগান ধৰা হৈছে।

জুভেনাইল জাষ্টিচ (কেয়াৰ এণ্ড প্ৰটেকচন অব চিলড্ৰেণ) বিল, ২০১৪ কো সংশোধন কৰা হয়। সন্তান তুলি লোৱা লেহেমীয়া প্ৰক্ৰিয়াক অধিক সক্ষম কৰি তোলাই হ'ল চৰকাৰৰ লক্ষ্য। যি সকলে সন্তান তুলি তালি ডাঙৰ-দীঘল কৰিব নিবিচাৰে সেইসকলৰ বাবে পোষণ যতন ভাব প্ৰতিপন্ন কৰিবৰ কাৰণে চৰকাৰে ইচ্ছা কৰে। এই ক্ষেত্ৰত সন্তান প্ৰতিপালন কৰা যিবোৰ গৃহ আছে সেইবোৰ এনে কামত জড়িত হ'ব। কোনোবা লোকে তেনে সন্তানক নিজৰ ঘৰত ৰাখিবলৈ বিচাৰিলেও নিব পাৰে। চাইল্ড কেয়াৰ গৃহৰ পৰা ল'ৰা বা ছোৱালীক বাহিৰলৈ নি উপযুক্তভাৱে তেনে সন্তানক প্ৰতিপালন কৰাই হ'ল চৰকাৰৰ উদ্দেশ্য। আঠ বা দহ বছৰীয়া সন্তানৰ ক্ষেত্ৰত তেনে কাৰ্য অৱলম্বন কৰিব পাৰে। আইনখনত এনে ধৰণৰ কিছুমান বৈশিষ্ট্য আছে।

আইনখনত কোনো নতুন বিষয় সন্নিৱিষ্ট কৰাৰ আগতে মন্ত্ৰালয়ে সহস্ৰজনৰ পৰা মতামত বিচাৰিছিল। এই ক্ষেত্ৰত ২০০০ পৃষ্ঠাৰ মতামত জমা হয়। বিশেষজ্ঞসকলে প্ৰতি দিনে কোনটো ব্যৱস্থা সম্ভৱ হয় সেই বিষয়ে তিনি সপ্তাহ বৈঠকত বহি আলোচনা কৰিছিল।

বয়স কমোৱাৰ ক্ষেত্ৰত চিন্তা কৰা ফৈদ তিনিটা আছে। এটা ফৈদে কয় বয়স নকমা আৰু আনটোৱে কয় বয়স নিশ্চয় কমাব লাগিব, কিন্তু চৰকাৰক তেনে শিশুৰ ক্ষেত্ৰত সিদ্ধান্ত গ্ৰহণ কৰিবলৈ ক্ষমতা দিব নালাগিব। তৃতীয় ফৈদৰ যিটো আটাইতকৈ সৰহীয়া— মত এই যে তেনে ল'ৰাক আদালত পদ্ধতিৰ জৰিয়তে জুভেলাইন জাষ্টিচ বোৰ্ডক অতিক্ৰম কৰি ততালিকে কাৰাগাৰলৈ পঠাব লাগে।

শেষত মধ্য পথকেই গ্ৰহণ কৰিবলৈ ঠিক কৰা হয় আৰু চৰকাৰক হস্তক্ষেপ কৰিবলৈ সুবিধা দিয়া উচিত নহয়। কম বয়সৰ ল'ৰা-ছোৱালীয়ে সংঘটিত কৰা জঘন্য আপৰাধৰ প্ৰতিটো গোচৰ পৰীক্ষা কৰিব লাগিব। তেনে গোচৰ জুভেনাইল কোৰ্ট নে প্ৰাপ্তবয়স্ক আদালতে বিচাৰ কৰিব সেইটো চোৱা দৰকাৰ। জুভেনাইল জাষ্টিচ বোৰ্ড বিষয়বোৰ বিচাৰ কৰা উপযুক্ত কৰ্তৃপক্ষ , কিয়নো এই বোৰ্ডত মনো-বৈজ্ঞানিক ব্যক্তিৰ উপৰিও বিশেষজ্ঞ থাকে।

দেশত থকা ল'ৰা-ছোৱালীৰ আশ্ৰয় গৃহৰ ওপৰতো মন্ত্ৰালয়ে চকু দিছে। বৰ্তমানে এইবোৰ গৃহৰ অৱস্থা সন্তোষজনক নহয়। নেচনেল ক্ৰাইম ৰেকৰ্ডছ ব্যুৰোৰ তথ্য মতে ২০০১ আৰু ২০১৩ চনৰ ভিতৰত শিশুৰ যতন সা-সুবিধাৰ সন্দৰ্ভত ২,৩৩৩ টা পঞ্জীকৃত কৰা ওজৰ-আপত্তি আছিল। মন্ত্ৰালয়ৰ অধীনত এনে গৃহবোৰ চোৱাচিতা কৰা হ'ব আৰু তাৰ অৱস্থাৰ বিষয়ে পুংখানুপুংখ ভাৱে পৰিদৰ্শন কৰিবৰ কাৰণে চৰকাৰৰ তৰফৰ পৰা দল প্ৰেৰণ কৰা হ'ব। বৰ্তমানে মাত্ৰ ১০ খন মহানগৰত থকা 'চাইল্ডলাইন' সম্প্ৰসাৰণ কৰাৰ বাবে মন্ত্ৰালয়ে চিন্তা কৰিছে। এনে ব্যৱস্থা ১০০ খন চহৰলৈ পৰিব্যাপ্ত কৰাৰ আঁচনি আছে।

চৰকাৰে মহিলা বিষয়ক প্ৰশিক্ষণ আৰু নিয়োগ কাৰ্যসূচীৰ সমৰ্থন আঁচনি,চমুকৈ ষ্টেপ'ক (ছাপ'ৰ্ট টু ট্ৰেইনিং এণ্ড এমপ্লয়মেন্ট প্ৰ'গাম ফৰ উইমেন) পুনৰুজ্জীৱিত কৰিছে — যাতে মহিলাসকলে দেশত নিয়োগৰ ভাল সা-সুবিধা পায়। আঁচনিখনে মহিলাসকলক ক্ষুদ্ৰ নিৰ্ভৰযোগ্য গোট ৰূপে একত্ৰিত কৰিবলৈ লক্ষ্য ৰাখিছে আৰু প্ৰশিক্ষণ তথা ঋণ প্ৰাপ্তিৰ জৰিয়তে সা-সুবিধা সমূহ গ্ৰহণ কৰি তেওঁলোকৰ উন্নতি সাধনৰ কথা ভাবিছে। আঁচনিখনে দক্ষতাৰ মান উন্নীতকৰণৰ বাবে প্ৰশিক্ষণ প্ৰদান তথা নিয়োগ আৰু উপাৰ্জন উদ্ৰেক কাৰ্যসূচী গ্ৰহণ কৰি মহিলা গোটক সমৰ্থবান কৰি তোলা হ'ব। মহিলাৰ প্ৰশিক্ষণ আৰু উন্নত কৰিবৰ বাবে সমৰ্থবান সেৱা যোগান ধৰাৰো লক্ষ্য আছে।

আঁচনিখন ৰূপায়িত কৰা হয় ছ'চাইটি পঞ্জীয়ন আইন, ১৮৬০ অথবা সংশ্লিষ্ট ৰাজ্যৰ আইনৰ অধীনস্থ পঞ্জীকৃত কৰা ৰাজহুৱা খণ্ডৰ সংগঠন, জিলা গ্ৰাম্য বিকাশ এজেন্সি, ফেডাৰেচন আৰু স্বেচ্ছামূলক সংগঠনৰ জৰিয়তে। 'ষ্টেপ'ৰ অধীনত বিত্তীয় সাহায্য লাভ কৰোঁতা গ্ৰাম্য এলেকাত কাম কৰা এজেন্সি, সংগঠন অথবা প্ৰতিষ্ঠান হ'ব লাগিব। কিন্তু এনে সংগঠনৰ প্ৰধান কাৰ্যালয় চহৰ এলেকাত অৱস্থিত হ'লেও তেনে সুবিধাৰ পৰা বঞ্চিত নহয়।

এই কাৰ্যসূচীৰ অধীনত সামৰি ল'ব লগা লক্ষ্য নিৰ্দ্ধাৰিত গোটৰ ভিতৰত আছে সম্পত্তি নথকা সীমিত অৱস্থাৰ গ্ৰাম্য মহিলা আৰু চহৰৰ দুখীয়া লোক আৰু তেনেবোৰৰ ভিতৰত পৰে মজুৰি কৰা শ্ৰমিক, দৈনিক কাম কৰা লোক, মহিলা

মুৰব্বী পৰিয়াল, প্ৰব্ৰজনকাৰী শ্ৰমিক, জনজাতীয় আৰু অন্যান্য দুৰ্বল গোট। অনুসূচিত জনজাতি তথা জাতি আৰু দাৰিদ্ৰ্য সীমাৰেখাৰ তলত থকা পৰিয়ালকো ইয়াত ধৰা হয়। সাহায্যৰ ধৰণ হব ১০০ শতাংশ সাহায্য। প্ৰকল্প ষ্টাফৰ কাৰণে অৰ্থ যোগান ধৰা হ'ব আৰু প্ৰশাসনীয় খৰচ বহন কৰা হ'ব। প্ৰশিক্ষণৰ বাবে জলপানিৰ ব্যৱস্থা, প্ৰশিক্ষকৰ বাবে প্ৰশিক্ষণ, দক্ষতাৰ মান উন্নীতকৰণ আদিৰো ব্যৱস্থা কৰা হ'ব। সমবায় সমিতি গঠনৰ বাবে সদস্যসকলৰ প্ৰতি সমৰ্থন আৰু উৎপাদক সকলৰ বাবেও তেনে সুবিধাৰ ব্যৱস্থা আছে।

ৰূপায়িত এজেন্সিৰ বাবে উপযুক্ত হোৱা চৰ্ত হ'ল তেনে এজেন্সি কমেও তিনি বছৰৰ কাৰণে পঞ্জীকৃত কৰা হ'ব লাগিব আৰু সংশ্লিষ্ট খণ্ডত তেনে এজেন্সিৰ অভিজ্ঞতা তথা অৱস্থিতিও বাহাল থাকিব লাগিব। এজেন্সিৰ নিজৰ ববীয়া আহিলাপাতি থাকিব লাগিব আৰু সেই পৰিচয়েৰে অন্য এজেন্সিৰ সতে যোগসূত্ৰ স্থাপন কৰি কামত আগবঢ়া দৰকাৰ আৰু তেনে যোগসূত্ৰৰ জৰিয়তে সম্পদ আৰু অভিজ্ঞতাসহ প্ৰকল্প ৰূপায়ণৰ ক্ষেত্ৰত এটা অনুকূল পৰিবেশ সৃষ্টি কৰিব। ৰূপায়িত এজন্সি ৰূপে এটা অনা-চৰকাৰী সংগঠনক নিৰ্বাচন কৰোতে এই কথা বিবেচনা কৰা হ'ব যে সেই নিৰ্বাচিত সংগঠনটোৰ পৰ্যাপ্ত আন্তঃগাঁথনি আৰু প্ৰাসঙ্গিক খণ্ডত কাৰিকৰী অভিজ্ঞতা আছে নে নাই।

ৰূপায়িত এজেন্সিৰ বিত্তীয় অৱস্থা টনকিয়াল হোৱা উচিত আৰু ইয়াৰ সা-সুবিধা, সম্পদ, অভিজ্ঞতা তথা প্ৰকল্পৰ কাম হাতত ল'বৰ কাৰণে প্ৰশাসনীয় সামৰ্থ্যও থাকিব লাগিব। প্ৰকল্পটোৰ সময়সীমা দুইৰ পৰা চাৰি বছৰ কালৰ বাবে। তাৰ প্ৰকৃতি, কাম-কাজৰ ধৰণ-কৰণ আৰু হিতাধিকাৰীৰ সংখ্যাৰ ওপৰত নিৰ্ভৰ কৰি সেইটো ঠিক কৰা হ'ব।

আঁচনিখনত আবেদন কৰাৰ নিয়মৰ ক্ষেত্ৰতো এটা প্ৰস্তাৱ কৰা হৈছে আৰু সেই মতে এখন নিৰ্দিষ্ট প্ৰ-পত্ৰৰ জৰিয়তে তাক কৰিব লাগিব আৰু ৰাজ্যৰ জাৰিয়তে সেই আবেদন পত্ৰ মন্ত্ৰালয়লৈ পঠাব লাগিব। মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ৰ সঞ্চালক হ'ল সেই ঠিকনা। ৰূপায়িত এজেন্সিৰ বাবে সমৰ্থিত নথিৰ ভিতৰত থাকিব লাগিব পঞ্জীকৰণ প্ৰমাণপত্ৰৰ এটা কপি আৰু সংগঠনটোৰ সংস্থা আৰু গঠনৰ এটা লেখা। ইয়াৰ লগতে কাৰ্যবাহী সমিতিৰ সদস্যসকলৰ তালিকা আৰু তেওঁলোকৰ পেছা তথা পটভূমি সম্বন্ধেও সবিশেষ দাখিল কৰিব লাগিব। হিচাপ প্ৰাপ্তি আৰু আদায় দিয়া ধন, উপাৰ্জন আৰু ব্যয়ৰাশিৰ হিচাপ পৰীক্ষা কৰা বিবৃতিও দাখিল কৰিব লাগিব। লগতে যোৱা তিনি বছৰৰ বেলেঞ্চ শ্বিট গাঁঠি দিব লাগিব। ৰূপায়ণকাৰী এজেন্সিয়ে আগৰ তিনি বছৰৰ সংগঠনটোৰ কাম-কাজৰ বাৰ্ষিক প্ৰতিবেদন তথা প্ৰকল্প এলেকাৰ এখন মানচিত্ৰ আৰু তাৰ স'তে সংশ্লিষ্ট ৰাজ্য চৰকাৰৰ পৰা পোৱা অনুমোদন পত্ৰও দাখিল কৰিব লাগিব।

এই মন্ত্ৰালয়ে ৰে'ল মন্ত্ৰালয়ে তৈয়াৰ কৰা স্পেচিয়েল অপাৰেটিং প্ৰচিডিয়'ৰ (এছ অ' পি) ৰে'ল মন্ত্ৰালয়ৰ দ্বাৰা পৰিত্যক্ত, অপহৰণ, সৰবৰাহ কৰা ল'ৰা-ছোৱালীৰ সবিশেষ জনোৱাৰ ব্যৱস্থা কৰিব লাগিব। ৰে'ল ষ্টেচনসমূহত এন জি অ' আৰু চাইল্ড হেল্প গ্ৰুপ থাকিব লাগিব আৰু এন জি অ'ৰ অবৰ্তমানত এই গ্ৰুপটোৱে পিতৃ-মাতৃ অথবা অভিভাৱকক সেই ল'ৰা-ছোৱালীৰ পুনৰ সংস্থাপনৰ অৰ্থে চমজাই দিয়াৰ কাম কৰিব লাগিব। হেৰাই যোৱা ল'ৰা-ছোৱালীৰ সংখ্যা কমাবলৈ আশা কৰা হৈছে। শিশু অধিকাৰ ৰক্ষা বিষয়ক ৰাষ্ট্ৰীয় আয়োগৰ "প্ৰ'টেক্টিং ৰাইটছ অব ভালনাৰেবল চিলড্ৰেন'ৰ সন্দৰ্ভত অলপতে অনুষ্ঠিত হোৱা সন্মিলনত মহিলা আৰু শিশু বিকাশ মন্ত্ৰী শ্ৰীমতী মেনকা গান্ধীয়ে কৈছিল যে "কমেও পাঁচ-ছয় লাখ ল'ৰা-ছোৱালীয়ে ৰে'লগাড়ী ব্যৱহাৰ কৰে কিম্বা ৰে'ল ষ্টেচনলৈ আহে।" এই সন্মিলন অষ্টম প্ৰতিষ্ঠা দিৱসত অনুষ্ঠিত হৈছিল। মন্ত্ৰীয়ে আৰু কয় যে "এই ল'ৰা-ছোৱালীবোৰ পলাই অহা অথবা পৰিত্যক্ত কিম্বা সৰবৰাহ কৰা ল'ৰা-ছোৱালী। তেনে মইনাহঁতক সহায়ৰ প্ৰয়োজন আছে।"

মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয় তথা ৰে'ল মন্ত্ৰালয়ে 'স্পেচিয়েল অপাৰেটিং প্ৰচিডিয়'ৰ' (এছ অ' পি) যুগুতাই উলিয়াইছে আৰু ইয়াক ৰে'ল বিভাগে ৰূপায়িত কৰিব। তেনে ল'ৰা-ছোৱালীৰ তত্বাৱধান আৰু পুৰস্কাৰ নিশ্চিত কৰা হ'ব। ৰে'ল ষ্টেচনবোৰত ইতিমধ্যে সেই বিশেষ বিধি-নিয়মৰ কাম-কাজ ৰূপায়ণ কৰিবলৈ আৰম্ভ কৰা হৈছে। মেনকা গান্ধীয়ে এই নিয়মাৱলীৰ ৰূপায়ণক শিশু কল্যাণ সাধনৰ ক্ষেত্ৰত ঐতিহাসিক মুহূৰ্ত ৰূপে অভিহিত কৰে। তেওঁ ৰে'ল ষ্টেচন সমূহত এন জি অ' আৰু চাইল্ড হেল্প গ্ৰুপ সমূহে শিশুৰ পুনৰ সংস্থাপনৰ ক্ষেত্ৰত কৰিব লগা কাৰ্য সম্বন্ধে বহলাই কয়।

এই ৰে'ল ষ্টেচনবোৰে চাইল্ড হেল্প ডেস্ক,কিঅ'স্ক আৰু টেলিফোনৰ সুবিধা থকা বুথসমূহক সহায় কৰিব — যাৰদ্বাৰা চাইল্ড হেল্পলাইন ১০৯৮ ক মাতিব পাৰিব।

এনজিঅ' অৰ্থাৎ অনা-চৰকাৰী সংগঠনসমূহক ল'ৰা-ছোৱালীৰ পুনৰস্থিতকৰণ আৰু পুনৰ সংস্থাপন কৰিবৰ বাবে এনে ধৰণৰ একাধিক ৰে'ল ষ্টেচনৰ সতে মিলি-জুলি কামত আগবাঢ়িবলৈ আহ্বান জনোৱা হ'ব। শ্ৰীমতী গান্ধীয়ে ৰে'ল যাত্ৰীসকলে যদি তেনে সহায়ৰ

প্ৰয়োজন হোৱা ল'ৰা-ছোৱালীক পায় তেনেহ'লে তেওঁলোকক কৰ্তৃপক্ষক জনাবলৈও অনুৰোধ কৰে। তেওঁ আৰু কয় যে তাৰ বাবে এন চি পি চি আৰৰ দ্বাৰা এটা বৃহৎ সজাগতা অভিযান আৰম্ভ কৰা হ'ব। ৰে'লৰ দবা, ঘোষণা আৰু অন্যান্য শ্ৰৱণ-দৃশ্য সামগ্ৰীতো সেই সজাগতাৰ বাণী প্ৰকাশ কৰা হ'ব। ৰে'লৰ দবাত এক লাখ এনে সজাগতা বাণী আৰু উপদেশাৱলীৰ দিহা কৰা হ'ব বুলি তেওঁ কয়।

মন্ত্ৰালয়ে 'ষ্টেপ'ৰ দৰেই যিবোৰ ল'ৰা-ছোৱালীক পিতৃ-মাতৃৰ ওচৰত গতাই দিয়া নহয় তেনে শিশুক প্ৰশিক্ষণ প্ৰদান কৰিবলৈ কাৰ্যসূচী তৈয়াৰ কৰিবৰ বাবে এন চি পি চি আৰক আহ্বান জনায়— যাতে তেনে ল'ৰা-ছোৱালীয়ে নিজৰ জীৱিকা অৰ্জন কৰিবৰ বাবে ক্ৰমাগতভাৱে দক্ষতা লাভ কৰিবলৈ সমৰ্থবান হ'ব পাৰে।

সমগ্ৰ প্ৰেক্ষাপটত যি প্ৰত্যাহ্বান চৰকাৰৰ সন্মুখত প্ৰতিফলিত হৈছে সেয়া হ'ল আঁচনিসমূহ উপযুক্ত ভাৱে ৰূপায়ণ কৰাটো। এটা কাৰ্যকৰণৰ ব্যৱস্থাৰ দিহা কৰা আৱশ্যক যাৰদ্বাৰা কাৰ্যসূচীসমূহক ভালদৰে কামত লগাব পৰা যায়। এই ক্ষেত্ৰত আটাইতকৈ ডাঙৰ সমস্যা হ'ল উপযুক্ত লোকক বিচাৰি উলিওৱাটো— যি সকলে কাম বৃত্তিসুলভ কৌশলেৰে কৰিব পাৰে আৰু তেনে কৰোতে নিৰ্দিষ্ট লক্ষ্যৰ গোট, সমূহৰ প্ৰতি থকা প্ৰয়োজনীয়তা বোৰৰ প্ৰতিও অধিক সংবেদনশীল হোৱা আৱশ্যক হ'ব।

এইটোও নিশ্চিত কৰা আৱশ্যক হ'ব যে হিতকৰ কামবোৰে যাতে একেবাৰে অন্তিমজন হিতাধিকাৰীকো স্পৰ্শ কৰেগৈ। কেৱল দৃষ্টান্ত দাঙি ধৰিলেই যথেষ্ট নহয়। অতীতত তেনে উদাহৰণ দেখা গৈছে— য'ত সকলো কাম-কাজ বোৰ্ডৰূমত উপস্থাপন কৰা হৈছে আৰু কাগজ-পত্ৰত সুন্দৰভাবে উল্লেখ আছে। কিন্তু বাস্তৱ ক্ষেত্ৰত সেই সম্বন্ধে অতি কমেইহে ভাল কিবা এটা দেখিবলৈ পোৱা যায়।

কাম-কাজবোৰ সঠিকমতে সাধন কৰা নহ'লে তাক শুদ্ধ কৰাৰ সুবিধাও থকা আৱশ্যক। যদি এখন আঁচনি আৰ্হি মানচিত্ৰ অনুযায়ী কৰা নহয়, তেনেহ'লে কাৰ্য ৰূপায়িত কৰা দলটোৰ তাত নতুনকৈ হস্তক্ষেপ কৰাৰ সুবিধা থাকিব লাগিব। ভাৰতৰ দৰে বিশাল দেশখনত য'ত ভৌগোলিক আৰু সাংস্কৃতিক দিশৰ পৰা ইমান বৈচিত্ৰ্য — তাত অসমৰ কাৰণে যি আৰ্হি অৱলম্বন কৰা হয় সেই আৰ্হি কেৱালা বা উত্তৰ ভাগত ৰূপায়িত কৰিব নালাগিবও পাৰে।

এটা নতুন আৰম্ভণি কৰা হৈছে সেয়া ভাল কথা, কিন্তু প্ৰত্যাহ্বানৰ বিষয়টো হ'ল কেনেকৈ এই আৰম্ভণিক যুক্তি সঙ্গতভাৱে পৰিসমাপ্তি ঘটাব পৰা যায়।

**২০১৩ চনৰ জানুৱাৰী মাহৰ প্ৰথম সপ্তাহৰ পৰা ৰোজগাৰ সমাচাৰ (উৰ্দু) ই-সংস্কৰণ আমাৰ হিন্দীৰ ৱেবচাইট www.rojgarsamachar.gov.in যোগে উপলব্ধ হৈছে। বৰঙণি দাতা/পাঠকসকলে ৱেবচাইট ই-সংস্কৰণ (উৰ্দু)ত click কৰি এই সংস্কৰণ পঢ়িব পাৰিব।**

# চীন-ভাৰত সম্পৰ্কৰ ৰূপান্তৰিত বান্ধোন

*** মণীষ চান্দ**

চীন-ভাৰত সম্পৰ্কৰ ইতিহাসত এয়া এটা ৰূপান্তৰ মূলক মুহূৰ্ত —য'ত নতুন শক্তিৰ সঞ্চাৰ, গতিময়তা আৰু সৃজনশীলতাই প্ৰাধান্য লাভ কৰে। দুই চুবুৰীয়া দেশে তাৰেই দৃশ্যপটৰ অৱতাৰণা কৰে। এছিয়াৰ দুখন বৃহৎ দেশৰ নেতাসকলে এমাহৰ ভিতৰত পোন প্ৰথম বাৰৰ বাবে ইজনে সিজনৰ দেশ ভ্ৰমণ কৰে। ইয়াৰ দ্বাৰা তেওঁলোকে একোখন বিকশিত এছীয় দেশ গঢ়ি তোলাত পাৰস্পৰিক সহযোগিতা মাজেৰে কাম কৰিবৰ কাৰণে তেওঁলোকৰ সংকল্পই ইঙ্গিত দিয়ে। চীনৰ তিনিখন চহৰত যোৱা ১৪-১৬ মে'ৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীৰ ভ্ৰমণ বহু দিশৰ পৰা অনন্য আছিল। এই ভ্ৰমণে এছিয়াৰ দুইবৃহৎ দেশৰ সম্পৰ্কত গতিশীলতা আনি দিয়ে। বিশ্বৰ জনসংখ্যাৰ এক-তৃতীয়াংশ লোকেৰে গঠিত এই দুই দেশে সমূহীয়াভাবে ১২ ট্ৰিলিয়ন ডলাৰতকৈ অধিক মুঠ ঘৰুৱা উৎপাদনৰ কাৰণে গৌৰৱ বোধ কৰিব পাৰে।

প্ৰধান মন্ত্ৰী শ্ৰী মোদীৰ চীন ভ্ৰমণে ২০১৪ চনৰ ছেপ্টেম্বৰত ভাৰতলৈ পোন প্ৰথমবাৰৰ বাবে অহা ৰাষ্ট্ৰপতি ডি জিন পিঙে যি গতিময়তাৰ দিশ উন্মোচন কৰিছিল তাকেই সুদৃঢ় কৰে। এই দুয়োটা ভ্ৰমণকে একেলগে লেখত ল'লে আৰু দিল্লীত অধিষ্ঠিত পূৰ্বৰ চৰকাৰৰ সময়ত যি প্ৰচেষ্টা হাতত লোৱা হৈছিল তালৈ চাই ভাৰত আৰু চীনৰ সম্পৰ্কত এ বি চি ডিৰ অৰ্থবহ পৰিচয় স্পষ্ট হৈ উঠে আৰু সেয়া হ'ল 'এ' মানে এছিয়া, 'বি' মানে বিজনেছ, 'চি' মানে কালচাৰ আৰু 'ডি' মানে ডিপ্লোমেচি তথা ডেভেলপমেন্ট। এই নতুন কথনে দুয়োখন চুবুৰীয়া দেশৰ মাজত সহযোগৰ নতুন গতিপথ অংকন কৰিবলৈ সক্ষম হৈছে। সেই গতিপথ ৰচনাক প্ৰায়ে প্ৰতিদন্দ্বী ৰূপে চোৱা হয় আৰু লগতে এছিয়া মহাদেশখনৰ ভিতৰত প্ৰতিযোগী ৰূপেও চোৱা হয়। কিন্তু তেনে ভাৱধাৰাৰ মাজেৰেই দুয়োখন দেশে এটা অভিলাষী আৰু সকলো দিশ সামৰি ল'ব পৰাকৈ সহযোগিতামূলক অংশীদাৰিত্বৰ মনোভাৱেৰে বিভিন্ন ক্ষেত্ৰত আগবাঢ়ি যাবলৈ পদক্ষেপ গ্ৰহণ কৰিছে।

কূটনৈতিক, সাংস্কৃতিক আৰু বাণিজ্যিক বিষয়ত তথা ভৌগোলিক-ৰাজনৈতিক ক্ষেত্ৰত প্ৰধান মন্ত্ৰী মোদীৰ ভ্ৰমণে প্ৰতীকী প্ৰকাশ আৰু উল্লেখনীয় ফলৰ দিশ উভয়তে অধিক বৈশিষ্ট্য কঢ়িয়াই আনে আৰু ই উভয় দেশৰ সম্বন্ধত নতুন গতিধাৰা আৰু অৰ্থবহ ৰূপ সাধনৰ ইঙ্গিত দিয়ে। সৌজন্যৰ দিশৰ পৰা পোন প্ৰথমবাৰ চীনৰ ৰাষ্ট্ৰপতি জি জিন পিঙে চানজি প্ৰদেশৰ ৰাজধানী জিয়ানৰ চৰকাৰী অতিথিশালাত মোদীক আদৰণি জনায়। সেই জিয়ানতেই ৰাষ্ট্ৰপতিৰ পৰিয়ালৰ ঘৰ অৱস্থিত। তেওঁৰ আন্তৰিকতাপূৰ্ণ আদৰণি ভাষণত ৰাষ্ট্ৰপতি জিয়ে চীন-ভাৰত সম্পৰ্কৰ এখন আশাপ্ৰদ ছবি দাঙি ধৰে। চীন-ভাৰত সম্পৰ্কৰ ক্ষেত্ৰত তেওঁ মোদীক কয়, ''দুয়োখন দেশে স্থায়ী বিকাশৰ পিনে আগবাঢ়িছে আৰু বহল প্ৰেক্ষাপটৰ দিশত থিয় দিছে।'' টেৰা ক'টা ৱাৰিয়ৰ মিউজিয়ামত মোদীৰ পদাৰ্পণ আৰু এটা বুদ্ধ মন্দিৰত তেওঁৰ উপস্থিতিয়ে দুয়োখন দেশৰ মাজত থকা শতিকাজোৰা সভ্যতাৰ যোগসূত্ৰ থকা কথাটোকে সোঁৱৰাই দিয়ে ; কাৰণ সেই মন্দিৰটো সংস্কৃতৰ পৰা অনুবাদ কৰা বিভিন্ন কৰ্মৰাজিৰে পৰিপুষ্ট হৈ আছে। ৰাষ্ট্ৰপতি জিয়ে তেওঁৰ পৈতৃক গৃহভূমিত ভ্ৰমণ কৰা এজন বিদেশৰ নেতাক সম্ভাষণ জনোৱাটো হ'ল এটা প্ৰথম পৰিঘটনা— যিটোৱে চীন-ভাৰত সম্পৰ্কক এটা নতুন মাত্ৰা প্ৰদান কৰাৰ ক্ষেত্ৰত তেওঁৰ ব্যক্তিগত দায়বদ্ধতাৰ কথাটোকেই প্ৰতীয়মান কৰে। ভাৰতীয় নেতাগৰাকীক ৰাষ্ট্ৰপতিয়ে ব্যক্তিগতভাৱে যি উষ্ণ আতিথ্য আগবঢ়ায় সেয়া শ্ৰীমোদীয়ে চীনৰ নেতাগৰাকী আহমেদাবাদলৈ যাওঁতেও তেনে ধৰণেই আদৰণি জনাইছিল। ভাৰত আৰু চীনৰ নেতাদ্বয়ে পাৰস্পৰিকভাৱে উভয় দেশলৈ ভ্ৰমণ কৰা বিষয়টোৰ আন এটা তাৎপৰ্য হ'ল ৰাষ্ট্ৰীয় ৰাজধানীৰ পৰা আৰম্ভ নকৰি একোখন ৰাজ্যৰ ৰাজধানীৰ পৰা অভিযান আৰম্ভ কৰাটো। এয়া পোন প্ৰথমবাৰৰ বাবে গ্ৰহণ কৰা এটা পদক্ষেপ— যাৰ দ্বাৰ চীন-ভাৰত সম্পৰ্কিত কাৰ্যসূচীৰ ক্ষেত্ৰত গৃহভূমিৰ কূটনৈতিক সদিচ্ছাৰে এটা নতুন দিশৰ সূচনা কৰিছে। এই ভ্ৰমণে এটা স্থায়ী ব্যক্তিগত সম্পৰ্ক আৰু মন তথা অন্তৰৰ সংযোগ সাধন কাৰ্যক আগবঢ়াই নিবলৈ স্বাভাৱিক ভাৱে পদক্ষেপ গ্ৰহণ কৰিবলৈ লোৱা দ্বিপাক্ষিক সম্পৰ্কক আৰু অধিক আগবঢ়াই নিয়াৰ বিষয়টোত নতুন গুৰুত্ব

*** মণীষ চান্দ ইণ্ডিয়া ৰাইটছ নেটৱৰ্কৰ প্ৰতিস্থাপক চি ই অ' তথা এডিটৰ-ইন-চীফ।**

আৰোপ কৰা কথাটোৰেই প্ৰকাশ পাইছে। জিয়ানত শ্ৰীমোদীয়ে সেই দেশৰ জনগণৰ পৰা যি বিপুল আদৰণি লাভ কৰিলে তাৰ পাছতেই তেওঁ ইন্টাৰনেটত এইবুলি মত প্ৰকাশ কৰে— "চীনৰ লোকসকলৰ মাজত মই যি উৎসাহ-উদগণি দেখা পালো তাৰ বাবে মই অতিশয় আনন্দিত। এখন দেশৰ লোক আৰু আন এখন দেশৰ লোকৰ মাজত গঢ়ি উঠা সম্পৰ্ক সদায়েই এটা বিশেষ মাত্ৰা লাভ কৰে।"

### বৃহৎ শক্তিৰ নতুন গতি

কূটনৈতিক বিষয়ত যি উৎসাহ-উদগণি যোগোৱা হয়, সেয়া বেচ গুৰুত্বপূৰ্ণ, কিন্তু সেইবোৰে মূল বিষয় বস্তুৰ ক্ষেত্ৰত নিজস্ব ৰূপত স্থিতি গ্ৰহণ কৰিব নোৱাৰে। তাৰ বাবে প্ৰয়োজন হয় দীৰ্ঘকালীন প্ৰচেষ্টা আৰু সেইটোকে এতিয়া কৰিবলৈ লোৱা হৈছে। দুয়োখন দেশৰ সম্পৰ্কক কথা, কাম, আদান-প্ৰদানৰ জৰিয়তে সঠিক ভাৱে মিশ্ৰণ কৰিবলৈ লোৱা হৈছে — যাতে এনে গুৰুত্বপূৰ্ণ সম্বন্ধত এটা দীৰ্ঘদিনীয়া প্ৰভাৱ পৰে আৰু যাৰ দ্বাৰা উভয় দেশৰ ২৬০ কোটি নাগৰিকৰ জনগণৰ জীৱন আৰু ভাগ্যত পোনপটীয়া ভাৱে প্ৰভাৱ পৰিব পাৰে। ১৫ মে'ৰ যুটীয়া বিবৃতিত চীন আৰু ভাৰতক " অঞ্চলটোৰ দুটা বৃহৎ শক্তি ৰূপ বৰ্ণনা কৰা হৈছে" — যি এছিয়া মহাদেশখনত এটা আকাৰ দিব আৰু ২১শ শতিকাৰ ভৌগোলিক, ৰাজনৈতিক তথা অৰ্থনৈতিক দৃশ্যপটকো গতি প্ৰদান কৰিব। বিবৃতিটোত আৰু কোৱা হয় "নেতাসকলে এইটো মানি লয় যে অঞ্চলটোত তথা বিশ্বত ভাৰত আৰু চীনে দুই বৃহৎ শক্তি ৰূপে একেলগে পুনৰ আত্ম প্ৰকাশ কৰিলে এছীয় শতিকাক বাস্তৱায়িত কৰি তোলাৰ বাবে ই এটা সুযোগ প্ৰদান কৰিব।" তেওঁলোকে এইটোও কয় যে ভাৰত আৰু চীনৰ দ্বিপাক্ষিক সম্পৰ্কই এছিয়াত ২১শ শতিকাত এটা নিৰ্দিষ্ট ভূমিকা গ্ৰহণ কৰিবলৈ উপক্ৰম কৰিছে" আৰু গোলকীয়ভাৱেও সেই ভূমিকা বাহাল থাকিব।" বৃহত্তৰ গোলকীয় প্ৰসঙ্গত এই সম্পৰ্কক স্থিত কৰি বিবৃতিত এই বুলিও কোৱা হয়— " দুই বৃহৎ বিকাশশীল দেশৰ মাজত গঢ়ি উঠা সম্পৰ্কৰ এই গঠন মূলক আৰ্হি, বিকাশশীল অৰ্থনীতি আৰু গোলকীয় গঢ়-গঠনত দেখা দিয়া দুই বৃহৎ মেৰুৱে আন্তৰ্জাতিক পদ্ধতিক শক্তিশালী কৰি তুলিবৰ বাবে ৰাষ্ট্ৰৰ সম্পৰ্ক ৰক্ষা কৰিবৰ কাৰণে এটা নতুন আধাৰৰ যোগান ধৰিছে।"

### প্ৰাসঙ্গিক বিষয়

পিছে এই গাঁথনিত গুৰুত্বপূৰ্ণ প্ৰাসঙ্গিক বিষয়ো অন্তৰ্নিহিত হৈ আছে। সেয়া হ'ল চীন-ভাৰত সম্পৰ্কৰ সম্ভাৱনাৰাজিৰ প্ৰকৃত স্বৰূপ তথা এটা সম্প্ৰীতিমূলক এছীয়া শক্তিক বজাই ৰখাৰ আশ্বাস সম্ভৱ যদি দুয়ো পক্ষই " ইখনে সিখন দেশৰ উদ্বেগ, স্বাৰ্থ আৰু আশা-আকাংক্ষাৰ প্ৰতি পাৰস্পৰিকভাৱে স্পৰ্শকাতৰ হয় আৰু সন্মান দেখুৱায়।" এইবোৰ হ'ল গুৰুত্বপূৰ্ণ প্ৰাসঙ্গিক বিষয় আৰু সীমাৰেখা, যাৰ প্ৰতি উভয় দেশে সচেষ্ট হোৱাৰ প্ৰয়োজন আছে— যদিহে কৌশলাত্মক দিশৰ ক্ষেত্ৰত অবিশ্বাস্য আৰু মতদ্বৈধতামূলক স্থিতি গ্ৰহণ নকৰাকৈ গোলকীয় মঞ্চত প্ৰতিখন দেশৰ পুনৰ জাগৰণ কাৰ্যত তেওঁলোকে অংশীদাৰ হ'বলৈ বিচাৰে। যোৱা মে' মাহৰ ভ্ৰমণত শ্ৰীমোদীয়ে দুয়োখন দেশে তেওঁলোকৰ সম্পৰ্ক ৰক্ষাৰ পূৰ্ণ সম্ভাৱনাক উপলব্ধি কৰাৰ ক্ষেত্ৰত আহি পৰা বিষয়বোৰ চীনক পুনৰ বিবেচনা কৰিবলৈ আহ্বান জনাওঁতে সেই প্ৰাসঙ্গিক বিষয় আৰু সীমাৰেখাৰ বিষয়েও সোঁৱৰাই দিয়ে। প্ৰধান মন্ত্ৰী লিৰ সৈতে এখন যুটীয়া সংবাদ মেলৰ বিবৃতিত শ্ৰীমোদীয়ে এনেদৰে কয়," আমাৰ অংশীদাৰিত্বৰ পূৰ্ণ সম্ভাৱনাক কাৰ্যত ৰূপায়ণ উপলব্ধি কৰাত হেঙাৰ স্বৰূপ হোৱা বিষয়বোৰ সম্পৰ্কে পুনৰ বিবেচনা কৰিবলৈ চীনৰ প্ৰয়োজন থকা কথাটোৰ ওপৰত মই জোৰ দিব খোজো।" বেইজিঙতেই চীনৰ প্ৰধান মন্ত্ৰীৰ সন্মুখত কোৱা এইষাৰ কথাই ভাৰতৰ আপত্তিৰ গভীৰতাকেই বেকত কৰে। বেইজিঙে গ্ৰহণ কৰা কোনো কোনো কাৰ্য ব্যৱস্থাক নতুন দিল্লীয়ে গ্ৰহণযোগ্য বুলি মানি নলয়। তাৰ ভিতৰত উল্লেখযোগ্য বিষয় হ'ল জন্মু আৰু কাশ্মীৰ তথা অৰুণাচল প্ৰদেশৰ বাসিন্দাসকলক দিয়া ভিছা, ভাৰতৰ সীমাৰ ভিতৰত চীনা সৈন্যৰ বাৰম্বাৰ অনুপ্ৰৱেশ আৰু কাশ্মীৰৰ বিবদমান অঞ্চলৰ মাজেৰে চীন-পাকিস্তান ইকনমিক কৰিড'ৰৰ প্ৰস্তাৱিত নিৰ্মাণ কাৰ্য। এই বিষয়বোৰ ভাৰত-চীন সম্পৰ্কৰ ক্ষেত্ৰত দীৰ্ঘ দিনধৰি উদ্বেগৰ কাৰণ হৈ আছে আৰু ভাৰতৰ জনগণৰ মাজত চীনৰ ভাৱমূৰ্তিৰ ক্ষেত্ৰত বিৰূপ প্ৰভাৱ পৰিছে আৰু লগতে বেইজিঙৰ অভিপ্ৰায় তথা মতলব সম্বন্ধে নতুন দিল্লীত কৌশলাত্মক দিশত বিশ্বাসৰ অভাৱে ঠাই পাইছে।

### অৰ্থনৈতিক দৃষ্টিভঙ্গী

এই বিষয়বোৰৰ সন্দৰ্ভত মুকলিমূৰীয়াকৈ মতভেদ থকা কথাটো প্ৰকাশ কৰিলে সম্পৰ্ক ৰক্ষাৰ ক্ষেত্ৰত বিপদে ঠাই লৈ দুয়ো দেশৰ মাজৰ সম্বন্ধক আৰু অধিক বেয়া কৰি তুলিব পাৰে। কিন্তু তৎ সত্বেও দুয়োখন দেশে কিছুমান বিষয়ত অংশ গ্ৰহণ কৰাটো হ'ল একোটা পূৰঠ মনৰ পৰিচায়ক আৰু সেইটোৱে ইতিবাচক দিশৰ ওপৰত আলোকপাত কৰাৰ পথ প্ৰশস্ত কৰি তোলে। অৰ্থনৈতিক সুবিধাৰ ক্ষেত্ৰখনৰ প্ৰতি মনোনিবেশ কৰাটো হ'ল এটা উল্লেখনীয় বিষয় — যিটোৱে সহযোগিতামূলক অংশীদাৰিত্বৰ চক্ৰক আৰু বিস্তাৰিত কৰি তুলিব পাৰে। এই

বিষয়টো স্বাক্ষৰিত কৰা ২৪ খন চুক্তিত প্ৰতিফলিত হয়। সেয়া হ'ল আন্তঃগাঁথনি, স্মাৰ্ট চিটি আৰু ৰে'লৰেৰ পৰা আৰম্ভ কৰি সংস্কৃতি, দক্ষতা বিকাশ, মহাকাশ আৰু জলবায়ু পৰিৱৰ্তন। দুয়ো পক্ষই বিভিন্ন ক্ষেত্ৰত কূটনৈতিক কাৰ্যৰ ব্যস্ততাক প্ৰসাৰিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ বাবে নিয়মীয়াকৈ শীৰ্ষ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত কৰা আৰু চেংডু তথা চেন্নাইত নতুন কনছুলেট খুলিবলৈও ঠিক কৰে। নিৰ্দিষ্ট কাৰ্য ব্যৱস্থা ৰূপে উভয় দেশে ৰাজ্যিক অথবা প্ৰাদেশিক নেতাসকলৰ ফ'ৰাম আৰম্ভ কৰে। এই ফ'ৰামে ৰাজ্য আৰু প্ৰদেশবোৰৰ মাজত অধিকভাৱে ভাব-বিনিময় কৰাত সুবিধা আগবঢ়াব। ফ'ৰামৰ প্ৰথম বৈঠক যোৱা ১৫ মে'ত প্ৰধান মন্ত্ৰী শ্ৰীমোদীৰ উপস্থিতিত বেইজিঙত অনুষ্ঠিত হয়। ভাৰতৰ পক্ষৰ পৰা সেই বৈঠকত অংশগ্ৰহণ কৰোঁতাসকলৰ ভিতৰত আছিল মহাৰাষ্ট্ৰৰ মুখ্য মন্ত্ৰী দেবেন্দ্ৰ ফাড়নবিছ আৰু গুজৰাটৰ মুখ্য মন্ত্ৰী আনন্দিবেন পেটেল।

মুঠৰ ওপৰত ভাৰত আৰু চীনৰ নেতা সকলৰ মাজত ২০১৫ চনৰ মে'ত অনুষ্ঠিত হোৱা শীৰ্ষ বৈঠকত অৰ্থনীতিৰ বিষয়টোৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়। এই বিষয়টো নতুন দিল্লী আৰু বেইজিঙৰ এখনৰ পাছত এখনকৈ গঠন হোৱা চৰকাৰৰ বিবেচনাৰ বিষয় হৈ আহিছে আৰু মে'ৰ বৈঠকত সু-সম্পৰ্ক গাঢ় কৰাৰ প্ৰথম দৃষ্টিভঙ্গী ৰূপে ওলাই পৰিছে। সকলো দিশ-কোণ চালি-জাৰি চাই এইটো ক'ব পাৰি যে ভৌগোলিক-ৰাজনৈতিক তথা ভৌগোলিক-অৰ্থনৈতিক বিষয়বোৰে আগন্তুক মাহ আৰু দশককেইটাত চীন-ভাৰত সম্পৰ্কক পৰিধিৰ আকাৰ দিব। কিন্তু সম্প্ৰতি অৰ্থনৈতিক দিশৰ বিষয়টোৰেই হ'ল বিবেচনাৰ বিষয়। বিক্ষিপ্ত বাণিজ্য আৰু বিনিয়োগৰ জৰিয়তে পাৰস্পৰিক সহযোগিতাৰ মাজেৰে সমৃদ্ধিৰ ক্ষেত্ৰলৈ সফলতা আনিবৰ কাৰণে এছিয়াৰ আগশাৰীৰ অৰ্থনীতিক পৰিচালিত কৰিবলৈ লৈছে। এই ক্ষেত্ৰত প্ৰচুৰ সম্ভাৱনা আছে। প্ৰত্যেকৰে মূল স্বাৰ্থৰ প্ৰতি পাৰস্পৰিক ভাৱে সহিষ্ণুতা আৰু সন্মান দেখুৱাই আগবাঢ়িলে সু-ফল আহৰণ কৰিব পৰা যাব।

**ভাৰত নিৰ্মাণ**

এই ভাৱৰ ওপৰত আধাৰ কৰিয়েই প্ৰধান মন্ত্ৰী মোদীয়ে বেইজিঙত কয়ঃ" আমাৰ অৰ্থনৈতিক অংশীদাৰিত্বৰ কাৰণে আমি এটা উচ্চ স্তৰৰ অভিলাষৰ কথা ভাবিছো। আমি যথেষ্ট দ্বিপাক্ষিক সা-সুবিধা আৰু নগৰীকৰণৰ দৰে বহুতো প্ৰত্যাহ্বান দেখা পাইছো।" ৰাষ্ট্ৰপতি জি আৰু প্ৰধান মন্ত্ৰী লিৰ সতে আলাপ কৰি অনুপ্ৰাণিত হৈ শ্ৰীমোদীয়ে কয়ঃ "আমাৰ মেইক ইন ইণ্ডিয়া মিছন আৰু আন্তঃগাঁথনি খণ্ডত চীনৰ বৰ্দ্ধিত অংশগ্ৰহণৰ বিষয়ে দুয়োগৰাকী নেতাই বেচ সমৰ্থন জনাইছে।"

অৰ্থনৈতিক ক্ষেত্ৰত ফলাফল যথেষ্ট ইতিবাচক আৰু যি কাম বাকী আছে সেয়া ভালদৰে আগবাঢ়িছে। অহা পাঁচ বছৰৰ কাৰণে ভাৰতত ২০ বিলিয়ন ডলাৰ বিনিয়োগ কৰাৰ চীনৰ প্ৰতিশ্ৰুতি আছেই। চীনৰ ৰাষ্ট্ৰপতিয়ে ২০১৪ চনৰ ছেপ্টেম্বৰত ভাৰত ভ্ৰমণ কৰোঁতে এই চুক্তি কৰিছিল আৰু যোৱা ১৬ মে'ত ছাংহাইত ২২ বিলিয়ন ডলাৰৰ বাণিজ্য চুক্তিও কৰা হয়। চীন-ভাৰত চি ই অ' ফ'ৰামত দিয়া ভাষণত শ্ৰীমোদীয়ে দুয়োখন দেশৰ মাজত বাণিজ্য আৰু বিনিয়োগ অধিক বৃদ্ধি কৰিবৰ কাৰণে এটা শক্তিশালী আধাৰৰ কথা উল্লেখ কৰে আৰু চীনৰ বাণিজ্য চক্ৰৰ পৰা তাৰ প্ৰতি সঁহাৰি বেচ ইতিবাচক। এই কথাই চীনত ভাৰত সম্বন্ধে এটা পৰিবৰ্তনৰ দিশৰ সূচনা কৰা প্ৰতিফলিত হয়। শ্ৰীমোদীৰ ভ্ৰমণৰ কেইসপ্তাহমানৰ পাছতে ভাৰতত থকা চীনৰ ৰাষ্ট্ৰদূত লী ইউচেঙে "মেইক ইন ইণ্ডিয়া" আৰু "মেইদ ইন চাইনা"ৰ মাজত এটা মিলনৰ সুৰৰ ওপৰত গুৰুত্ব আৰোপ কৰে; আৰু "মেইক ইন চিনদিয়া"ৰ এটা নতুন ধ্বনিক প্ৰক্ষেপ কৰে। এই সুৰধ্বনিৰ অৰ্থ হ'ল এছিয়াৰ দুই বৃহৎ শক্তিৰ মাজত নিৰ্মাণ আৰু বাণিজ্য বিষয়ত নিকট সহযোগ কৰাটো।

যোৱা ১০ জুনত নতুন দিল্লীত ফেডাৰেচন অব চেম্বাৰ্ছ অব কমাৰ্চ এণ্ড ইণ্ডাষ্ট্ৰি অব ইণ্ডিয়াই আয়োজন কৰা চাইনা-ইণ্ডিয়া ইণ্ডাষ্ট্ৰীয়েল কো-অপাৰেচন ছেমিনাৰত ভাষণ দিওঁতে মি. লীয়ে কয় যে তেওঁৰ দেশে অলপতে "মেইদ ইন চাইনা ২০২৫" অভিযান আৰম্ভ কৰে। ইয়াত নতুনত্ব আৰু উচ্চ পৰ্যায়ৰ নিৰ্মাণৰ কামে ঠাই পাব আৰু এই ক্ষেত্ৰত ইয়াক ভাৰতৰ প্ৰধান মন্ত্ৰীৰ নেতৃত্বত আৰম্ভ কৰা 'মেইক ইন ইণ্ডিয়া'ৰ সৈতে পৰিপূৰক আৰু উপযুক্ত বুলিও তেওঁ অভিহিত কৰে।

চীনৰ ৰাষ্ট্ৰদূতগৰাকীয়ে ভাৰতৰ নতুন চৰকাৰখনে ভাৰতত সহজে ব্যৱসায় কৰিবৰ কাৰণে গ্ৰহণ কৰা পদক্ষেপসমূহৰ প্ৰতি চীনৰ ব্যৱসায় গোষ্ঠীয়ে শলাগ লোৱাৰ কথাও উল্লেখ কৰে। তেওঁ আৰু কয় যে চীনৰ কোম্পানীসমূহে এলানি প্ৰকল্পৰ ক্ষেত্ৰত ভাৰতত বিনিয়োগ কৰিবলৈও আগ্ৰহেৰে আপেক্ষা কৰিছে। তেনে প্ৰকল্পৰ ভিতৰত আছে নিৰ্মাণ, মানৱ সম্পদ, ৰিয়েল ইষ্টেট, আন্তঃগাঁথনিমূলক বিকাশ, স্মাৰ্ট চিটি আৰু ৰে'লৱে।

বৰ্দ্ধিত বাণিজ্য আৰু বিনিয়োগৰ যোগসূত্ৰই দ্বিপাক্ষিক সম্বন্ধত মতভেদ কিম্বা অৱনতি ঘটাৰ ক্ষেত্ৰত প্ৰতিৰোধ-মূলক কাৰ্য ৰূপে ভূমিকা পালন কৰাৰ নিশ্চয়তা নাথাকিলেও অৰ্থনৈতিক দিশৰ অভিযানে মতভেদৰ সম্ভাৱনাক হ্ৰাস কৰিব। চীন আৰু জাপানৰ মাজত সম্পৰ্ক ৰক্ষাত যিটো হৈছিল তেনে সম্ভাৱনা এনে

অৰ্থনৈতিক কাম-কাজে দূৰ কৰিব আৰু ভাৰত কথা চীনৰ দৃষ্টি বিভিন্ন হিতকাৰক কাৰ্যৰ প্ৰতি অধিক পৰিমাণে আলোকিত হব। ফলস্বৰূপে, পাঁচ বছৰীয়া বাণিজ্যক আগুৱাই নিবলৈ অৰ্থনৈতিক বিষয়সমূহক গভীৰতৰ কৰি তুলিব আৰু দুয়োখন দেশৰ বাণিজ্য মন্ত্ৰালয় সমূহৰ মাজত বিকাশৰ পৰিকল্পনাক অধিক গতি প্ৰদান কৰিব।

**বিকাশৰ অংশীদাৰ**

নিকট বিকাশৰ অংশীদাৰিত্বৰ অগ্ৰগতি হ'ল আন এটা বিষয় যিটোৱে দুখন এছীয়া দেশৰ মাজত সহযোগিতাৰ বাবে নতুন পথক উদ্ভাসিত কৰিব লাগে। এই প্ৰসঙ্গত মোদী চৰকাৰে পূৰ্বৰ চৰকাৰৰ দ্বাৰা সাধন কৰা কিছুমান ভাল কামৰ ভিত্তিত সফলভাৱে নিৰ্মাণৰ আধাৰ গঢ়ি তুলিছে। মে'ৰ শীৰ্ষ বৈঠকত তাৰেই ইতিবাচক প্ৰভাৱ কেবাটাও গুৰুত্বপূৰ্ণ কামত পৰা দেখা গৈছে। সেই বোৰ কামৰ ভিতৰত আছে — (১) চীনৰ দ্বাৰা স্থাপন কৰা গুজৰাট আৰু মহাৰাষ্ট্ৰৰ দুখন ঔদ্যোগিক পাৰ্ক (২) ৰে'লৰে প্ৰকল্পৰ ক্ষেত্ৰত সহযোগ। ইয়াৰ ভিতৰত আছে চেন্নাই -বেঙ্গালুৰু -মহীশুৰ ৰে'লপথত গতিবেগ বৃদ্ধি, হাই-স্পীড-ৰে'ল লিংকৰ বাবে দিল্লী-নাগপুৰ শাখাৰ কাৰণে সম্ভাৱনা সন্দৰ্ভত অধ্যয়ন তথা এখন ৰে'লৰে বিশ্ববিদ্যালয়ৰ স্থাপন ; (৩) চীনৰ গুৱানদং প্ৰভিন্স আৰু গুজৰাটৰ মাজত তথা গুৱাংঝৌ চিটি আৰু আহমেদাবাদৰ মাজত বন্ধুত্বপূৰ্ণ সম্পৰ্কক আগুৱাই লৈ যোৱা ; (৪) ভাৰতৰ গিফ্‌ট চিটি আৰু চীনৰ ছেনঝেনৰ মাজত পৰীক্ষামূলক ভিত্তিত স্মাৰ্ট চিটি যোজনা; (৫) আন কেইখমান চহৰৰ মাজত সম্পৰ্ক গঢ়ি তোলাৰ কাৰ্য ব্যৱস্থাও গ্ৰহণ কৰা হয়। তাৰ ভিতৰত উল্লেখযোগ্য হ'ল — মুম্বাই আৰু ছাংহাই, হায়দৰাবাদ - কুইংদাও, ঔৰংগাবাদ - ডুনহুৱাং, চেন্নাই-চংগ্নিং আৰু গুজৰাট-গুৱাংদং তথা কৰ্ণাটক -ছিচুৱানৰ মাজত চিন্তাৰ ষ্টেট/ প্ৰভিন্সৰ সম্পৰ্ক স্থাপন।

**গোলকীয় সহযোগ**

তেওঁলোকৰ সম্পৰ্কৰ ক্ষেত্ৰত এটা গোলকীয় দৃষ্টিভংগী গ্ৰহণ কৰোতে দুয়োখন দেশে বিশ্বৰ ভিন ভিন বিষয়ত দৃষ্টি আৰোপ কৰাৰ পৰিসৰ বিস্তাৰিত কৰে। জলবায়ু পৰিৱৰ্তন , সন্ত্ৰাসবাদ আৰু বহুপাক্ষিক বাণিজ্যৰ বাবে আলাপ-আলোচনাৰ বিষয়ো বিবেচনাৰ ভিতৰত আছে। আফগানিস্তানত আঞ্চলিক সহযোগক বিক্ষিপ্ত কৰা আৰু পশ্চিম এছিয়াত সংকট দূৰীকৰণৰ বিষয়েও দুয়োখন দেশৰ ব্যৱস্থা গ্ৰহণৰ কাৰ্যসূচীত ঠাই পাইছে। সন্ত্ৰাসবাদ ৰোধকৰণৰ ক্ষেত্ৰত প্ৰেক্ষাপটলৈ চাই কেনে ব্যৱস্থা হাতত লোৱাৰ প্ৰয়োজন সেয়া বিশেষকৈ বৈশিষ্ট্যপূৰ্ণ বিষয়। আন্তৰ্জাতিক সন্ত্ৰাসবাদ বিষয়ক কম্প্ৰিহেন্‌ছিভ কনভেনচনৰ ক্ষেত্ৰত আলাপ-আলোচনাৰ খৰতকীয়া সমাধানৰ কাৰণে ভাৰতে দীৰ্ঘ দিনৰ পৰা চীনৰ সমৰ্থন বিচাৰি আহিছে। মনমোহন সিঙৰ চৰকাৰৰ কালত আফগানিস্তানত সহযোগৰ কাম আৰম্ভ কৰা হৈছিল তাৰ প্ৰতি যি এতিয়া অঞ্চলটো তথা বিশ্বতো নিকটভাৱে দৃষ্টি আৰোপ কৰিব। এছিয়াৰ এই শক্তিয়ে ৰাষ্ট্ৰসংঘ, ব্ৰিক্‌ছ, জি২০ আৰু এছ চি অ'কে ধৰি বহুপাক্ষিক সংগঠন সমূহত সহযোগ আৰু সম্বন্ধৰ কাম বিক্ষিপ্ত কৰি তুলিব।

শ্ৰীমোদীৰ চীন ভ্ৰমণ কালত জলবায়ু পৰিৱৰ্তন ৰোধকৰণৰ ক্ষেত্ৰত নিকট সহযোগ আগবঢ়োৱাৰ যি যুটীয়া বিবৃতি প্ৰকাশ কৰা হয় তাত দুয়োখন দেশে কেনেদৰে জলবায়ু পৰিৱৰ্তন সন্দৰ্ভত তেওঁলোকৰ দ্বিপাক্ষিক মতভেদ দূৰ কৰিবৰ কাৰণে প্ৰয়াস কৰিছে সেই কথা স্পষ্ট হৈ উঠিছে। ২০১৫ চনৰ ডিচেম্বৰত পেৰিছত অনুষ্ঠিত হ'ব লগা আন্তৰ্জাতিক শীৰ্ষ সন্মিলনত বিষয়টো গোলকীয়ভাৱে গ্ৰহণ কৰাৰ বিষয়ে দুয়োখন দেশে চিন্তা কৰিছে। নিৰন্তৰ বিকাশৰ ক্ষেত্ৰত অংশীদাৰিত্বৰ বিষয়টো পুনৰ ব্যৱহাৰযোগ্য শক্তি খণ্ডৰ সন্দৰ্ভত স্বাক্ষৰিত কৰা বুজাবুজিৰ চুক্তিতো প্ৰতিফলিত হৈছে। যুটীয়া বিবৃতিত কোৱা হৈছে — "তেওঁলোকে একেলগে কাম কৰাৰ গুৰুত্বৰ প্ৰতি বেচ সচেষ্ট আৰু আগন্তুক পেৰিছ সন্মিলনত এখন অভিলাষী, সাৰ্বজনীন, ভাৰসাম্যমূলক জলবায়ু চুক্তিৰ বিষয়ে ব্যৱস্থা গ্ৰহণ কৰিবলৈ আন দেশবোৰৰ সতেও তেওঁলোকে কাম কৰিবলৈ সহমত প্ৰকাশ কৰে। সন্মিলনত প্ৰকৃত প্ৰযুক্তিৰ হস্তান্তৰ আৰু এই উমৈহতীয়া গোলকীয় প্ৰত্যাহ্বানক পূৰণ কৰিবৰ কাৰণে প্ৰয়োজনীয় বিষয়ত সহযোগ তথা বিত্তীয় সমৰ্থন প্ৰদান কৰা কাৰ্যকো উৎসাহিত কৰা হ'ব।"

২০১৫-২০২০ মহাকাশ সহযোগ কাৰ্যসূচীত স্বাক্ষৰ দান কৰা কথাটোৱে দুই এছীয়া দেশৰ মাজত সহযোগৰ নতুন অধ্যায় মুকলি কৰিছে। আন এটা বৈশিষ্ট্যপূৰ্ণ বিষয় হ'ল চীনে পোন প্ৰথমবাৰৰ বাবে নিউক্লিয়াৰ ছাপ্লায়াৰ্ছ গোটত যোগদান কৰিবলৈ আশা কৰা ভাৰতৰ সদিচ্ছাক গুৰুত্ব সহকাৰে গ্ৰহণ কৰে। ভাৰতৰ গোলকীয় আশা-আকাংক্ষাৰ প্ৰতি চীনে সমৰ্থন আগবঢ়াইছে ; কিন্তু ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত স্থায়ী আসনৰ বাবে ভাৰতৰ প্ৰাৰ্থিত্বক সমৰ্থন জনাবলৈ এতিয়াও বাকী আছে। সেই আসনখনৰ বাবে চীনে ভাৰতক সমৰ্থন কৰাৰ কথা ঘোষণা কৰিলে দ্বিপাক্ষিক সম্পৰ্কৰ ৰূপান্তৰ সাধনত ই এটা উল্লেখনীয় বিষয় হ'ব আৰু তেনে ব্যৱস্থাই দুয়োখন দেশৰ মাজত থকা প্ৰভেদ হ্ৰাস কৰাত সহায় কৰিব।

আগন্তুক সময় আৰু সম্ভাৱনালৈ চাই এইটো আশা কৰিব পৰা যায় যে

এছিয়াৰ দুই বৃহৎ শক্তিয়ে দ্বিপাক্ষিক পৰিধি চেৰাই আন্তৰ্জাতিক শান্তি, নিৰাপত্তা আৰু বিকাশ সাধনৰ ক্ষেত্ৰত আগতীয়াকৈ আলোচনা কৰি আঞ্চলিক তথা গোলকীয় কাৰ্যসূচীক সঠিক আকাৰ দিবলৈ ওলাই আহিব আৰু বহুল প্ৰেক্ষাপটত নিজ নিজ দৃষ্টিভংগীক উপস্থাপিত কৰিব। “ বৃহৎ শক্তি”ৰ মনোনিৱেশৰ এই নতুন বৰ্ণনা প্ৰধান মন্ত্ৰী মোদীৰ চীন ভ্ৰমণ কালতেই নিৰ্দ্দিষ্ট কৰা হয় আৰু এই বৈশিষ্ট্যই গুৰুত্বপূৰ্ণ অংশীদাৰিত্বৰ পথ অংকিত কৰিব; কিয়নো এই দুই এছিয়াৰ শক্তি অৰ্থনৈতিক দিশত আগবাঢ়িছে আৰু আন্তৰ্জাতিক প্ৰেক্ষাপটত নিজ পৰিচয় দাঙি ধৰিবলৈ সচেষ্ট হৈছে। ফলস্বৰূপে সমগ্ৰ অঞ্চলটোকেই লগত লৈ এছীয়া শতাব্দীৰ প্ৰতিজ্ঞা পূৰণ কৰিবলৈ সমৰ্থবান হোৱাৰ আশা প্ৰকট হৈ উঠিছে। পিছে এই পথত ভৰি দিবলৈ যাওঁতে বহু খলা-বমা ক্ষেত্ৰ আগত আহি পৰিছে। তাৰ ভিতৰত অমীমাংসিত সীমা বিবাদ মাজে-সময়ে উদ্বেগ সৃষ্টি আৰু আস্থা ভঙ্গৰ উৎস হৈ আছে। ইয়াৰ শীঘ্ৰেই সমাধান কৰাটো উভয় পক্ষৰ কৰ্তব্য। তাৰ বাবে এটা দীৰ্ঘ পৰিসৰৰ দৃষ্টিভঙ্গী গ্ৰহণ কৰা দৰকাৰ। আস্থা হেৰুওৱাৰ এই প্ৰক্ৰিয়া যদি এই গতিত অব্যাহত থাকে তেনেহ'লে ই বিস্তৃত অৰ্থনৈতিক সম্পৰ্কক বিপথগামী কৰি তুলিব পাৰে। ভাৰতীয় কোম্পানীসমূহত বজাৰৰ অধিক প্ৰৱেশৰ চীনৰ যি দীৰ্ঘদিনীয়া প্ৰতিজ্ঞা আছে তাক পূৰণ কৰা আৱশ্যক — বিশেষকৈ তথ্য প্ৰযুক্তি, ফাৰ্মা আৰু খাদ্য খণ্ডত। দীৰ্ঘকালীন বিনিয়োগৰ কাৰণে আৰু ঔদ্যোগিক পাৰ্ক গঠনৰ বাবে চীনৰ যি পৰিকল্পনা আছে সেয়া অৰ্থনৈতিক সম্পৰ্ক ৰক্ষাৰ বাবে অতি গুৰুত্বপূৰ্ণ।

ইয়াৰ উপৰি এছিয়াৰ এই দুই শক্তিয়ে তৃতীয় দেশৰ সতে গঢ়া নিজৰ সম্পৰ্কৰ ক্ষেত্ৰত যি উদ্বেগ আৰু অশান্তিয়ে ঠাই পাইছিল তাক দূৰ কৰা প্ৰয়োজন। চীন-ভাৰত সম্পৰ্কৰ নিৰন্তৰ ৰূপান্তৰ সাধনক সৃষ্টিমূলকভাৱে কামত লগাব লাগিব আৰু অমীমাংসিত বিষয়বোৰ প্ৰয়োজন অনুযায়ী অন্যভাৱে সমাধান কৰিব লাগিব। চীনা ভাষাত এষাৰ প্ৰবাদ আছে —সহস্ৰ মাইলৰ ভ্ৰমণ এটা সৰু পদক্ষেপেৰেহে আৰম্ভ হয়। ইতিমধ্যে বহু সৰু সৰু খোজ পেলোৱা হ'ল। সেয়ে এতিয়া সময় হৈছে দুয়োখন দেশৰ নেতাসকলে সীমাৰ বান্ধোন বঢ়াব লাগিব। চীন-ভাৰত সম্পৰ্কক আন এটা পৰিধিলৈ উন্নীত কৰিবৰ বাবে ভাব বিচাৰ আৰু এটা স্থূল দৃষ্টিভঙ্গী আৰোপ কৰিব লাগিব। লগতে প্ৰতিযোগিতামূলক অভিলাষ আৰু ভৌগোলিক-ৰাজনৈতিক বিষয়সমূহৰ টনা-আঁজোৰাৰ পৰা নিজকে মুকলি কৰি সঠিক দিশৰ পথত উপবিষ্ট কৰিব লাগিব।

**পয়োভৰাৰ পৰৱৰ্তী সংখ্যাৰ**

## বিষয় সম্ভাৰ

আগষ্ট ২০১৫ ঃ **সামগ্ৰিক বিকাশ আৰু সামাজিক পৰিৱৰ্তন**

উপৰোক্ত বিষয়সমূহৰ বাবে অভিজ্ঞ ব্যক্তিৰ পৰা প্ৰবন্ধ-পাতি বিচৰা হ'ল। বিষয়সমূহ উত্তৰ-পূৰ্বাঞ্চলৰ তথ্যপাতিৰে সমৃদ্ধ হ'ব লাগিব। উপযুক্ত বিবেচিত হ'লে যথা সংখ্যাত প্ৰকাশ কৰা হ'ব। লগতে বিভিন্ন পুথি, আলোচনী বিক্ৰেতা সকলকো তেওঁলোকৰ প্ৰয়োজনীয় কপিৰ বাবে আমাৰ কাৰ্যালয়ৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ কৰা হ'ল।

**সম্পাদক, পয়োভৰা**
কে.কে.বি. পথ, নিউ কলনি, গৃহ নং-৭
চেনিকুঠি, গুৱাহাটী-৭৮১০০৩
ফোন নং-২৬৬৫০৯০, ই-মেইল ঃ yojanaasomia@yahoo.co.in

# মোডী চৰকাৰৰ প্ৰথম বছৰত বৈদেশিক সম্পৰ্কৰ ক্ষেত্ৰত প্ৰতিৰক্ষাৰ ভূমিকা

*** আলোক বনচাল**

যোৱা এবছৰত ভাৰতে আন্তৰ্জাতিক সম্পৰ্কৰ ক্ষেত্ৰত এটা নতুন স্থিতিত উপনীত হোৱা দেখা যায়। যদিও এই কালছোৱাত ভাৰতৰ ভূমিকা প্ৰায় সকলো ক্ষেত্ৰতেই সৰ্ব দিশৰ বিকাশ সাধন হলেও চৰকাৰৰ আটাইতকৈ ডাঙৰ সফলতা আন্তৰ্জাতিক সম্পৰ্কৰ ক্ষেত্ৰতেই হৈছে বুলি ক'লে ভুল নহ'ব। ৰাষ্ট্ৰপুঞ্জৰ মাজত ভাৰতৰ স্থিতি এন ডি এ চৰকাৰৰ এবছৰ কালত যথেষ্ট বৃদ্ধি হোৱা বুলি ক'লেও অতিৰঞ্জিত কৰা নহয়। নিৰাপত্তা আৰু বৈদেশিক নীতিৰ মাজত আন্তঃসম্পৰ্ক আছে আৰু সেই অনুক্ৰমেই এখন দেশৰ নিৰাপত্তাৰ বিষয়টোৱে ৰাষ্ট্ৰখনৰ আন্তৰ্জাতিক সম্পৰ্ক ৰক্ষা কৰাত এটা কাৰক শক্তি ৰূপে ক্ৰিয়া কৰে। প্ৰতিৰক্ষাৰ প্ৰতি সক্ষম হৈ থকাটো হ'ল নিৰাপত্তাৰ এটা মূল উপাদান। এই প্ৰবন্ধটোত এন ডি এ চৰকাৰৰ আন্তৰ্জাতিক সম্পৰ্ক সাধনক কেনেদৰে নিৰাপত্তাৰ বিষয়টোৱে প্ৰভাৱান্বিত কৰিছে সেই সম্বন্ধে আলোকপাত কৰা হ'ব— বিশেষকৈ দেশখনৰ প্ৰতিৰক্ষা সক্ষমতা কাৰ্য বৃদ্ধি কৰাটো কিমান প্ৰয়োজন তাৰ ওপৰত দৃষ্টি নিক্ষেপ কৰা হ'ব।

বৈশিষ্ট্যপূৰ্ণ কথাটো হ'ল যে ভাৰত হ'ল সামৰিক অস্ত্ৰ-শস্ত্ৰৰ বৃহত্তম আমদানিকাৰী - যিটোৱে প্ৰতিৰক্ষাৰ ক্ষেত্ৰখনত সহযোগৰ বিষয়টোক অধিক তাৎপৰ্যপূৰ্ণ কৰি তুলিছে। কিয়নো অতীতত সংঘৰ্ষৰ সময়ত সামৰিক অস্ত্ৰ-শস্ত্ৰ যোগানৰ পৰা বঞ্চিত হৈছিল আৰু আন সময়ত ভাৰত চৰকাৰক নিজৰ নীতি পৰিৱৰ্তন কৰিবলৈ হেঁচা প্ৰয়োগ কৰা হৈছিল। দ্বিতীয় বিষয়টোৰ ক্ষেত্ৰত এটা অন্যতম উদাহৰণ হ'ল পোখৰণ -২ ৰ পাছত ভাৰতৰ ওপৰত আৰোপ কৰা প্ৰতিবন্ধকতা। এনে ধৰণৰ প্ৰতিবন্ধকতাই প্ৰায়ে ভাৰতৰ প্ৰতিৰক্ষাৰ তীক্ষ্ণতাক ম্লান কৰি পেলায় যেতিয়া বিৰোধী পক্ষৰ আগত থিয় দিব লগা হয়। কিন্তু এতিয়া ভাৰত যি স্থিতিত উপনীত হৈছে তাক যথাযথভাৱে ব্যৱহাৰ কৰি প্ৰতিৰক্ষা সামগ্ৰীৰ বৃহত্তম আমদানি কৰোঁতা দেশ ৰূপে পৰিগণিত হ'বলৈ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। এই ক্ষেত্ৰত বিদেশৰ কোম্পানী সমূহক ভাৰত নিৰ্মাণ (মেইক ইন ইণ্ডিয়া) কৰিবৰ বাবে আকৰ্ষণ কৰাৰ কথা চিন্তা কৰিছে। কোম্পানীবোৰক বৃহৎ আৰ্হিৰ আশ্বাস দিয়া হ'ব আৰু সুলভ হাৰত শ্ৰমিকৰো যোগান ধৰা হ'ব। ভাৰতীয় প্ৰতিৰক্ষাই অত্যাৱশ্যকীয় অস্ত্ৰ-শস্ত্ৰ আৰু সা-সৰঞ্জাম পোৱাটো নিশ্চিত কৰাৰ লগে লগে নিয়োগ সঞ্চাৰ কৰাৰ সম্ভাৱনাকো বাস্তৱায়িত কৰিব। লগতে বহু প্ৰযুক্তিৰ ভাৰতলৈ আগমন হ'ব। পিছে প্ৰতিৰক্ষা বিষয়ক প্ৰযুক্তিসমূহ প্ৰায়ে বিভিন্ন চৰকাৰৰদ্বাৰা পৰিচালিত হয় আৰু সেই কাৰণে আমাৰ চৰকাৰে বিদেশৰ চৰকাৰৰ সতে আলাপ-আলোচনা কৰাটো আৱশ্যক — যাতে এই প্ৰযুক্তিসমূহ যোগান ধৰাৰ ক্ষেত্ৰত আহি পৰা যি কোনো বাধা দূৰ কৰিব পৰা যায়।

বৰ্তমান চৰকাৰ ক্ষমতাত অধিষ্ঠিত হোৱাৰ লগে লগে চৰকাৰখনৰ শপত গ্ৰহণ অনুষ্ঠানত চুবুৰীয়া দেশসমূহৰ নেতাসকলক আমন্ত্ৰণ কৰা হৈছিল। লগতে তেওঁলোকক এই আশ্বাস দিবলৈ প্ৰয়াস কৰা হৈছিল যে ভাৰতৰ বৃহৎ প্ৰতিৰক্ষা শক্তি ভাবুকিৰ বিষয় নহয়, বৰং প্ৰাকৃতিক দুৰ্যোগ তথা অন্য আন্তৰ্জাতিক সংহাৰী ৰূপ ধাৰণ কৰা অৱস্থাত উদ্ধাৰ আৰু ৰক্ষা কৰিবলৈ উদ্যত হৈ থকা এটা আহিলা বিশেষহে। তাৰ প্ৰমাণ নেপালৰ দুৰ্যোগৰ অৱস্থাত গ্ৰহণ কৰা ভাৰতীয় সশস্ত্ৰ বাহিনীৰ ভূমিকা। ভয়াৱহ ভূমিকম্পই যেতিয়া নেপালক ক্ষয়-বিক্ষত কৰি তুলিছিল আমাৰ সেনাবাহিনীয়েই দুৰ্যোগ প্ৰশমন কাৰ্যৰ আগশাৰীত আছিল । একেদৰে ভাৰতৰ প্ৰতিৰক্ষা বাহিনীয়ে চুবুৰীয়া দেশৰ নাগৰিকসকলক ইৰাক আৰু য়েমেনৰ সংঘৰ্ষ জৰ্জৰিত এলেকাৰ পৰা আন সুৰক্ষিত ঠাইলৈ লৈ গৈছিল। বছৰটোত ভাৰতে কেবাখনো দেশৰ সতে কৌশলাত্মক দিশৰ অংশীদাৰ ৰূপেও আত্মপ্ৰকাশ কৰে। ইয়াৰ উপৰি ভাৰতৰ প্ৰতিৰক্ষা শক্তিশালী কৰিবৰ বাবে বৰ্তমানে থকা কৌশলাত্মক দিশৰ অংশীদাৰিত্বকো সবল কৰি তোলে।

দক্ষিণ এছিয়াৰ বাহিৰত জাপানলৈ প্ৰধান মন্ত্ৰীৰ প্ৰথম দ্বিপাক্ষিক বিদেশ ভ্ৰমণ কালত তেওঁ ভাৰত-জাপান

* আলোক বনচাল চেণ্টাৰ ফৰ ছিকিউৰিটি এণ্ড ষ্ট্ৰেটিজি, ইণ্ডিয়া ফাউণ্ডেচনৰ সঞ্চালক।

দ্বিপাক্ষিক সম্পৰ্কক ''স্পেচিয়েল ষ্ট্ৰেটেজিক গ্লোবেল পাৰ্টনাৰশ্বিপ'' পৰ্যায়লৈ উন্নীত কৰে। প্ৰতিৰক্ষাৰ ক্ষেত্ৰত সহযোগ আৰু বিনিময়ৰ এখন চুক্তিতো স্বাক্ষৰ কৰে। ভাৰত আৰু জাপানে তেওঁলোকৰ প্ৰতিৰক্ষা ক্ষেত্ৰৰ সহযোগকো ''শক্তিশালী'' আৰু ''মান উন্নীত'' কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। আনহাতে সামৰিক সৰঞ্জামৰ সহযোগক উৎসাহিত কৰিবৰ বাবে আলোচনা আৰম্ভ কৰে। জাপানী ইউএছ-২ বিমান বিক্ৰীৰ বাবে কি ধৰণৰ নীতি-নিয়ম অৱলম্বন কৰিব লাগিব সেই বিষয়েও আলোচনা প্ৰক্ৰিয়াক অধিক কাৰ্যকৰী কৰি তোলে। যুটীয়া বিবৃতিত প্ৰতিৰক্ষা বিষয়ৰ সহযোগৰ ক্ষেত্ৰত দুয়োখন দেশে নতুনকৈ আধিক্য আৰোপ কৰা আৰু দিক নিৰ্ণয়ৰ ইঙ্গিত পৰিষ্কাৰ হৈ উঠিছে। প্ৰতিৰক্ষা মূলক প্ৰযুক্তি আৰু সা-সৰঞ্জামৰ ক্ষেত্ৰতো সহযোগ স্থাপনৰ বিষয়ে ঠাই পায়। দুয়োখন দেশে শান্তি আৰু স্থিৰতাৰ সময়ত নিজ নিজ স্বাৰ্থক অক্ষুণ্ণ ৰাখিবৰ বাবেও দোহাৰে আৰু নৌ বিষয়ক (মেৰিটাইম) নিৰাপত্তাৰ বিষয়ৰ সন্দৰ্ভতো আলোকপাত কৰে। অধিক বৈশিষ্ট্যপূৰ্ণ কথাটো হ'ল জাপানে হিন্দুস্তান এৰোনটিকছ লিমিটেড আৰু আন পাঁচটা প্ৰতিষ্ঠানৰ ক্ষেত্ৰত আৰোপ কৰা বাধা উঠাই লয়। এই বাধা ১৯৯৮ চনৰ পাৰমাণৱিক পৰীক্ষা কৰাৰ পাছত আৰোপ কৰা হৈছিল। দুয়োখন দেশে নিয়মীয়াকৈ দ্বিপাক্ষিক নৌ বিষয়ক অনুশীলন কৰিবলৈ সন্মত হয় তথা ভাৰত-আমেৰিকা মালাবাৰ নৌ-অনুশীলন লানিত অংশগ্ৰহণ কাৰ্য অব্যাহত ৰাখিবলৈ জাপান ৰাজি হয়। প্ৰধান মন্ত্ৰী মোদীয়ে জাপানৰ উদ্যোগক 'মেইক ইন ইণ্ডিয়া' কাৰ্যসূচীৰ অধীনত বিনিয়োগ কৰিবলৈ আহ্বান জনায় আৰু তেওঁলোকক সকলো ধৰণৰ সমৰ্থন প্ৰদান কৰাৰো আশ্বাস দিয়ে।

সেই ভ্ৰমণৰ পাছৰ পৰা প্ৰধান মন্ত্ৰীৰ প্ৰতিটো বিদেশ ভ্ৰমণ, বৈদেশিক মন্ত্ৰীৰ ভ্ৰমণ, বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰীৰ ভ্ৰমণ তথা ভাৰতলৈ অহা বিদেশৰ নেতাসকলৰ ভ্ৰমণৰ সময়ত প্ৰতিৰক্ষা বিষয়ৰ সহযোগৰ ক্ষেত্ৰখনত যথেষ্ট পৰিমাণে বুজাবুজি আৰু চুক্তিৰ ব্যৱস্থাই ঠাই পায়। প্ৰতিৰক্ষা বিষয়ক সহযোগৰ ক্ষেত্ৰত বিকাশ সাধন কৰা কিছুমান বিষয় তলৰ দফা সমূহত দিহা হৈছে।

### ভাৰত-আমেৰিকাৰ প্ৰতিৰক্ষামূলক সহযোগ

আমেৰিকা হ'ল বিশ্বৰ বৃহৎ শক্তি (ছুপাৰ পাৱাৰ)। এই দেশখনে প্ৰতিৰক্ষাৰ শিতানত গোলকীয় ব্যয়ৰ প্ৰায় এক-তৃতীয়াংশ ব্যয় কৰে। লগতে ইয়াৰ প্ৰযুক্তিগত ক্ষমতাই দেশখনক অতি গুৰুত্বপূৰ্ণ কৰি তুলিছে। গতিকে প্ৰতিৰক্ষাৰ ক্ষেত্ৰখনত সহযোগৰ বাবে যি কোনো দেশৰ বাবেই ই এটা গুৰুত্বপূৰ্ণ বিষয়। সেই পিনৰ পৰা চাবলৈ গ'লে এই ক্ষেত্ৰত ভাৰতৰ ভূমিকা বৈশিষ্ট্যপূৰ্ণ। আলোচ্য বছৰটোত ভাৰত আৰু আমেৰিকাই প্ৰতিৰক্ষাৰ ক্ষেত্ৰত নিকট সহযোগৰ বাবে এখন নতুন চুক্তি স্বাক্ষৰিত কৰে। সেই ফ্ৰেমৱৰ্ক চুক্তিয়ে'' ভাৰতৰ প্ৰতিৰক্ষা সামৰ্থ্য বৃদ্ধি কৰিবৰ বাবে উপযুক্ত ব্যৱস্থা'' গ্ৰহণ কৰাৰ ওপৰত আলোকপাত কৰিছে। দহ বছৰীয়া প্ৰতিৰক্ষা পৰিকাঠামো বিষয়ক এই চুক্তি আমেৰিকাৰ ৰাষ্ট্ৰপতি বাৰাক অ'বামাৰ জানুৱাৰীৰ ভ্ৰমণ কালত পুনৰ নবীকৰণ কৰা হয় আৰু আমেৰিকাৰ প্ৰতিৰক্ষা সচিব এছ কাটাৰ ভাৰতলৈ আহোতে আনুষ্ঠানিকভাৱে স্বাক্ষৰ কৰা হয়। উক্ত ভ্ৰমণে আন এখন চুক্তিও সম্ভৱ কৰে। সেয়া হ'ল বায়'ল'জিকেল তথা ৰাসায়নিক বিষয়ৰ যুদ্ধৰ বিৰুদ্ধে সৈনিকৰ বাবে সুৰক্ষিত গিয়েৰ (মুখা) যুটীয়াভাবে বিকাশ কৰি উলিয়াবলৈ লোৱাটো। এই চুক্তিৰ আন এটা বিষয় হ'ল জেনেৰেটৰ নিৰ্মাণ কৰা। দুয়োখন দেশৰ মাজত নিৰাপত্তাৰ বিষয়টো বিস্তাৰিত কৰিবৰ কাৰণে ভাৰতীয় নেতাসকলৰ সতে হোৱা আলোচনা মৰ্মে প্ৰকল্পকেইটাত সন্মতি প্ৰদান কৰা হয়। ভাৰতীয় সৈন্যৰ বাবে আমেৰিকা হ'ল অস্ত্ৰ প্ৰাপ্তিৰ এটা অন্যতম শীৰ্ষ স্থানীয় উৎস। এই ক্ষেত্ৰত ই ৰাছিয়াকো চেৰ পেলায়। দেশখনে সামৰিক প্ৰযুক্তিৰ বিকাশ তথা যুটীয়া উৎপাদনৰ সুবিধাও ভাৰতলৈ আগবঢ়ায়। সৈনিকৰ বাবে সুৰক্ষিত পোছাক তথা যুদ্ধক্ষেত্ৰৰ বাবে প্ৰয়োজন হোৱা পৰৱৰ্তী প্ৰজন্মৰ বিদ্যুৎ উৎসৰ বিকাশ বিষয়ক প্ৰকল্পৰ ক্ষেত্ৰত দুয়োখন দেশে সমান ভাবে পুঁজি যোগান ধৰি প্ৰত্যেকেই ১ নিযুত ডলাৰকৈ আগবঢ়াব।

'ডিফেন্স টেকন'ল'জী এণ্ড ট্ৰেড ইনিচিয়েটিভ'ৰ অধীনত আন দুটা প্ৰকল্প ড° কাৰ্টাৰে প্ৰতিৰক্ষা সচিব পদত অধিষ্ঠিত হোৱাৰ আগতেই আৰম্ভ কৰে। উক্ত প্ৰকল্প দুটা 'ৰাৱেন মিনি ইউ এ ভি' তথা 'চি-১৩০ জে' সামৰিক পৰিবহন বিমানৰ কাৰণে ছাৰ্ভিইলেন্স মডুল সম্পৰ্কিত। ভাৰতে এটা কেৰিয়াৰৰ কথা চিন্তা কৰি আমেৰিকাৰ এয়াৰক্ৰাফ্ট লন্স টেকন'ল'জী লাভ কৰাৰ বিষয়েও চকু দিছে। তিনি দশকৰ আগতে ব্ৰিটেইনৰ পৰা আহৰণ কৰা এয়াৰক্ৰাফ্ট কেৰিয়াৰ' খনৰ ঠাই পূৰণ কৰিবলৈকে এনে কৰিবলৈ লোৱা হৈছে। তাৰ কাৰণ হ'ল বৰ্তমান সেই বাহনখন পূৰণি হৈছে। দুয়োটা পক্ষই সহযোগৰ বাট মুকলি কৰিবলৈ এটা ৱৰ্কিং গ্ৰুপ প্ৰতিষ্ঠা কৰিছে আৰু গ্ৰুপটো আমেৰিকাত যথা সময়ত মিলিত হ'ব। প্ৰধান মন্ত্ৰী মোদীয়ে এই আশা প্ৰকাশ কৰিছে যে প্ৰতিৰক্ষা সামগ্ৰী নিৰ্মাণ খণ্ডকে ধৰি আমেৰিকাৰ কোম্পানীবোৰে মেইক ইন ইণ্ডিয়া প্ৰয়াসত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিব আৰু প্ৰযুক্তিৰ হস্তান্তৰকৰণেৰে

ভাৰতত তেওঁলোকে নিৰ্মাণ গোট স্থাপন কৰিব তথা গোলকীয় যোগান ধাৰাত সংযোগ অব্যাহত ৰাখিব।

## ভাৰত-ফৰাছী প্ৰতিৰক্ষা সহযোগ

প্ৰতিৰক্ষা দৃষ্টিকোণৰ পৰা প্ৰধান মন্ত্ৰীৰ এটা অন্যতম অতি বৈশিষ্ট্যপূৰ্ণ যাত্ৰা হ'ল ফ্ৰান্সলৈ কৰা তেওঁৰ ভ্ৰমণ। ফৰাছী ৰাষ্ট্ৰপতি ফ্ৰেংকইছ হলেণ্ডৰ স'তে বহল পৰিসৰত প্ৰধান মন্ত্ৰী মোদীয়ে আলোচনা কৰাৰ পাছত দুয়োখন দেশে কেবাখনো চুক্তি সম্পাদন কৰে। প্ৰতিৰক্ষা আৰু নিৰাপত্তা বিষয়ৰ এই চুক্তিৰ ভিতৰত আছে মহাৰাষ্ট্ৰৰ জয়তাপুৰত থকা পাৰমাণৱিক প্ৰকল্পটোও। লাৰ্চেন এণ্ড টাব্ৰো তথা এ আৰ ই ভি এৰ মাজত এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। ইয়াৰ লক্ষ্য হ'ল জয়তাপুৰ প্ৰকল্পৰ বিত্তীয় নিৰ্ভৰযোগ্যতাৰ স্থিতি উন্নত কৰিবৰ বাবে থলুৱাভাৱে চাহিদা বৃদ্ধি কৰি ব্যয়ৰ পৰিসৰ হ্ৰাস কৰা। এই চুক্তিয়ে প্ৰযুক্তিৰ হস্তান্তৰকৰণ কৰাত সমৰ্থবান কৰি তুলিব তথা ভাৰততেই দেশীয়ভাৱে পাৰমাণৱিক শক্তিৰ বিকাশ সাধন সম্ভৱ কৰি তুলিব। এন পি চি আই এল আৰু আৰেভাৰ মাজত অভিযান্ত্ৰিক বিষয়ৰ প্ৰয়োজন হোৱা আগতীয়া কামবোৰৰ ক্ষেত্ৰত চুক্তিও সম্পাদিত হয়— যাতে প্ৰকল্পটোৰ সকলো কাৰিকৰী দিশত স্পষ্টতা প্ৰকট হৈ পৰে আৰু তেনে স্পষ্টতাই সকলো পাৰ্টিকে (আৰেভা, আলষ্টম ইত্যাদি) লৈ মূল্যৰ ক্ষেত্ৰত সঠিক স্থিতি গ্ৰহণ কৰিব পাৰে আৰু যিবোৰ কঠিনতা আছে তাৰো একোটা মীমাংসা কৰিব পাৰে। যদিও চুক্তি অসামৰিক পাৰমাণৱিক শক্তি সম্পৰ্কে, তথাপি যি প্ৰযুক্তি হস্তান্তৰ কৰিবলৈ লোৱা হৈছে সেয়া প্ৰতিৰক্ষাৰ ক্ষেত্ৰত প্ৰভূত পৰিমাণে কামত আহিব আৰু তাৰ লগতে ই প্ৰধান মন্ত্ৰী মোদীৰ 'মেইক ইন ইণ্ডিয়া' প্ৰকল্পক উৎসাহিত কৰিব।

দুয়োগৰাকী নেতাই মহাকাশ বিষয়ৰ ক্ষেত্ৰত সহযোগ স্থাপনৰ বাবে বিতংভাৱে আলোচনা কৰে। এই সন্দৰ্ভত ভাৰতীয় মহাকাশ গৱেষণা সংস্থা আৰু ফ্ৰান্স নেশ্বনেল চেণ্টাৰ ফৰ স্পে'চ ষ্টাডিজৰ মাজত এখন বুজাবুজিৰ চুক্তিও স্বাক্ষৰ কৰা হয়। চুক্তি মতে ইণ্ডো-ফ্ৰান্স মেগা এপিকিউছ উপগ্ৰহৰ পৰা আৰু দুবছৰৰ কাৰণে তথ্য প্ৰেৰণ কৰিবলৈ সময় বঢ়াই দিয়া হয়। এই উপগ্ৰহটো ২০১১ চনত ভাৰতীয় উৎক্ষেপন যান পি এছ এল ভিৰ পৰা উৎক্ষেপ কৰা হৈছিল আৰু অধিক বৈশিষ্ট্যপূৰ্ণ কথাটো হ'ল উপগ্ৰহ সংক্ৰান্তীয় কেইবাটাও বিষয়ত সহযোগ কৰিবৰ বাবে দুই মহাকাশ সংগঠনৰ মাজত এখন চুক্তি স্বাক্ষৰিত হোৱাটো। তাৰ ভিতৰত কেইটামান হ'ল — উপগ্ৰহ যোগাযোগ দূৰ সঞ্চাৰ (ৰিমোট ছেন্সিং) আৰু উপগ্ৰহীয় বতৰ বিজ্ঞান।

ইয়াৰ উপৰি যুদ্ধ বিমান সম্পৰ্কত অতি গুৰুত্বপূৰ্ণ প্ৰতিৰক্ষা চুক্তি স্বাক্ষৰিত কৰাটো। এয়া সম্ভৱ হৈ উঠে যেতিয়া ফ্ৰান্সে যিমান সোনকালে পাৰে সিমান সোনকালে ৩৬ খন যুদ্ধ বিমান যোগান ধৰিবলৈ সন্মতি প্ৰদান কৰে। ভাৰতীয় বায়ু সেনাই বহু দিনৰ আগয়েই বহুমুখী ভূমিকাৰ ১২৬ খন বিমানৰ আৱশ্যকতাৰ বাবে ৰাফেল বিমানক বাছি লৈছিল। প্ৰাৰম্ভিক অৱস্থাত ১৮ খন বিমান ফান্সৰ পৰা অনাৰ পাছত হিন্দুস্তান এৰোনটিকছ লিমিটেডত সৰহীয়াকৈ নিৰ্মাণ কৰাৰ কথা আছিল। পিছে সেই চুক্তিৰ খেলি-মেলি লাগে,কিয়নো ফ্ৰান্সৰ কোম্পানীটো হিন্দুস্তান এৰোনটিকছৰ কামত সন্তুষ্ট হোৱা নাছিল আৰু ভাৰতীয় প্ৰতিষ্ঠানটোৰ পৰা নিৰ্মাণ কৰা বিমানৰ বাবে কোম্পানীটোৱে গেৰান্টি দিবলৈ অনিচ্ছা প্ৰকাশ কৰে। এই কঠিনতাই চুক্তি কাৰ্যকৰী কৰাত বাধা দিয়ে। কিন্তু ইতিমধ্যে ভাৰতীয় বায়ু সেনাই যুঁজাৰু বিমানৰ ক্ষমতা কমি আহিবলৈ ধৰা হেতুকে উদ্বেগৰ মাজত থাকিব লগা হয়। সি যি কি নহওক, এতিয়া চুক্তি মতে ৩৬ খন বিমান পৰীক্ষা-নিৰীক্ষা কৰি আৰু ভাৰতীয় বায়ু সেনাই অনুমোদন জনোৱাৰ পাছত যোগান ধৰা হ'ব। ফ্ৰান্সে সময়-সীমা অনুযায়ী দীৰ্ঘ কালৰ বাবে বিমানবোৰ চলন্ত অৱস্থাত ৰাখিবলৈ চোৱাচিতা কৰাৰ দায়িত্ব লয়। ইয়াৰ পাছত চৰকাৰে অধিক প্ৰয়োজন হোৱা বিমানৰ ক্ষেত্ৰত যি কোনো সিদ্ধান্ত ল'ব পাৰে। ভাৰত নিৰ্মাণ আঁচনিৰ সতে ৰজিতা খোৱাকৈ সেই কামত গোলকীয় স্তৰত জড়িত বিক্ৰেতাকো সম্ভৱ হ'লে সুবিধা দিব পাৰে।

## ভাৰত-ৰাছিয়া প্ৰতিৰক্ষা সহযোগ

যোৱা পাঁচটা দশকত ছোভিয়েট দেশে আৰু পৰৱৰ্তী কালত বিভাজন হোৱা ক্ৰমে ৰাছিয়াই ভাৰতলৈ প্ৰতিৰক্ষা সা-সামগ্ৰী ঘাইকৈ যোগান ধৰি থাকে। ৰাছিয়াৰ সতে প্ৰতিৰক্ষা বিষয়ৰ সহযোগ ভাৰতৰ কাৰণে সদায়েই বৰ গুৰুত্বপূৰ্ণ হৈ আহিছে, কিয়নো সেই দেশখনে বহু প্ৰতিকূল অৱস্থাতো ভাৰতক লগ দিছে। ২০১৪ চনৰ ১১ ডিচেম্বৰত বাৰ্ষিক শীৰ্ষ সন্মিলনত অংশ গ্ৰহণ কৰিবৰ কাৰণে সেই দেশৰ ৰাষ্ট্ৰপতি পুটিন নতুন দিল্লীলৈ আহিছিল। প্ৰধান মন্ত্ৰী মোদীয়ে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত পুটিনৰ এয়া প্ৰথম ভ্ৰমণ আছিল। সন্মিলনত ৰাছিয়াৰ নিৰ্মিত বিমান কঢ়িওৱা জাহাজ আই এন এছ বিক্ৰমাদিত্যৰ বিষয়ে প্ৰধান মন্ত্ৰীয়ে উল্লেখ কৰে। সামৰিক সহযোগৰ এয়া এটা উদাহৰণ বুলিও তেওঁ কয়। লগতে মোদীয়ে এইবুলিও মন্তব্য কৰে যে " ভাৰতৰ বিকল্প উপায় বৃদ্ধি পালেও ৰাছিয়া প্ৰতিৰক্ষা সহযোগী ৰূপে একেবাৰে ওপৰত থাকিব।" তাৰ পৰা দীৰ্ঘ কালৰ প্ৰতিৰক্ষা বিষয়ৰ সম্পৰ্ক অব্যাহত থকাৰ ইঙ্গিতকেই তেওঁ দিয়ে।

দুয়ো পক্ষই ৰাছিয়াৰ প্ৰযুক্তিৰে

ভাৰততেই এম আই- ১৭ আৰু কামোভ কা-২২৬ হেলিকপ্টাৰ যুটীয়াভাৱে উৎপাদন কৰিবলৈ সন্মতি দান কৰে। ‘মেইক ইন ইণ্ডিয়া’ কাৰ্যসূচীৰ সতে সঙ্গতি ৰাখি এই কাম কৰা হয়। পাতল পৰিবহন বিমানৰ বিকাশ তথা যুটীয়াভাৱে নিৰ্মাণৰ দৰে দীৰ্ঘ কালৰ পৰা পৰি থকা বৃহৎ প্ৰকল্পবোৰ খৰতকীয়াকৈ কাৰ্যকৰী কৰাৰ কাম আগুৱাই নিবলৈ দুয়ো পক্ষ ৰাজি হয়। একেদৰে যুটীয়াভাৱে বিকাশ কৰিব পৰা পঞ্চম প্ৰজন্মৰ যুটীয়া যুঁজাৰু মঞ্চ (ফাইটাৰ প্লেটফৰ্ম) গঢ়ি তোলাৰ ক্ষেত্ৰতো আলোচনা কৰা হয়। চুখয় আৰু হিন্দুস্তান এৰোনটিকছ লিমিটেডে ইয়াৰ দায়িত্ব ল’ব। ইয়াৰ বাবে নক্সাকৰণৰ (ডিজাইন) চূড়ান্ত ঠিকা শীঘ্ৰেই স্বাক্ষৰিত কৰা হ’ব বুলি আশা কৰা হৈছে। আইএন এছ ‘চক্ৰ’ৰ পাছত ৰাছিয়াই ভাৰতক আন এখন পাৰমাণৱিক ক্ষমতা সম্পন্ন আকুলা-শ্ৰেণীৰ ছাবমেৰিণ লীজত দিবলৈও মান্তি হয়। আই এন এছ ‘চক্ৰ’ই সম্প্ৰতি সেৱা আগবঢ়াই আছে।

প্ৰতিৰক্ষাৰ ক্ষেত্ৰত পাকিস্তান আৰু ৰাছিয়াৰ সহযোগ সম্পৰ্কে অলপতে ওলোৱা বাতৰি — বিশেষকৈ পাকিস্তানক ৰাছিয়াৰ এম আই-৩৫ হেলিকপ্টাৰ বিক্ৰীৰ সম্ভাৱনাৰ বাতৰিয়ে ভাৰতত কিছু সন্দেহৰ সৃষ্টি কৰে। কিন্তু এনে সন্দেহ কৰাৰ কাৰণ নাই বুলি ভাৰতত থকা ৰাছিয়াৰ ৰাষ্ট্ৰদূতে জানিবলৈ দিয়ে। তেওঁ কয় যে ৰাছিয়াই ভাৰতৰ নিৰাপত্তাৰ দিশত হানিকাৰক কাম একো নকৰে। তাৰ পাছত ৰাষ্ট্ৰপতি পুটিনে নিজেই বাতৰি সংস্থা পি টি আইক দিয়া এটা সাক্ষাৎকাৰত কয় যে ৰাছিয়া - পাকিস্তানৰ সম্বন্ধ ভাৰতৰ দীৰ্ঘকালৰ স্বাৰ্থতহে কৰা হৈছে।

### ভাৰত-অষ্ট্ৰেলিয়াৰ প্ৰতিৰক্ষা সহযোগ

বছৰটোত ভাৰত আৰু অষ্ট্ৰেলিয়াই দ্বিপাক্ষিক নিৰাপত্তা সহযোগৰ এটা পৰিকাঠামো স্থাপন কৰে। আঞ্চলিক শক্তি তথা অন্যান্য প্ৰত্যাহ্বানকে ধৰি সন্ত্ৰাসবাদ ৰোধকৰণৰ বাবে প্ৰতিৰক্ষাৰ ক্ষেত্ৰত সহযোগ বৃদ্ধি কৰে। এই ক্ষেত্ৰত প্ৰধান মন্ত্ৰী মোদী আৰু অষ্ট্ৰেলিয়াৰ প্ৰধান মন্ত্ৰী টনি এবটে আলোচনা কৰে আৰু নিৰাপত্তামূলক সহযোগৰ কাৰণে নিৰ্দিষ্ট কাৰ্যসূচী গ্ৰহণ কৰে। সেই সহযোগ কাৰ্যৱলীৰদ্বাৰা দুয়োখন দেশৰ মাজত নিৰাপত্তা তথা প্ৰতিৰক্ষাৰ কাম-কাজ বিস্তৃত আৰু গভীৰতৰ কৰি তোলাই হ’ল লক্ষ্য। পাৰস্পৰিক স্বাৰ্থৰ এলেকাসমূহত অষ্ট্ৰেলিয়া আৰু ভাৰতৰ মাজত সহযোগ আৰু আলাপ আলোচনাক বিক্ষিপ্ত কৰিবলৈও উভয় পক্ষ সন্মত হয়। এই সহযোগৰ প্ৰধান আলোকপাতৰ বিষয় হ’ব “মেৰিটাইম ছিকিউৰিটি”। অষ্ট্ৰেলিয়াৰ পাৰ্লিয়ামেন্ট ভাষণ দিওঁতে প্ৰধানমন্ত্ৰীয়ে এইবুলি কৈছিল — “আমি নৌ সংক্ৰান্তীয় নিৰাপত্তা বিষয়বোৰ অটুট ৰখাৰ বাবে অধিক যোগাযোগ কৰা উচিত। সমুদ্ৰৰ সন্দৰ্ভত আমি একেলগে কাম কৰিব লাগিব আৰু আন্তৰ্জাতিক ফ’ৰামবোৰতো সহযোগ কৰা উচিত আৰু আন্তৰ্জাতিক আইন তথা গোলকীয় নাতি-নিয়মৰ প্ৰতি এটা সাৰ্বজনীন সন্মান প্ৰদৰ্শনৰ বাবে আমি কাম কৰা উচিত।”

এই আহ্বান আছিল তেৰেঁই অথাৎ শ্ৰীমোদীয়ে জনোৱা পূৰ্বৰ আহ্বানৰ পুনৰ উক্তি। ইয়াৰ আগতে ম্যানমাৰত অনুষ্ঠিত পূব এছিয়া তথা এছিয়ান শীৰ্ষ সন্মিলনত তেওঁ নৌ বিষয়ক নিৰাপত্তাৰ ক্ষেত্ৰত সহযোগ কৰিবলৈ সংশ্লিষ্ট সকলোকে আহ্বান জনাইছিল। পাছত ভাৰত আৰু অষ্ট্ৰেলিয়াৰ প্ৰধান মন্ত্ৰীয়ে এটা কৰ্ম পৰিকল্পনাত সন্মতি দান কৰে। সেই কৰ্ম পৰিকল্পনা অনযায়ী এখন বাৰ্ষিক শীৰ্ষ সন্মিলন অনুষ্ঠিত হ’ব আৰু বৈদেশিক নীতি সম্বন্ধে বিনিময় তথা সমন্বয় সাধন কৰিব। পৰিকল্পনাত প্ৰধান মন্ত্ৰীসকলৰ বাৰ্ষিক বৈঠকৰ বিষয়টো অন্তৰ্ভুক্ত কৰা হয়। আনবোৰ বিষয়ৰ ভিতৰত আছে নিয়মীয়াকৈ প্ৰতিৰক্ষা মন্ত্ৰীসকলৰ বৈঠক, বছেৰেকীয়া প্ৰতিৰক্ষা নীতিৰ বিষয়ে আলোচনা, যুটীয়া প্ৰশিক্ষণ, নিয়মীয়া অনুশীলন আৰু নিয়মীয়া দ্বিপাক্ষিক নৌ বিষয়ক অনুশীলন। প্ৰতিৰক্ষাৰ গৱেষণামূলক কাৰ্য উদ্‌ঘাটন কৰিবলৈও আহ্বান জনোৱা হয় আৰু বিকাশ সহযোগৰ কামবোৰ আগুৱাই নিবৰ কাৰণেও চিন্তা কৰা হয়। অষ্ট্ৰেলিয়া আৰু ভাৰতৰ প্ৰতিৰক্ষা বিভাগৰ প্ৰতিনিধিৰ ভ্ৰমণ তথা যুটীয়া উদ্যোগৰ সংযোগ সাধন কৰিবলৈ প্ৰয়াস অব্যাহত থাকিব।

অধিক তাৎপৰ্যপূৰ্ণ কথা হ’ল কৰ্ম পৰিকল্পনাত অন্তৰ্ভুক্ত কৰা কেইটামান বিষয়। সেয়া হ’ল সন্ত্ৰাসবাদ ৰোধ তথা অন্য সীমান্তৰ সিপাৰত সংঘটিত অপৰাধ কাৰ্যৰ প্ৰতিৰোধ বিষয়ক বাৰ্ষিক জইন্ট ৱৰ্কিং গ্ৰুপ ; সন্ত্ৰাসবাদ প্ৰতিহত কৰা বিষয়ক প্ৰশিক্ষণৰ ক্ষেত্ৰত সহযোগ আৰু বিস্ফোৰক পদাৰ্থক নিস্ফলকাম কৰি তুলিবৰ কাৰণে বিশেষজ্ঞৰ মাজত ভাব বিনিময়, বোমা বিস্ফোৰণ সংঘটিত ঘটনাৰ ক্ষেত্ৰত তাৎক্ষণিক নিবাৰণ ব্যৱস্থা তথা ভিন ভিন প্ৰযুক্তি আৰু অন্যান্য প্ৰাসঙ্গিক দিশসমূহৰ ক্ষেত্ৰতে সমুচিত ব্যৱস্থা গ্ৰহণ। কৰ্ম পৰিকল্পনাৰ অধীনত কাৰ্যসমূহৰ কিমান অগ্ৰগতি সাধন কৰা হৈছে তাক পৰ্যালোচনা কৰা হ’ব। তাৰ বাবে প্ৰতিষ্ঠাপিত প্ৰতিষ্ঠানমূলক ব্যৱস্থাৰ জৰিয়তে কাৰ্য সম্পাদিত কৰা হ’ব। বৈদেশিক মন্ত্ৰীসকলৰ পৰিকাঠামোমূলক আলাপ-আলোচনা তথা প্ৰতিৰক্ষা মন্ত্ৰীসকলৰ বৈঠক অনুষ্ঠিত কৰি ইয়াৰ বুজ লোৱা হ’ব আৰু প্ৰয়োজনভিত্তিক সমুচিত ব্যৱস্থাও গ্ৰহণ কৰা হ’ব।

### অন্য দেশৰ সতে প্ৰতিৰক্ষা সহযোগ

বছৰটোত ভাৰত আৰু দক্ষিণ কোৰিয়াই অলপতে প্ৰতিৰক্ষা বিষয়ক

সহযোগৰ কাম-কাজ বৃদ্ধি কৰিবৰ কাৰণে সন্মতি দান কৰে। দক্ষিণ কোৰিয়াও প্ৰধান মন্ত্ৰী মোদীয়ে ভ্ৰমণ কৰা কালত জাৰি কৰা এটা যুটীয়া বিবৃতিত দহটা বিষয়ৰ ভিতৰত সাতটা বিষয়ত প্ৰতিৰক্ষা সহযোগৰ ওপৰত আলোকপাত কৰা হয়। ইয়াত ঘাইকৈ অন্তৰ্ভুক্ত কৰা হয় দক্ষিণ কোৰিয়া আৰু ভাৰতৰ মাজত শ্বিপয়াৰ্ড তথা নৌবাহিনীৰ সন্দৰ্ভত পাৰস্পৰিক বিনিময় আৰু তাৰ ভিতৰত আছে দক্ষিণ কোৰিয়াৰ জাহজঘাটিত প্ৰথমে ভাৰতীয় নৌ-বাহিনীৰ বাবে যুদ্ধ জাহাজৰ নিৰ্মাণ আৰু তাৰ পাছত পাৰস্পৰিক সহযোগেৰে ভাৰতৰ জাহাজঘটিত তেনে জাহাজৰ নিৰ্মাণ।

সেই একেদৰে বছৰটোত কানাডা আৰু ভাৰতীয় কোম্পানীবোৰৰ মাজত পাৰমাণৱিক শক্তি, এৰোস্পেচ আৰু প্ৰতিৰক্ষাৰ ক্ষেত্ৰত বহু বাণিজ্যিক চুক্তি ঘোষণা কৰা হয়। এখন বাণিজ্যিক চুক্তিৰ ভিতৰত আছে কেমেকো কোম্পানীয়ে ভাৰতক অহা পাঁচ বছৰ কাল সাত নিযুত পাউণ্ডতকৈ অধিক ইউৰেনিয়াম যোগান ধৰিব। এই চুক্তি আংশিকভাৱে কানাডা-ইণ্ডিয়া নিউক্লিয়েৰ কো-অপাৰেচন এগ্ৰিমেন্টৰ হেতু সম্ভৱ হয়। ভাৰত চৰকাৰে এই কাৰ্যৰ গুৰি ধৰি চুক্তিৰ বাট মুকলি কৰে।

এনে ধৰণৰ প্ৰতিৰক্ষা সহযোগ অন্য এখন দেশৰ সতেও কৰা হয়। সেয়া হ'ল মৰিছাছ। পৰম্পৰাগত ভাৱে এই দেশখনে ভাৰতৰ স'তে নিকট প্ৰতিৰক্ষা বান্ধোন ৰক্ষা কৰি আহিছে। আলোচ্য বছৰটোত সেই স্থিতিক আৰু দৃঢ় কৰা হয়। ২০১৪ চনৰ ২ নৱেম্বৰত বৈদেশিক মন্ত্ৰী সুষমা স্বৰাজ অগ্ৰবাসী দিৱসৰ উদ্‌যাপন সমাৰোহত উপস্থিত হৈছিলগৈ। তেওঁ সেই ভ্ৰমণ কালত ভাৰতীয় নৌ সেনা আৰু মৰিছাছৰ উপকূলৰক্ষী বাহিনীৰ মাজত সহযোগ ৰখাৰ ওপৰত গুৰুত্ব দিছিল। ভাৰত মহাসাগৰ অঞ্চলত সুৰক্ষা আৰু নিৰাপত্তা নিশ্চিত কৰাই আছিল সুষমা স্বৰাজৰ কাৰ্যসূচীৰ শীৰ্ষ বিষয়। মৰিছাছৰ জলৰাশিত ভাৰতৰ তিনিখন যুদ্ধ জাহাজ লঙ্গৰ বান্ধি ৰখা হৈছিল দিৱস উদযাপনৰ সময়ত। দুয়ো পক্ষৰ মাজত সহযোগৰ বান্ধোন যে অধিক আছে তাকেই দৃঢ় কৰিবৰ কাৰণে তেনে কৰা হৈছিল।

ভাৰতে নিকট প্ৰতিৰক্ষা সহযোগ ৰখা আন এখন দেশ হ'ল ইজৰাইল। দুয়োখন দেশে সন্ত্ৰাসবাদ প্ৰতিহত কৰা কাৰ্যত সহযোগ কৰিছে। সূক্ষ্ম প্ৰতিৰক্ষা সামগ্ৰী ভাৰতক যোগান ধৰাৰ ক্ষেত্ৰত ইজৰাইল আগশাৰীত আছে। তাৰ ভিতৰত মিছাইল আৰু মানৱবিহীন এৰিয়েল বাহন বিশেষভাৱে উল্লেখযোগ্য। বছৰটোত সহযোগ বিস্তাৰিত হয় আৰু প্ৰধান মন্ত্ৰী মোদীয়ে অহা বছৰৰ ভিতৰতেই ইজৰাইল ভ্ৰমণ কৰিব। সেই ভ্ৰমণ হ'ব ভাৰতৰ প্ৰধান মন্ত্ৰীৰ সেই দেশখনলৈ প্ৰথম ভ্ৰমণ।

**সামৰণি**

বিশ্বৰ বিভিন্ন দেশৰ স'তে ভাৰতৰ প্ৰতিৰক্ষা সহযোগ যথেষ্ট বৃদ্ধি পাইছে। ভাৰতৰ যে উজ্জ্বল ভৱিষ্যত আছে তাক আন্তৰ্জাতিক সম্প্ৰদায়ে উপলব্ধি কৰিব পৰাৰ বাবেই তেনে সহযোগৰ পথ প্ৰশস্ত হয় আৰু ভাৰতৰ প্ৰতিৰক্ষা বাহিনীৰ ক্ষেত্ৰত বিশ্বাস গঢ়ি উঠা কথাটোৱেও এই বিষয়ত প্ৰভূত পৰিমাণে বৰঙণি যোগাইছে। একাধিক দেশে তেওঁলোকৰ নিৰাপত্তা শক্তিশালী কৰিবলৈ ভাৰতৰ এনে প্ৰস্তুতি কাৰ্যত যোগদান কৰিব খোজে। আগন্তুক দিনবোৰত এই সহযোগ আৰু বৃদ্ধি পাব তথা 'মেইক ইন ইণ্ডিয়া' কাৰ্যসূচীৰ বাবে উপযুক্ত পৰিবেশ গঢ়ি তুলিব আৰু তেনেদৰে ব্যৱস্থাৰো যোগান ধৰিব। দেশখনৰ ৰূপান্তৰ সাধনত এই কাৰ্যসূচীৰ শক্তি অনস্বীকাৰ্য।

**পয়োভৰা ৰাইজৰ আলোচনী—**

*নিজে পঢ়ক, আনকো পঢ়ুৱাওক—*

*দেশ গঢ়াত নিজৰ মতামত আগবঢ়াওক—*

# পূব-এছীয় দেশবোৰৰ সম্পৰ্কৰ ক্ষেত্ৰত নতুন গতি প্ৰদানৰ প্ৰয়াস

***সুনন্দ দীক্ষিত**

পূবৰ চুবুৰীয়া দেশসমূহৰ প্ৰতি ভাৰতে সদ্ ভাৱ গঢ়ি তুলিবলৈ কৰা প্ৰয়াস হ'ল এটা বৈশিষ্ট্যপূৰ্ণ পদক্ষেপ — যিটো শীতল যুদ্ধৰ অৱসানৰ পাছত ম্লান হৈ পৰিছিল। ভাৰতে পূবলৈ চোৱা নীতি ১৯৯১ চনত আৰম্ভ কৰে আৰু শেহতীয়াকৈ ইয়াক পুনৰ নাম দিয়া হয় 'এক্ট ইষ্ট পলিচী'। এয়া এছোচিয়েচন অব ছাউথ ইষ্ট নেশ্বনছ , চমুকৈ 'আছিয়ান' সংঘৰ দহ খন সদস্য ৰাষ্ট্ৰৰ নিৰাপত্তা, বাণিজ্য, অৰ্থনৈতিক আৰু পৰিবহনৰ ক্ষেত্ৰত যোগসূত্ৰই এটা গতি লাভ কৰাৰ স্বীকৃতি ৰূপে এই নামৰ অৱতাৰণা। ইয়াৰ লগতে আলাপ-আলোচনাত পূৰ্ণ ৰূপে ভাগ লোৱা আঠখন দেশৰ ভূমিকাও এই ক্ষেত্ৰত এটা উল্লেখযোগ্য বিষয়।

কেইখনমান এই আছিয়ান সংগঠনৰ দেশৰ সতে থকা ভাৰতীয় উপ-মহাদেশৰ প্ৰাচীন যোগসূত্ৰই সাংস্কৃতিক আৰু জনগাঁথনিৰ স্থিতিৰ পথ প্ৰশস্ত কৰিছিল চোলা ৰজাৰ শাসনৰ আগমনৰ লগে লগে। পিছে এই শতিকা পুৰণি যোগসূত্ৰক আটাইকেইখন 'আছিয়ান' দেশৰ সতে নিকটভাৱে ৰাজনৈতিক সম্পৰ্ক গঢ়ি তোলাত কামত পৰিণত কৰিব নোৱাৰিলে। উপনিবেশবাদৰ আগমনেই হ'ল তাৰ কাৰণ। শীতল যুদ্ধই দক্ষিণ পূব এছীয় দেশসমূহৰ মাজত আৰু অধিক বিভাজনহে আনিলে। প্ৰকৃতাৰ্থত ক'বলৈ গ'লে শীতল যুদ্ধৰ থলী ৰূপে এই দেশবোৰে ভিয়েটনাম আৰু কমিউনিষ্ট আদৰ্শৰ প্ৰভাৱ বিস্তাৰিতকৰণত বাধা দিবলৈ আৰম্ভ কৰিলে।

এই দৃষ্টিভংগী ১৯৯১ চনৰ পৰা পৰিবৰ্তন হ'বলৈ আৰম্ভ কৰিলে যেতিয়া পূবলৈ চোৱা নীতিৰ অৱতাৰণা হ'বলৈ আৰম্ভ কৰে। ব্ৰুনেইত এটা কূটনৈতিক মিছ্ন স্থাপন কৰা হয়। এয়া হ'ল একমাত্ৰ আছিয়ান সদস্যৰ দেশ। থাইলেণ্ড আৰু মালয়ছিয়া তাত প্ৰথম পদাৰ্পণ কৰা দেশ। ভিয়েটনামৰ দৰে পৰম্পৰাগত মিত্ৰ দেশে বন্ধুত্বৰ বান্ধোন অব্যাহত থকাৰ আশ্বাস দিয়ে। পূবলৈ চোৱা নীতিৰ আলোকপাতৰ বিষয় বিস্তৃত হ'বলৈ আৰম্ভ কৰে আৰু সেই অনুক্ৰমে ই দক্ষিণ পূব এছিয়াৰ পৰা কোৰিয়া, চীন, জাপান আৰু অষ্ট্ৰেলিয়ালৈ প্ৰসাৰিত হ'বলৈ ধৰে।

আন্তৰ্জাতিক প্ৰেক্ষাপটত যি পৰিৱৰ্তনে গা কৰি উঠে তালৈ চাই আছিয়ান সংগঠনে নিজকে ইয়াৰ সৈতে ৰজিতা খুৱাই ল'বলৈ ব্যৱস্থা গ্ৰহণ কৰে। ১৯৬৭ চনত পাঁচখন দেশৰ সদস্যৰে ই গঠিত হৈছিল। সেইদেশ কেইখন হ'ল থাইলেণ্ড, মালয়েছিয়া, ছিঙ্গাপুৰ, ফিলিপাইনছ আৰু ইণ্ডোনেছিয়া। ১৯৮৪ চনত ষষ্ঠ সদস্য দেশ ৰূপে ব্ৰুনেইক এই সংগঠনত অন্তৰ্ভুক্ত কৰা হয়। বৰ্তমানৰ দহ সদস্য আকাৰলৈ আছিয়ানৰ সম্প্ৰসাৰণ ঘটে নব্বৈ দশকৰ মাজ ভাগত। ইয়াত চামিল হোৱা সেই দেশ কেইখন হ'ল লাওছ, কম্বোদিয়া, ভিয়েটনাম আৰু ম্যানমাৰ। সমূহীয়াভাবে ইয়াক "এলচিভিএম" ৰূপে জনা যায়।

আছিয়ানৰ সদস্যপদ একেই থাকে , অৰ্থাৎ ১০ খন সদস্য দেশ; কিন্তু আঞ্চলিক আৰু অন্যান্য দেশৰ সতেও ইয়াৰ নিকট সহযোগ আছে। ভাৰত ১৮ খন দেশক লৈ গঠিত " ইষ্ট এছিয়া ছামিটতো" ঠাই পায়। এই শীৰ্ষ সন্মিলন প্ৰতিষ্ঠানটোত ১০ খন আছিয়ান সদস্য দেশ আছে আৰু আছে চীন, জাপান, দক্ষিণ কোৰিয়া, নিউজিলেণ্ড, অষ্ট্ৰেলিয়া, আমেৰিকা আৰু ৰাছিয়া। ভাৰত ২৫ জনীয়া সদস্যৰ আছিয়ান ৰিজিয়নেল ফ'ৰামৰো এটা অংশ। আছিয়ান প্ৰতিৰক্ষা মন্ত্ৰীসকলৰ বৈঠকত গ্ৰুপটোৰ সতে ভাৰতে নিৰাপত্তা আৰু প্ৰতিৰক্ষা বিষয় সম্পৰ্কে আলোচনা কৰে। ইয়াৰ উপৰি আছিয়ান সংগঠনৰ সদস্য দেশবোৰৰ সতে এখন সুকীয়া শীৰ্ষ সন্মিলনৰ বৈঠকো আছে। খণ্ডীয় পৰ্যায়ৰ বৈঠকতো ভাৰতে ভাগ লয়। তাৰ ভিতৰত এবিধ হ'ল — অৰ্থনৈতিক বিভাগৰ মন্ত্ৰীসকলৰ মাজত হোৱা বৈঠক।

আছিয়ান দেশসমূহৰ সতে ভাৰতে নিকট সম্বন্ধ গঢ়ি তোলাত ন্যস্ত হয়। ইয়াৰ জৰিয়তে পূব ভাগত অৱস্থিত দেশসমূহৰ লগত বাণিজ্য প্ৰতিৰক্ষা আৰু শক্তি সম্ভৱ অনুযায়ী গঢ়ি তুলিবলৈ প্ৰয়াস কৰে। তেনেদৰে বহু ৰপ্তানি সাধন কৰিব খোজা দেশ আৰু প্ৰভাৱশীল কৰ্পোৰেট সংস্থাবোৰে ভাৰতৰ লগত নিকট সম্পৰ্ক গঢ়ি তোলাৰ কথা ভাবে। ফলস্বৰূপে বহুল পৰিসৰৰ বজাৰৰ সুবিধা কাৰ্যত খটুৱাই অৰ্থনৈতিক ক্ষেত্ৰৰ পথ মুকলি কৰে।

"আছিয়ান" ৰাষ্ট্ৰসমূহৰ সতে

*** সুনন্দ দীক্ষিত এজন জ্যেষ্ঠ সাংবাদিক আৰু গণমাধ্যম যোগাযোগ বিশেষজ্ঞ**

২০০২ চনত ভাৰতৰ সম্পৰ্ক গভীৰতৰ হয়। তেতিয়া ভাৰত-আছিয়ান শীৰ্ষ সন্মিলন অনুষ্ঠিত হৈছিল। অৱশ্যে ইয়াৰ আগতেও ১৯৯৬ চনত ভাৰতৰ সতে আলাপ-আলোচনাৰ যি পটভূমি গঢ়ি উঠিছিল সেইটোৱেও বাণিজ্য আৰু প্ৰতিৰক্ষাৰ পৰিসৰ বৃদ্ধি কৰে। বৰ্তমানে যথেষ্ট পৰিমাণে এই সম্পৰ্ক বৃদ্ধি পাইছে। ভাৰতে বিশেষভাৱে আছিয়ান সচিবালয়ৰ সতে আলাপ-আলোচনা কৰিবলৈ জাকাৰ্টাত এজন ৰাষ্ট্ৰদূতক নিয়োগ কৰে।

আছিয়ান সংঘৰ বহু পূব এছীয়দেশে ভাৰতৰ বজাৰ খোলাৰ ক্ষেত্ৰত আগতীয়াকৈ সঁহাৰি জনায়। তাৰ ভিতৰত বিশেষভাৱে উল্লেখযোগ্য দেশকেইখন হ'ল দক্ষিণ কোৰিয়া, জাপান, ছিঙ্গাপুৰ, মালয়ছিয়া আৰু থাইলেণ্ড। ২০০৯ চনত ভাৰতে সা--সামগ্ৰীৰ ক্ষেত্ৰত আছিয়ান সংগঠনৰ সতে মুক্ত বাণিজ্য চুক্তি (ফ্ৰী ট্ৰেড এগ্ৰিমেন্ট) স্বাক্ষৰ কৰে আৰু তাৰ পাছত দুবছৰৰ ভিতৰতে এই চুক্তি ক্ৰমাগত ভাৱে সকলো দেশে ৰূপায়িত কৰে। ২০১৪ চনত সেৱা আৰু বিনিয়োগৰ ক্ষেত্ৰত এই চুক্তি স্বাক্ষৰিত কৰা হয়। চলিত বৰ্ষৰ শেষৰ পিনে সেই চুক্তি কাৰ্যকৰী হ'ব লাগে আৰু সেই সম্পৰ্কই ভাৰতক লাভবান কৰিব বুলি আশা কৰিব পৰা যায়; কিয়নো সেৱা খণ্ডৰ কাম-কাজত ভাৰত বেচ সবল।

এতিয়া ভাৰতে ১০ খন আছিয়ান সংগঠনৰ দেশ আৰু আন পাঁচখন আলাপ-আলোচনাৰ সম্পৰ্ক থকা দেশৰ সতে 'ৰিজিয়নেল 'কম্প্ৰেহেনছিভ ইক'নমিক পাৰ্টনাৰশ্বিপ' গঢ়ি তুলিবৰ বাবে আলোচনা কৰিছে। সেই পাঁচখন দেশ হ'ল — চীন, দক্ষিণ কোৰিয়া, জাপান, অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ড। এয়া ভাৰতৰ এখন অতি অভিলাষী বাণিজ্য চুক্তি হ'ব। ইয়াত ভাৰতৰ কাৰণে প্ৰভূত সম্ভাৱনা আছে, কিয়নো ১৬ খন ৰাষ্ট্ৰ একেলগে মিলিলে বিশ্ব অৰ্থনীতিৰ এক চতুৰ্থাংশকে প্ৰতিনিধিত্ব কৰাটো বুজাব।

আছিয়ান সংগঠনৰ নৈতিক শক্তিও পৰিস্ফুট হোৱা দেখা যায়। ইয়াৰ প্ৰভাৱ সদস্য ৰাষ্ট্ৰ ম্যানমাৰৰ ওপৰত সুস্পষ্ট। সেই দেশে গণতান্ত্ৰিক দিশৰ পিনে ক্ৰমাগতভাৱে গতি কৰিছে। চীন দেশেও নিৰাপত্তা বিষয়ৰ সন্দৰ্ভত আলোচনা কৰে আৰু দক্ষিণ চীন সাগৰৰ ক্ষেত্ৰত আচৰণবিধিৰ এটা ঘোষণাত চহী কৰে আৰু এই পদক্ষেপ ৰাজনৈতিক তথা সামৰিক ক্ষেত্ৰত ক্ৰমাগত বিৱৰ্তনৰ সংকেত দাঙি ধৰে।

ভাৰতেও আছিয়ান সদস্যৰ দেশসমূহৰ সতে দ্বিপাক্ষিক ভিত্তিত গুৰুত্ব দিবলৈ আৰম্ভ কৰিছে। তাৰ ফলস্বৰূপে যি আস্থা গঢ়ি উঠিছে সেইটোৰ ফলত নিৰাপত্তাআৰু প্ৰতিৰক্ষাৰ সম্পৰ্কত ৰূপান্তৰ ঘটিছে। এনে সম্পৰ্ক মালয়ছিয়া, ইণ্ডোনেছিয়া আৰু ছিঙ্গাপুৰৰ দৰে দেশবোৰৰ সতে গঢ়ি উঠিছে আৰু ভিয়েটনামৰ সতে দেশবোৰৰ দৰে পুৰণি অংশীদাৰিত্বৰ ভাৱ অব্যাহত আছেই।

ভাৰতে পূব প্ৰান্তৰ আন দেশবোৰৰ ক্ষেত্ৰতো দ্বিপাক্ষিক দৃষ্টিভঙ্গীক বিক্ষিপ্ত কৰিছে। পূৰ্বৰ পূবলৈ চোৱা নীতিৰ কালত সীমান্তৰ ক্ষেত্ৰত মতদ্বৈধতাক এৰাই চলিবৰ কাৰণে ১৯৯৩ চনত এখন চুক্তি স্বাক্ষৰিত হৈছিল আৰু এছিয়াৰ কৰ্পোৰেট প্ৰতিষ্ঠানসমূহক ভাৰতত বিনিয়োগ কবিৰলৈ মুকলিভাবে আহ্বান জনাইছে। বিনিয়োগক আকৰ্ষণ কৰাৰ ক্ষেত্ৰত যি সফলতা লাভ কৰা হয় সেইটোৱে ভাৰতক অন্য আঞ্চলিক দেশসমূহৰ সতে নব্বৈ দশকটোত বান্ধোন দৃঢ় কৰিবলৈ উৎসাহিত কৰিছিল। এয়া আছিল ভাৰতৰ পূবলৈ চোৱা নীতিৰ প্ৰথম পৰ্যায়।

এই পূবলৈ যোৱা নীতিৰ দ্বিতীয় পৰ্যায়ত বহুতো অঘটন সংঘটিত হৈছিল, যেনে — ২০০১ চনৰ ছেপ্টেম্বৰৰ আক্ৰমণ আৰু আফগানিস্তানত অশান্ত অৱস্থাৰ সৃষ্টি । এই ঘটনাৱলীয়ে নিৰাপত্তাৰ ক্ষেত্ৰত ইখনে সিখন দেশৰ প্ৰতি থকা অবিশ্বাসক দূৰ কৰি কাষলৈ চপাই আনে। ভাৰত আৰু ইণ্ডোনেছিয়াই মালাক্কা প্ৰণালী ভাগত সমন্বিত ভাৱে পহৰাদাৰী কাৰ্য আৰম্ভ কৰে। নৌ পথৰে মূল্যবান বয় বস্তু কঢ়িওৱা এই পথছোৱা অৱৰোধ কৰাৰ সন্দেহ আছিল কাৰণে তেনে পহৰাৰ ব্যৱস্থা কৰিব লগা হৈছিল। ২০০৪ চনৰ ছুনামি দুৰ্যোগৰ পাছত মানৱীয়তা আৰু দুৰ্যোগ প্ৰশমন ব্যৱস্থাৰ গুৰুত্ব বন্ধুত্বপূৰ্ণ সশস্ত্ৰ বাহিনীৰ মাজত হাতত লোৱা কাৰ্যৰ ক্ষেত্ৰত প্ৰকাশ পাইছিল। তেতিয়া ভাৰতীয় নৌ বাহিনীয়ে ইণ্ডোনেছিয়া আৰু শ্ৰীলংকাৰ আক্ৰান্ত লোকসকলক সাহায্যৰ যোগান ধৰিছিল। নিজৰ দ্বীপপুঞ্জসমূহ আৰু উপকূলীয় এলেকাবোৰত সাহায্যৰ কাম আগবঢ়োৱা ব্যৱস্থাতো আছিলেই। সকলো দেশে মানৱীয় আৰু দুৰ্যোগ প্ৰশমন কাৰ্যক উৎসাহিত কৰে আৰু ইয়াৰ ফলস্বৰূপে সামৰিক বাহিনীৰ মাজত অধিক ভাৱ বিনিময়ৰ পথ প্ৰশস্ত কৰে। ভিয়েটনামে অলপতে চাৰিখন পহৰাদাৰী নাও ( পেট্ৰল ব'টছ) আহৰণ কৰিব । ছিঙ্গাপুৰৰ সশস্ত্ৰ বাহিনীয়ে ভাৰতত তেওঁলোকৰ কিছু ড্ৰিল অনুষ্ঠিত কৰিব আৰু ৰাছিয়াৰ সা-সৰঞ্জামৰ সন্দৰ্ভত মালয়ছিয়া আৰু ইণ্ডোনেছিয়াৰ সতে নিকট সহযোগ আশা কৰিব পৰা যায়। ভাৰতৰ নৌবাহিনীৰ সঘন অনুশীলন আৰু বন্দৰৰ প্ৰতি কৰা আহ্বানে নৌ বিষয়ক কাম-কাজত সমুদ্ৰ পথসমূহৰ গুৰুত্ব কিমান তাক বুজি উঠাত সহায় কৰিছে।

পূব এছীয় দেশসমূহৰ সতে ভাৰতৰ সম্পৰ্কৰ ক্ষেত্ৰত আটাইতকৈ উৎসাহজনক বিষয়টো হ'ল ২০০৫ চনত হোৱা ভাৰত-আমেৰিকা অসামৰিক পাৰমাণৱিক চুক্তি। আমেৰিকাই স্বাক্ষৰ কৰা এয়া আছিল এনে এখন প্ৰথম চুক্তি

যিখন দেশ (অৰ্থাৎ ভাৰত) নিউক্লিয়েৰ নন্-প্ৰলিফিৰেচন ট্ৰিটিৰ স্বাক্ষৰ কাৰী দেশ নহয়। আমেৰিকাৰ সতে হোৱা চুক্তিয়ে পাৰমাণৱিক অস্ত্ৰ প্ৰযুক্তিৰ বিস্তৃতকৰণ নিবিচৰা অৰ্থাৎ নন্ - প্ৰলিফিৰেটৰ দেশ ৰূপে ভাৰতৰ থকা অভিলেখক স্বীকৃতি দিয়াটো বুজায়।

অঞ্চলটোত অন্যান্য পৰিঘটনা-য়ো দেখা দিয়ে। পূব চীন আৰু দক্ষিণ চীন সমুদ্ৰত চীনৰ আক্ৰমণাত্মক কাম-কাজ আৰু চীনত জাপান বিৰোধী কাম-কাজে দক্ষিণ কোৰিয়া আৰু জাপানৰ দৰে আক্ৰান্ত দেশসমূহৰ মাজত এনে এটা চিন্তাধাৰা জগাই তুলি এই ক্ষেত্ৰত ভাৰসাম্য ৰক্ষা কৰিবৰ বাবে ভাৰতৰ সতে কৌশলাত্মক দিশৰ সম্পৰ্কৰ বান্ধোন সোনকালে গভীৰতৰ কৰি তুলিব লাগিব। অধিক সামৰিক ভাৱে ৰূপ ধাৰণ কৰা চীনৰ প্ৰতি এই ব্যৱস্থাই উপযুক্ত হ'ব বুলি সেইবোৰ দেশে মানি লয়।

জাপান, দক্ষিণ কোৰিয়া আৰু ছিঙ্গাপুৰে ভাৰতৰ সতে সুকীয়াকৈ বিক্ষিপ্ত অৰ্থনৈতিক সহযোগ চুক্তি (কম্প্ৰেহেনছিভ ইকনমিক কোঅপাৰেচন এগ্ৰিমেন্ট) স্বাক্ষৰিত কৰে। বিশেষকৈ জাপান ভাৰতৰ আন্তঃগাঁথনি খণ্ডত এখন বৃহত্তৰ বিনিয়োগকাৰী দেশ হৈ পৰে। পূব আৰু পশ্চিম আভিলাষী ফ্ৰেইট ক'ৰিডৰ প্ৰকল্পত বিত্ত সাহায্য আগবঢ়ায়। এই প্ৰকল্প সম্পূৰ্ণ হৈ উঠিলে দুয়োখন দেশে ভাৰতীয় উদ্যোগৰ কাৰ্য ক্ষমতাৰ উন্নতি সাধিব। তাৰ বাবে বন্দৰ আৰু উৎপাদন কেন্দ্ৰ সমূহৰ মাজত পৰিবহন সময় বহুখিনি হ্ৰাস কৰি সুফল লাভ কৰিব। ওপৰত উল্লেখিত দেশ কেইখনে ভাৰতৰ সতে উচ্চ পৰ্যায়ৰ ভাৱ বিনিময়ৰ গতিৰ উন্নতি সাধিছে আৰু আগশাৰীৰ নিৰাপত্তা আৰু প্ৰতিৰক্ষা মূলক অধিক চুক্তি স্বাক্ষৰিত কৰে। ইয়াৰ দ্বাৰাই আগশাৰীৰ প্ৰতিৰক্ষা সামগ্ৰীৰ ক্ষেত্ৰত সহযোগ স্থাপনৰ পথ মুকলি কৰে। আন আছিয়ান সংগঠনৰ দেশসমূহেও নিৰাপত্তা আৰু প্ৰতিৰক্ষাৰ ক্ষেত্ৰত ভাৰতৰ সতে অংশীদাৰিত্ব সম্পৰ্ক বৃদ্ধি কৰে। মালয়ছিয়াক আগশাৰীৰ ছুখয় -৩০ এম কে এম যুঁজাৰু জেট বিমান অন্তৰ্ভুক্ত কৰাত ভাৰতে সহায় কৰে। এই জেট বিমান দুই দশকৰ পৰা চলি আছে। নতুন দিল্লী আৰু জাকাৰ্টাই প্ৰতিৰক্ষা সামগ্ৰীৰ ক্ষেত্ৰত সহযোগক গুৰুত্ব দিবৰ কাৰণে নিজৰ প্ৰতিৰক্ষা চুক্তি ভিন্নমুখী কৰি তোলে।

আটাইতকৈ ডাঙৰ পৰিৱৰ্তন হ'ল ভাৰত-জাপানৰ প্ৰতিৰক্ষা আৰু নিৰাপত্তা সম্পৰ্কৰ ক্ষেত্ৰত। জাপানে প্ৰশান্ত সাগৰীয় অঞ্চলত গুৰুত্ব দিয়া সংবিধান পৰিৱৰ্তন কৰিবলৈ আৰম্ভ কৰাৰ লগে লগে প্ৰতিৰক্ষা সামগ্ৰী ৰপ্তানি নকৰিবলৈ দীৰ্ঘ কালৰ পৰা অনুসৰণ কৰি অহা নীতিত এটা ব্যতিক্ৰমৰ সূচনা কৰিবলৈ সিদ্ধান্ত লয়।সেই মৰ্মে ভাৰতক ছিনমযা -২ আগশাৰীৰ বিমান বিক্ৰী কৰিবলৈ সন্মতি দান কৰে। এই বিমান দুই ধৰণে ব্যৱহাৰ কৰিব পাৰি। সামৰিক তথা অসামৰিক কাৰ্যত প্ৰয়োগ কৰাৰ ইয়াৰ ক্ষমতা আছে। ভাৰতৰ উপৰি অষ্ট্ৰেলিয়া হ'ল একমাত্ৰ অন্য এখন দেশ — যি কঠিনভাৱে গ্ৰহণ কৰি অহা প্ৰতিৰক্ষা ৰপ্তানি নিয়মক ঢিলাই দিয়ে।

কৌশলাত্মক দিশৰ আলাপ-আলোচনাৰ পৰিসৰ বিস্তৃত হ'বলৈ আৰম্ভ কৰে। দক্ষিণ কোৰিয়াই প্ৰতিৰক্ষা চুক্তি তথা এখন অসামৰিক পাৰমাণৱিক চুক্তি স্বাক্ষৰিত কৰে। এই দেশৰ জাহাজ নিৰ্মাণ কোম্পানীবোৰে ভাৰতৰ নৌ ব্যৱস্থাক আধুনিকীকৰণ কৰিবলৈ যুটীয়া উদ্যোগ গঢ়ি তোলাৰ ক্ষেত্ৰত গুৰুত্ব দিবলৈ আৰম্ভ কৰিছে। পোন প্ৰথমবাৰৰ বাবে ভাৰতে জাপানৰ সতে ২+২ ফৰমেটত আলোচনা কৰিবলৈ আৰম্ভ কৰে। ইয়াৰ অৰ্থ হ'ল দুয়োখন দেশৰ প্ৰতিৰক্ষা আৰু বৈদেশিক সচিবৰ এখন যুটীয়া বৈঠক অনুষ্ঠিত কৰা। জাপানে ১৯৯৮ চনত ভাৰতে কৰা পাৰমাণৱিক পৰীক্ষাৰ বিৰোধিতা কৰিছিল; কিন্তু এটা সময়ত এই বিৰোধ ভাবাপন্নতাক অতিক্ৰম কৰি বৈদেশিক বিকাশ সাহায্য পুনৰ আৰম্ভ কৰে।

জাপান আৰু দক্ষিণ কোৰিয়াৰ সতে নিজৰ ব্যস্ততা বৃদ্ধি কৰি ভাৰতে আছিয়ান সংগঠনৰ দেশসমূহৰো বহুখিনি দূৰলৈ দৃষ্টি প্ৰসাৰিত কৰিবলৈ আৰম্ভ কৰে। চীন আৰু ভাৰতে প্ৰতি বছৰে উচ্চ পৰ্যায়ৰ বহু সংখ্যক বৈঠক অনুষ্ঠিত কৰি থাকে আৰু ইয়াৰ ফলস্বৰূপে চিহ্নিত নকৰা সীমান্ত এলেকাত পহৰাৰ ক্ষেত্ৰত আহি পৰা বিবাদ এৰাই চলিলবলৈ একাধিক চুক্তি সমাপন কৰে; কাৰণ উভয় পক্ষই সেইবোৰ এলেকাত পহৰা দিয়াৰ দাবী উত্থাপন কৰি আহিছিল। উভয় পক্ষই ইখন দেশৰ সন্দৰ্ভত আনখন দেশৰ বিষয়ে দীৰ্ঘ দিনৰ পৰা থকা সন্দেহৰ ভাৱে মচি পেলাই বাণিজ্য আৰু বিনিয়োগৰ পথ মুকলি কৰে। ধনৰ চহকী চীনৰ কোম্পানীবাৰে আন্তঃগাঁথনি খণ্ডত প্ৰৱেশ কৰিবলৈ আৰম্ভ কৰে আৰু যন্ত্ৰ-পাতি সংক্ৰান্তীয় বিষয়বোৰত বিত্তৰো ব্যৱস্থা কৰিবলৈ বিচাৰে। আনপিনে ভাৰতৰ ৰে'ল খণ্ডত বিনিয়োগ কৰাৰ আলোচনা গুৰুত্বপূৰ্ণ স্তৰত অৱতীৰ্ণ হৈছে — যাৰদ্বাৰাই এটা সিদ্ধান্ত গ্ৰহণ কৰাৰ আশা পৰিলক্ষিত হৈছে।

ভাৰতে বহু বৌদ্ধ ধৰ্ম্মাৱলম্বী দেশৰ সতে আদান-প্ৰদান কৰোতে প্ৰাচীন সংস্কৃতি, জাতিগত ঐতিহ্য আৰু ধৰ্ম্মীয় যোগাযোগৰ ক্ষেত্ৰখনকো গুৰুত্ব দিয়ে। তেনে দেশবোৰ হ'ল— কম্বোদিয়া, লাওছ, ভিয়েটনাম, দক্ষিণ কোৰিয়া, চীন আৰু জাপান। ইয়াৰ উপৰি পদাৰ্পণ কৰোতেই ভিছা প্ৰাপ্তিৰ (ভিছা -অন-এৰাইভেল) সুবিধা পোৱা প্ৰথম উপকৃত হোৱা দেশসমূহৰ মাজত 'আছিয়ান' দেশকেইখনেই আগশাৰীত থাকে। এনে

পাৰ-পত্ৰ প্ৰদানৰ সুবিধাই ভাৰতৰ পৰ্যটনৰ উন্নতি সাধন কৰিছে। ভাৰতে নালন্দা বিশ্ববিদ্যালয়ক এটা নতুন জীৱন প্ৰদান কৰে। বিহাৰত অৱস্থিত ৰাজগিৰত শিক্ষাৰ প্ৰাচীন আসনক পুনৰুজ্জীৱিত কৰিবৰ কাৰণে বহু পূব এছীয় দেশে যুটীয়া প্ৰয়াস কৰে। এই বিশ্ববিদ্যালয়ৰ নতুন আচাৰ্য হ'ল ছিঙ্গাপুৰৰ ভূতপূৰ্ব বৈদেশিক মন্ত্ৰী। নাম জৰ্জ ইও। বয়স ৬০ বছৰ। এওঁক পদ্ম ভূষণ বঁটাৰে সন্মান জনোৱা হয়। ৮১ বছৰীয়া অমৰ্ত্ত্য সেনৰ ঠাইত জৰ্জে আচাৰ্যৰ কাৰ্যভাৰ গ্ৰহণ কৰে।

আছিয়ান সংগঠন ৰাষ্ট্ৰসমূহৰ সতে সম্বন্ধ স্থিৰ হোৱাৰ লগে লগে ভাৰতে অষ্ট্ৰেলিয়া, নিউজিলেণ্ড আৰু প্ৰশান্ত মহাসাগৰীয় দীপপুঞ্জৰ বহু সংখ্যক দেশৰ প্ৰতি দৃষ্টি নিবিষ্ট কৰে। অষ্ট্ৰেলিয়াই ভাৰতক ইউৰেনিয়াম বিক্ৰী নকৰা সিদ্ধান্ত পুনৰ সলনি কৰি ভাৰতৰ শক্তিৰ আৱশ্যকতা পূৰণ কৰাৰ ক্ষেত্ৰত সক্ৰিয় অংশীদাৰ হয়। দেশখনে বিশেষকৈ কয়লা আৰু কমপ্ৰেছদ প্ৰাকৃতিক গেছ ভাৰতক ৰোধৰ যোগান ধৰিবলৈ থিৰ কৰে। অষ্ট্ৰেলিয়াত সৰহ সংখ্যক ভাৰতীয় ছাত্ৰৰ অৱস্থান আৰু ভাৰতীয় লোকক কাম কৰাৰ ভিছা পাৰ্মিটৰ সুবিধা প্ৰদান কৰে। তাত তেনে লোকৰ স্থায়ী বাসস্থানৰ ব্যৱস্থাও কৰা হয় আৰু ই দুয়োখন দেশৰ মাজত দ্বিপাক্ষিক সম্বন্ধক অধিক দৃঢ় কৰে। আনহাতে নিউজিলেণ্ডৰ সতেও নিকট সম্বন্ধ গঢ়ি তুলিবৰ বাবে ভাৰতে মনোযোগ দিয়ে। পূবলৈ চোৱা নীতিক সম্প্ৰসাৰিত কৰি ভাৰতে ২০১২ চনৰ পৰা প্ৰশান্ত মহাসাগৰীয় দ্বীপপুঞ্জৰ দেশসমূহৰ সতে সম্বন্ধ স্থাপন কৰিবলৈ আৰম্ভ কৰে আৰু সেই মৰ্মে ১৬ খন ৰাষ্ট্ৰৰ, 'পেচিফিক আইলেণ্ড ফ'ৰাম'ত ভাব বিনিময় কৰিবলৈ আৰম্ভ কৰে। ফিজিও এই ফ'ৰামৰ অন্তৰ্ভুক্ত।

পূবলৈ চোৱা নীতিৰ দ্বিতীয় পৰ্যায় অলপতে অন্ত পৰে। নব্বৈ দশকত যি কাম কৰা হৈছিল তাক পৰৱৰ্তী কালত সুদৃঢ় কৰা হয়। সময়ৰ লগে লগে প্ৰয়োজন ভিত্তিত ভাৰতে লুক ইষ্ট পলিচীক 'এক্ট' ইষ্ট পলিচী 'ৰূপে পুনৰ নামাংকিত কৰে।

আছিয়ান ৰাষ্ট্ৰৰ ফ'ৰাম আৰু দ্বিপাক্ষিক কাম-কাজৰ উপৰিও ভাৰতৰ বৈদেশিক নীতি পূব প্ৰান্তৰ ক্ষেত্ৰত বিমষ্টিক গোটৰদ্বাৰা আগবাঢ়ি যোৱাত সহায়ক হৈছে। এই গোটত আছে ভাৰতৰ উপৰিও বাংলাদেশ,থাইলেণ্ড, শ্ৰীলংকা, ম্যানমাৰ, ভূটান আৰু নেপাল। মুক্ত বাণিজ্য আৰু যোগাযোগৰ বিষয়বোৰ আলোচনা কৰা উপৰিও আছিয়ান আৰু বিমষ্টিকে সামাজিক, নিৰাপত্তা সংক্ৰান্তীয় তথা মানৱীয় বিষয়ৰ ওপৰতো প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰে। অঞ্চলটো অনুন্নত আৰু অৱহেলিত হৈ থকাৰ হেতু বহু অসামাজিক কাম ইয়াত দকৈ শিপাইছে। এই দুই ফ'ৰামে কিছুমান অসৎ কামৰ বিৰুদ্ধে উপযুক্ত কাৰ্য ব্যৱস্থা গ্ৰহণ কৰে। নিচাযুক্ত দ্ৰব্য আৰু মহিলা তথা শিশুকে ধৰি বেআইনী সৰবৰাহ কাৰ্য ৰোধৰ প্ৰতি ই গুৰুত্ব দিয়ে। ড্ৰাগছৰ অপব্যৱহাৰ তথা সন্ত্ৰাসবাদৰ প্ৰতি বিত্তি যোগান ধৰা চক্ৰৰ বিৰুদ্ধেও প্ৰতিৰোধ গঢ়ি তোলাৰ কাৰণে উক্ত দুই ফ'ৰামে প্ৰয়াস অব্যাহত ৰাখিছে।

এই বিষয়বোৰ উত্তৰ পূৰ্বাঞ্চলত অগ্ৰাধিকাৰ পাব যেতিয়া ভাৰতে এই ভূ-ভাগেৰে ঘেৰা তথা বিকাশ লাভ নকৰা অঞ্চলটো বিশ্বৰ আগত মুকলি কৰি দিব। এই দিশত প্ৰথম গ্ৰহণ কৰিব লগা বিষয় হ'ল দ্বিপাক্ষিক সম্বন্ধ। ম্যানমাৰৰ ছিটউই বন্দৰক ব্যৱহাৰ কৰিবলৈ ভাৰতৰ ইচ্ছা আছে— যাৰদ্বাৰা কালাদান নদীয়েদি উজনিলৈ সা-সামগ্ৰী প্ৰেৰণ কৰিব পাৰিব। মিজোৰামলৈ এটা পথৰ ব্যৱস্থা হ'লে শিলিগুৰিয়েদি যোৱা বৰ্তমানৰ পথটোৰ তুলনাত বহু দূৰত্ব হ্ৰাস পাব।

বাংলাদেশৰ সতে বুজাবুজি কৰি যোগাযোগৰ পথ খোলাৰ বাট মুকলি কৰিছে। এই পথটো স্বাধীনতা লাভৰ পৰা কিম্বা ৬০ দশকৰ পৰা বন্ধ হৈ আছিল। ভাৰতৰ ঘাই ভূমিৰ পৰা বাংলাদেশ হৈ উত্তৰ পূবলৈ যোৱাৰ অধিক সুলভ বিকল্প মাত্ৰ কিছু কালৰ কথাহে। ভাৰতেদি প্ৰাক-ঔপনিবেশিক যোগাযোগ উন্নত কৰাৰ ভাৰতৰ অভিযানে ভূটান আৰু নেপালৰ দৰে চুবুৰীয়া দেশবোৰক উপকৃত কৰিছে। সেই দেশে বাংলাদেশৰ বন্দৰ ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰিছে। ছাউথ এছিয়ান এছোচিয়েন ফৰ ৰিজিয়নেল কো-অপাৰেচনৰ পূবৰ সদস্য সকলৰ মাজত এখন শেহতীয়া মটৰ ভেহিকল চুক্তিয়ে পূব এছীয় দেশসমূহৰ মাজত যোগাযোগ কৰাত উৎসাহিত কৰিব। সেই পূব সদস্যৰ দেশ কেইখন হ'ল ভাৰত, নেপাল, ভূটান, ম্যানমাৰ আৰু বাংলাদেশ।

ভাৰত আৰু পূব এছীয় দেশসমূহৰ মাজত নৌ বিষয়ক যোগাযোগ এটা শক্তিশালী পৰিবহন যোগাযোগ হৈ আছে। ইয়াৰ এটা কাৰণ হ'ল পূব এছিয়াৰ সতে থকা ভাৰতৰ সীমান্ত অঞ্চল গভীৰ অৰণ্য আৰু দুৰ্গম পাহাৰীয়া ঠাইৰে ঘেৰা। থাইলেণ্ডে ম্যানমাৰত এটা গভীৰ জলৰ বন্দৰ বিকাশ কৰিছে। ই সময়ত অৰ্থনৈতিক কাম-কাজৰ ক্ষেত্ৰত এটা ডাঙৰ প্ৰাণ কেন্দ্ৰ স্বৰূপ হ'ব। কিন্তু ভাৰত এছিয়া-পেচিফিক কৰিড'ৰৰ ক্ষেত্ৰত সক্ৰিয়াভাৱে জড়িত আছে। বৰ্তমানে আমেৰিকাই এই ক্ষেত্ৰত সহায় কৰিছে। এই প্ৰকল্পটোত আছে ভাৰতৰ পৰা এটা পথ— যাৰ সংযোগ বাংলাদেশৰ পৰা আছে আৰু ই ম্যানমাৰৰ মাজেদি থাইলেণ্ড পাবগৈ। এই যোজনাৰ কাম সম্পূৰ্ণ হৈ উঠিলে আৰু ভিছা-অন-এৰাইভেল ব্যৱস্থাই পৰ্যটকক অধিক আকৰ্ষণ কৰিব। ফলস্বৰূপে ই ভাৰতৰ সতে বহু সাদৃশ্য থকা সাংস্কৃতিক মূল্য আৰু অভ্যাসক চাৰিতাৰ্থ কৰা দেশবোৰৰ সতে

নিকট সম্বন্ধ গঢ়ি তুলিব।

পূব এছিয়াৰ দেশবোৰৰ সতে যোগাযোগ ৰখাৰ কাৰণ হ'ল একে ধৰণৰ জীৱন ধাৰণৰ ধৰণ-কৰণ আৰু এটা উমৈহতীয়া যোগাযোগ কৰা ভাষা। সেই ভাষাটো হ'ল ইংৰাজী। এই বিষয়বোৰে এইটো নিশ্চিত কৰিছে যে বিনিয়োগৰ সোঁত এটা পথেৰে গতি কৰা নহয়। অন্তৰ্বীণ বিনিয়োগক এতিয়া এই দেশবোৰত ভাৰতীয় কাৰবাৰৰ দ্বাৰা বিনিয়োগ কৰা ধনৰ লগত ৰিজাব পাৰি। নতুন চৰকাৰে এতিয়া জাপান আৰু দক্ষিণ কোৰিয়াত অধিক গুৰুত্ব দিবলৈ সিদ্ধান্ত লৈছে। এই দুয়োখন দেশে চীনৰ বাহিৰে অন্য দেশবোৰত নতুনকৈ বিনিয়োগ কৰিবলৈ ভাল পাব। চীনৰ শীৰ্ষ স্থানীয় চি ই অ' বোৰে ভাৰতৰ নতুন ব্যৱসায়ৰ অনুকূল দৃষ্টিভংগীক ভাল পাইছে আৰু তেওঁলোকে বিনিয়োগ কৰিবৰ কাৰণে সুযোগ-সুবিধাৰ অপেক্ষাত আছে। আধুনিক আন্তঃগাঁথনিত চীনে জড়িত হোৱাৰ উপৰিও ইতিমধ্যে দুখন বিনিয়োগ পাৰ্কৰ আশ্বাস দিছে। এই দেশবোৰৰ শীৰ্ষ স্থানীয় কোম্পানী-বোৰেও ভাৰতে স্মাৰ্ট চিটি আৰু গ্ৰীণ এনাৰ্জিৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ প্ৰতি চকু দিছে।

সেয়ে পূবলৈ চোৱা নীতি ইষ্ট যাক এতিয়া কোৱা হয় 'এক্ট - পলিচী' বুলি সেই নীতি সম্প্ৰতি আৰম্ভ হ'বলৈ সাজু আছে। বিশ্বৰ আন ঠাইত ভাৰতে গ্ৰহণ কৰা কাৰ্য ব্যৱস্থাৰ তুলনাত এই নীতিৰ ক্ষেত্ৰত যি সফলতা আহিছে সেয়া মন্থৰ গতিৰে। কিন্তু ইয়াৰ প্ৰভাৱ স্থায়ী, কিয়নো কৌশলাত্মক দিশৰ বিষয়ৰ ক্ষেত্ৰত চীনত বাহিৰে কোনো এখন দেশ আৰু ভাৰতৰ মাজত মতানৈক্য নাই। আছিয়ান সংঘৰ দেশসমূহৰো আঁতৰত ভাৰতে যি অৱলোকন কৰিছে আৰু সকলো দেশৰ সতে অধিক নিকট সম্বন্ধ গঢ়ি তুলিবৰ বাবে প্ৰয়াস কৰিছে তাৰ বাবেই ঘাইকৈ এক্ট ইষ্ট পলিচীৰ আশাবাদ প্ৰকট হৈছে। এই বিষয়টোৱে আৰু অধিক সৰ্বদিশৰ সম্বন্ধৰ পথ প্ৰশস্ত কৰিছে। কিছুমান দেশে হাইটেক সা-সমঞ্জামৰ আৱশ্যকতা পূৰণ কৰে, অন্য কেইখনমান দেশে শক্তিৰ আৱশ্যকতাক পূৰ্ণ কৰিবলৈ বিচাৰে, আন কিছুমানে ভাৰতীয় সামগ্ৰীৰ বাবে বিনিয়োগ লক্ষ্য স্থানৰ যোগান ধৰে।

মুঠৰ ওপৰত শীতল যুদ্ধৰ অৱসান হোৱাৰ পিছৰ পৰা ভাৰতে পূব প্ৰান্তৰ চুবুৰীয়া দেশসমূহৰ সতে এনে ধৰণে সম্পৰ্ক গঢ়ি তুলিছে , যিটোৱে দুয়ো পক্ষকে বিভিন্ন আৱশ্যকতা পূৰণ কৰাত সহায় কৰিছে। বহুমুখী গতিৰ ভাব বিনিময় আৰু নিৰ্ভৰশীলতা সম্প্ৰতি এনে এটা বিন্দুত গৈ উপনীত হৈছে — য'ত ভাৰত আৰু ২০ খন ৰাষ্ট্ৰই (পেছিফিক আইলেণ্ড ফ'ৰামক বাদ দি) নতুন সহযোগৰ ক্ষেত্ৰ উদঘাটন কৰিবলৈ আৰম্ভ কৰিব পাৰে। ◇

**২ নং বেটুপাতৰ পৰা**

আছে। সেইকেইখন হ'ল— চিলি, বলিভিয়া, কলম্বিয়া, ইকুৱেড'ৰআৰু পেৰু।

'মাৰ্কোছুৰ'লৈ সহযোগিতা আগবঢ়োৱাৰ উদ্দেশ্যে পেৰাগুৱেত ভাৰতে এখন চুক্তিত স্বাক্ষৰ দান কৰিছে। এই চুক্তিৰ জৰিয়তে প্ৰথম পৰ্যায়ত উভয় পক্ষৰ মাজত নিৰিখ অগ্ৰাধিকাৰ বিনিময়ৰ জৰিয়তে বুজাবুজিৰ আধাৰ সৃষ্টি কৰাৰ লগতে চৰ্তাৱলী নিৰ্ধাৰণ কৰা হৈছিল আৰু দ্বিতীয় পৰ্যায়ত বিশ্ব বাণিজ্য সংস্থাৰ বিধি-নিয়ম অনুসৰি উভয় পক্ষৰ মাজত মুক্ত বাণিজ্য ক্ষেত্ৰ গঢ়ি তোলাৰ বাবে বুজাবুজিত উপনীত হোৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰা হৈছিল। ইয়াৰ পৰৱৰ্তী পৰ্যায়ত ২০০৪ চনত দুয়োটা পক্ষৰ মাজত নতুন দিল্লীত এখন অগ্ৰাধিকাৰযুক্ত বাণিজ্যিক চুক্তি স্বাক্ষৰিত হৈছিল। 'মাৰ্কোছুৰ' অন্তৰ্গত দেশসমূহৰ সৈতে ভাৰতৰ সম্পৰ্ক অধিক প্ৰগাঢ় কৰাৰ লগতে ইয়াৰ পৰিসৰ সম্প্ৰসাৰিত কৰি দুয়ো পক্ষৰ মাজত স্থিৰ নিৰিখ অগ্ৰাধিকাৰ প্ৰদানৰ জৰিয়তে মুক্ত বাণিজ্য ক্ষেত্ৰ স্থাপন কৰিব পৰাকৈ পদক্ষেপ লোৱাৰ উদ্দেশ্যেই এইখন চুক্তি সম্পাদন কৰা হয়। চুক্তিখনত পাঁচোটা অতিৰিক্ত সংযোজন আছিল আৰু ২০০৫ চনত নতুন দিল্লীত অনুষ্ঠিত জি -২০ সন্মিলনৰ সফল সমাপ্তিৰে এই সংযোজন সমূহ চূড়ান্ত কৰা হৈছেল। স্মৰ্তব্য যে ইয়াৰ পূৰ্বে এই সন্দৰ্ভত ছয় লানি বৈঠক অনুষ্ঠিত হৈছিল। ২০১২-১৩ বিত্তীয় বৰ্ষত লেটিন আমোৰিকাৰ দেশসমূহেৰে হোৱা ভাৰতৰ সামগ্ৰিক বাণিজ্যৰ পৰিমাণ আছিল ৪৬.৭ বিলিয়ন মাৰ্কিন ডলাৰ। ভাৰতৰ গোলকীয় বাণিজ্যৰ ৬ শতাংশ সম্পন্ন হৈছিল উল্লিখিত অঞ্চলটোত। ইয়াৰে ৬০ শতাংশই আছিল 'মাৰ্কোছুৰ'ত সম্পন্ন হোৱা বাণিজ্যৰ অৱদান (আৰ্জেন্টিনা ঃ ১.৭ বিলিয়ন মাৰ্কিন ডলাৰ, ব্ৰাজিল ঃ ১০.৯ বিলিয়ন, পেৰাগুৱে ঃ .০৯ বিলিয়ন, উৰুগুৱে ০.১৭ বিলিয়ন আৰু ভেনিজুৱেলা ঃ ১৪.৩৫ বিলিয়ন মাৰ্কিন ডলাৰ)।

'মাৰ্কোছুৰ' দেশত চাহিদা থকা সামগ্ৰী সমূহৰ ভিতৰত আছে খাদ্য দ্ৰব্য প্ৰস্তুতকৰণ, জৈৱ-ৰসায়ন, ঔষধ-পাতি অত্যাৱশ্যকীয় তেল, প্লাষ্টিক তথা প্লাষ্টিকৰ সা-সামগ্ৰী, ৰবৰ আৰু ৰবৰৰ সা-সামগ্ৰী, সা-সৰঞ্জাম তথা ৰূপায়ণ, যন্ত্ৰাংশ, বৈদ্যুতিক যন্ত্ৰপাতি তথা সা-সঁজুলি, জৈৱিক তথা অজৈৱ ৰাসায়নিক দ্ৰব্য, ৰং, আৱৰণ আৰু জন্তুৰ ছাল, চামৰাৰ সামগ্ৰী, মাংস তথা মাংসৰে প্ৰস্তুত-সামগ্ৰী, উণ, কপাহী সূতা, লো আৰু তীখাৰ সামগ্ৰী, ফটোগ্ৰাফী তথা চিনেমাটোগ্ৰাফী সংক্ৰান্তীয় সা-সামগ্ৰী, যন্ত্ৰ তথা যন্ত্ৰাংশ, কাঁচ , কাঁচৰ সা-সামগ্ৰী আদি।

# স্বচ্ছ ভাৰত অভিযান ঃ প্ৰগতিশীল ভাৰতবৰ্ষৰ বাবে এটি আহিলা

*** কে এন পাঠক**

গান্ধীবাদী দৰ্শনৰ পৰা এটি সংকেত গ্ৰহণ কৰি ('পৰিচ্ছন্নতা আৰু ঈশ্বৰত্ব ইটো আনটোৰ ওচৰ সম্বন্ধীয়') স্বচ্ছ ভাৰত অভিযানত এটা অতি পবিত্ৰ বিষয়ৰ প্ৰতি গুৰুত্ব আৰোপ কৰা হৈছে। মুঠ জনসংখ্যাৰ ৭৪ শতাংশ সাক্ষৰ লোকৰ দেশ এখনে স্বাধীনতা লাভৰ ৬৭ বছৰ অতিক্ৰম কৰাৰ পাছতো অনাময় ব্যৱস্থা আৰু পৰিষ্কাৰ পৰিচ্ছন্নতাৰ দিশৰ পৰা সমস্যাত ভুগি থাকিব- লগীয়া হৈছে। সমগ্ৰ বিশ্বই এতিয়া এই কথাক স্বীকৃতি দিছে যে এহাতে যেনেদৰে পৰ্যাপ্ত অনাময় ব্যৱস্থাৰ অভাৱে বেমাৰ-আজাৰ বৃদ্ধি কৰে, একেদৰে এই পৰিস্থিতিৰ উন্নতি সাধনৰ জৰিয়তে স্বাস্থ্যৰ ইতিবাচক দিশ আৰু সুস্থ জীৱন যাপনৰ প্ৰতি বৰঙণি যোগোৱাটো সম্ভৱ হৈ উঠে।

সহস্ৰাব্দৰ উন্নয়নৰ লক্ষ্য (এম ডি জি) সমূহত স্বাক্ষৰকাৰী প্ৰতিখন দেশে ২০১৫ বৰ্ষৰ ভিতৰত তেওঁলোকৰ মুঠ নগৰীয়া জনসংখ্যাৰ অন্ততঃ আধা অংশক আৰু ২০২৫ বৰ্ষৰ ভিতৰত ১০০ শতাংশ লোকক উন্নত অনাময় ব্যৱস্থাৰ সুবিধা আগবঢ়োৱাৰ বাবে দায়বদ্ধতা প্ৰকাশ কৰে। এই ব্যৱস্থাৰ ভিতৰত উন্নত অনাময় ব্যৱস্থাৰ সুবিধা নথকা ঘৰসমূহক সামৰি লোৱাৰ লগতে ৰাজহুৱা স্থানত উপযুক্ত অনাময় ব্যৱস্থাৰ সুবিধা আগবঢ়োৱাৰ জৰিয়তে নগৰসমূহক মুকলিত মলত্যাগ কৰাৰ সমস্যাৰ পৰা সম্পূৰ্ণৰূপে মুক্ত কৰাটোও অন্তৰ্ভুক্ত হৈ আছে। অৱশ্যে আমাৰ দেশৰ অনাময় ব্যৱস্থাৰ সন্দৰ্ভত প্ৰকাশ পোৱা তথ্য-পাতিসমূহে মাজে সময়ে বিষয়টোক লৈ উদ্বেগৰো সৃষ্টি কৰে। বিশ্ব স্বাস্থ্য সংস্থা ('হু') আৰু ইউনিচেফৰ তৰফৰ পৰা গ্ৰহণ কৰা পানী যোগান আৰু অনাময় ব্যৱস্থা বিষয়ৰ এটা যুটীয়া পৰ্যালোচনা কাৰ্যসূচীৰ অন্তত প্ৰকাশ পোৱা মতে বৰ্তমানৰ ধৰণে চলি থাকিলে অনাময়ৰ ক্ষেত্ৰত ২০১৫ বৰ্ষৰ সহস্ৰাব্দৰ উন্নয়নৰ লক্ষ্যত উপনীত হ'বলৈ ভাৰতক ২০৫৪ চনলৈ সময়ৰ প্ৰয়োজন হ'ব। ২০১২ বৰ্ষৰ ২৭ মাৰ্চত প্ৰকাশ পোৱা এটা বিশ্বজোৰা সমীক্ষাৰ তথ্য অনুসৰি এই ক্ষেত্ৰত দেশৰ ভিতৰত ওড়িশাক সবাতোকৈ দীঘলীয়া সময়ৰ প্ৰয়োজন হ'ব — ২১৬০ বৰ্ষলৈহে ৰাজ্যখন এইটো সম্ভৱ হৈ উঠিব।

স্বচ্ছ ভাৰত অভিযানক সফল কৰি তোলাৰ বাবে পাঁচটা প্ৰধান বিষয়ক গুৰুত্ব সহকাৰে বিবেচনা কৰিব লাগিব। সেইকেইটা হ'ল —

(১) সকলো ধৰণৰ বসতিস্থলতেই পানীৰ পৰ্যাপ্ততা।

(২) সকলো বসতিস্থলতেই ব্যক্তিগত অথবা ৰাজহুৱা পৰ্যায়ৰ প্ৰয়োজনীয় সংখ্যক শৌচাগাৰ - প্ৰস্ৰাৱাগাৰ।

(৩) নলা-নৰ্দমা তথা আৱৰ্জনা নিষ্কাশনৰ উপযুক্ত ব্যৱস্থা।

(৪) পৰিষ্কাৰ-পৰিচ্ছন্নতা ৰক্ষা কৰাৰ বাবে মৌলিক সা-সুবিধাসমূহ।

(৫) অভিযানটোক সফল কৰি তোলাৰ বাবে জন সজাগতা।

**পানীৰ পৰ্যাপ্ততা**

২০১৪ বৰ্ষৰ ১ এপ্ৰিলৰ তথ্য অনুসৰি দেশৰ মুঠ ১৬,৯৬,৬৬৪ টা বসতিস্থলৰ মাত্ৰ ১২,৪৯,৬৯৫ টাতহে পৰ্যাপ্ত পৰিমাণৰ খোৱাপানী (প্ৰতিজনৰ বাবে দৈনিক ৪০ লিটাৰকৈ)ৰ ব্যৱস্থা আছে। বৃহৎ সংখ্যক গাঁও এতিয়াও ৰাজহুৱা পুখুৰী বা কুঁৱা অথবা আন কোনো প্ৰাকৃতিক উৎসৰ ওপৰতেই নিৰ্ভৰশীল, যিবোৰৰ পানী কেতিয়াবা আনকি গ্ৰীষ্মৰ কালছোৱাত শুকায়ো যায়। দৰাচলতে আমাৰ নগৰ-মহানগৰ সমূহৰ নলা-নৰ্দমাৰে ওলাই যোৱা লেতেৰা পানীভাগৰ প্ৰকৃত হিচাপ উলিওৱাৰো কোনো উপায় নাই। ইয়াৰ কাৰণ হ'ল জনসাধাৰণৰ পানী আহৰণৰ উৎস আৰু লেতেৰা পানী নিষ্কাশনৰ পদ্ধতিৰ ভিন্নতা। পনীয়া আৱৰ্জনা তথা পেলনীয়া পানীৰ পৰিমাণ নিৰ্ধাৰণ কৰাৰ পদ্ধতি এতিয়াও একেবাৰে প্ৰাৰম্ভিক অৱস্থাতেই আছে। অনুমান কৰা মতে পৌৰ নিগমসমূহে চৰকাৰী-ভাৱে যোগান ধৰা পানীৰ ৮০ শতাংশই পেলনীয়া হিচাপে নলা-নৰ্দমাৰে বৈ যায়। ২০০৫-০৬ বৰ্ষৰ পাৰিবাৰিক স্বাস্থ্য সম্পৰ্কীয় ৰাষ্ট্ৰীয় সমীক্ষা (এন এফ এইচ এছ-৩) ৰ জৰিয়তে লাভ কৰা তথ্য অনুসৰি মাত্ৰ ১৮.৮ শতাংশ শৌচাগাৰ-প্ৰস্ৰাৱাগাৰহে বৈ যোৱা পানীৰ নলাৰ সৈতে সংযুক্ত হৈ আছে।

আমাৰ কেউকাষে পৰিষ্কাৰ-পৰিচ্ছন্নতা ৰক্ষা কৰিবলৈ হ'লে আমাক পৰ্যাপ্ত পৰিমাণৰ পানীৰ প্ৰয়োজন। এই

* কে এন পাঠক পৰিকল্পনা আয়োগৰ এগৰাকী যুটীয়া উপদেষ্টা

পৰিমাণ আমাক যোগান ধৰা পানীৰ তুলনাত অধিক; সমস্যাটো হ'ল ইয়াৰ যথোপযুক্ত ব্যৱহাৰ আৰু সকলোৰে বাবে সমহাৰত যোগান। সাম্প্ৰতিক জল ব্যৱস্থাপনাত ভালেমান আসোঁৱাহ আছে। ইয়াৰ কাৰণ হিচাপে ফুটাৰে অপচয় হোৱা আৰু ভালদৰে ব্যৱহাৰ নকৰাৰ ফলত বিতৰণ পদ্ধতিত হোৱা লোকচানলৈ আঙুলিয়াব পাৰি। সেইবাবেই, স্বচ্ছ ভাৰত অভিযান সফল কৰি তুলিবলৈ হ'লে নগৰৰ মাত্ৰ এচাম লোকৰ পৰিবৰ্তে প্ৰতিজন লোকে পানীৰ যোগান পোৱাটো নিশ্চিত কৰিব পৰাকৈ কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

### শৌচাগাৰ-প্ৰস্ৰাৱাগাৰৰ পৰ্যাপ্ততা

সমগ্ৰ বিশ্বৰ প্ৰায় ২৫ লাখ মানুহৰেই একোটা শৌচাগাৰৰ দৰে মৌলিক অনাময় ব্যৱস্থাৰ সুবিধা নাই আৰু এই সকলৰ প্ৰতি তিনিজনৰ মাজৰ একোজন লোক বাস কৰে ভাৰতত। ৰাষ্ট্ৰসংঘৰ সহস্ৰাব্দৰ উন্নয়নৰ লক্ষ্য বিষয়ৰ এখন প্ৰতিবেদনত প্ৰকাশ পোৱা মতে আমাৰ দেশৰ প্ৰায় ৬২.৬ কোটি মানুহৰেই বন্ধ শৌচাগাৰৰ সুবিধা নাই আৰু ফলস্বৰূপে তেওঁলোকে মুকলি ঠাইত মলত্যাগ কৰিবলগীয়া হয়। আনহাতে এন এছ এছ অ'ৰ ৬৯ সংখ্যক বৈঠক (২০১২) -ত প্ৰকাশ পোৱা মতে গ্ৰামাঞ্চলৰ ৫৯.৪ শতাংশ আৰু নগৰাঞ্চলৰ ৮.৮ শতাংশ পৰিয়ালৰেই একোটা নিজাববীয়া শৌচাগাৰৰ ব্যৱস্থা নাই।

### উপযুক্ত নলা-নৰ্দমা তথা আৱৰ্জনা নিষ্কাশনৰ ব্যৱস্থা

এই কথা উল্লেখ কৰাটো অতিশয় গুৰুত্বপূৰ্ণ যে মানৱদেহৰ বৰ্জ্য পদাৰ্থৰ অসুৰক্ষিত নিষ্কাশনে বিশেষকৈ নগৰাঞ্চল সমূহত জনস্বাস্থ্য আৰু পৰিৱেশৰ গুৰুত্বৰ ধৰণৰ ক্ষতিৰ পথ প্ৰশস্ত কৰে। এটা অধ্যয়নত প্ৰকাশ পোৱা মতে এই ক্ষতিৰ পৰিমাণ হ'ল দেশখনৰ মুঠ ঘৰুৱা উৎপাদনৰ প্ৰায় ৬০ শতাংশ। ৰাষ্ট্ৰীয় নগৰীয়া অনাময় আঁচনিত উল্লেখ কৰা অনুসৰি পুতৌ লগা অনাময় ব্যৱস্থাৰ প্ৰভাৱ বিশেষকৈ নগৰাঞ্চলৰ দৰিদ্ৰ লোকসকলৰ মহিলা, শিশু আৰু বয়স্কসকলৰ মাজত বেছিকৈ পৰা দেখা যায় (নগৰৰ মুঠ জনসংখ্যাৰ ২২ শতাংশ)। এই কথাও জানিব পৰা হৈছে যে ঘৰুৱা আৰু পৌৰ এলেকাৰ ৰাজহুৱা অপৰিশোধিত বৰ্জ্য পানীভাগ উপযুক্ত ব্যৱস্থা অবিহনেই নিষ্কাশন কৰাৰ ফলত ই সমগ্ৰ ভাৰতবৰ্ষৰ ভূগৰ্ভস্থ পানীৰ ৭৫ শতাংশকেই দূষিত কৰিছে।

### পৰিচ্ছন্নতা ৰক্ষাৰ মৌলিক সা-সুবিধাসমূহ

অভিযানৰ সফলতা নিশ্চিত কৰিবলৈ হ'লে প্ৰতিখন ঘৰৰ বাবে পানীৰ যোগান, হাত আদি ধুবলৈ চাবোন অথবা আন সামগ্ৰীৰ ব্যৱস্থা, মানৱদেহৰ বৰ্জ্য পদাৰ্থ, আবৰ্জনা আদিৰ নিষ্কাশন তথা নলা-নৰ্দমাৰ উপযুক্ত ব্যৱস্থা আদি সুলভ হৈ উঠিব লাগিব। কিছুসংখ্যক ঘৰৰহে এনেবোৰ সুবিধা আছে। আন কিছুমানৰ তেনে সামৰ্থ্য থাকিলেও তেওঁলোকে এই বিষয়বোৰক প্ৰয়োজনীয় অগ্ৰাধিকাৰ দিবলৈ নিবিচাৰে। আনহতে আন বৃহৎসংখ্যক লোক হয় এনে সুবিধাৰ পৰা বঞ্চিত, নহ'লে তেওঁলোকৰ সেই সামৰ্থ্য নাই। এনে লোকসকলৰ বাবে কিছুমান বিশেষ ব্যৱস্থা গ্ৰহণ কৰাটো প্ৰয়োজনীয়।

কাৰ্যকৰী অনাময় আঁচনিৰ ৰূপায়ণ নিশ্চিত কৰাৰ বাবে এইকেইটা বিষয়ৰ প্ৰতিও গুৰুত্ব আৰোপ কৰিব লাগে—

১) জন সজাগতাৰ প্ৰয়োজনীয়তা
২) অনাময় ব্যৱহাৰ সামাজিক আৰু বৃত্তিগত দিশসমূহ
৩) প্ৰশাসনীয় গোট/ প্ৰতিষ্ঠান সমূহৰ মাজত সমন্বয়
৪) সৰ্বাত্মক প্ৰয়াস
৫) প্ৰযুক্তিৰ পূৰ্ণ ব্যৱহাৰ
৬) সুবিধাই ঢুকি নোপোৱাসকলক সামৰি লোৱা
৭) চাহিদা আৰু যোগানৰ মাজৰ ব্যৱধান নাইকিয়া কৰা

### (১) জন সজাগতাৰ প্ৰয়োজনীয়তাঃ

প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ পৰা আৰম্ভ কৰি বয়স্ক লোকসকললৈ সমাজৰ প্ৰতিটো স্তৰৰ লোককেই অনাময় ব্যৱস্থাৰ সৈতে জনস্বাস্থ্যৰ প্ৰত্যক্ষ সম্পৰ্কৰ বিষয়ে উপযুক্ত ধৰণে অৱগত কৰি তোলাটো প্ৰয়োজনীয়। বিভিন্ন শিক্ষানুষ্ঠান — বিশেষকৈ বিদ্যালয়সমূহত সন্নিৱিষ্ট কৰাৰ উপৰি সজাগতা অভিযানৰ অংশ হিচাপে এই বিষয়টো তৃণমূল পৰ্যায়লৈ বিয়পাই দিয়াৰ বাবে সামাজিক মাধ্যমসমূহৰ লগতে বৈদ্যুতিণ আৰু ছপা সংবাদ মাধ্যমৰ সুবিধাৰ পূৰ্ণ প্ৰয়োগ কৰা উচিত।

### (২) অনাময় ব্যৱস্থাৰ সামাজিক আৰু বৃত্তিগত দিশসমূহ

মানুহৰ হাতেৰে মল-মূত্ৰ চাফা কৰাৰ পদ্ধতিটোৰ অৱসান ঘটোৱাৰ বাবে এতিয়াও বহুখিনি কৰণীয় আছে।

আমাৰ দেশৰ অনাময় কৰ্মীসকল সন্মুখীন হৈ অহা বৃত্তিজনিত বিপদৰ আশংকা নিৰসনৰ বাবে কাৰ্যকৰী পদক্ষেপ গ্ৰহণৰ প্ৰয়োজন আছে। শৌচাগাৰৰ সুবিধা নথকা ঘৰসমূহৰ বাবে শৌচাগাৰ নিৰ্মাণ কৰাটো নিশ্চিত কৰিব পাৰিলেহে এইটো সম্ভৱপৰ হ'ব।

### (৩) প্ৰশাসনীয় গোট তথা প্ৰতিষ্ঠান সমূহৰ মাজত সমন্বয়

প্ৰশাসনীয় গোট অথবা প্ৰতিষ্ঠান আৰু অনাময় ব্যৱস্থা কাৰ্যকৰীকৰণৰ

সৈতে জড়িত সংশ্লিষ্ট বিভিন্ন বিভাগৰ কৰণীয় কাম-কাজসমূহ স্পষ্ট ৰূপত নিৰূপিত হ'ব লাগিব। সম্ভৱপৰ শ্ৰেষ্ঠ সুফল লাভ কৰাটো নিশ্চিত কৰাৰ স্বাৰ্থত এনে প্ৰতিটো প্ৰতিষ্ঠান তথা বিভাগে নিজ নিজ নিৰ্ধাৰিত ভূমিকা সুচাৰুৰূপে পালন কৰিব লাগিব আৰু পুনৰাবৃত্তি পৰিহাৰ কৰি চলিব লাগিব।

**সমধৰ্মিতা**

এনে ধৰণৰ একোটা ৰাষ্ট্ৰজোৰা অভিযান সফল কৰি তোলাৰ বাবে সমধৰ্মিতা বা সমকেন্দ্ৰিকতা অতিশয় প্ৰয়োজনীয়। মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতকৰণ আঁচনি, সাংসদ পুঁজিৰে সমষ্টি উন্নয়ন আঁচনি আৰু অন্যান্য আঁচনিসমূহৰ সমকেন্দ্ৰিকতাৰ জৰিয়তে এনেবোৰ ব্যৱস্থা গ্ৰহণ কৰিব পৰা যায়—

(ক) বাসগৃহ, বিদ্যালয়, অংগনৱাড়ী কেন্দ্ৰ, সমূহীয়া অনাময় চৌহদ আদিত শৌচাগাৰ-প্ৰস্ৰাৱাগাৰৰ নিৰ্মাণ।

(খ) সাংসদ পুঁজিৰ সহায়ত সমষ্টি উন্নয়নৰ আঁচনিৰ অধীনত অঞ্চল বিশেষৰ উন্নতি সাধনৰ প্ৰয়াস হিচাপে একোখন ঘৰৰ বাবে শৌচাগাৰ-প্ৰস্ৰাৱাগাৰৰ নিৰ্মাণ।

(গ) টিএছ চিৰ সৈতে 'পুৰা', ইন্দিৰা আবাস যোজনা এন আৰ এইচ এম, আদৰ্শ গ্ৰাম যোজনা আৰু আন আঁচনি তথা বিভাগ/মন্ত্ৰালয় আদিৰ লেখিয়া কেন্দ্ৰীয় চৰকাৰৰ পৃষ্ঠপোষকতাৰ আঁচনি সমূহৰ সমকেন্দ্ৰিকতা স্থাপন।

**অনাময় ব্যৱস্থা সুচল কৰা স্থানসমূহৰ পৰিচালনা আৰু চোৱা-চিতা তথা ব্যৱস্থাপনা**

অনাময় ব্যৱস্থাক ত্বৰান্বিত কৰা স্থানসমূহৰ উপযুক্ত পৰিচালনা তথা শৌচাগাৰ-প্ৰস্ৰাৱাগাৰসমূহ চোৱা-চিতা কৰাৰ বিষয়টোক উপযুক্ত গুৰুত্ব প্ৰদান কৰা উচিত। ঘৰুৱা আৰু উমৈহতীয়া তথা ৰাজহুৱা — সকলো ধৰণৰ অনাময়ৰ স্থানসমূহৰ যথোপযুক্ত ব্যৱহাৰ, নিয়মীয়া উন্নীতকৰণ আৰু চোৱা-চিতাৰ ব্যৱস্থাৰ জৰিয়তে এইটো সম্ভৱপৰ হয়। একেদৰে নগৰীয়া স্থানীয় গোট তথা প্ৰশাসন সমূহক দীৰ্ঘস্থায়ী অনাময়ৰ সেৱা আগবঢ়াব পৰাকৈ অথবা এনে সেৱা আগবঢ়োৱাৰ পৰিৱেশ সৃষ্টি কৰিব পৰাকৈ শক্তিশালী কৰি তোলাও প্ৰয়োজন।

**সৰ্বাত্মক প্ৰয়াস**

আমাৰ দেশৰ অনাময় ব্যৱস্থাৰ উন্নতি সাধনৰ বাবে ডুখৰীয়া কাৰ্যব্যৱস্থা গ্ৰহণ কৰাটো উচিত নহয়। ৰাষ্ট্ৰীয় নগৰীয়া অনাময় নীতিৰ অধীনত পৰামৰ্শ আগবঢ়োৱাৰ নিচিনাকৈ অনাময় ব্যৱস্থাৰ বাবে পুঁজি বিনিয়োগৰ ক্ষেত্ৰত সুৰক্ষিত আবদ্ধকৰণ, নিষ্কাশন আৰু আৱৰ্জনাৰ ৰূপত স্বাস্থ্যসন্মত বৰ্জন— এই তিনিটা পৰ্যায়ক সামৰি সামগ্ৰিক চক্ৰটোৰ কথা বিবেচনালৈ আনিব লাগিব।

অনাময় আঁচনিৰ অধীনত ঘৰুৱা পৰ্যায়ত পুঁজিৰ যোগান আৰু খৰচ কৰা সামৰ্থ্য থকা সম্ভাব্য উপভোক্তাসকলৰ বাবে ব্যয়সাধ্য পুঁজিৰে এই ব্যৱস্থা গঢ়ি তোলাৰ দৰে বিষয় কিছুমানো অন্তৰ্ভুক্ত হ'ব পাৰে। ইয়াৰ বাবে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিষয়া আৰু তৃণমূল পৰ্যায়ত কৰ্মৰত সংস্থা-সংগঠনৰ লগতে অন্তৰায় হিচাপে চিহ্নিত নোহোৱা ব্যক্তিগত খণ্ডৰ সৈতে সহযোগিতাৰে কাম কৰিবলগীয়াও হ'ব পাৰে।

**প্ৰযুক্তিৰ পূৰ্ণ প্ৰয়োগ**

আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বিভিন্ন সংস্থাৰ দ্বাৰা পানী যোগান আৰু অনাময় ব্যৱস্থাৰ বাবে ভিন ভিন ধৰণৰ ব্যয় অনুকূল আহিলা আৰু পদ্ধতি উদ্ভাৱন কৰি উলিওৱা হৈছে। এই দিশৰ পৰা এই পৰামৰ্শ আগবঢ়াব পাৰি যে 'সুলভ ইন্টাৰনেচনেল'ৰ দৰে সংস্থাসমূহে প্ৰদৰ্শন কৰা ব্যয় অনুকূল আহিলা তথা পদ্ধতিসমূহ বহুলভাৱে ব্যৱহাৰ কৰিব পৰা যায়।

**সুবিধাই ঢুকি নোপোৱাসকলক সামৰি লোৱাৰ ব্যৱস্থা**

নগৰীয়া দৰিদ্ৰ শ্ৰেণীৰ লোকসকলৰ লগতে নগৰৰ অপৰিকল্পিত অঞ্চলৰ বাসিন্দাসকল সাধাৰণতে সুৰক্ষিত অনাময় ব্যৱস্থাৰ ব্যয়সাধ্য সুবিধাখিনি লাভ কৰাৰ ক্ষেত্ৰত নাগৰিকৰ অধিকাৰ আৰু প্ৰয়োজনীয় স্থানৰ অভাৱৰ লগতে আৰ্থিক সমস্যাৰ বাবেও বাধাৰ সন্মুখীন হোৱা পৰিলক্ষিত হয়। বিশেষকৈ সমাজৰ অসংৰক্ষিত আৰু দৰিদ্ৰ শ্ৰেণীৰ লোকসকলৰ মাজত স্বচ্ছ ভাৰত অভিযানক সফল কৰি তোলাৰ বাবে এই সমস্যাটোৰ কাৰ্যকৰী সমাধানৰ পথ উলিওৱাটো অতীব প্ৰয়োজনীয়। ৰাষ্ট্ৰীয় নগৰীয়া অনাময় নীতিতো অনাময় খণ্ডৰ বাবে নিৰ্ধাৰিত পুঁজিৰ পৰা নগৰীয়া দৰিদ্ৰ শ্ৰেণীৰ লোকসকলৰ বাবে কমেও ২০ শতাংশ ধন আছুতীয়াকৈ ৰখাৰ পৰামৰ্শ আগবঢ়োৱা হৈছে। একেদৰে গাঁও অঞ্চলত বাস কৰা দুখীয়া শ্ৰেণীৰ লোকসকলৰ বাবেও নিজ নিজ বাসগৃহত শৌচাগাৰ নিৰ্মাণৰ ব্যৱস্থা কৰিব পৰাকৈ কিছু পৰিমাণৰ ৰাজসাহায্য আগবঢ়োৱাৰ বিষয়ে বিবেচনা কৰিব পৰা যায়।

এই কথা সকলোৱে অনুধাৱন কৰিছে যে সৰু সৰু নগৰসমূহে পনীয়া আৱৰ্জনাৰ নিষ্কাশন দূৰৰেই কথা, এনে আৱৰ্জনাৰ বাবে প্ৰয়োজনীয় নলা-নৰ্দমা নিৰ্মাণৰ ব্যয়ো নিজাববীয়াকৈ বহন কৰিব নোৱাৰে। আৱৰ্জনাৰ যথোপযুক্ত ব্যৱহাৰৰ বাবে আন্তঃগাঁথনিৰ দিশত পুঁজি বিনিয়োগৰ প্ৰয়োজন হয়। তাতোকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল এনে আৱৰ্জনা শেষৰ পৰ্যায়লৈ বোৱাই নিয়া আৰু

নিষ্কাশনৰ বাবে প্ৰয়োজন হোৱা বিদ্যুৎ অথবা আন শক্তিৰ প্ৰয়োগকে ধৰি সমগ্ৰ ব্যৱস্থাটোৰ বাবে ধন অত্যাৱশ্যকীয়। আন্তগাঁথনিৰ বাবে প্ৰয়োজন হোৱা বিনিয়োগ পুঁজি অথবা ব্যৱস্থাটো সুচাৰুৰূপে অব্যাহত ৰখাৰ বাবে প্ৰয়োজন হোৱা ধন আনকি পানী ব্যৱহাৰ কৰা আৰু তাৰ ফলস্বৰূপে পনীয়া আৱৰ্জনাৰ সৃষ্টি কৰা ধনী শ্ৰেণীৰ লোকসকলেও আদায় দিবলৈ নিবিচাৰে। আধুনিক নগৰসমূহৰ একোটা বৃহৎ অঞ্চল নলা-নৰ্দমাৰ ব্যৱস্থাই ঢুকি নোপোৱা অৱস্থাত ৰৈ যায়। ইয়াৰ কাৰণটো হ'ল এইবোৰৰ বাসিন্দাসকল এনে একোটা অকৰ্তৃত্বশীল অথবা অবৈধ এলেকা নাইবা বস্তি অঞ্চলত থাকে, যিবোৰ এলেকাক চৰকাৰী সেৱাসমূহে সামৰি নলয়।

### চাহিদা আৰু যোগানৰ মাজৰ ব্যৱধান নোহোৱা কৰা

অনাময়ৰ সমস্যা সমাধান কৰাৰ বাবে চাহিদা অনুপাতে যোগান সম্ভৱ কৰি তুলিব লাগিব। ইয়াৰ অৰ্থ হ'ল এইটোৱেই যে নগৰীয়া স্থানীয় গোট অথবা আন সংস্থাই বাসিন্দা তথা নিৰ্দিষ্ট স্থানত বাস কৰা বঞ্চিত শ্ৰেণীৰ লোকসকল আন্তঃগাঁথনিৰ সুবিধাৰ ওপৰত নিৰ্ভৰ কৰি ইঠাইৰ পৰা সিঠাইলৈ ঘূৰি ফুৰাৰ পোষকতা কৰাৰ পৰিবৰ্তে তেওঁলোকৰ বাবে মৌলিক সা-সুবিধা তথা সহায় -সমৰ্থনৰ ব্যৱস্থা কৰি দিব লাগিব।

### সামৰ্থ্য বৰ্ধন আৰু প্ৰশিক্ষণ

আঁচনিখনৰ সফলতা নিশ্চিত কৰাৰ স্বাৰ্থত ইয়াৰ প্ৰতি জনসাধাৰণৰ সমৰ্থন আহৰণ কৰাটো প্ৰয়োজনীয়। ইয়াৰ বাবে ৰাজ্যিক পৰ্যায়ৰ সংস্থা-প্ৰতিষ্ঠানৰ লগতে নিৰ্বাচিত জন প্ৰতিনিধি আৰু নগৰীয়া স্থানীয় গোট তথা বিভিন্ন সমাজসেৱা সংস্থাৰ বিষয়ববীয়া/কৰ্মকৰ্তাসকলক প্ৰশিক্ষণ দিওৱাৰ ব্যৱস্থাৰ বাবে নিৰ্দিষ্ট কিছুমান সংস্থাক চিহ্নিত কৰি উলিয়াব লাগিব।

### পৰ্যবেক্ষণ আৰু মূল্যায়ন

ৰাজ্যিক, জিলা আৰু নগৰ পৰ্যায়ত অনাময় আঁচনিৰ অগ্ৰগতি আৰু ৰূপায়নৰ বিষয়টো চোৱা-চিতা কৰাৰ বাবে নিৰ্দিষ্ট পদ্ধতি গ্ৰহণ কৰিব লাগিব। অগ্ৰগতিৰ প্ৰতিবেদন প্ৰস্তুতকৰণৰ ব্যৱস্থা আৰু নাগৰিকক লৈ গঠিত পৰ্যবেক্ষক সমিতিৰ জৰিয়তে অগ্ৰগতিৰ পৰ্যালোচনা কৰাৰ বিষয়েও বিবেচনা কৰিব পৰা যায়।

### সফল জিলা/ নগৰক পুৰস্কৃত কৰাৰ ব্যৱস্থা

যদিও এইটো এটা উমৈহতীয়া স্বাৰ্থৰ ৰাজহুৱা ব্যৱস্থা, তথাপিতো অনাময়ৰ ক্ষেত্ৰত নিৰ্দিষ্ট পৰ্যায় এটা অতিক্ৰম কৰি আশানুৰূপ সফলতা প্ৰদৰ্শন কৰা জিলা বা নগৰসমূহক উপযুক্ত পুৰস্কাৰেৰে স্বীকৃতি দিয়াৰ বিষয়টোও বিবেচনা কৰিব পাৰি। ইয়াৰ ফলত সম্পূৰ্ণ অনাময়ৰ চেষ্টাত ব্ৰতী বিভিন্ন জিলা আৰু নগৰৰ মাজত প্ৰতিযোগিতাৰ মনোভাৱৰ উদ্ভৱ হ'ব।

নিৰ্ধাৰিত সময়ৰ ভিতৰত স্বচ্ছ ভাৰত অভিযানৰ লক্ষ্যত উপনীত হ'বৰ বাবে এছোৱা দীঘলীয়া সময়ৰ আলাপ-আলোচনাৰ জৰিয়তে মন্ত্ৰালয়ে গ্ৰহণ কৰা 'ৰাষ্ট্ৰীয় গ্ৰাম্য অনাময় আৰু স্বাস্থ্যবিধি কৌশল ২০১২-২০২২'ৰ বিষয়েও উপযুক্ত গুৰুত্ব সহকাৰে বিবেচনা কৰা উচিত। ইয়াৰ বাহিৰেও, এই ক্ষেত্ৰত অন্যান্য বিষয়বোৰৰ ভিতৰত আছে সংশ্লিষ্ট ৰাজ্য আৰু জিলাসমূহৰ কামৰ অগ্ৰগতিৰ মাপকাঠিৰ ব্যৱস্থা, আচৰণৰ পৰিবৰ্তন সন্দৰ্ভত মত বিনিময়ৰ কৌশলৰ উন্নতিসাধন, পৰিকল্পনাৰ বাবে প্ৰতিষ্ঠানগত গাঁথনিৰ পৰিপক্কতা তথা সবলীকৰণ, প্ৰতিটো পৰ্যায়তে অনাময় ব্যৱস্থাৰ ৰূপায়ন আৰু পৰ্যবেক্ষণ, উদগণিমূলক ব্যৱস্থা আৰু সামৰ্থ্য বৰ্ধনৰ দৰে বিষয়ৰ প্ৰতি গুৰুত্ব আৰোপ আৰু বিশেষ শ্ৰেণীৰ লোক তথা জটিলতাপূৰ্ণ এলেকাসমূহৰ বিষয়ে বিশেষ গুৰুত্ব সহকাৰে বিবেচনা।

### জমা ধনৰ সুচলতা

দাৰিদ্ৰ্য সীমাৰেখাৰ তলত বাস কৰা লোক আৰু সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকসকলৰ মাজৰ বহুতৰেই নিজ ঘৰত নিজববীয়াকৈ একোটা শৌচাগাৰ সাজি লোৱাৰ সামৰ্থ্য নাথাকে। এনে প্ৰেক্ষাপটত খোৱাপানী আৰু অনাময় মন্ত্ৰালয়ে আমানতৰ ধন হিচাপে বেংকত নিৰ্দিষ্ট পৰিমাণৰ পুঁজি জমা ৰখাৰ বিষয়ে বিবেচনা কৰিব পাৰে। এই পুঁজিয়ে উল্লিখিত দুৰ্বল শ্ৰেণীৰ লোকসকলক শৌচাগাৰ নিৰ্মাণৰ বাবে ধনৰ যোগান ধৰিব পাৰিব।

### যোগাযোগৰ কৌশল

আঁচনিখনক সফল কৰি তোলাৰ বাবে ভিন ভিন পৰ্যায়ত সুকীয়া ব্যৱস্থা তথা প্ৰয়োজন সাপেক্ষে শিথিলতাৰ জৰিয়তে ৰাষ্ট্ৰীয় যোগাযোগ পদ্ধতি অথবা কৌশল গ্ৰহণ কৰাটো প্ৰয়োজনীয়। বিভিন্ন পৰ্যায়ৰ সংস্থা-সংগঠনৰ সক্ৰিয় বিষয়ববীয়া, ধৰ্মীয় নেতা আদিৰ দৰে লোক আৰু সমাজসেৱী -কৰ্মীসকলক অনাময় আৰু স্বাস্থ্যবিধিৰ বিষয়ে ব্যাখ্যা কৰিব পৰাকৈ প্ৰশিক্ষণ আগবঢ়োৱাৰ জৰিয়তে পৰিয়ালৰ সদস্য তথা জনসাধাৰণৰ মাজত অনাময় আৰু স্বাস্থ্যবিধিৰ আৱশ্যকতা সন্দৰ্ভত নিশ্চিতভাৱে সজাগতাৰ সৃষ্টি কৰিব পৰা যায়। প্ৰচলিত সামাজিক বান্ধোন তথা পৰিয়াল, বন্ধু, আত্মীয়, প্ৰতিবেশী, সহকৰ্মী আদি সম্বন্ধৰে পৰস্পৰৰ সৈতে যুক্ত হৈ থকা সম্পৰ্কৰ জৰিয়তেও কাৰ্যকাৰী ধৰণৰ শৌচাগাৰৰ নিৰ্মাণ আৰু উপযুক্ত ব্যৱহাৰৰ ব্যৱস্থাটোক আগবঢ়াই লৈ যাব পাৰি।

প্ৰতিটো উন্নয়ন খণ্ড আৰু পঞ্চায়তক গাঁও পঞ্চায়ত আদি এলেকাত ব্যৱহাৰিক পৰামৰ্শ সম্বলিত ছবি, তথ্য চিত্ৰ আদি দেখুৱাব পৰাকৈ প্ৰয়োজনীয় সা-সঁজুলিৰ যোগান ধৰা উচিত। প্ৰতিখন গাঁৱৰ জনসাধাৰণৰ মাজত মত বিনিময় তথা সজাগতা সৃষ্টিত সহায়ক হ'ব পৰাকৈ বাটৰ নাট, লোক সংগীত অথবা পুতলা নাচ আদি পৰিবেশন কৰিব পৰা অন্ততঃ এটাকৈ হ'লেও সাংস্কৃতিক দল প্ৰতিটো উন্নয়ন খণ্ডৰ অধীনত থকা উচিত। জনসাধাৰণৰ আওপুৰণি আচৰণৰ পৰিৱৰ্তন সাধনত সহায়ক হোৱাকৈ উদ্ভাৱনীমূলক কৌশলৰো প্ৰয়োজন হয় আৰু নিৰ্দিষ্ট একোখন সমাজৰ সুকীয়া ধ্যান-ধাৰণাৰ বিষয়ে বিবেচনা কৰি এনে কৌশল যুগুত কৰিব পৰাটো অধিক ফলপ্ৰসূ হৈ পৰে।

**বিকেন্দ্ৰীভূত উদ্‌গণি ভিত্তিক প্ৰয়াস**

গ্ৰামাঞ্চলৰ শিশু -কিশোৰৰ মাজত অনাময় ব্যৱস্থাক ফলপ্ৰসূ কৰি তোলাৰ ক্ষেত্ৰত গাঁও পঞ্চায়তসমূহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। অনাময়ৰ ক্ষেত্ৰত পূৰ্ণ পৰ্যায়ৰ সফলতা আহৰণ কৰাৰ বাবে সংশ্লিষ্ট সকলোকে আগ্ৰহী কৰি তোলাৰ লগতে সমূহীয়া নেতৃত্বৰ জৰিয়তে ইয়াক দীৰ্ঘস্থায়ী কৰি ৰখাৰ বাবে পঞ্চায়তৰ সৈতে জড়িত ব্যক্তিসকলে ইয়াৰ বাবে উল্লেখনীয় ধৰণৰ বঁটা-বাহনৰো ব্যৱস্থা কৰিব পাৰে। একেদৰে সীমিত সময়ৰ ভিতৰত পূৰ্ণ পৰ্যায়ৰ সফলতা নিশ্চিত কৰাৰ উদ্দেশ্যে অধিক অঞ্চলক সামৰি ল'বলৈ ------ গাঁও পঞ্চায়ত সমূহৰ বাবে পৰ্যাপ্ত পুঁজি যোগানৰো ব্যৱস্থা কৰিব লাগে।

**দীৰ্ঘ স্থায়িত্বৰ পুৰস্কাৰ**

পঞ্চায়ত সমূহক ফলপ্ৰসূভাৱে কাম কৰাৰ প্ৰতি উৎসাহিত কৰাৰ লক্ষ্যৰে অনাময় তথা পানীৰ ব্যৱহাৰৰ উপযুক্ত ব্যৱস্থাপনাৰ লগতে মাচুল আদায়ৰ কামত জড়িত পঞ্চায়ত আৰু গ্ৰাম্য সংস্থা প্ৰতিষ্ঠানসমূহৰ বাবে আৰ্থিক উদগণিমূলক পুৰস্কাৰৰো ব্যৱস্থা ৰাখিব পৰা যায়।

শৌচাগাৰ সমূহত পানীৰ যোগান নিশ্চিত কৰাটোও অতিশয় জৰুৰী। এনে ক্ষেত্ৰত একেৰাহে এবছৰৰ অধিক সময়ৰ বাবে অনাময়ৰ সুবিধা অব্যাহত ৰাখিবলৈ সমৰ্থ হোৱা একাখন গাঁও পঞ্চায়তৰ বাবে পুৰস্কাৰ হিচাপে যথেষ্ট পৰিমাণৰ পানী যোগানৰ নিশ্চিতিৰে সৈতে নলীৰে বোৱাই অনা পানীৰ সুবিধা আগবঢ়াব পৰা যায়।

গাঁও পৰ্যায়ত একোগৰাকী নিষ্ঠাবান তৃণমূল পৰ্যায়ৰ কৰ্মী ('স্বচ্ছদূত') নিয়োগ কৰাৰ বিষয়েও বিবেচনা কৰিব পাৰি। আনহাতে ৰাজ্য চৰকাৰসমূহে পানী, স্বাস্থ্য আৰু অনাময়ৰ নিৰ্দিষ্ট গ্ৰাম্য সমিতি সমূহক সংশ্লিষ্ট গাঁও পঞ্চায়তখনৰ স্থায়ী সমিতিৰ স্বীকৃতি দিয়াটো বাধ্যতামূলক কৰা উচিত। গাঁও পঞ্চায়ত পৰ্যায়ত এনে সমিতিসমূহেই আঁচনি ৰূপায়নৰ বাবে দায়বদ্ধ হোৱা উচিত।

**উমৈহতীয়া শৌচাগাৰ**

ভূমিহীন আৰু পৰিভ্ৰমী শ্ৰেণীৰ লোকসকলৰ দৰে সীমিত পৰিসৰৰ শ্ৰেণীসমূহৰ লগতে বাছ আস্থান আৰু গাঁৱলীয়া অঞ্চলৰ বজাৰ এলেকালৈ আহ-যাহ কৰা লোকৰ বাবে নিৰ্মাণ কৰা উমৈহতীয়া শৌচাগাৰৰ বাহিৰেও ঘাইপথ সমূহৰ কাষত ৰাজহুৱা শৌচাগাৰৰ ব্যৱস্থা আগবঢ়োৱাৰ বাবে ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ সৈতেও জোঁটবন্ধনেৰে কাম কৰিব পৰা যায়। একেদৰে এনে ব্যৱস্থা আগবঢ়োৱাৰ সামৰ্থ্য থকাৰ পৰিপ্ৰেক্ষিতত পেট্ৰ'ল পাম্প, ৰেষ্টোৰাঁ, ধাবা আদিৰ বাবে উপযুক্ত অনাময়ৰ সুবিধা বাধ্যতামূলক কৰি চৰকাৰী নিৰ্দেশৰো ব্যৱস্থা ৰখা উচিত।

**সংবেদনশীলকৰণ**

ৰাষ্ট্ৰীয়, ৰাজ্যিক আৰু জিলা-সকলো পৰ্যায়ৰ ৰাজনৈতিক নেতৃবৰ্গক সম্পূৰ্ণ অনাময় ব্যৱস্থাৰ চাহিদা পূৰণৰ লক্ষ্যত উপনীত হ'ব পৰাৰ প্ৰচেষ্টাৰ প্ৰতি সংবেদনশীল কৰি তোলাৰ লগতে অনাময়ৰ বাবে উচ্চ পৰ্যায়ৰ ৰাজনৈতিক সমৰ্থন আদায়ৰ প্ৰতি উদ্বুদ্ধ কৰি তোলাটো প্ৰয়োজনীয়। এই খণ্ডৰ বাবে পৰ্যাপ্ত পৰিমাণৰ পুঁজি আবণ্টনৰ ব্যৱস্থা কৰাৰ বাবেও ৰাজনৈতিক সমৰ্থনৰ আৱশ্যক। সংশ্লিষ্ট গাঁও পঞ্চায়তৰ অন্তৰ্গত প্ৰতিঘৰ মানুহেই অনাময়ৰ সুবিধা লাভ কৰাটো নিশ্চিত কৰাৰ বাবে পঞ্চায়ত আৰু গ্ৰামীণ সংস্থা-প্ৰতিষ্ঠানসমূহক দায়বদ্ধ কৰিব পৰাকৈ নীতি-নিৰ্দেশনা দিয়াৰ বাবে ৰাজ্য চৰকাৰসমূহক দায়িত্ব অৰ্পণ কৰিব পাৰি। এই অভিযানক সফল কৰি তোলাৰ বাবে স্কুলীয়া ছাত্ৰ-ছাত্ৰীসকলে পৰিৱৰ্তন সাধনৰ অতি গুৰুত্বপূৰ্ণ কাৰক হিচাপে ভূমিকা পালন কৰিব পাৰে। পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ গুৰুত্বৰ মৌলিক বিষয়টো নিজৰ নিজৰ ব্যক্তিগত জীৱনত প্ৰয়োগ কৰাৰ লগতে এই বাৰ্তা তেওঁলোকে সহজেই সমাজৰ সকলো স্তৰলৈ কঢ়িয়াই লৈ যাব পাৰে। এই দিশটোৰ প্ৰতি লক্ষ্য ৰাখিয়েই দেশৰ প্ৰতিখন বিদ্যালয়ত শৌচাগাৰৰ ব্যৱস্থা থকাটো বাধ্যতামূলক কৰাৰ লক্ষ্য গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে। নতুন দিল্লীত অলপতে আয়োজিত 'মোৰ বিদ্যালয় — মোৰ কণ্ঠ— ল'ৰা-ছোৱালীৰ বাবে মুকলি সংসদ' অনুষ্ঠানৰ জৰিয়তে শিশু অৱস্থাতেই ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয় এৰাৰ অন্যতম কৰাণ হিচাপে উপযুক্ত অনাময় ব্যৱস্থা তথা শৌচাগাৰৰ অভাৱৰ ফলত এনে শিক্ষাৰ্থীৰ ওপৰত পৰা বিৰূপ প্ৰভাৱক চিহ্নিত কৰা হৈছে। উক্ত অনুষ্ঠানত বহু শিশুৱে তেওঁলোকৰ বিদ্যালয়ত পৰিচ্ছন্নতাৰ অভাৱৰ বাবেই

বিদ্যালয়লৈ আহিবলৈ এৰি দিয়া কথা পোহৰলৈ অহাৰ লগতে এলাৰ্জিত ভোগা শিশু অধিক পৰিমাণে ৰোগাক্ৰান্ত হোৱাৰ আশংকাত অভিভাৱকে তেনে শিশুক বিদ্যালয়লৈ পঠিয়াবলৈ এৰা বুলি প্ৰকাশ কৰে।

ছিক্কিমত আৰম্ভণি হোৱা 'বাল পঞ্চায়ত'ৰ ধাৰণাটোক দেশৰ অন্যান্য অংশতো ৰূপায়ন কৰা উচিত। এই বাবে পঞ্চায়ত সমূহে কণ কণ ল'ৰা-ছোৱালীসকলক বিদ্যালয়লৈ যাবলৈ আগ্ৰহী কৰি তুলিব পাৰে। খেল-ধেমালি আৰু সাংস্কৃতিক অনুষ্ঠানৰ সমান্তৰালভাৱে ইয়াত পূৰ্বে শিক্ষক-শিক্ষয়িত্ৰীৰ মাজত সীমাবদ্ধ পৰিচ্ছন্নতাৰ দিশটোতো ছাত্ৰ-ছাত্ৰীৰ দ্বাৰাই গুৰুত্ব আৰোপ কৰা হয়। স্বচ্ছ ভাৰত অভিযানক সফল কৰি তুলিবলৈ হ'লে এনে সামগ্ৰিক ব্যৱস্থা গ্ৰহণ কৰাটো নিতান্তই প্ৰয়োজনীয়।

মহিলাসকল হ'ল গাঁও আৰু নগৰ উভয় এলেকাতে এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পৰা আন এবিধ অতি প্ৰয়োজনীয় কাৰক। একোখন ঘৰৰ আভ্যন্তৰীণ পৰিচালনা তথা পৰিচ্ছন্নতাৰ বিষয়টো প্ৰধানকৈ ঘৰখনৰ মহিলা সদস্য সকলৰ নিয়ন্ত্ৰণত থাকে। এই বাবেই স্বচ্ছ ভাৰত অভিযানৰ সফলতাৰ ক্ষেত্ৰত মহিলাসকলৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়ে তেওঁলোকক সংবেদনশীল কৰি তোলাৰ প্ৰতি গুৰুত্ব আৰোপ কৰা উচিত। ইয়াৰ ফলত তেওঁলোকে পৰিচ্ছন্নতাৰ বাবে নিজাববীয়া ব্যৱস্থা গ্ৰহণ কৰাৰ সমান্তৰাল-ভাৱে ঘৰখনৰ শিশু আৰু জ্যেষ্ঠসকলকো পৰিচ্ছন্নতা ৰক্ষাৰ নীতি-নিয়ম মানি চলিবলৈ বাধ্য কৰাব পাৰিব।

গাওঁ অঞ্চলৰ ৭০ শতাংশ পৰিয়ালৰ শৌচাগাৰ নথকা (২০১১ চনৰ পিয়ল অনুসৰি) এখন দেশত মন্দিৰতকৈ শৌচাগাৰ সজাটো অধিক প্ৰয়োজনীয় বুলি বিবেচিত হ'লেও এই কথাও অনস্বীকাৰ্য যে শৌচাগাৰৰ সুবিধা থকা বহু পৰিয়ালেও তাক উপযুক্তভাৱে ব্যৱহাৰ নকৰে। এটা সমীক্ষাত প্ৰকাশ পোৱা মতে হাৰিয়ানা, ৰাজস্থান, উত্তৰ প্ৰদেশ, মধ্য প্ৰদেশ আৰু বিহাৰৰ এই সমীক্ষাই সামৰি লোৱা পৰিয়ালসমূহৰ ৪০ শতাংশ পৰিয়ালৰ কমেও এজনকৈ লোকে ঘৰত শৌচাগাৰ থকা সত্বেও মুকলিত পায়খানা কৰিবলৈ যায়। কেৱল শৌচাগাৰ একোটা সাজিলেই নহ'ব,সুস্বাস্থ্য আৰু শৌচাগাৰৰ ব্যৱহাৰৰ প্ৰয়োজনীয়তা সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতাৰো সৃষ্টি হ'ব লাগিব — সেই কথাকেই এই অধ্যয়নে পুনৰ প্ৰতিষ্ঠা কৰে।

এনে এটা বিশাল অভিযানৰ মূল কথা হ'ল পৰ্যবেক্ষণ। উপযুক্ত পৰ্যবেক্ষণ ব্যৱস্থাৰ জৰিয়তে অকাৰ্যকাৰী হৈ পৰা অথবা উপযুক্ত ধৰণে ব্যৱহাৰ নোহোৱা অনাময়ৰ আহিলাসমূহ চিহ্নিত কৰাটো প্ৰয়োজনীয়। বি পি এল কাৰ্ডৰ নম্বৰ অথবা আধাৰ কাৰ্ডৰ দৰে পৰিচয়ৰ ব্যৱস্থাসমূহ ব্যৱহাৰ কৰিও মন্ত্ৰালয়ে এনে পৰ্যবেক্ষণৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব পাৰে।

**নাগৰিক সমাজৰ ভূমিকা**

এই আঁচনিক সফল কৰি তোলাৰ বাবে নাগৰিক সমাজৰ ভূমিকাও গুৰুত্বপূৰ্ণ। আঁচনিৰ ৰূপায়ন আৰু পুঁজিৰ সদ্ব্যৱহাৰৰ দৰে বিষয় সমূহৰ প্ৰতি চকু ৰাখি তেওঁলোকে এই ক্ষেত্ৰত ফলপ্ৰসূভাৱে জড়িত হ'ব পাৰে।

**সামৰ্থ্য বৰ্দ্ধন**

আঁচনিখনৰ সফল ৰূপায়নৰ বাবে সামৰ্থ্য বৰ্দ্ধন অতিশয় প্ৰয়োজনীয়। অনাময় খণ্ডৰ সৈতে জড়িত কেন্দ্ৰ/ ৰাজ্য চৰকাৰৰ বিষয়াসকলৰ বাবে বাধ্যতামূলক প্ৰশিক্ষণৰ ব্যৱস্থা কৰাৰ উদ্দেশ্যে খ্যাতিসম্পন্ন আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ সৈতে জোঁটবন্ধন কৰিব পৰা যায়। বিভিন্ন পৰ্যায়ত সামৰ্থ্য বৃদ্ধি কৰাৰ উদ্দেশ্যৰে গ্ৰাম্য উন্নয়নৰ ৰাষ্ট্ৰীয় প্ৰতিষ্ঠানৰ আৰ্হিৰে পানী আৰু অনাময়ৰ এটি ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান গঢ়ি তোলাৰ বিষয়েও মন্ত্ৰালয়ে বিবেচনা কৰিব পাৰে। উল্লেখযোগ্য যে ২০১২-১৭ বৰ্ষৰ দ্বাদশ পৰিকল্পনাত গ্ৰাম্য ঘৰুৱা পানী আৰু অনাময় সম্পৰ্কীয় কৰ্ম বাহিনীয়েও এনে ধৰণৰ পৰামৰ্শ আগবঢ়াইছিল।

ৰাজ্য চৰকাৰসমূহৰ লগ লাগি কেন্দ্ৰীয় চৰকাৰে অনাময়ৰ লক্ষ্যত উপনীত হ'বৰ বাবে তথা ৰাজহুৱা, ব্যক্তিগত আৰু বে-চৰকাৰী সংস্থাসমূহৰ সৈতে সহযোগিতাৰে অনাময়ৰ সুবিধা তথা পৰ্যবেক্ষণ, ব্যৱস্থাপনা আদি উন্নত কৰাৰ হকে প্ৰয়াস চলাই আছে। ২০১৯ চনৰ ভিতৰত সম্পূৰ্ণ অনাময়ৰ লক্ষ্যত উপনীত হ'বৰ বাবে চৰকাৰক সমাজৰ সকলো স্তৰৰ পৰাই অতিৰিক্ত সহায়-সমৰ্থনৰ প্ৰয়োজন। দেশখনৰ বৃহৎ ব্যৱসায়িক প্ৰতিষ্ঠান তথা কৰ্প'ৰেট খণ্ডৰ বাবেও বৃহৎ প্ৰতিষ্ঠানৰ সামাজিক দায়বদ্ধতা শিতানৰ জৰিয়তে এই প্ৰত্যাহ্বান গ্ৰহণ কৰাটো অৱশ্য কৰ্তব্য হৈ পৰিছে। চৰকাৰী পৰ্যায়ৰ কাৰ্যকৰী প্ৰয়াস অব্যাহত ৰখাৰ লগতে বৃহৎ ব্যৱসায়িক প্ৰতিষ্ঠানৰ সামাজিক দায়বদ্ধতা শিতানৰ পুঁজিৰ জৰিয়তে পৰ্যাপ্ত মানৱ শক্তি আৰু আৰ্থিক সহযোগিতা গোট খুৱাব পাৰিলে ২০১৯ চনৰ ভিতৰত 'স্বচ্ছ ভাৰত'ৰ লক্ষ্যত উপনীত হোৱাটো সম্ভৱ হৈ উঠিব পাৰে।

# জনগোষ্ঠীয় খাদ্য সম্ভাৰৰ অৰ্থনৈতিক দিশ আৰু ইয়াৰ জনপ্ৰিয়তা

*** ধনেশ্বৰ হুজুৰী**

অসমত বসবাস কৰা বিভিন্ন জাতি জনজাতি জনগোষ্ঠী সম্প্ৰদায় সমূহৰ বাৰেবৰণীয়া ৰীতি-নীতি পৰম্পৰা, লোকাচাৰ, লোক নীতি, লোক কলা উৎসৱ পাৰ্বন, নৃত্য গীত সাজপাৰ অলংকাৰ প্ৰভৃতিয়ে ৰাজ্যখনৰ সংস্কৃতিৰ ঐতিহ্যপূৰ্ণ ৰূপ প্ৰদৰ্শন কৰি আহিছে।

অসমৰ জনগোষ্ঠীয় সম্প্ৰদায়ৰ পৰম্পৰাগত লোক খাদ্য, লোক ব্যঞ্জন প্ৰস্তুতপ্ৰণালী, খাদ্য পৰিবেশন, খাদ্য খাওন পদ্ধতি অতি তাৎপৰ্যপূৰ্ণ বুলি ক'ব পাৰি। জনগোষ্ঠী সমূহৰ পৰম্পৰাগত লোক খাদ্যসমূহৰ বৈচিত্ৰ্যময় প্ৰস্তুতপ্ৰণালী আৰু ইয়াৰ পৰিবেশন অতি সুন্দৰ। এই প্ৰবন্ধত জনগোষ্ঠী সমূহৰ খাদ্য প্ৰস্তুত প্ৰণালী, ইয়াৰ গুণগত মান, বজাৰ দখল ইয়াৰ অৰ্থনৈতিক দিশ, খাদ্য মূল্যায়ণ আদিক সামৰি লোৱা হৈছে।

শাস্ত্ৰত কোৱা হৈছে—

"আহাৰ নিদ্ৰা ভয় মৈথুনংচ
সামান্য মেতদ্ পশুভিঃ পাৰানাম্।
ধৰ্ম্মো হি তেযামধিকো বিশেষঃ
ধৰ্ম্মেন হীনা পশুভিঃ সমানঃ।।

ইয়াৰ অসমীয়া অৰ্থ হৈছে— জীৱ জগতত যিমানবোৰ জীৱ জন্তু, পশু পক্ষী আৰু মানুহ আছে আটাইৰে আহাৰ, নিদ্ৰা ভয় আৰু মৈথুন প্ৰকৃতি প্ৰদত্ত বুলি কোৱা হয়।

ইয়াৰ ভিতৰত আহাৰ অৰ্থাৎ অন্নই প্ৰধান। ই জীৱৰ জীৱনী শক্তি। সেই কাৰণে উপনিষদত কৈছে 'অন্নং ব্ৰহ্মঃ'। এই অন্নই মানুহৰ ইন্দ্ৰিয় সমূহ সক্ৰিয় কৰি তোলে, সতেজ কৰে, ৰোগ ব্যাধি প্ৰতিৰোধ কৰে আৰু সুচিন্তা শক্তিৰ উদ্ৰেক কৰে।

কৃষি সভ্যতাৰ পাতনি মেলাৰ আগলৈকে মানুহে বনৰীয়া ফলমূল আহৰণ কৰি, চিকাৰ কৰি, বনৰীয়া জীৱজন্তুৰ মাংসৰে ক্ষুধা নিবৃত্তি কৰিছিল। প্ৰাচীন সভ্যতাতো উল্লেখ পোৱা যায় যে সমূহীয়া চিকাৰ,সমূহীয়া মাছধৰা, পুৰি খোৱা, সেকি খোৱা, শুকুৱাই খোৱা আৰু শুকুৱাই খাদ্য সংৰক্ষণ কৰাটো বিভিন্ন জনজাতিৰ লোকৰ পৰম্পৰা। কিন্তু তাৎপৰ্যপূৰ্ণ কথা এয়ে যে জনজাতীয় লোকসকলৰ প্ৰাচীন খাদ্যাভ্যাস পৰম্পৰা সংৰক্ষিত হৈ আছে বিশেষ ভাৱে চৰ্ব, চুষ্য, লেহ্য আৰু পেয় অৰ্থাৎ (ক) চোবাই খোৱা (খ) চুহি খোৱা (গ) চেলেকি খোৱা আৰু (ঘ) পি খোৱা এই চাৰি প্ৰকাৰে খোৱা আহাৰ খাদ্যৰূপে পৰিগণিত হয়।

খাদ্য অৰ্থাৎ খাবলগীয়া দ্ৰব্য সমূহ বিভিন্ন প্ৰকাৰে সুস্বাদু আৰু স্বাস্থ্য সন্মতভাৱে প্ৰস্তুত কৰি খোৱাকে আহাৰ গ্ৰহণ কৰা বুলি কোৱা হয়। আমাৰ বিভিন্ন জাতি-উপজাতি সমূহে চাউল সিদ্ধ ভাতকে প্ৰধান আহাৰ ৰূপে গ্ৰহণ কৰে।

ভাতৰ বাহিৰেও সান্দহ, চিৰা, পিঠা, দৈ, কোমল চাউল, চলিয়াভাত, টোপোলা ভাত,কৰাইগুৰি, পিঠাগুড়ি, আখৈ, মুড়ি আদিকো জলপান বা উপআহাৰ হিচাপে খায়। তদুপৰি লাড়ু, পকামিঠৈ তিলপিঠা, সুতুলী পিঠা, বৰা চাউলৰ গাখীৰ দি তৈয়াৰ কৰা চুঙা পিঠা, গুড়াৰে তৈয়াৰ কৰা চুঙা পিঠা,কাহি পিঠা, লাওপাল্লা, পিঠা, ফেনী পিঠা, ঘিলা পিঠা আদি উল্লেখযোগ্য। এইবোৰৰ চাহিদা সম্প্ৰতি অধিক বাঢ়ি আহিব ধৰিছে। বৰ্তমান জনজাতীয় লোকসকলৰ মাজত খাদ্যৰ এটা সুন্দৰ ব্যৱসায়িক উৎপাদন প্ৰক্ৰিয়া আৰম্ভ হৈছে। বহুতো আত্ম সহায়ক গোট গঠন কৰি এনেদৰে খাদ্য প্ৰস্তুত কৰি প্ৰাথমিক কাৰ্য হিচাপে গ্ৰহণ কৰাটো শুভ লক্ষণ বুলি ক'ব পাৰি।

**মাছ-মাংসৰ জুতি লগা খাদ্য সম্ভাৰঃ**

অসমৰ বিভিন্ন জনগোষ্ঠী সমূহৰ খাদ্য সম্ভাৰৰ অন্যতম বৈশিষ্ট্য হৈছে এয়ে যে প্ৰায়বোৰ জনজাতিৰ লোকে বিল, খাল, নৈ, জলাশয়, দোং, পুখুৰী, আদিৰ পৰা মাছ আহৰণ কৰে আৰু খাদ্য হিচাপে গ্ৰহণ কৰে। জনজাতীয় মহিলা সকলে নিজে জাকৈ, প'ল' আদিৰে মাছ মাৰি আনি ভিন ভিন খাদ্য প্ৰস্তুত কৰে। উদাহৰণ হিচাপে শৰণীয়া কছাৰী সকলে মাছ কেঁচাই ৰান্ধি খোৱাৰ উপৰি শুকুৱাই জুইত সেকি বিভিন্ন ধৰণে তিতা, টেঙা, গুড়া আঞ্জাৰে ৰান্ধি খায়।

মাটি দাইলত কলাখাৰ আৰু শুকান মাছ দি ৰন্ধা আঞ্জাৰ সোৱাদেই সুকীয়া হয়। শৰণীয়া কছাৰীৰ মাটি মাহৰ দাইলত কলাখাৰ আৰু শুকান মাছ দি ৰন্ধা

* ধনেশ্বৰী হুজুৰী এজন জ্যেষ্ঠ সাংবাদিক

আঞ্জা খনৰ জুতিয়েই বেলেগ হয়। তেওঁলোকে শুকান মাছৰ লগত কচুৰ ঠুৰি কাটি দি ঢেঁকীত খুন্দি চুঙাত ভৰাই থৈ পাছত খায়। ইয়াক চিদল মাছ বুলি কয়। পলুৰ লেটা বোৰ এৰুৱাই ভালদৰে কণীৰে ভাজি খায়। ই চকুৰ দৃষ্টি শক্তি বঢ়ায় আৰু পুষ্টিকৰো।

শোকোতাৰে ৰন্ধা গাহৰি বা হাঁহৰ মাংসৰ আঞ্জা , বগা কোমোৰাৰে ৰন্ধা হাঁহৰ মাংসৰ আঞ্জা, নহৰু, পিয়াঁজ, জলকীয়া দি তৈয়াৰ কৰা শামুকৰ চাট্‌নি বৰ জুতি লগা ব্যঞ্জন।

বড়ো কছাৰী সকলৰ খাদ্য সম্ভাৰৰ ভিতৰত শামুকৰ জোল অন্যতম। ইয়াক 'চামু আংখ্ৰাই' বুলি কয়। শামুকৰ আঞ্জা জ্বৰ,কাঁহ আদিৰ পথ্য হিচাপে বড়ো সকলে ব্যৱহাৰ কৰে।

অসমত যিহেতু প্ৰচুৰ পৰিমাণে ডাঙৰ সৰু শামুক পোৱা যায় সেয়েহে খাদ্য হিচাপে অৰ্থনৈতিক দিশত ইয়াক যথেষ্ট লাভজনক বুলি ক'ব পৰা যায়।

বড়ো সকলে মাছ-মাংস, পোক-পৰুৱা আদি খায়। তেওঁলোকৰ প্ৰত্যেক বিধ ৰন্ধন প্ৰণালীত স্বাস্থ্যৰ উপকাৰী গুণ আছে।

ভাদ মাহত কেঁকোৰা খালে মানুহৰ চৰ্মৰোগ আৰোগ্য হয়। বড়ো কছাৰী সকলে পোক পৰুৱাৰ ভিতৰত - খু সিংগ্ৰা (উইচিৰিঙা), এমফৌ (এৰীপলু), সামো (শামুক), বেৰে (বৰল), আমলাউৰি (আমৰলি) আৰু গুমা (ফৰিং) আদি খায়। এইবোৰত যথেষ্ট প্ৰ'টিন পোৱা যায় বুলি কয়।

কুকুৰাৰ মাংস, চাউলৰ গুড়ি, নহৰু, আদা, জলকীয়াৰে বৰ জুতি লগাকৈ ৰান্ধি খায়। তদুপৰি বাহকৰ ফুল শুকান মাছেৰে ৰান্ধি খালে বৰ উপকাৰ পায়। ই মানুহৰ মধুমেহ ৰোগ নিয়ন্ত্ৰণ কৰিব পাৰে। ই কৃমি নাশ কৰে বুলি কোৱা হয়।

**বাহঁগাজৰ আঞ্জাঃ** জনজাতীয় সকলৰ জনপ্ৰিয় খাদ্যৰ ভিতৰত বাহঁগাছৰ গজালিৰ আঞ্জা, অন্যতম। কাক বাঁহ, ভলুকা বাঁহ আদিৰ গজালিৰ পৰা খৰিচা তৈয়াৰ কৰা হয়। বাঁহৰ খৰিচা পুৰণি হ'লে টেঙেচীয়া হয়। খামতি সকলে চুঙা চাউলৰ ভাত খায়। ইয়াক 'খাওঁলাম' বুলি কয়। বাঁহ গছৰ দৰে বেতগাজো প্ৰিয় খাদ্য। ইয়াত যথেষ্ট খাদ্যপ্ৰাণ পোৱা যায় বুলি কোৱা হয়।

ইপিনে বড়ো কছাৰী সকলে মাছ জুইত পুৰি কাঁইট এৰুৱাই আদা, নহৰু, জলকীয়া সানি পিটিকা কৰি খায়। পশ্চিমীয়া দেশতো এনেকুৱাকৈ খায় বুলি কয়। শুকান মাছ তেওঁলোকৰ বৰ প্ৰিয়। সৰু মাছ শুকুৱাই খুন্দি গুড়ি কৰি তাত কচুৰ ঠুৰি দি বাঁহৰ চুঙাত থৈ দিয়ে। এনে খাদ্য বিধক "নাফ্লাম" বুলি কয়।

তাই তুৰং সকলে মাছ জুইত পুৰি খায়। শুকুৱাই থোৱা মাছ জলকীয়া নিমখ দি চুঙাত ভৰাই থয় আৰু পাছত পিটিকা কৰি খায়। তেওলোকে ডাঙৰ মাছৰ পেটু কাটি ভাতৰ সৈতে সানি আখলৰ চাঙত শুকুৱাই পাছত তেলত ভাজি খায়। এনে খাদ্যই ৰোগ প্ৰতিৰোধ কৰে। গতিকে এইবোৰ খাদ্য প্ৰস্তুত কৰি হোটেল আদিত ব্যৱহাৰ কৰিলে অৰ্থনৈতিক ভাৱে লাভবান হ'ব পৰা যাব।

ডিমাছা সকলে পুঠি মাছ খাৰ পানীত ধুই তাত হালধি পানী ছটিয়াই খুন্দি চুঙাত ভৰাই থয় আৰু তাৰ মুখখন শুকান কলপাতেৰে বন্ধ কৰি তাৰ ওপৰত মাটি লেপি দিয়ে। এমাহৰ মূৰত এই মাছ খোৱাৰ উপযোগী হয়। এই খাদ্য বিধ এমাহলৈ বেয়া নহয়. সেই কাৰণে আন্তঃ ৰাজ্যিক বজাৰত বিপণন কৰিব পৰা যায়। এনেবোৰ সংৰক্ষিত খাদ্যই আৰ্থিকভাৱে লাভবান কৰিব পাৰে।

তিৱা সকলেও মাছৰ লগত বৰকচুৰ ঠাৰি কাটি চুঙাত ভৰাই তাত খাৰ দি থয়। এইবোৰ বিবিধ খাদ্যসম্ভাৰৰ বিপণন কৰিব পৰাৰ যথেষ্ট স্থল আছে।

ইউৰোপ, শ্ৰীলঙ্কা, আন্দামান দ্বীপপুঞ্জ আদিত শামুক খাদ্য হিচাপে ব্যৱহাৰ কৰি আৰ্থিক ভাৱে লাভবান হৈছে।

অসমত বসবাস কৰা প্ৰায় সকলো জনজাতিৰ লোকে ৰাজ্যখনত পোৱা সহজলভ্য ঔষধি গুণবিশিষ্ট উদ্ভিদৰ ব্যঞ্জন প্ৰস্তুত কৰি খায়। এই উদ্ভিদৰ ভিতৰত মানিমুনি, ভেদাইলতা, নৰসিংহ, মছন্দৰী, দোৰোণ, হেলঞ্চী, ভেঁকুৰি তিতা, শুকোতা, খুতুৰা, টেঙেচি, নেফাফু, মাটি কাদুৰী, মধুসোলেং আদি অন্যতম।

এনেবোৰ উদ্ভিদৰ ব্যঞ্জন স্বাস্থ্যৰ বাবে বৰ উপকাৰী আৰু সোৱাদ লগা হয়। তদুপৰি ক'লা কচুৰ ঠুৰিৰে কুকুৰা মাংসৰ আঞ্জা, গাহৰিৰ পেটু ভজা, শুকতি মাছ, কণীৰে এৰী পলু ভাজি, বগা কোমোৰা হাঁহৰ মাংস, চৰ অঞ্চলৰ 'পাচৈভাত', মাছৰ পৰা তৈয়াৰ কৰা সিদল মানকচুৰ গুড়ি আদি অতি সোৱাদ লগা ব্যঞ্জন।

কাৰ্বি সকলে আকৌ 'হাংছাংবি' নামৰ এবিধ লতাৰে কলাখাৰ দি মাটিমাহ আৰু শুকান মাছৰ আঞ্জা খায়। 'মেহেক' নামৰ শাকৰ লগত তিলৰ গুড়ি দি পঞ্চমুখী কচু শুকান মাছৰ সৈতে ব্যঞ্জন তৈয়াৰ কৰি খায়। ওলমাতাৰ ঠাৰি মাছৰ লগত পানী নিদিয়াকৈ থপ্‌থপীয়া কৰি ৰান্ধিলে বৰ সোৱাদ যুক্ত হয়। ইয়াক "চে'ৰল" বোলে। খৰিকাত দিয়া পোৱা মাছৰ জোল, কেঁচা হালধিৰ লগত জালুক, নহৰু,মানিমুনি, ভেদাইলতা, নৰসিংহৰ পাতৰ ভাজি, খৰিকাত দিয়া মাছৰ আঞ্জা, কলডিলৰ লগত সিজোৱা আলু বৰ সোৱাদ লগা হয়।

হাঁহৰ কণীৰ লগত বাবৰি শাকৰ

ব্যঞ্জন, ঔটেঙা দিয়া মাটি মাহৰ আঞ্জা, বিলাহী আৰু ঢেঁকীয়া শাকৰ ব্যঞ্জন, লফা শাকৰ সৈতে মাছৰ আঞ্জা, কলপচলা, কণী আৰু ঢেঁকীয়া ভাজি আদিৰে বিভিন্ন পৰ্যটকক জুতি লগাকৈ খুৱাই অৰ্থনাতিৰ উত্তৰণ কৰিব পৰা যায়। বিভিন্ন খাদ্যৰ উপৰি বিভিন্ন পিঠা পনা আদি খাদ্য সমূহৰদ্বাৰা এটা সুন্দৰ ব্যৱসায় গঢ়ি তুলি অৰ্থনৈতিক ভাৱে স্বাৱলম্বী হোৱাৰ লগতে আমাৰ ৰাজ্যৰ খাদ্য সংস্কৃতিৰ বিষয়ে বিশ্বক আভাস দিব পৰা যায়।

**৩ নং বেটুপাতৰ পৰা**

**প্ৰতিষেধক টীকা বিকশিত কৰাৰ লক্ষ্যৰে ভাৰত-নেদাৰলেণ্ডছৰ চুক্তি**

প্ৰতিষেধক বিকশিত কৰাৰ লক্ষ্যৰে ভাৰত আৰু নেদাৰলেণ্ডছ অলপতে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ দান কৰিছে। ভাৰত চৰকাৰৰ 'মেক ইন ইণ্ডিয়া' অভ্যিানৰ অধীনত সম্পাদিত চুক্তিখনৰ সুবাদত ভাৰতে নেদাৰলেণ্ডছৰ কাৰিকৰী সহযোগিতাৰে সৰু আই আৰু সৰু আৰ্হি সদৃশ ৰোগৰ প্ৰতিষেধক বিকশিত কৰাৰ সুযোগ লাভ কৰিব। উত্তৰ প্ৰদেশৰ চোলা, বুলন্দ চহৰতথকা প্ৰকল্পত নেদাৰলেণ্ডছৰ 'ট্ৰেন্সলেশ্যনেল ভেক্-চিনোলজী (ইন্ট্ৰাভেক), নামৰ চৰকাৰী প্ৰতিষ্ঠানটোৱে প্ৰতিষেধক বিধ বিকশিত কৰাৰ কাৰ্যসূচী ৰূপায়ণৰ দায়িত্ব গ্ৰহণ কৰিছে। তদুপৰি, চুক্তিখনৰ অধীনত ডি বি টি গৱেষণা প্ৰতিষ্ঠানৰ সহযোগত অন্যান্য প্ৰতিষেধক তথা জীৱন দায়ক দ্ৰব্য বিকশিত কৰাৰ বাবেও সম্ভাৱনা সৃষ্টিত গুৰুত্ব আৰোপ কৰা হৈছে।

'ইন্ট্ৰাভেক' হ'ল নেদাৰলেণ্ডছ চৰকাৰৰ স্বাস্থ্য, জন কল্যাণ তথা সহযোগিতা মন্ত্ৰালয়ৰ অধীনস্থ এট প্ৰতিষ্ঠান। বিগত সময়ছোৱাত প্ৰতিষেধক বিকশিত কৰাৰ লগতে প্ৰযুক্তি হস্তান্তৰ-কৰণৰ ক্ষেত্ৰত প্ৰতিষ্ঠানটোৱে বিশেষ প্ৰসিদ্ধি লাভ কৰিছে। ইফালে 'ভাৰত ইমিউনোলজীকেলছ এণ্ড বায়োলজী-কেল কৰ্পোৰেশ্যন লিমিটেড চমুকৈ 'বিব্‌ক'ল ' হ'ল ভাৰত চৰকাৰৰ বিজ্ঞান তথা প্ৰযুক্তি মন্ত্ৰালয়ৰ জৈৱ -প্ৰযুক্তি বিভাগৰ অধীনস্থ এটা ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান। ভাৰত চৰকাৰৰ 'মেইক ইন ইণ্ডিয়া' অভিযানৰ সুবাদত 'বিবক'ল-এ প্ৰতিষেধক বিকশিত কৰাৰ বাবে দয়িত্ব লাভ কৰাৰ লগতে প্ৰযুক্তি আহৰণ কৰাৰ সুযোগ লাভ কৰিছে। এই ক্ষেত্ৰত প্ৰতিষ্ঠানটোৱে জৈৱ প্ৰযুক্তি বিভাগৰ সহযোগিতা লাভ কৰিব।

এই সন্দৰ্ভত বিজ্ঞান তথা প্ৰযুক্তি আৰু ধৰিত্ৰী বিজ্ঞান দপ্তৰৰ মন্ত্ৰী ডাঃ হৰ্ষবৰ্দ্ধনে কয় যে চুক্তিখনৰ সুবাদত উত্তৰ প্ৰদেশৰ বুলন্দচহৰত সৰু আই -ৰুবেলাৰ প্ৰতিষেধকৰ লগতে উন্নত মানৰ অন্যান্য প্ৰয়োজনীয় প্ৰতিষেধকৰ ব্যাপক উৎপাদন সম্ভৱ হৈ উঠিব আৰু সিয়ে দেশৰ শ-শ ৰোগাক্ৰান্ত শিশুৰ জীৱন ৰক্ষা কৰিব। দেশৰ পৰা পলিঅ' নিৰ্মূলকৰণৰ পিচৰ পৰিস্থিতিত সম্প্ৰতি সৰু আই তথা ৰুবেলাৰ দৰে নিবাৰণ কৰিব পৰা ব্যাধি নিৰ্মূল কৰণ কিম্বা নিয়ন্ত্ৰণত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে।

# আধিয়াৰ পদ্ধতিৰ কৃষি আৰু অসমৰ কৃষি খণ্ডত ইয়াৰ প্ৰাসংগিকতা

*ড° গোবিন চন্দ্ৰ বৰুৱা
*ৰুমি দত্ত

ভাৰতৰ অন্যান্য ৰাজ্যৰ দৰে অসমৰ জনসাধাৰণৰ জীৱন আৰু জীৱিকাৰ প্ৰধান উৎস হৈছে কৃষি। ৰাজ্যখনৰ বৰ্তমান মুঠ জনসংখ্যাৰ প্ৰায় ৫০ শতাংশতকৈও অধিক লোক প্ৰত্যক্ষভাৱে কৃষি খণ্ডৰ লগত জড়িত। কৃষি খণ্ডৰ লগত যে কেৱল সাধাৰণ জনসাধাৰণৰ আৰ্থিক আশা-আকাংক্ষা জড়িত হৈ থাকে তেনে নহয়; এই খণ্ডৰ লগত উদ্যোগ খণ্ডৰ উৎপাদন শক্তিও প্ৰত্যক্ষভাৱে জড়িত। কিয়নো উদ্যোগ খণ্ডৰ বাবে প্ৰয়োজন হোৱা কেঁচাসামগ্ৰী সমূহৰ অধিকাংশই কৃষি খণ্ডৰ পৰা আহৰণ কৰা হয়। অৱশ্যে কৃষি খণ্ডত দেশ তথা ৰাজ্যখনৰ অধিকাংশ লোক জড়িত থাকিলেও বৰ্তমান উদ্যোগ খণ্ড আৰু সেৱা খণ্ডৰ দ্ৰুত সম্প্ৰসাৰণৰ ফলত দেশ তথা ৰাজ্যখনৰ মুঠ আয়লৈ কৃষি খণ্ডৰ অৱদানৰ আনুপাতিক হাৰ ক্ৰমে হ্ৰাস পাই আহিছে। বৰ্তমান সময়ত কৃষি খণ্ডৰ অৱদান মুঠ ৰাজ্যিক আয়লৈ ২০ শতাংশতকৈ কম হৈছেগৈ। অৱশ্যে এইক্ষেত্ৰত প্ৰযুক্তিবিদ্যাৰ উন্নতি তথা অনা-কৃষি খণ্ডৰ ক্ৰমবৰ্দ্ধিত গুৰুত্বৰ কথা আওকাণ কৰিব পৰা নাযায়। কিন্তু এইটো নহয় যে কৃষি খণ্ডই উন্নতি লাভ কৰা নাই বা ক্ৰমে কম উৎপাদনক্ষম হৈ পৰিছে; এই খণ্ডও আন খণ্ডৰ দৰে আধুনিক তথা অধিক উৎপাদনক্ষম হৈ উঠিছে কিন্তু ই ক্ৰমহ্ৰাসমান গতিত।

সুপ্ৰাচীন কালৰে পৰা অসমত বিভিন্ন ধৰণৰ কৃষি ব্যৱস্থাৰ প্ৰচলন হৈ আহিছে। সেই সময়ত মানুহৰ জনবসতি কম থকাৰ বাবে ভূমি প্ৰথাবোৰ বিশেষভাৱে আলোচিত হোৱা নাছিল। কিন্তু বৃটিছসকলৰ শাসনকালৰ সময়ৰ পৰাই এই প্ৰথাবোৰৰ আলোচিত হয় তথা বৃটিছসকলে পৰম্পৰাগতভাৱে চলি অহা প্ৰথাবোৰ সলনি নতুন ভূমি প্ৰথা প্ৰৱৰ্তন কৰে যিবোৰ কৃষকৰ প্ৰতিকূল আছিল। বিশেষকৈ জমিদাৰী প্ৰথা প্ৰচলিত থকাৰ সময়ত কৃষিভূমিৰ সম্পূৰ্ণ মালিকীস্বত্ব জমিদাৰ সকলৰ হাতত আছিল আৰু কৃষকসকলে জমিদাৰ সকলৰ হাতৰ পৰা কৃষিভূমি লৈ কৃষি কাৰ্য কৰিছিল। কৃষি কাৰ্যৰ বিনিময়ত কৃষকসকলে জমিদাৰ সকলক উৎপাদিত সামগ্ৰীৰ গৰিষ্ঠ অংশ প্ৰদান কৰিব লগা হৈছিল। পাচৰ সময়ছোৱাত অৰ্থাৎ ৰায়তাৰী -মহলদাৰী প্ৰথা প্ৰচলনৰ সময়তো কৃষকসকল শোষণৰ বলি হৈছিল। ইংৰাজে প্ৰৱৰ্তন কৰা ৰায়তাৰী ব্যৱস্থাৰ জড়িয়তে খাজনা দিয়াৰ চুক্তিত প্ৰকৃত ৰায়তক ভূমিৰ স্থায়ী অধিকাৰ দিয়া হৈছিল যদিও খাজনা সংগ্ৰহকাৰী মৌজাদাৰ শ্ৰেণীৰ লোকৰ হাতত ক্ৰমান্বয়ে ভূমি কেন্দ্ৰীভূত হবলৈ ধৰিলে। ফলত অসমত ভূমিহীন কৃষক তথা প্ৰান্তিক কৃষকৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিলে। ১৯৫৫ চনৰ ‘‘কৃষি শ্ৰমিক অনুসন্ধান আয়োগ’’ৰ প্ৰতিবেদন অনুসৰি অসমৰ মুঠ কৃষকৰ শতকৰা ৬২ ভাগৰ হাতত কৃষিত ব্যৱহৃত মাটিৰ পৰিমাণ ১৬ বিঘাতকৈ কম। ইয়াৰ বিপৰীতে মাত্ৰ এক শতাংশ কৃষকৰ মাটিৰ পৰিমাণ ৮০ বিঘাতকৈ অধিক।

২০১০-১১ চনৰ ভাৰতৰ কৃষি পিয়ল অনুসৰি অসমৰ প্ৰতিজন কৃষকৰ কৃষি ভূমিৰ পৰিমাণ ১.০৭ হক্টৰ যিটো সৰ্বভাৰতীয় হাৰ ১০১৫ হেক্টৰতকৈয়ো কম হয়গৈ। তদুপৰি বৰ্তমান ৰাজ্যখনৰ মুঠ কৃষকৰ প্ৰায় ৮৮ শতাংশ ক্ষুদ্ৰ আৰু প্ৰান্তীয় কৃষক। সময়ৰ পৰিবৰ্তন তথা জনসংখ্যাৰ দ্ৰুত বৃদ্ধিৰ লগে লগে মাটিৰ চাহিদা বৃদ্ধি পোৱাৰ বিপৰীতে অস্থিতিস্থাপক যোগান ক্ষমতাৰ বাবে ভূমিহীন কৃষক তথা প্ৰান্তিক কৃষকৰ সংখ্যা অধিক হৈ আহিল। জমিদাৰী, ৰায়তাৰী আদি ভূমি প্ৰথাসমূহৰ সংস্কাৰ সাধন হলেও আধিয়াৰ শ্ৰেণী বা আধি খেতি পদ্ধতি প্ৰচলিত হৈয়ে থাকিল।

**অসমত প্ৰচলিত কৃষি ব্যৱস্থা**

অসমৰ কৃষি ব্যৱস্থাৰ ইতিহাসত চকু ফুৰালে আমি আধিখেতিৰ প্ৰচলনৰ আভাস বহু আগৰ পৰাই পাওঁ। কিয়নো ভূমিহীন কৃষকসকলে চুক্তিৰ ভিত্তিত অতীজৰে পৰা যি ভূমি ব্যৱস্থা চলাই আহিছে সেয়েই আধি খেতি প্ৰথা। বৰ্তমানেও অসমৰ কৃষি ব্যৱস্থালৈ লক্ষ্য কৰিলে তিনি প্ৰকাৰৰ বা তিনিটা শ্ৰেণীত

* ৰুমী দত্ত, লখিমপুৰৰ আজাদস্থিত এল টি কে মহাবিদ্যালয় অৰ্থনীতি বিভাগৰ সহযোগী অধ্যাপক আৰু ড° গোবিন চন্দ্ৰ বৰুৱা-সহকাৰী লখিমপুৰৰ দেওত’লাস্থিত খৰাজখাত মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগ অধ্যাপক।

কৃষক সকলক বিভাজন কৰিব পাৰি—
১) সম্পূৰ্ণ নিজৰ কৃষিভূমিত খেতি কৰা কৃষক।
২) একাংশ নিজৰ আৰু একাংশ ভূমি আনৰ পৰা চুক্তিৰ বিনিময়ত লৈ খেতি কৰা কৃষক।
৩) সম্পূৰ্ণ কৃষিভূমি আনৰ পৰা লৈ চুক্তিৰ বিনিময়ত খেতি কৰা কৃষক।

সম্পূৰ্ণ নিজৰ কৃষিভূমিত খেতি কৰা কৃষকসকলে ভূমিৰ সম্পূৰ্ণ মালিকীস্বত্ব ভোগ কৰাৰ সুবিধা পায়। ভূমিৰ ক্ৰয়-বিক্ৰয়কে আদি কৰি সকলো স্বাধীনতা এই শ্ৰেণীৰ হাতত থাকে। সেয়ে তেওঁলোকে সম্পূৰ্ণ স্বাধীনভাৱে কৃষিকাৰ্য সম্পাদন কৰিবলৈ সক্ষম হয়। অৱশ্যে এই শ্ৰেণীৰ কৃষকৰো অৰ্থনৈতিক অৱস্থা কৃষিভূমিৰ পৰিমাণেহে প্ৰধানকৈ নিৰ্ধাৰণ কৰা দেখা যায়। আনহাতে আধা নিজৰ আধা চুক্তিৰ বিনিময়ত কৰা কৃষকসকলে নিজা অংশ বাদ দি আন অংশ ভূমিৰ কেৱল খেতি কৰাৰ স্বাধীনতাহে কৃষকজনে লাভ কৰে; আন অধিকাৰ সমূহ মাটিৰ গৰাকীৰ হাততে থাকে। এইক্ষেত্ৰত চুক্তিৰ বিনিময়ত লোৱা ভূমি অংশত কি বীজ ৰোপণ কৰিব, কোন সময়ত কৰিব বা বছৰত কেইবাৰ কৰিব সকলো ভূমিৰ গৰাকীয়ে নিৰূপণ কৰাৰ সুবিধা থাকে। সেয়ে এই ব্যৱস্থাত কৃষকসকলে সাময়িক/আংশিকভাৱে সমস্যাৰ সন্মূখীন হ'ব লগা হয়।

সম্পূৰ্ণ চুক্তিৰ বিনিময়ত খেতি কৰা কৃষকসকলে সমুদায় আনৰ মাটিত খেতি কৰা বাবে খেতিৰ সম্পূৰ্ণ স্বাধীনতা ভূমিৰ গৰাকীৰ হাততে ন্যস্ত থাকে। এই শ্ৰেণীৰ কৃষকে মাটিৰ গৰাকীৰ আদেশ অনুসৰি সকলো কাম কৰিব লগা হয়। কিয়নো এই শ্ৰেণীৰ কৃষকৰ নিজা কৃষিভূমি নথকাৰ বাবে ভৱিষ্যতে মাটিৰ গৰাকী অসন্তুষ্ট হোৱাৰ আশংকা আৰু খেতিৰ বাবে ভূমি পুনৰ নোপোৱাৰ আশংকাত থাকে সেয়ে তেওঁলোকে মাটিৰ গৰাকীৰ সকলো আদেশ মানিবলৈ বাধ্য। এই ব্যৱস্থাত সেয়ে কৃষকসকল সঘনে শোষণৰ সন্মূখীন হোৱা দেখা যায়।

জমিদাৰী প্ৰথা উচ্ছেদৰ পাছৰ সময়ছোৱাত অসমত খেতিৰ উৎপাদন বৃদ্ধি কৰা তথা আধি খেতিয়কক শোষণৰ পৰা ৰক্ষা কৰাৰ অৰ্থে ১৯৪৮ চনতে "অসম আধিয়াৰ সংৰক্ষণ আৰু নিয়ন্ত্ৰণ বিধি" গৃহীত কৰি আধিয়াৰ সকলক যধে-মধে উচ্ছেদ কৰাৰ পৰা ৰক্ষা কৰা, খেতি কৰি থকা স্বত্ব প্ৰদান কৰা তথা উচ্ছেদ কৰিব লগা হ'লে ইয়াৰ যুক্তিযুক্ত প্ৰদৰ্শন কৰাৰ ব্যৱস্থা কৰি দিয়ে। সেয়ে এফালে ভূমিহীন আৰু আধিয়াৰক সুৰক্ষা প্ৰদান কৰা আৰু মধ্যস্বত্বভোগী বিলোপ সাধনৰ প্ৰয়োজনীয়তা আহি পৰে। এই উদ্দেশ্য সাৰোগত কৰি ১৯৫৬ চনত অসম চিলিং আইন (Assam Fixation of ceiling of Landholding Act 1956) আৰু ১৯৭১ চনৰ অসম (অস্থায়ী পট্টন দিয়া অঞ্চল) ভূমিস্বত্ব আইন প্ৰৱৰ্তন কৰে। ইয়াৰ পাছৰ সময়ছোৱাত কৃষকৰ সুৰক্ষাৰ স্বাৰ্থত বিভিন্ন ধৰণৰ আইন প্ৰণয়ন কৰি থকা হৈছে। বৰ্তমান অসম কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে কৃষকক শোষণ মুক্ত কৰাৰ অৰ্থে বিভিন্ন দাবী উত্থাপন কৰি অহা দেখা গৈছে।

বৰ্তমান অসমৰ কৃষিখণ্ডত চলি থকা আধিয়াৰ পদ্ধতিৰ প্ৰধান চুক্তিসমূহ তলত আগবঢ়োৱা হ'ল ঃ

**(ক) কৃষিভূমিত খেতি কৰাৰ চুক্তি ঃ** কৃষিভূমিত খেতি কৰাৰ সুবিধা এজন খেতিয়কক চুক্তিনুসাৰে সাধাৰণতে এবছৰৰ বাবে দিয়া হয়। এই বছৰটোত খেতিয়কজনৰ খেতি কৰাৰ প্ৰণালী, আচাৰ ব্যৱহাৰ আদি সকলো বিষয়ত লক্ষ্য ৰাখি পিছৰ বছৰত খেতি কৰিবলৈ তেওঁক সুবিধা দিব নে আন বেলেগ কৃষকক দিব সেইটো নিৰূপণ কৰিব। কোনো কোনো ভূমিৰ গৰাকীয়ে খেতিয়কজনৰ প্ৰতি অনুপ্ৰাণিত হৈ অথবা প্ৰতিকল্প ভাল কৃষকৰ অভাৱত একেজনকে বহুবছৰ ধৰি খেতি কৰিবৰ বাবে দিয়া দেখা যায়।

**(খ) কৃষি-উপাদানৰ ব্যৱহাৰৰ চুক্তি ঃ** কৃষক আৰু ভূমিৰ গৰাকী মাজত হোৱা কৃষি উপাদানৰ চুক্তি অনুযায়ী সাধাৰণতে কৃষিৰ প্ৰধান উপাদান বীজ, সাৰ, কীটনাশক ঔষধ তথা জলসিঞ্চনৰ বাবে হোৱা মুঠ ব্যয় দুয়োজনৰ মাজত ৫০ঃ৫০ অনুপাতত ভাগ কৰি লোৱা হয়। শ্ৰমিক হিচাপে খেতিয়কজন প্ৰধানকৈ জড়িত হৈ থাকে যদিও অতিৰিক্ত শ্ৰমিকৰ প্ৰয়োজন হ'লে কৃষকজনেই তাৰ ব্যয় বহন কৰিব লাগে। আনহাতে যদি মাটিৰ গৰাকীয়ে মাটিখিনিত সোনকালে বীজ ৰোপণৰ পোষকতা কৰে তেন্তে তেওঁ নিজ ইচ্ছানুসাৰে নিজে শ্ৰমিকৰ ব্যয় বহন কৰিব পাৰে। আনহাতে মাটি চহোৱাৰ বাবদ হ'ব লগা সমুদায় খৰচ (গৰু, ম'হ তথা টেক্টৰ/পাৱাৰ টিলাৰৰ ব্যয়) আধিয়াৰজনে ব্যয় কৰিব লাগে। সাধাৰণতে আধিয়াৰজনে নিজৰ গৰু-ম'হ খেতিৰ কামত লগায়। কিন্তু কেতিয়াবা মাটিৰ মালিকৰপৰা গৰু-ম'হ খেতিৰ বাবে আনিব লগা হ'লে তাৰ বাবে খেতিৰ পাছত অতিৰিক্তভাৱে ব্যয় বহন কৰিব লগা হয়। এনে ধৰণৰ ব্যয়ক "ভেৰণ" বোলে। ভেৰণৰ পৰিমাণ কিমান হ'ব তাক সেইসময়ৰ প্ৰচলিত "ভেৰণ" নীতিৰ ওপৰত ভিত্তি কৰি মালিকজনে নিৰূপণ কৰে। অৱশ্যে ঠাই বিশেষে খেতিৰ সকলো ব্যয় কৃষকজনে বহন কৰাও দৃষ্টিগোচৰ হৈ আহিছে।

**(গ) কৃষি উৎপাদনৰ বিতৰণ চুক্তি ঃ** উৎপাদন বিতৰণৰ চুক্তি অনুসৰি সাধাৰণতে মুঠ উৎপাদনৰ ভাগ বতৰাও মাটিৰ গৰাকী আৰু কৃষকৰ মাজত ৫০ঃ৫০ অনুপাতত কৰা হয়। অৱশ্যে ঠাই বিশেষে ইয়াৰ ভাগ বিতৰণৰ প্ৰকাৰ ভিন ভিন হয়। কোনো কোনো ঠাইত "গুচিআধি" অথাৎ

শস্য পথাৰতে সমানে দুভাগ কৰি এভাগ মালিকৰ ঘৰত গটাই দিয়াৰ পৰিৱৰ্তে এভাগ কৃষকে নিজৰ ঘৰলৈ লৈ আহে। বৰ্তমান গুচি আধিৰ প্ৰচলন কমি আহিছে আৰু মাটিৰ মালিকসকলে "গুটি আধিৰ" প্ৰচলনৰ পোষকতা কৰিছে। এই পদ্ধতি অনুসৰি সমুদায় শস্য মালিক কৃষকৰ সুবিধা অনুসৰি একেলগে গোটাই পাচত শস্য সমানে দুভাগ কৰা হয়। এই অনুযায়ী মাটিৰ মালিকে কৃষকজনক এটা নিৰ্দিষ্ট পৰিমাণ নিৰ্ধাৰণ কৰি দিয়ে। এই পদ্ধতিত খেতি ভাল বা বেয়া হোৱাৰ ওপৰত একো নিৰ্ধাৰণ নকৰে, যদি খেতি ভাল হয় তেন্তে খেতিয়কজন হয়তো লাভৱান হয় কিন্তু খেতি ভাল নহ'লে কৃষকজন শোষণ তথা লোকচানৰ বলি হ'ব লগা হয়।

শস্যৰ ভাগ বতৰাৰ পাচত অৱশিষ্ট অংশও প্ৰয়োজনীয়তাৰ ওপৰত ভিত্তি কৰি ভাগ কৰি লোৱা দেখা যায়। অৱশ্যে এই ক্ষেত্ৰত কৃষকজনে অগ্ৰাধিকাৰ পায় কিয়নো এই অৱশিষ্টখিনি (যেনেঃ খেৰ) কৃষকক বেছি প্ৰয়োজন হয়।

অসমৰ অতি ধনী শ্ৰেণীৰ মাজত আৰু এক প্ৰকাৰৰ আধি ব্যৱস্থাৰ প্ৰচলন দেখা যায়। এই পদ্ধতি অনুসৰি এই শ্ৰেণীৰ লোকসকলে কৃষকসকলক নিজৰ ঘৰত থকাৰ সুবিধা কৰি দি নিৰ্দিষ্ট পৰিমাণৰ মাহিলী অথবা কৃষি সম্পূৰ্ণ কৰা সময়ছোৱাৰ বাবে বেতন দিয়াৰ চুক্তি কৰে আৰু কৃষিৰ সমস্ত দায়িত্ব কৃষকজনৰ পৰিয়ালৰ ওপৰত অৰ্পণ কৰে। কৃষকজন এইক্ষেত্ৰত স্থানীয় নহৈ বহিৰাগতও হ'ব পাৰে। এই ব্যৱস্থা অসমৰ লগতে অসমৰ দাঁতি কাষৰীয়া অৰুণাচল প্ৰদেশতো বহুলভাৱে প্ৰচলিত। এই পদ্ধতিতো কেতিয়াবা মুদ্ৰাৰ মানত খেতিয়কৰ প্ৰাপ্য প্ৰদান কৰাৰ ব্যৱস্থা আছে। এইক্ষেত্ৰতো খেতিয়কজনে সম্পূৰ্ণ স্বাধীনভাৱে খেতি কৰিব নোৱাৰে আৰু সঘনাই শোষণৰ বলি হোৱা দেখা যায়।

এনেদৰে কৃষক তথা আধিয়াৰ আৰু মাটিৰ মালিকৰ মাজত চুক্তি কৰা হয়। এই চুক্তি ঠাই বিশেষে লিখিত হোৱাৰ বিপৰীতে ঠাইবিশেষে অলিখিতভাৱেই বছৰ বছৰ ধৰি চলি আহিছে।

**অসমত আধিয়াৰ পদ্ধতিৰ অধীনত থকা ভূমিৰ পৰিমাণ**

বিগত সময়ছোৱাত অসমৰ কৃষিখণ্ডত আধি খেতিৰ অধীনত ভূমিৰ পৰিমাণৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰিলে দেখা যায় যে ১৯৭০-৭১ চনৰ পৰা আধিখেতিৰ পৰিমাণ ক্ষীপ্ৰ ভাৱে কমি আহিছে। অসমৰ কৃষি পিয়ল অনুসৰি ১৯৭০-৭১ চনত মুঠ কৃষিভূমিৰ ১০.৬৭ শতাংশ আধিয়াৰ পদ্ধতিৰ অন্তৰ্ভূক্ত আছিল। কিন্তু ১৯৯০-৯১ চনত আধিয়াৰ পদ্ধতিৰ অধীনত থকা ভূমিৰ পৰিমাণ মুঠ ভূমিৰ ৩.৮০ শতাংশ হয়গৈ। ঠিক তেনেদৰে ২০০০-০১ চনত ইয়াৰ পৰিমাণ মুঠ কৃষিভূমিৰ ০.১৬ শতাংশ হোৱাৰ বিপৰীতে ২০০৫-০৬ চনত এই পৰিমাণ ০.১৮ হয়। আধিয়াৰ পদ্ধতিৰ এই অৱনমনৰ প্ৰধান কাৰণেই হ'ল ভূমিহীন লোক সকলৰ বাবে গাওঁ অঞ্চলত বৃদ্ধি পাই অহা -কৃষি নিয়োগৰ সুবিধা তথা জনমূৰী ভূমিৰ পৰিমাণ অতি কম হৈ অহা।

তলৰ তালিকাখনত অসমৰ কৃষিখণ্ডত আধিয়াৰ খেতিৰ প্ৰাধান্যৰ এটা আভাস দিবলৈ প্ৰচেষ্টা চলোৱা হৈছে।

**তালিকা নং ১**
**অসমৰ কৃষি ভূমিৰ খতিয়ান**

| বছৰ | মুঠ কৃষিভূমিৰ পৰিমাণ | আধি মাটিৰ পৰিমাণ | আধি আৰু নিজা মাটিৰ সংমিশ্ৰন | আধিখেতিৰ ভূমিৰ পৰিমাণ |
|---|---|---|---|---|
| ১৯৯০-৯১ | ৩২০৪.৭৫ | ৫৪.৫২ | ৪৫.৪৮ | ৮৬.৮৬ |
| ১৯৯৫-৯৬ | ৩১৩৮.৪৫ | ১৪.২১ | ৮৫.৭৯ | ৯.৫০ |
| ২০০০-০১ | ৩১১৩.৬৪ | ০.০০ | ১০০.০০ | ০.৪৫ |
| ২০০৫-০৬ | ৩০৪৮.৫৪ | ০.৭৩ | ৯৯.২৭ | ৫.৪৫ |

**উৎস ঃ অসমৰ কৃষি পিয়ল, ১৯৯০-৯১ ৰ পৰা ২০০৫-০৬ চনলৈ**

ওপৰোক্ত তথ্যৰ পৰা এইটো প্ৰতীয়মান হৈছে যে অসমত আধি-খেতিৰ অধীনত থকা মাটিৰ ক্ৰমহ্ৰাসমান গতিৰ দৰেই মুঠ কৃষি ভূমিৰ পৰিমাণো ১৯৯০ চনৰ পিয়লৰ তুলনাত ২০০৫-০৬ চনলৈ যথেষ্ট হ্ৰাস পাই আহিছে। অৱশ্যে বৰ্ধিত জনসংখ্যাৰ বাবে কৃষি ভূমিৰ পৰিমাণ হ্ৰাস পাই অহাটো আচৰিত কথা নহয়।

**বৰ্তমান আধি খেতিৰ প্ৰাসংগিকতা**

আধি খেতিৰ সম্পৰ্কে বিভিন্ন কৃষিবিদ-অৰ্থনীতিবিদে বিভিন্ন মন্তব্য আগবঢ়াই অহা দেখা গৈছে। সেই অনুসৰি কোনোৱে এই ব্যৱস্থাৰ সপক্ষে মন্তব্য দিয়াৰ বিপৰীতে কোনো কোনোৱে এই পদ্ধতিৰ সংস্কাৰৰ সপক্ষে মত পোষণ কৰিছে। বৰ্তমান উদ্যোগ খণ্ড বিকাশ তথা সেৱা খণ্ডৰ সম্প্ৰসাৰণ আৰু কৃষিৰ উৎপাদন সামগ্ৰীৰ যথোপযুক্ত দৰ নোপোৱাৰ ফলত বহু লোকে কৃষিখণ্ডৰ পৰা আতঁৰি থকা দেখা যায়। এনে বহুলোক আছে যাৰ যথেষ্ট পৰিমাণৰ মাটিৰ মালিকীস্বত্ব আছে কিন্তু সময় তথা আন কামৰ তাগিদাত কৃষিকৰ্মক সম্পূৰ্ণ আওকাণ কৰিব লগা হয়। এনেক্ষেত্ৰত আধিয়াৰ কৃষকৰ অবিহনে এনে মাটিত কৃষি সম্ভৱ নহয়। চাকৰিৰ খাতিৰতেই হওঁক বা আন আনুষংগিক কাৰণেই হওঁক মাটিৰ মালিকপক্ষ বাহিৰত থাকিব লগা হলেওঁ আধি খেতি পদ্ধতিয়ে প্ৰাসংগিকতা লাভ কৰে। গাওঁ অঞ্চলত সঘনে দেখা যায় যে গাঁৱৰ দুখীয়া লোকসকল আকস্মিকভাৱে অৰ্থৰ অভাৱত পৰিলে নিজৰ খেতি-মাটি

ভাগ কোনো চহৰৰ তথা গাওঁ অঞ্চলৰে অ-কৃষকৰ ওচৰত বন্ধকত ৰাখি নিজৰ অৰ্থাভাৱ পূৰাব লগা হয়। এই ক্ষেত্ৰতো আধি খেতিৰ পদ্ধতিয়ে প্ৰাসংগিকতা লাভ কৰি আহিছে। এনেদৰে নিজৰ মাটি আনৰ ওচৰত বন্ধকত ৰাখি নিজে কৃষি কৰা পদ্ধতিক ব্যৱহৃত বন্ধকী (Usufactu-aty mortgage) বুলি কোৱা হয়। অৱশ্যে বৰ্তমান বেংক তথা বিত্তীয় প্ৰতিষ্ঠানৰ সম্প্ৰসাৰণে এই পদ্ধতিৰ কিছুপৰিমাণে অৱসান ঘটাবলৈ সক্ষম হৈছে। অৱশ্যে আধিয়াৰসকলক শোষণ মুক্ত কৰাবৰ বাবে এতিয়াও চুক্তি সংস্কাৰৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি। এই ক্ষেত্ৰত চৰকাৰে নিৰ্দিষ্ট ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজন আছে।

মুঠৰ ওপৰত ভূমিহীন লোকসকলৰ সাময়িক সকাহৰ বাবেই হওক বা অ-কৃষক মাটিৰ মালিকসকলৰ কৃষিভূমিত কৃষি কৰাৰ স্বাৰ্থতেই হওক আধিয়াৰ পদ্ধতিৰ গুৰুত্ব অসমৰ কৃষিখণ্ডত এতিয়াও বহু বেছি। সামাজিক তথা ধৰ্মীয় কাৰণ কিছুমান এইক্ষেত্ৰত উল্লেখ কৰিব পাৰি। পোন প্ৰথমেই কব লাগিব অসমৰ সামাজিক ৰীতি-নীতি তথা আচাৰৰ কথা। অসমৰ জনসাধাৰণ অতীজৰে পৰাই অন্ধ-বিশ্বাসী। অসমত প্ৰচলিত সমাজ নীতিৰ মতে ব্ৰাহ্মণ তথা গোসাঁই সকলে কৃষিকাৰ্যত জড়িত হ'ব নোৱাৰে। কিন্তু অসমৰ মুঠ ভূমিৰ এটা গৰিষ্ঠ অংশ ব্ৰাহ্মণ তথা গোসাঁইসকলৰ হাততে আছে। কিয়নো অসমত সৰু বৰ বহুতো নামঘৰ তথা সত্ৰ আছে। বিশেষকৈ সত্ৰসমূহৰ নিজাকৈ বহুতো ভূমিৰ মালিকীস্বত্ব আছে কিন্তু সত্ৰৰ ভক্তসকল নিজে প্ৰত্যক্ষভাৱে কৃষিৰ লগত জড়িত হ'ব নোৱাৰা বাবে আধি খেতিৰ প্ৰাসংগিকতা তেওঁলোকৰ ওচৰত সদায় বেছি।

**আধি খেতিয়কক অপসাৰণৰ ব্যৱস্থা ঃ**

আধি খেতিয়কক সুৰক্ষা প্ৰদানৰ বাবে যেনেদৰে চৰকাৰে বিভিন্ন সময়ত আইন প্ৰণয়ন কৰি আহিছে ঠিক তেনেদৰে অপসাৰণৰো কিছুমান ব্যৱস্থা কৰি দিছে। এই অনুসৰি—

১) যদি কৃষকজনে কৃষিমাটিৰ উন্নয়নৰ কোনো ব্যৱস্থা কৰাৰ বিপৰীতে ভৱিষ্যতে উৎপাদন হ্ৰাস কৰাৰ ধৰণৰ কিবা ব্যৱস্থা গ্ৰহণ কৰে, তেন্তে তেওঁক যিকোনো সময়তে অপসাৰণৰ ব্যৱস্থা আছে।

২) কৃষকজনে যদি চুক্তি অনুসৰি উৎপাদন বিতৰণ নকৰে বা বিতৰণৰ অপাৰগতা প্ৰকাশ কৰে তেন্তে তেওঁক অপসাৰণৰ ব্যৱস্থা আছে।

**আধিয়াৰ পদ্ধতিৰ প্ৰধান দুৰ্বলতাসমূহ**

১) আধিয়াৰসকল সহজে শোষণৰ বলি হোৱাৰ সম্ভাৱনা থাকে।

২) কৃষিভূমিৰ উন্নয়নৰ বাবে আধিয়াৰসকলে কোনো ধৰণৰ দীৰ্ঘম্যাদী আঁচনি গ্ৰহণ কৰা দৃষ্টিগোচৰ নহয়, সেয়ে কৃষিখণ্ডৰ উন্নয়নো সম্ভৱ নহয়।

৩) আধিয়াৰসকলে মাটিৰ ৰক্ষণাবেক্ষণ দিয়াত সাধাৰণতে মনোযোগ দিয়া দেখা নাযায়।


## 'পয়োভৰা'ৰ গ্ৰাহক হোৱা নিয়মাৱলী

* গ্ৰাহক বছৰৰ যিকোনো সময়তে হ'ব পাৰি। * গ্ৰাহক মূল্য এবছৰৰ ১০০.০০ টকা, দুবছৰৰ ১৮০.০০ টকা আৰু তিনি বছৰৰ বাবে ২৫০.০০ টকা। * গ্ৰন্থাগাৰ, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে ১০ শতাংশ ৰেহাই দিয়া হয় (তাৰ বাবে উপযুক্ত প্ৰমাণ-পত্ৰৰ প্ৰয়োজন)। * গ্ৰাহক মূল্য ব্যক্তিগতভাৱে 'পয়োভৰা'ৰ গুৱাহাটী কাৰ্য্যালয়লৈ আহি, প্ৰতিনিধি পঠাই বা মণি-অৰ্ডাৰযোগে জমা দিব পাৰি। * মণি-অৰ্ডাৰ পঠোৱা ঠিকনা ঃ সম্পাদক, পয়োভৰা, প্ৰকাশন বিভাগ, তথ্য আৰু অনাতাঁৰ মন্ত্ৰালয়, কে.কে.বি পথ, নিউ কলনি, গৃহ নং-৭, চেনিকুঠী, গুৱাহাটী-৭৮১০০৩। * আলোচনীখন সাধাৰণ ডাকত পঠোৱা হয়।

# অসমৰ আলংকৰিক মাছ ঃ বাণিজ্যিক সম্ভাৱনীয়তা আৰু আলোকপাত

*** ধ্ৰুৱজ্যোতি শৰ্মা**

আজি সমগ্ৰ বিশ্বতে অতি দ্ৰুত গতিত প্ৰসাৰ ঘটা তথা বাণিজ্যিক সম্ভাৱনীয়তাত বিশেষ থল থকা আলংকৰিক মীনপালন আৰু ব্যৱসায় খণ্ডটি ফটোগ্ৰাফীৰ পিছতেই বিশ্বৰ দ্বিতীয় সৰ্বাধিক জনপ্ৰিয় হবী। আমাৰ ৰাজ্যখনৰ জল পৰিস্থিতিৰ প্ৰাসংগিকতাত আলংকৰিক মাছৰ যথেষ্ট সম্ভাৱনীয়তা বিদ্যমান। কেৱল ৰংচঙীয়া বা বহুৰূপী মাছেই যে আলংকৰিক, কথাটো তেনে নহয়। কেতবোৰ নিৰ্দিষ্ট মাছৰ দৈহিক গঠন, খাদ্যাভ্যাস, খাদ্য গ্ৰহণ, দুলৰ্ভতা চাল চলন, অভিলক্ষণ,দুলৰ্ভতা আদিও যথেষ্ট আকৰ্ষণীয়। এই সমূহ মাছো নিঃসন্দেহে আলংকৰিক আৰু আন্তৰ্জাতিক বজাৰত যথেষ্ট গুৰুত্বপূৰ্ণ।

আলংকৰিক মাছৰ আন্তৰ্জাতিক বজাৰত ক্ৰমাৎ জনপ্ৰিয় হোৱা খলিহনা, পুঠি, পানীমুতুৰা, গঙ্গাটোপ, বটিয়া, তোৰা, বৰিয়লা, বামি, শিঙৰা, আদি সততে উচ্চাৰিত থলুৱা মাছ। তদুপৰি চিতল, কান্ধুলি, মাগুৰ, কাৱৈ, শিঙি আদিও ক্ৰমাৎ উচ্চ চাহিদাযুক্ত হিচাপে প্ৰতিষ্ঠিত হোৱাৰ পথত। উল্লেখযোগ্য যে এই মাছ সমূহ বিদেশী ক্ৰেতাৰ বাবে অত্যন্ত লোভনীয়। মন কৰিবলগীয়া যে অসমৰ জলাশয়ত বৰ্তমানলৈ চিনাক্ত হোৱা ২১৬ টা মাছৰ প্ৰজাতিৰ ১৫০ বিধৰেই কম-বেছি পৰিমাণে আলংকৰিক লক্ষণ বিদ্যমান। তাৰে প্ৰায় ৫০ বিধ প্ৰজাতিৰ আন্তৰ্জাতিক বজাৰত যথেষ্ট গুগুত্ব প্ৰতিষ্ঠিত হৈছে। ভাৰতৰ পৰা বছৰি প্ৰায় ১০ কোটি টকাৰ থলুৱা আলংকৰিক মাছ বিদেশলৈ ৰপ্তানি হয়। এই ৰপ্তানি কলকাতা, মুম্বাই, চেন্নাই, দিল্লী আৰু কোচিন আন্তৰ্জাতিক বিমান বন্দৰৰ যোগেদি হয়। উল্লেখযোগ্য যে এই ৰপ্তানিৰ ৮৫ শতাংশ সম্পন্ন হয় কলকাতা কেন্দ্ৰৰ জৰিয়তে আৰু ইয়াৰ ৯০ শতাংশৰো অধিক মাছ উত্তৰ-পূৰ্বাঞ্চল বিশেষকৈ অসমৰ। এই হিচাপত বছৰি প্ৰায় ৫-৬ কোটি টকা মূল্যৰ থলুৱা আলংকৰিক মাছ ছিংগাপুৰকে আদি কৰি বিশ্বৰ বিভিন্ন বজাৰত ক্ৰেতাৰ প্ৰথম পচন্দ হিচাপে পৰিগণিত হৈছে আৰু সেয়েহে ৰপ্তানিৰ বাঢ়নো অতি সন্তোষজনক। এই সমগ্ৰ খণ্ডটো বৰ্তমানলৈ অতি অসংগঠিত ৰূপত চলি আছে আৰু ইয়াৰ লগত জড়িত সকলো আনুষংগিক কথা বতৰা সেয়েহে সঠিক আৰু পৰিষ্কাৰ ৰূপত উপস্থাপন কৰাটো যথেষ্ট অসুবিধাজনক। কিন্তু কলকাতাৰ আন্তৰ্জাতিক ৰপ্তানিকাৰক সকলৰ প্ৰদৰ্শন কক্ষত ভূমুকি মাৰিলেই সহজে অনুমেয় হয় আমাৰ থলুৱা আলংকৰিক মাছৰ সবল উপস্থিতি। হাওৰা দাস নগৰ অঞ্চলৰ আলংকৰিক মাছৰ অগ্ৰণী ৰপ্তানিকাৰক সকলৰ বিপণী সমূহৰ মাজৰ বিখ্যাত প্ৰতিষ্ঠান 'মডাৰ্ন' একুৱাৰিয়ামৰ স্বত্বাধিকাৰ সোম নাথ ময়ূৰৰ পৰা জানিব পৰা মতে, বিভিন্ন সংগ্ৰাহকে যোগান ধৰা আমাৰ থলুৱা আলংকৰিক মাছসমূহ ইউৰোপৰ বিভিন্ন দেশৰ লগতে ছিংগাপুৰলৈ বিশেষভাবে ৰপ্তানি হয়। উল্লেখযোগ্য যে ছিংগাপুৰত আলংকৰিক মৎস্য ৰপ্তানিৰ মূল নাভিকেন্দ্ৰ। ছিংগাপুৰে বিভিন্ন দেশৰ পৰা (এছিয়া মহাদেশৰ) আলংকৰিক মাছ আমদানি কৰি পুনৰ নতুন টোপোলাত ভৰাই মাৰ্কিন যুক্তৰাষ্ট্ৰ, জাপান আৰু ইউৰোপৰ বিভিন্ন দেশলৈ ৰপ্তানি কৰি যথেষ্ট বৈদেশিক মুদ্ৰা আহৰণ কৰি আছে। দেশৰ অগ্ৰণী আলংকৰিক মৎস্য বিজ্ঞানী ড° সঞ্জয় দাসে অলপতে চীনৰ আন্তৰ্জাতিক আলংকৰিক মৎস্য বজাৰত দেখি অহা অভিজ্ঞতাৰ পৰা জানিবলৈ দিয়া মৰ্মে তাত আমাৰ খলিহনা, বটিয়া, বামি, শিঙৰা, চিতল, পুঠি আদিৰ উপস্থিতি অতি সবল যদিও এইবোৰ অসমৰ থলুৱা মাছ হিচাপে ক'তো প্ৰক্ষেপিত নহয়। ১৯৯৭-৯৮ চনত বছৰি প্ৰায় ৮০ লাখ টকা মূল্যৰ ৰপ্তানি হোৱা থলুৱা আলংকৰিক মাছৰ ৰপ্তানি মূল্য আজি বছৰি ছয় কোটিৰো অধিক টকা হোৱাটোৱে নতুন দিশৰ বাৰ্তা বহন কৰিছে। অলপতে কোচিন বিজ্ঞান আৰু কাৰিকৰী বিশ্ববিদ্যালয়ে চলোৱা সমীক্ষা মতে, উত্তৰ পূৰ্বাঞ্চলৰ থলুৱা আলংকৰিক মাছসমূহে বহন কৰিছে যথেষ্ট বাণিজ্যিক সম্ভাৱনীয়তা। অতি শেহতীয়াকৈ 'সামুদ্ৰিক সম্পদ ৰপ্তানি উন্নয়ন কৰ্তৃপক্ষ'ৰ (MPEDA; Marine Product Export Development Authority) তথ্য মতে কলকাতা আন্তৰ্জাতিক বিমান বন্দৰৰ যোগেদি ৰপ্তানি হোৱা আলংকৰিক মাছৰ পৰিমাণ ক্ৰমাৎ বৰ্ধিত হৈ ৯০% হৈছে আৰু ই-নিশ্চিতকৈ অসমৰ থলুৱা আলংকৰিক মাছৰ ক্ৰমবৰ্ধমান ৰপ্তানিৰ

* ধ্ৰুৱজ্যোতি শৰ্মা গুৱাহাটীৰ বিৰুবাৰীত থকা মীন সঞ্চালকালয়ত কৰ্মৰত এগৰাকী মীন বিষয়া

ধাৰাৰেই ইংগিত দিয়ে। এই ধাৰা অব্যাহত ৰখাৰ মানসেৰে MPEDA ই ২০১৫ চনৰ ভিতৰত ১০০ নিযুত ডলাৰ মূল্যৰ আলংকৰিক মাছ ৰপ্তানিৰ লক্ষ্য নিৰ্দিষ্ট কৰি লৈছে। আলংকৰিক মাছৰ লগত জড়িত আন্তৰ্জাতিক সংস্থা OFI (Ornamenotal Fish International) ৰ সচিব প্ৰধান এলেক্স প্লৰেগৰ মতে ভাৰতৰ থলুৱা আলংকৰিক মাছৰ চাহিদানুযায়ী ৰপ্তানি সম্ভাৱনীতা এক বিলিয়ন ডলাৰৰো অধিক (৩,৯৫০ কোটি)। ২০০৮ চনত কোচিত অনুষ্ঠিত Ind Aquaria আন্তৰ্জাতিক সন্মিলনত অংশ গ্ৰহণ কৰি তেওঁ উত্তৰ-পূৰ্বাঞ্চল তথা অসমৰ জলজৈৱ বৈচিত্ৰ্য আৰু থলুৱা আলংকৰিক মৎস্য কুলৰ সম্ভাৱনীয়তা সম্পৰ্কে বিশেষ মতপোষণ কৰিছিল। প্লৰেগৰ সুৰত সুৰ মিলাই অষ্ট্ৰেলিয়া একুৱাৰিয়াম উদ্যোগৰ পৰিচালন সঞ্চালক ৰিক্ ডাটাড, জাপান একুৱাৰিয়াম মৎস্য সংস্থাৰ চেয়াৰমেন ইহিছা কাৱদায়ো অনুৰূপ সম্ভাৱনীয়তা ব্যক্ত কৰিছে।

কেৱল যে বিদেশৰ বজাৰতে আমাৰ আলংকৰিক মাছে বিশেষ স্থান লাভ কৰিছে, এনে নহয়। দেশীয় বজাৰতো অসমৰ থলুৱা আলংকৰিক মাছ সমূহ যথেষ্ট আকৰ্ষণীয় হৈ পৰিছে। অৱশ্যে ঘৰৰ গৰু আৰু বাৰীৰ ঘাঁহৰ ৰাহি-যোৱা নহাৰ দৰে আমি এই দিশ সমূহক আশানুৰূপ ভাৱে হয়তো গুৰুত্ব দিয়া নাই। বিশ্বখ্যাত পশুপক্ষী আৰু আলংকৰিক মাছৰ দেওবৰীয়া হাট কলকাতাৰ গোলিপ ষ্ট্ৰীট বজাৰতো অসমৰ থলুৱা মাছসমূহৰ ঈৰ্ষণীয় চাহিদা দেখা যায়। গুৰুত্বপূৰ্ণ কথাটো হ'ল গোলিপ ষ্ট্ৰীলৰ বিক্ৰেতা সকল আৰু বিভিন্ন বৃহৎ প্ৰতিষ্ঠানেও এই সমূহ অসমৰ মাছ বুলি সচৰাচৰ ক'ব নোখোজে। তেওঁলোকক বিভিন্ন সংগ্ৰাহকে বিভিন্ন প্ৰাকৃতিক উৎসৰ পৰা সংগ্ৰহ কৰি কেতবোৰ এজেন্টৰ জৰিয়তে এই মাছ সমূহ যোগান ধৰে। আগতেই উল্লেখ কৰা হৈছে যে এই সমগ্ৰ ক্ৰিয়া কাণ্ড ইমান অসংগঠিত আৰু অশৃংখলিত ভাৱে চলি আছে যে বিপণনকাৰী সকলৰ লগত বিভিন্ন ধৰণে যোগাযোগ কৰিও প্ৰকৃত শৃঙ্খলটো গমি লোৱা ইমান সহজ নহয়। কিন্তু কৃত্ৰিম আবিষ্ট প্ৰজনন তথা পালন ব্যতিৰেকে কেৱল থলীৰ পৰা সংগ্ৰহ কৰি বিপণন কৰি সমস্ত মুনাফা আহৰণ কৰিবলৈ গ'লে এদিন ঘটনাটো সোণৰ কণী পৰা হাঁহ জনীক মাৰি পেলোৱাৰ লেখীয়া হ'ব। মাছ ধৰাৰ সময়ত কেতবোৰ বিষয়ৰ প্ৰতি উৎসতেই গুৰুত্ব নিদিলে পৰৱৰ্ত্তী সময়ত জৈৱ বৈচিত্ৰৰ প্ৰতি ভাবুকি আহি পৰিব। বেছিভাগ সংগ্ৰাহকে নিৰ্দিষ্ট মাছটি লক্ষ্য কৰি লওঁতে আন মাছ সমূহ, জলজ উদ্ভিদ, পাৰ্শ্বৱতী অংশ আদি ধ্বংস কৰে, যিয়ে অদূৰ ভৱিষ্যতে আমাৰ জলজৈৱ বৈচিত্ৰ্যৰ প্ৰতি বিৰূপ প্ৰভাৱ পেলাব। তদুপৰি আন কেতবোৰ কথা যেনে- সংক্ৰামক ৰোগ নিবাৰণৰ বাবে লোৱা প্ৰচেষ্টাৰ সময় (Q uarantine) দেশ ভেদে ভিন ভিন হোৱা হেতুকে ৰপ্তানীৰ আগতে এই কথা সমূহো হিচাপলৈ আনিব লাগিব। অৱশ্যে ৰাজ্যৰ কেইবাজনো মীন বিজ্ঞানী ড° সঞ্জয় কুমাৰ দাস, ড° সঞ্জয় শৰ্মা আদিৰ লগতে অতি শেহতীয়াকৈ গঠিত হোৱা স্পনাৰ অৰ্থাৎ Society for Promotion of Ornamental Fish in N.E Region নামৰ সংগঠনটো অসমৰ আলংকৰিক মাছ খণ্ডটিৰ বৈজ্ঞানিক বিকাশৰ দিশলৈ আগবাঢ়ি অহাটো শুভ লক্ষণ। এই খণ্ডটিৰ জৰিয়তে আমি নিয়োগ সম্ভাৱনীয়তা সৃষ্টিৰে অৰ্থনৈতিক মুনাফা আহৰণৰ বাবে অতি শৃঙ্খলাবদ্ধ আৰু সুনিৰ্দিষ্ট চিন্তাধাৰাৰে আগুৱাই যাব লাগিব। প্ৰাকৃতিক উৎসৰ পৰা থলুৱা আলংকৰিক মৎস্য সংগ্ৰহৰ নিৰ্দিষ্ট নীতি-নিয়ম থাকিব লাগিব। যি সমূহ মাছৰ অবিষ্ট প্ৰজনন এতিয়াও সম্ভৱপৰ হোৱা নাই সেই সমূহ সংগ্ৰহৰ একোটা নিৰ্দিষ্ট সীমা থাকিব লাগিব। অন্যথা এই মাছ সমূহ বিপন্ন হৈ পৰিবলৈ বৰ বেছি দিন নালাগিব।

থলুৱা আলংকৰিক মাছখিনিৰ বাণিজ্যিক সম্ভাৱনীয়তাৰ কথা কওঁতে আন কেতবোৰ গুৰুত্বপূৰ্ণ কথা উলাই কৰিলে নহ'ব। বিশ্বৰ বিভিন্ন দেশৰ জলবায়ৱীয় পৰিস্থিতিৰ পটভূমিত আলংকৰিক মাছৰ বিশেষত্বৰ ওপৰত ভিত্তি কৰি ভৌগোলিক সূচাংক (Geographical Indicatian) নিৰ্দিষ্ট কৰাটো অতীব প্ৰয়োজন। যোৱা বছৰৰ অক্টোবৰ মাহত ৰাষ্ট্ৰসংঘৰ বাণিজ্য আৰু উন্নয়ন বিভাগ (United Nations Conference on Trade & Development); পিৰৰা ব্ৰাজিল আৰু ভাৰত চৰকাৰৰ উমৈহতীয়া উদ্যোগত কোচিত অনুষ্ঠিত "Green Certification of Ornamental Fish" শীৰ্ষক কৰ্মশালাত এই দিশটিয়ে বিশেষ গুৰুত্ব পাইছিল। অন্যথা অতি সোনকালে আমাৰ চেঙেলি, বটিয়া বা গেদগেদী আদি মাছ টাইৱানবা ছিংগাপুৰত অবিষ্ট প্ৰজনন হৈ তেওঁলোকৰ মাছ বুলি বিশ্ব দৰবাৰত প্ৰতিষ্ঠা হ'লে আমাৰ গোটেই সম্ভাৱনীয়তা কলিতেই মৰহি যাব। এনে হোৱাৰ ফলত পৰৱৰ্তী প্ৰজন্মত মূল মাছৰ ৰূপ-গুণ-লাৱণ্য লোপ পাব আৰু ইউৰোপীয় ক্ৰেতাৰ পচন্দৰ পৰা আঁতৰি আহিব ক্ৰমাৎ আমাৰ চেঙেলী খলিহনা, পুটি, বটিয়া আদি মাছ। আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত বিভিন্ন কাম কৰাৰ অভিজ্ঞতাৰে পুষ্ট বিশিষ্ট আলংকৰিক মৎস্য বিজ্ঞানী ড° সঞ্জয় কুমাৰ দাসৰ মতে এনে উদাহৰণ কেইবাখনো দেশৰক্ষেত্ৰত পৰিলক্ষিত হৈছে।

আমাৰ থলুৱা আলংকৰিক মাছ সমূহক সঠিক ৰূপত উপস্থাপন, জলজৈৱ বৈচিত্ৰ্য তথা সংৰক্ষণৰ সপক্ষে সজাগতা,

সুনিৰ্দিষ্ট বিজ্ঞানসন্মত অবিষ্ট প্ৰজনন আদিৰ জৰিয়তে এই খণ্ডটিত উপলভ্য মুনাফা আহৰণ কৰিব পাৰিলেহে নিৰৱচ্ছিন্নভাৱে অৰ্থনৈতিক মুনাফা আহৰণ কৰা সম্ভৱ। সংশ্লিষ্ট সকলোৰে এই দিশত উমৈহতীয়া ভাৱে আগুৱাব লাগিব।

(*১) প্ৰায় ১২ বিলিয়ন মাৰ্কিন ডলাৰৰ বাণিজ্যৰে সমৃদ্ধ এই খণ্ডৰ বছৰেকীয়া বাণিজ্যিক প্ৰসাৰ ১০ শতাংশৰো অধিক।

# উত্তৰ-পূৰ্ব ডায়েৰি

## গুৱাহাটীৰ বাবে ৩২৫ কোটি টকাৰ প্ৰকল্প

উত্তৰ-পূৰ্বাঞ্চল উন্নয়ন মন্ত্ৰালয়ে (ড'নাৰ) অঞ্চলটোৰ প্ৰকল্পৰ কাৰণে ৩২৫ কোটি টকাৰ আৱন্টন দিছে। ইয়াৰে ২০০ কোটি টকা অসম আৰু বাকী ১২৫ কোটি টকা সমগ্ৰ অঞ্চলটোত "জৈৱ কৃষি অভিযান"ৰ বাবে দিয়া হৈছে। অসমৰ কাৰণে মন্ত্ৰালয়ৰ প্ৰকল্প সমূহৰ ভিতৰত পথ বহলকৰণ আৰু উন্নয়ন আৰু খোৱা পানীৰ সুবিধা আগবঢ়োৱাৰ বাবে দিয়া হৈছে। মন্ত্ৰালয়ে অসমৰ ব্যৱস্থাপনা প্ৰতিষ্ঠান আৰু গুৱাহাটীৰ মাজমজিয়াত বহু তৰপীয়া গাড়ী পাকিং চৌহদ নিৰ্মাণৰ কামো ত্বৰান্বিত কৰিব। উত্তৰ-পূৰ্ব মন্ত্ৰালয়ে "উত্তৰ-পূৰত নিৰ্মিত" আচঁনিৰ সুকীয়া অংশ হিচাপে জৈৱিক কৃষিৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিব যিটো হ'ল "মেইক ইন ইণ্ডিয়া'ৰ প্ৰথম পৰ্যায়ত ফলমূল আৰু ইলাচীৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰা আঁচনিৰ এক সম্প্ৰসাৰণ।

## ত্ৰিপুৰাত সাজ-পোছাক তৈয়াৰ কেন্দ্ৰ স্থাপন

প্ৰধান মন্ত্ৰীয়ে নাগালেণ্ডত কৰা ঘোষণা অনুযায়ী গুৰুত্বপূৰ্ণ উদ্‌গণিৰ অংশ হিচাপে আগৰতলাত এটা সাজ-পোছাক তৈয়াৰ কৰা কেন্দ্ৰ স্থাপন কৰা হ'ব। এই গোটটোৱে ত্ৰিপুৰাৰ বৃহৎ সংখ্যক লোকলৈ নিয়োগ সুবিধা আগবঢ়াব আৰু অঞ্চলটোত সাজ পোছাকৰ বৃহৎ পৰিমাণৰ উৎপাদন আৰু প্ৰগতিৰ ক্ষেত্ৰত নেতৃত্ব ল'ব। এই প্ৰকল্প বস্ত্ৰৰ খণ্ডত "মেইক ইন ইণ্ডিয়া' কাৰ্যসূচীৰ এটা অংশ হ'ব য'ত উত্তৰ-পূৰৰ ৰাজ্য কেইখন আলোকপাত কৰা হ'ব। ৩ কোটি ৪১ লাখ টকা ব্যয়সাপেক্ষ এটা পাট সংসাৰ্ধন আৰু মুদ্ৰণ গোট প্ৰকল্পও প্ৰস্তুতিৰ পৰ্যায়ত আছে।

## অসমত ৰাজহুৱা-ব্যক্তিগত অংশীদাৰী ভিত্তিক নতুন এম'নিয়া - ইউৰিয়া চৌহদ

কেন্দ্ৰীয় চৰকাৰে অসমৰ কামৰূপত ৪৫০০ কোটি টকা ব্যয়েৰে বছৰি ৮.৬৪ লাখ মেট্ৰিক টন উৎপাদনক্ষম এটা নতুন এম'নিয়া —ইউৰিয়া চৌহদ স্থাপনৰ বাবে সন্মতি জনাইছে। এই নতুন প্ৰকল্পটো শেহতীয়া প্ৰযুক্তিৰে সজ্জিত আৰু আন্তৰ্জাতিক মানৰ হ'ব আৰু উচ্চ শক্তি সক্ষম হ'ব। এই প্ৰকল্পটোৰ সমগ্ৰ ইউৰিয়া উৎপাদন নিম প্ৰলেপিত হ'ব। ব্ৰহ্মপুত্ৰ ভেলি ফাৰ্টিলাইজাৰ কৰ্পৰেশ্বন লিমিটিড ( বি ভি এফ চি এল), অসম চৰকাৰ আৰু অইল ইণ্ডিয়া লিমিটেডৰ ক্ৰমে ১১শতাংশ, ১১ শতাংশ আৰু ২৬ শতাংশ ইকুইটিৰ অধিকাৰেৰে আৰু ৫২ শতাংশ ব্যক্তিগত/ ৰাজ্যহুৱা খণ্ডৰ অংশগ্ৰহণেৰে এই প্ৰকল্পটো স্থাপন কৰা হ'ব। এই নতুন ইউৰিয়া প্ৰকল্পটোৱে উত্তৰ-পূৰ, বিহাৰ, পশ্চিমবংগ আৰু ঝাৰখণ্ডৰ বৰ্দ্ধিত চাহিদা পূৰণ কৰিবলৈ লক্ষ্য নিৰ্দ্ধাৰণ কৰিছে। ই পশ্চিম আৰু মধ্য অঞ্চলৰ পৰা ইউৰিয়া পৰিবহনৰ দীৰ্ঘ দূৰত্ব সহজ কৰি তুলিব আৰু ই জলপথ বা বিমানেৰে প্ৰেৰিত সামগ্ৰীৰ ওপৰত চৰকাৰৰ ৰাজসাহায্য ৰাহি কৰিব। এই নতুন গোটটোৰদ্বাৰা উৎপাদিত ইউৰিয়া প্ৰতি বছৰে ৩.৬ টনৰ পৰা ৮.৬৪ লাখ মেট্ৰিক টনলৈ বৃদ্ধি পাব আৰু ই ভাৰতৰ ইউৰিয়া ৰপ্তানিত সহায় কৰিব পাৰিব আনকি উৎপাদন ব্যয় আৰু আমদানি বিকল্প হ্ৰাস পোৱাৰ ফলত বছৰি ৬০০ কোটি টকা ৰাহিকৰণত ই বৰঙণি আগবঢ়াব পাৰিব।

## মণিপুৰত ৰাষ্ট্ৰীয় ক্ৰীড়া বিশ্ববিদ্যালয়

বৰ্তমানৰ গোৱালিয়ৰৰ লক্ষ্মীবাই নেশ্বনেল ইন্সটিটিউট অৱ ফিজিকেল এডুকেশ্বন (এল এল আই পি ই)ৰ উত্তৰ - পূৰ্বাঞ্চল মাণ্ডলিক কেন্দ্ৰ (এন ই আৰ চি) ৰ শাখা ৰূপে অন্তৰ্ভুক্ত কৰি মণিপুৰৰ থৌবাল জিলাত এখন ৰাষ্ট্ৰীয় ক্ৰীড়া বিশ্ববিদ্যালয় স্থাপন কৰা হ'ব। এই বিশ্ববিদ্যালয়ে বি পি এড, এম পি এড ডিপ্ল'মা/ চাৰ্টিফিকেট পাঠ্যক্ৰম, ফিজিঅ' থেৰাপি, কোনো উদ্দেশ্যৰ বাবে যোগ্যতা (ফিটনেছ), ক্ৰীড়া ব্যৱস্থাপনা, ক্ৰীড়া সাংবাদিকতা আদি পাঠ্যক্ৰম আগবঢ়াব। এই উদ্দেশ্যে মণিপুৰ চৰকাৰৰদ্বাৰা ইতিমধ্যে ১৬৩ একৰ ভূমি অধিগ্ৰহণ কৰা

৫৬ নংপৃষ্ঠাত চাওঁক

# গভীৰ সামুদ্ৰিক খনন আৰু সংকটাপন্ন জৈৱবৈচিত্ৰ

*** পংকজ দাস**

সভ্যতাৰ অগ্ৰগতিৰ লগে লগে শক্তিৰ চাহিদা আৰু ব্যয়ো বাঢ়িছে। এসময়ত খোজকাঢ়ি এঠাইৰ পৰা আন ঠাইলৈ ভ্ৰমণ কৰা মানুহে এতিয়া দ্ৰুতবেগী বাহনত উঠি ভ্ৰমণ কৰিছে। এসময়ত চৰাই দেখি উৰিবলৈ হাবিয়াস কৰা মানুহে এতিয়া পোহৰৰ বেগত গতি কৰিব পৰা বাহন উদ্ভাৱনৰ কথা গুণাঁ-গথা কৰিব পাৰিছে। এটা সময়ত গুহাত আশ্ৰয় লৈ থকা জাতিটোৱে বৃহৎ দালান নিৰ্মাণ কৰি থাকিবপৰা হৈছে। এতিয়া আৰু মনৰ বতৰা দিবলৈ পাৰ চৰাই নাই, চিঠি-পত্ৰ বিলাই ফুৰা ডাকোৱালজনো দেখিবলৈ নোপোৱাৰ নিচিনা হ'ল। তাৰ ঠাই ল'লে অত্যাধুনিক প্ৰযুক্তিসম্পন্ন ম'বাইল, লেপটপ, আদি সামগ্ৰীয়ে। নিৰ্মাণ, পৰিবহন, যোগাযোগ, প্ৰযুক্তি আদি সকলোতে এই উত্তৰণৰ বাবে প্ৰয়োজন হৈছে প্ৰাকৃতিক সম্পদৰ অবাধ নিষ্কাষণ। ইফালে দ্ৰুতগতিত স্থলজ সম্পদ হ্ৰাস পাই অহা আৰু আনফালে দেশসমূহৰ মাজত উত্তৰণৰ তাড়নাই সম্পদৰ অন্বেষণৰ বাবে নন বিকল্পৰ সন্ধান দিছে। শেহতীয়াভাবে বিশ্বজুৰি শক্তিৰ সাম্ভাব্য বিকল্প উৎস হিচাপে বিশেষ গুৰুত্ব লাভ কৰিছে গভীৰ সামুদ্ৰিক খননে। ইতিমধ্যে স্থলভাগত কৰা সম্পদৰ অবাধ নিষ্কাষণৰ বাবে আমাৰ পৰিৱেশে কিমান মূল্য ভৰিব লগা হৈছে সেয়া সকলোৰে জ্ঞাত। এই পৰিণাম যে আমাৰ মানৱ জাতিটোৱেও ভুগিব লাগিব সেইবিষয়েও আমি অবগত। এই লেখাত ৰহস্যময়ী নীল সমুদ্ৰতলিত কিনো এনে সম্পদৰ পয়োভৰ আছে আৰু গভীৰ সমুদ্ৰৰ তলিত এই সম্পদৰ অন্বেষণৰ ফলত শান্তিপূৰ্ণভাৱে জীৱন কটাই থকা জলজ জীৱজগতখনৰ ওপৰত কি প্ৰভাৱ পৰিব পাৰে আদিকে ধৰি বিভিন্ন বিষয় চমুকৈ আলোচনা কৰা হৈছে।

গভীৰ সামুদ্ৰিক খনন খনিজ সম্পদ নিষ্কাষণৰ দিশত নতুনকৈ উদ্ভৱ হোৱা ক্ষেত্ৰ। সমুদ্ৰপৃষ্ঠৰ ১৭০০ ৰ পৰা ৩৭০০ মিটাৰ গভীৰতাৰ তলিভাগত কেতবোৰ উষ্মজলীয় ফাঁট থাকে। পৃথিৱীৰ অন্তৰ্ভাগৰ উত্তপ্ত অৱস্থাত থকা মেগ্‌মাৰ প্ৰভাৱত শিলাস্তৰত আবদ্ধ হৈ থকা ধাতু আদি তৰল অৱস্থাপ্ৰাপ্ত হৈ চাপ পাই সমুদ্ৰতলেৰে ফালি মেলি ওলাই আহে। চাৰিশ ডিগ্ৰীৰো অধিক উষ্ণতাত থকা এই তৰল ভূত্বকৰ পৰা ওলাই আহিয়ে সমুদ্ৰৰ শীতল জলস্তৰত প্ৰৱেশ কৰে। এই উত্তপ্ত তৰলে শীতল পানীৰ লগত ৰাসায়নিক বিক্ৰিয়া কৰাৰ ফলত সমুদ্ৰতলীত ধাতৱীয় ছালফাইডৰ অধঃক্ষেপ পৰে। সমুদ্ৰতলীত জমা হোৱা এই ছালফাইড আকৰতে সোণ, ৰূপ, মেংগানিজ, কপাৰ, ক'বাল্ট, জিংক আদিৰ দৰে মূল্যবান ধাতু থাকে। এতিয়ালৈকে আৱিষ্কৃত এনে উষ্মজলীয় পুঙৰ সংখ্যা ৩০০ ৰ অধিক নহয়। মহাসাগৰৰ বুকুত এনে পুঙৰ সংখ্যা গণি শেষ কৰিবপৰা নাযাব।

ষাঠিৰ দশকতে ক'পাৰ, জিংক আদি ধাতুৰ আহৰণৰ বাবে গভীৰ সামুদ্ৰিক অন্বেষণৰ ঢৌ উঠে। অৱশ্যে সেই সময়ত কেৱল সমুদ্ৰতলিত লাডুৰ আকাৰত পোৱা ধাতু বা ধাতুৰ আকৰ আহৰণৰ বিষয়ত প্ৰাধান্য দিয়া হৈছিল। ১৯৭০ চনত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাত আন্তঃৰাষ্ট্ৰীয় জলৰাশিৰ সাগৰতলিৰ ব্যৱহাৰৰ নিয়মাৱলীৰ ঘোষণাপত্ৰ জাৰি কৰা হয়। ১৯৭২ ৰপৰা ১৯৮২ চনৰ মাজৰ সময়ছোৱাত তিনিখনকৈ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হয়। এনে গুণা-গঁথাৰ মাজেৰে সামুদ্ৰিক আইন সংৰচিত হয়। একপ্ৰকাৰ অতিৰঞ্জিত তথ্যৰ আধাৰতে এনে খনন প্ৰকল্পৰ বাবদ ১৯৬০ ৰ পৰা ১৯৮৪ চনলৈ মুঠ ৬৫০ নিযুত আমেৰিকীয় ডলাৰ ব্যয় হয় আৰু তাৰ পৰা বিশেষ একো লাভ দেখা নগ'ল। ১৯৯০ চনত সামুদ্ৰিক বিধিনিয়মৰ ৰাষ্ট্ৰসংঘৰ নিয়মাৱলী বলবৎ হয়। তাৰ লগে লগে মহাসাগৰীয় জলভাগৰ তলিভাগৰ নিষ্কাষনৰ নিয়ন্ত্ৰণৰ উদ্দেশ্যে আন্তঃৰাষ্ট্ৰীয় সমুদ্ৰতলি প্ৰাধিকৰণ (আই এছ এ) নামেৰে এটা নিয়ন্ত্ৰক সংস্থা গঠিত হয়। ইয়াৰ সমানে সমানে উন্নয়ণশীল অৰ্থনীতিত খনিজ সম্পদৰ চাহিদাও বাঢ়ি আহে। এনেদৰে সম্পদৰ বাবে গভীৰ সামুদ্ৰিক অন্বেষণে ইয়াৰ পূৰ্বৰ গুৰুত্ব ঘূৰাই পায়।

আই এছ এ-এ ২০০১ বৰ্ষতে সমুদ্ৰতলিত খননৰ প্ৰথমখন অনুজ্ঞাপত্ৰ প্ৰদান কৰে। বিগত ২০১৪ বৰ্ষৰ জুলাই মাহত আই এছ এ-এ নতুনকৈ ৭ খন অনুজ্ঞাপত্ৰ প্ৰদান কৰি আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত নতুন দিশ সূচনা কৰে। এই


*পংকজ দাস, অসম বিজ্ঞান সমিতিৰ প্ৰকল্প সহকাৰী

নতুন সিদ্ধান্তত বিশ্বজুৰি বিশেষকৈ বিজ্ঞানী আৰু পৰিৱেশপ্ৰেমীসকলৰ মাজত মিশ্ৰিত প্ৰতিক্ৰিয়াও পৰিলক্ষিত হয়। এই অনুজ্ঞাপত্ৰ লাভ কৰা দেশৰ মাজত ভাৰতবৰ্ষও অন্যতম। প্ৰশান্ত মহাসাগৰৰ তলিত খননৰ সৰ্বাধিক অনুজ্ঞাপত্ৰ প্ৰদান কৰা হৈছে। ভাৰত মহাসাগৰৰ তলি উদঘাটনৰ বাবে দুখনকৈ অনুজ্ঞাপত্ৰ প্ৰদান কৰা হৈছে।

সমুদ্ৰতলীৰ শীতল পানীৰ সংস্পৰ্শলৈ আহে, তেতিয়া এনে বহুধাতৰীয় ছালফাইড আকৰ উৎপন্ন হয়। ১৯৭৭ চনতে আৱিষ্কাৰ হোৱা এই ছালফাইড হৈছে তাম, সীহ, ৰূপ, সোণ, নিকেল, বেৰিয়াম আদি ধাতুৰ ভঁৰাল। এনে ভঁৰাল থকা পুং পৃথিৱীৰ মহাসাগৰিক মধ্যশিৰাৰ এশ কিলোমিটাৰ ব্যৱধানত ৬০ হাজাৰ কিলোমিটাৰ দৈৰ্ঘজুৰি বিয়পি আছে।

অধঃক্ষেপ হিচাপে সাগৰতলীত জমা হোৱা এনে ধাতৰীয় তৰপ ২৫ চেন্টিমিটাৰলৈকে ডাঠ হ'ব পাৰে। এনে ধাতৰীয় আকৰে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ক'বাল্টৰ চাহিদাৰ ২০ শতাংশ পূৰাব পাৰে। এনে খোলাত বিৰল মৃত্তিকা ধাতুও মজুত হৈ আছে। জাপানৰ পূৰ্বাঞ্চল, মাৰিয়ানা দ্বীপপুঞ্জ আৰু প্ৰশান্ত মহাসাগৰৰ বুকুত এনে ভাণ্ডাৰ আছে।

**স্তম্ভচিত্ৰ ১ - গভীৰ সমুদ্ৰতলীত খননৰ অনুজ্ঞাপ্ৰাপ্ত সমুদ্ৰপৃষ্ঠৰ কালি আৰু অনুজ্ঞাপ্ৰাপক**




২০০১ চনৰপৰা এতিয়ালৈকে প্ৰদান কৰা মুঠ অনুজ্ঞাপত্ৰৰ সংখ্যা ২১ খন আৰু মাটিকালিৰ হিচাপত এই পৰিমাণ ভাৰতবৰ্ষৰ আকাৰৰ এক তৃতীয়াংশ (১.২ নিযুত বৰ্গ কিলোমিটাৰ)। স্তম্ভচিত্ৰ-১ ত অনুজ্ঞাপত্ৰৰ আধাৰত খননৰ বাবে লাভ কৰা সমুদ্ৰতলিৰ মুঠ মাটিকালি প্ৰতি বৰ্গকিলোমিটাৰ হিচাপত স্তম্ভলেখ হিচাপে দিয়া হৈছেঃ

**কি আছে সমুদ্ৰতলিত ?**

সমুদ্ৰতলিত থকা সম্পদৰ সন্ধান এতিয়াও সম্পূৰ্ণ হৈ উঠা নাই যদিও বৰ্তমানলৈকে নিশ্চিত হোৱা মূল সম্পদ হৈছে খনিজ আকৰৰ ভঁৰাল। এনে তিনিপ্ৰকাৰৰ ভৰাল তলত দিয়া ধৰণৰঃ

**ক) বহু ধাতৰীয় ছালফাইডঃ** ৪০০ ডিগ্ৰীৰো অধিক উষ্ণতাত যেতিয়া ভূগৰ্ভস্থ মেগমা বৰ্তমানলৈ আৱিষ্কৃত হোৱা এনে মুঠ পুঞ্জৰ সংখ্যা মাত্ৰ ৩৫০ টা।

**খ) বহু ধাতৰীয় মেংগানিজৰ লাড়ুঃ** এনে লাড়ুৰ আকাৰ এটা সৰু আলুৰপৰা আৰম্ভ কৰি এখন খোৱা মেজৰ সমান হ'ব পাৰে। সাগৰতলীৰ ৪০০০ ৰ পৰা ৬৫০০ মিটাৰ গভীৰতাত প্ৰচুৰ পৰিমাণে থকা লাড়ুৰ অৱস্থিতি ১৮৬০ ৰ দশকতে ধৰা পৰিছিল। প্ৰশান্ত মহাসাগৰৰ ক্লেৰিয়ন ক্লিপাৰ্টন অঞ্চলত লিথিয়াম, নিকেল, তাম আদি খনিজ পদাৰ্থৰে সমৃদ্ধ এই লাড়ুৰ প্ৰাচুৰ্য্য অধিক। উক্ত অঞ্চলত প্ৰতি বৰ্গমিটাৰত ইয়াৰ পৰিমাণ ১৫ কিলোগ্ৰামৰো অধিক। সেয়ে এই অঞ্চলতে খননৰ বাবে সৰ্বাধিক অনুজ্ঞাপত্ৰ দিয়া হৈছে।

**গ) লো, মেংগানিজ আৰু ক'বাল্ট মিশ্ৰিত খোলাঃ** মেংগানিজ আৰু লোৰ ধাতৰীয়

**গভীৰ সামুদ্ৰিক খননত ভাৰতৰ স্থিতিঃ**

ভাৰত মহাসাগৰ আন্তঃৰাষ্ট্ৰীয় সমুদ্ৰতলীত বহুধাতৰীয় আকৰৰ লাড়ু অন্বেষণৰ বাবে আই এছ এ-ৰ লগত কৰা চুক্তি ২০১৬ বৰ্ষত অন্ত পৰিব। ইয়াৰ লগে লগে ভাৰতে শেহতীয়াভাৱে পোৱা অনুজ্ঞাপত্ৰৰ আধাৰত সমুদ্ৰতলীত খনন চলাব পাৰিব। উল্লেখযোগ্য যে ভাৰতবৰ্ষই হ'ল প্ৰথমখন ৰাষ্ট্ৰ যিয়ে ১৯৮৭ চনতে গভীৰ সামুদ্ৰিক খননৰ বিনিয়োগৰ ক্ষেত্ৰত বাটকটীয়াৰূপে থিয় দিছিল। ভাৰত মহাসাগৰৰ কেন্দ্ৰীয় অঞ্চলৰ ১৫০ হাজাৰ বৰ্গকিলোমিটাৰ জোৱা এটা বৃহৎ অঞ্চলত তেতিয়াৰে পৰা বহু ধাতৰীয় আকৰ সংগ্ৰহৰ বাবে বিভিন্ন উন্নয়নমূলক কাৰ্য্যকলাপ চলাই নিয়াৰ বাবে আই এছ এ-এ ভাৰতক অনুমতি প্ৰদান কৰি আহিছে। ২০০২ বৰ্ষৰপৰা এতিয়ালৈকে ভাৰতবৰ্ষই ৭৫ হাজাৰ কিলোমিটাৰৰো অধিক অঞ্চল খনিজ পদাৰ্থৰ বাবে চলাথ কৰিছে। ১৯৮৭ চনৰেপৰা এই অভিযান অব্যাহত ৰখা ভাৰতে তাৰপৰা বিশেষ লাভ উঠাব পৰা নাই বুলি প্ৰায়ে সমালোচিত হৈ আহিছে। ইয়াৰ কাৰণ হিচাপে প্ৰযুক্তিগত দিশৰ লগতে কাৰ্য্যনীতিৰো অভাৱ বুলি ক'ব লাগিব। এইক্ষেত্ৰত উল্লেখযোগ্য যে ভাৰতক আবন্টিত কৰা এনে বৃহৎ পৰিমাণৰ এলেকাৰপৰা আহৰণ কৰিবপৰা ধাতৰীয় আকৰৰ পৰিমাণ ৩৮০

নিযুত মেট্ৰিক টনৰো অধিক বুলি ধাৰ্য্য কৰা হৈছে। অৱশ্যে শেহতীয়াকৈ ভাৰতে লাভ কৰা খননৰ অনুজ্ঞাপত্ৰই আশাৰ সঞ্চাৰ কৰিছে।

দেশখনৰ উন্নয়নৰ ক্ষেত্ৰত অৰিহণা যোগোৱাত এই অনুজ্ঞাপত্ৰ খুবেই লাভজনক প্ৰমাণিত হ'ব পাৰে। ইয়াৰ বাবে প্ৰয়োজন হ'ব পূৰ্বৰ সমুদ্ৰ ৰত্নাকৰ, সমুদ্ৰ নিধি আদি জাহাজত থকাতকৈও উন্নত প্ৰযুক্তিৰ প্ৰয়োগ। সমুদ্ৰতলীৰপৰা ধাতৱীয় আকৰ আহৰণৰ বাবে নতুন প্ৰযুক্তিৰ আধাৰত দূৰৱৰ্তীভাৱে সঞ্চালিত অত্যাধুনিক বাহন উদ্ভাৱন কৰিব লাগিব। অৱশ্যে তাৰবাবে কেনেধৰণৰ প্ৰযুক্তি প্ৰয়োগ কৰিব লাগিব সেয়া সমুদ্ৰতলীৰ পুংখানুপুংখ অধ্যয়নৰ পাছতহে ঠাৰৰ কৰিব পৰা যাব। এনেদৰে অত্যাধুনিক প্ৰযুক্তিসম্পন্ন অন্বেষণৰ বাবে ৩০০ ৰ পৰা ৪০০ কোটি টকা ব্যয় হ'ব বুলি অনুমান কৰা হৈছে।

**পৰিৱেশৰ ওপৰত প্ৰভাৱঃ**

সামুদ্ৰিক উদ্যোগৰ এই উত্থানে সামুদ্ৰিক জীৱজগতখনত যে বিৰূপ প্ৰভাব পেলাব, সেয়া ধ্ৰুৱ। গভীৰ সমুদ্ৰতলীৰ এটা তৰপ এৰুৱাই অনাৰ ফলত পানীৰ সাধাৰণ ধৰ্মৰ পৰিৱৰ্তন ঘটি সেয়া বিষাক্ত হৈ পৰিব পাৰে। তদুপৰি খনন আৰু শোধনৰ ফলত উৎপন্ন হোৱা গেদীয় অৱশিষ্টই জলজ জীৱৰ ওপৰত প্ৰভাৱ পেলাব পাৰে। এনে গেদীয় মেঘ সমুদ্ৰতলীত বা সমুদ্ৰপৃষ্ঠৰ উপৰিভাগত বহুমাইল জুৰি বিয়পি থাকি সামুদ্ৰিক জীৱকূলৰ বাবে প্ৰতিকূল পৰিৱেশৰ সৃষ্টি কৰিব পাৰে। খনন বা খনিৰ অন্বেষণৰ সময়ত ব্যৱহাৰ কৰা পোহৰ বা তেনে কাৰ্য্যকলাপৰ সময়ত উৎপন্ন হোৱা শব্দকে ধৰি বিভিন্ন তৰংগই গভীৰ তলীত বাস কৰা জীৱৰ বাসস্থান সংকুচিত কৰাৰ লগতে জীৱনধাৰা, খাদ্যাভাস, আচৰণ, প্ৰজনন আদিৰ ক্ষেত্ৰত বিৰূপ প্ৰভাৱ পেলোৱাটো নিশ্চিত। তদুপৰি এনে কাৰ্য্যকলাপৰ ফলত সামুদ্ৰিক জলৰাশিত অম্লজানৰ বিতৰণ আৰু মাত্ৰা দ্ৰুতগতিত হ্ৰাস পাব। মুঠৰ ওপৰত কোনোদিনে সূৰ্য্যৰ পোহৰ নেদেখা জীৱসমূহৰ শান্তিপূৰ্ণ পৰিস্থিতিতন্ত্ৰত ভাৰসাম্যহীনতাই দেখা দিব বুলি বিজ্ঞানীমহলে উদ্বেগ প্ৰকাশ কৰিছে।

ইতিমধ্যেই ঔদ্যোগিক উন্নয়নৰ ফলত সৃষ্টি হোৱা ৰাসায়নিক আবৰ্জনা, প্লাষ্টিক আদিৰ ডাষ্টবিন হিচাপে পৰিগণিত মহাসাগৰৰ বুকুত খননৰ প্ৰভাৱ যে ভয়ংকৰ হ'ব সেয়া উপলব্ধি কৰা বিজ্ঞানী আৰু পৰিৱেশপ্ৰেমীৰ মাজৰ খলকনিৰ সৃষ্টি হৈছে। পৰিৱেশ সুৰক্ষাৰ আন্তঃৰাষ্ট্ৰীয় সংস্থা গ্ৰীণপিচৰ হৈ সজাগতা অভিযান চলোৱা ৰিচাৰ্ড পেজ নামৰ বিশেষজ্ঞজনৰ বিষয়টো সন্দৰ্ভত উক্তি এনেধৰণৰ - 'আমাৰ ইতিমধ্যে প্ৰদূষিত, এঙাৰ গেছৰ পয়োভৰেৰে উত্তপ্ত আৰু ক্ষাৰকীয় হৈ পৰা মহাসাগৰৰ তলীখন ধ্বংস কৰিবলৈ এইবাৰ নতুন এটা উদ্যোগ গঢ় লৈ উঠিছে। তেওঁলোকৰ বাবে জৰুৰীভাৱে প্ৰয়োজন হোৱা কাৰ্য্যনীতি হ'ব সামুদ্ৰিক অভয়াৰণ্যৰ এটা আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি-সম্পন্ন শৃংখল'।

শেহতীয়াভাৱে দি নিউইয়ৰ্ক টাইমচ্‌ত প্ৰকাশিত এটা প্ৰতিবেদন মতে মানৱসৃষ্ট প্ৰদূষণৰ ফলত সামুদ্ৰিক জৈৱবৈচিত্ৰ সংকটৰ গৰাহত উপনীত হৈছে। কেলিফৰ্ণিয়া বিশ্ববিদ্যালয়ৰ গৱেষক বিজ্ঞানীৰ এটা অধ্যয়নৰ আধাৰত প্ৰকাশিত এই প্ৰতিবেদন মতে শীঘ্ৰে সামুদ্ৰিক জীৱকূলৰ সংৰক্ষণৰ বাবে উপযুক্ত বিধি তৈয়াৰ নকৰিলে অচিৰেই ভালেমান সামুদ্ৰিক জীৱ নিশ্চিহ্ন হৈ যাব। মহাসাগৰৰ জলৰাশিৰ বৰ্ধিত উষ্ণতা সহ্য কৰিব নোৱাৰি ইতিমধ্যেই ভালেমান জীৱই শীতল জলৰাশিৰ সন্ধানত বাসস্থান সলনি কৰিবলৈ বাধ্য হৈছে। খননৰ ফলত পানীত এঙাৰ গেছ অধিক পৰিমাণে দ্ৰৱীভূত হৈ সামুদ্ৰিক জলৰাশিৰ উষ্ণতা প্ৰতিকূল কৰি তুলিব বুলি বিজ্ঞানীমহলে আশংকা ব্যক্ত কৰিছে।

তাৎপৰ্য্যপূৰ্ণ কথা এয়ে যে গভীৰ সমুদ্ৰতলীৰ ০.০০০১ শতাংশতহে জীৱৰ উপস্থিতিৰ সন্দৰ্ভতহে সম্প্ৰতি অনুসন্ধান কৰিবপৰা গৈছে। ভালেমান অধ্যয়নত এই কথা সদৰী কৰা হৈছে যে খনন হ'বলগা উত্মজলীয় ফাঁট আৰু সমুদ্ৰৰ গেদীয় তৰপত অসংখ্য অণুজীৱকে ধৰি ভিন ভিন প্ৰজাতিৰ অমেৰুদণ্ডী জীৱৰ এখন নতুন জগত লুকাই আছে। ১৯৭৭ চনতে উত্মজলীয় পুং আৱিষ্কাৰ কৰা বিজ্ঞানী সকলে তাৰ দাঁতিকাষৰীয়া জৈৱবৈচিত্ৰতাৰ পয়োভৰ দেখি আশ্চৰ্য্যচকিত হৈ পৰিছিল। তাৰপৰা চিনাক্তকৰণ কৰা ৫০০ টা প্ৰজাতিৰ ৯০ শতাংশই স্ব-স্থানীয় জীৱ। কেৱল এশটা এনে পুং অধ্যয়ন কৰি এই তথ্য আহৰণ কৰা হৈছে। এনে প্ৰজাতিৰ ক্ষেত্ৰত খননৰ প্ৰভাৱ কি হ'ব সেয়া নিৰ্ণয় কৰাটোও সেয়ে দুৰূহ কাম আৰু এনেদৰে সমুদ্ৰতলীৰ বিষয়ে নজনাকৈয়ে তাত অবাধ খনন কৰাটো নিশ্চয়কৈ উচিত নহয়। অৱশ্যে এই কথাৰ গুৰুত্ব আই এছ এ-এ উপলব্ধি নকৰা নহয়। সেয়ে সৰ্বাধিক খনন হ'ব লগা ক্লেৰিয়ন ক্লিপাৰ্টন অঞ্চলত খননৰ প্ৰভাৱ নিৰীক্ষণ কৰাৰ বাবে সংস্থাটোৱে এটা নিৰীক্ষক সংস্থা গঠন কৰি দিছে। অৱশ্যে এতিয়ালৈকে সংস্থাটোৱে পৰিৱেশ সম্বন্ধীয় কোনো ধৰণৰ কাৰ্য্যনীতি বা নিৰ্দেশনাৱলী তৈয়াৰ কৰা নাই। সেয়ে বহুসময়ত খননৰ বাবে কৰা আবেদন নাকচ কৰাটো সম্ভৱপৰ হৈ নুঠে।

গভীৰ সামুদ্ৰিক খননৰ সজাগতা অভিযানৰ মুখপাত্ৰ নাটালি লউৰিইৰে কোৱা মতে গভীৰ সামুদ্ৰিক খননৰ প্ৰভাৱৰ বিষয়ে পৰ্যাপ্ত পৰিমাণৰ বৈজ্ঞানিক ভিত্তিসম্পন্ন তথ্য মজুত

নথকা, খননৰ নিয়ন্ত্ৰণৰ বাবে কোনোধৰণৰ নীতি নথকা আদিৰ পৰিপ্ৰেক্ষিতত অনুজ্ঞাপত্ৰ দিয়া বন্ধ কৰিব লাগে। ৰাষ্ট্ৰসংঘৰ সামুদ্ৰিক আইন অনুযায়ী খননৰ দায়িত্বত থকা ৰাষ্ট্ৰই পৰিৱেশৰ সুৰক্ষাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগে। কিন্তু কথাটো হ'ল ভালেমান ৰাষ্ট্ৰই সামুদ্ৰিক পৰিৱেশ সুৰক্ষা সম্বন্ধীয় কাৰ্য্যনীতি অথবা আইন যথাৰ্থভাৱে সংৰচনা বা কাৰ্য্যকৰী কৰা নাই। এইক্ষেত্ৰত আই এছ এ-এ নিজাকৈ নিৰ্দেশনাৱলী প্ৰণয়ণ কৰি ৰাষ্ট্ৰসংঘৰ কাষ চাপিছিল আৰু শেহতীয়া ফলাফল স্বৰূপে ২০১৫ বৰ্ষৰ শেষৰ ফালে এই সামুদ্ৰিক আইনত জৈৱবৈচিত্ৰ্যতা সংৰক্ষণৰ চুক্তি সংযোজন কৰাৰ বাবে এখন চুক্তি স্বাক্ষৰিত হোৱাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে এই প্ৰস্তাৱৰ আধাৰত গভীৰ সামুদ্ৰিক জৈৱবৈচিত্ৰ্য সংৰক্ষণ তথা সুৰক্ষাৰ বাবে এটা সংস্থা গঠন কৰাৰ কথাও আছে।

৫২ নং পৃষ্ঠাৰ পৰা

হৈছে আৰু ৪৭-৪৯ একৰ গ্ৰহণ কৰিবলৈ বাকী আছে। ২০১৫-১৬ শিক্ষা বৰ্ষৰ পৰা ইম্ফলৰ খুমেন লামপাক সংহত ক্ৰীড়া প্ৰকল্পৰ চৌহদত বিশ্ববিদ্যালয়খন আৰম্ভ কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। প্ৰয়োজনীয় আন্তঃগাঁথনি নিৰ্মাণ আৰু ফেকাল্টি নিয়োগ কৰাৰ পাছত ৰাষ্ট্ৰীয় ক্ৰীড়া বিশ্ববিদ্যালয়খনৰ সম্পূৰ্ণৰূপে কাৰ্যকৰী হৈ উঠিব।

**অসমত মেগা ফুড পাৰ্ক**

খাদ্য সংসাধন মন্ত্ৰালয়ে অসমৰ নলবাৰীত উত্তৰ-পূৰ মেগা ফুড পাৰ্ক নিৰ্মাণৰ বাবে অনুমতি প্ৰদান কৰিছে। এই পাৰ্কখনৰ উদ্দেশ্য হ'ল অসম আৰু সংযোজিত এলেকা সমূহৰ ৬ হেজাৰ লোকলৈ প্ৰত্যক্ষ আৰু পৰোক্ষ নিয়োগ সুবিধা আগবঢ়োৱাৰ লগতে মূল সংসাধন কেন্দ্ৰ, প্ৰাথমিক সংসাধন কেন্দ্ৰ, উৎপাদনকাৰী, সংসাধন আৰু উপভোক্তাৰ প্ৰায় ২৫০০০-৩০০০০ কৃষকক লাভান্বিত কৰিব আৰু ই ৰাজ্যখনৰ খাদ্য সংসাধন ক্ষেত্ৰত শ্ৰীবৃদ্ধিৰ প্ৰমাণ প্ৰদৰ্শন কৰিব। মেগা ফুড পাৰ্কখনে ইয়াৰ ৩০-৩৫ টা খাদ্য সংসাধন গোটৰ বাবে প্ৰায় ২৫০ কোটি টকাৰ অতিৰিক্ত বিনিয়োগৰ সুবিধা লাভ কৰিব আৰু তাৰ পৰা বছৰি প্ৰায় ৪৫০-৫০০ কোটি টকা লাভ কৰিব। এই প্ৰকল্পটোত খাদ্য সংসাধন গোটৰ বাবে উদ্যোগিক স্থান চুক্তিত দিয়া, ১০ হেজাৰ মেট্ৰিক টনৰ শুকান পণ্যাগাৰ, ৩ হেজাৰ মেট্ৰিক টনৰ শীতলীকৰণ ভৰাঁল, গুণগত নিয়ন্ত্ৰণ পৰীক্ষাগত ইত্যাদি ভালেমান সা-সুবিধা থাকিব।

# বাৰানসীত শক্তি পাৰদৰ্শী উন্নয়ন কাৰ্যক্ৰমৰ শুভাৰম্ভ ঘোষণা

বাৰানসী মহানগৰীত এটা শক্তি পাৰদৰ্শী আলোক ব্যৱস্থা গঢ়ি তোলাৰ লক্ষ্যৰে অলপতে গাৰ্হস্থ্য 'পাৰদৰ্শী আলোকিতকৰণ কাৰ্যক্ৰম' (ডি ই এল পি) আৰু 'এল ই ডি ভিত্তিক ৰাজপথ আলোকিতকৰণ কাৰ্যক্ৰম'ৰ শুভাৰম্ভ কৰা হয়। সমগ্ৰ দেশতে এল ই ডি লাইটৰ ব্যৱহাৰেৰে সৰ্বাধিক বিদ্যুৎ শক্তি ব্যৱহৃত হোৱা সময়ত ১০,০০০ মেগাৱাট পৰিমাণৰ বিদ্যুৎ ৰাহি কৰাৰ বাবে চৰকাৰে ঘোষণা কৰা প্ৰতিশ্ৰুতিৰ বাস্তৱায়নৰ অংশ হিচাপেই এই কাৰ্যক্ৰমৰ শুভাৰম্ভ কৰা হৈছে। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ সহযোগিতাত কেন্দ্ৰীয় শক্তি মন্ত্ৰালয়ৰ অধীনস্থ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান 'এনাৰ্জী এফিচিয়েন্সী ছাৰ্ভিচ লিমিটেড (ই ই এছ এল ) য়ে এই কাৰ্যক্ৰমৰ ৰূপায়ণৰ দায়িত্ব গ্ৰহণ কৰিছে। এই উদ্দেশ্যে প্ৰতিষ্ঠানটোৱে বাৰাণসীৰ ২,২৮,৪৯৬ গৰাকী আবাসিক গ্ৰাহকক ১৩ লাখ এল ই ডি বাল্ব যোগান ধৰাৰ লগতে মহানগৰীখনৰ ৰাজপথ সমূহত সংযোজিত ৩৬,০৭৭ টা পৰম্পৰাগত বাল্ব এল ই ডি বাল্বৰে প্ৰতিষ্ঠাপিত কৰিব।

শক্তি মিতব্যয়ী এল ই ডি বাল্বৰ সংযোজনেৰে বাৰাণসী নগৰৰ বাবে এই পৰ্যন্ত প্ৰয়োজন হোৱা বিদ্যুতৰ চাহিদাৰ ৪৫ মেগাৱাট পৰিমাণ হ্ৰাস কৰাৰ লগতে ৬৮ কোটি টকা ৰাহি কৰিব পৰা যাব বুলি আশা কৰা হৈছে। শক্তি মিতব্যয়ী এল ই ডি বাল্বৰে পৰম্পৰাগত বাল্বৰ প্ৰতিষ্ঠাপনক এটা উদ্ভাৱনী বাণিজ্যিক আৰ্হি হিচাপে চিহ্নিত কৰা হৈছে, কিয়নো এই কাৰ্যক্ৰমৰ কাৰণে নগৰ পালিকাক কোনো ধৰণৰ আচুতীয়া মূলধনৰ প্ৰয়োজন নহয়, অথচ ইয়াৰ জৰিয়তে সৰ্বাধিক পৰিমাণে বিদ্যুৎ শক্তি প্ৰয়োজন হোৱা সময়তো বুজন পৰিমাণৰ শক্তি ৰাহি কৰিব পৰাৰ বিপৰীতে উন্নত মানৰ পোহৰৰ ব্যৱস্থা কৰি সেৱাৰ পৰিসৰ বৃদ্ধি কৰাৰ সুযোগ গ্ৰহণ কৰিব পৰা যাব।

মহানগৰখন ই ই এছ এল —এ নিজা খৰছত ৩৬,০৭৭ টা পৰম্পৰাগত বাল্ব শক্তি মিতব্যয়ী এল ই ডি স্মাৰ্ট বাল্বৰে প্ৰতিস্থাপিত কৰিব। ইয়াৰ দ্বাৰা ৰাহি হোৱা শক্তি তথা ৰক্ষণা-বেক্ষণ ব্যয়ৰ ধনৰ অংশৰে বাৰনসী নগৰ পালিকাই আগন্তুক ৫-৭ বৰ্ষত ই ই এছ এলক তেওঁলোকে ব্যয় কৰা ধনখিনি ঘূৰাই দিয়াৰ ব্যৱস্থা কৰিব। বিনামূলীয়াকৈ হোৱা বাল্বৰ প্ৰতিস্থাপন তথা ৰক্ষণা -বেক্ষণৰ সুবাদত কোনোধৰণৰ অতিৰিক্ত ব্যয়ৰ বোজা বহন নকৰাকৈও নগৰ পালিকাখনে কলা সন্মত, দীৰ্ঘম্যাদী তথা শক্তি মিতব্যয়ী আলোক-ব্যৱস্থাৰে বাৰানসীক আলোকিত কৰাৰ দুৰ্লভ সুযোগ লাভ কৰিছে। ইয়াৰ জৰিয়তে লগৰ পালিকাখনে আগন্তুক ৫-৭ টা বছৰলৈ ৰক্ষণা-বেক্ষণ ব্যয়ৰ পৰাও সকাহ পোৱাৰ পথ প্ৰশস্ত হ'ল।


ইফালে ই ই এছ এল —এ পূৰ্বাঞ্চল বিদ্যুৎ বিতৰণ নিগমৰ সহযোগত মহানগৰীখনৰ সমগ্ৰ এলেকাৰ আবাসী সকলক সামৰি 'গাৰ্হস্থ্য পাৰদৰ্শী আলোকিতকৰণ কাৰ্যক্ৰম'ৰো ৰূপায়ণৰ দায়িত্ব গ্ৰহণ কৰিব। এই কাৰ্যক্ৰমৰ অধীনত প্ৰতিষ্ঠানটোৱে গ্ৰীড-সংযোজিত আবাসিক এলেকাৰ উপভোক্তাসকলৰ ঘৰত প্ৰায় ১৩ লাখ এল ই ডি বাল্ব বিতৰণ কৰিবলৈ সাজু হৈছে। ২ কিলোৱাট পৰ্যন্ত সংযোজিত 'লোড' থকা পৰিয়াল সমূহক প্ৰাথমিক পৰ্যায়ত ১০ টকা প্ৰতি বাল্ব হিচাপত ৫টা পৰ্যন্ত ৭ ৱাটৰ বাল্ব যোগান ধৰা হ'ব আৰু বাকী ১১০ টকা প্ৰতিবাল্ব হিচাপত পৰৱৰ্তী ১১ মাহত বিদ্যুৎ মাচুলৰ বিপৰীতে প্ৰতিষ্ঠানটোৱে আদায় কৰিব। অৰ্থাৎ বজাৰৰ হিচাপত ৩৫০ ৰ পৰা ৬০০ টকা মূল্যৰ একোটা বাল্ব এতিয়া গ্ৰাহক সকলে সামগ্ৰিক ভাবে ১২০ টকাতে লাভ কৰাৰ লগতে ৩ বছৰৰ বাবে বিনামূলীয়া প্ৰতিষ্ঠাপন নিশ্চিতিৰো সুবিধা আদায় কৰিব পাৰিব। এই মুহূৰ্তত কৰা সমীক্ষা অনুসৰি উপভোক্তা সকলে বিদ্যুৎ ৰাহিৰ জৰিয়তে প্ৰতিটো এল ই ডি বাল্বৰ বিপৰীতে প্ৰতি বছৰে বৰ্তমানৰ নিৰিখত ১৬২ টকা পৰিমাণৰ ধন ৰাহি কৰাৰ সুবিধা পাব।

চৰকাৰে গ্ৰহণ কৰা দুয়োটা কাৰ্যক্ৰমৰ সফল ৰূপায়ণৰ জৰিয়তে বাৰাণসীয়ে বছৰি প্ৰায় ১০.৪ কোটি কিলোৱাট ঘন্টা বিদ্যুৎ ৰাহি কৰিবলৈ সক্ষম হ'ব।

শক্তিৰ মিতব্যয়িতাৰ লক্ষ্য নিৰ্ধাৰণ কৰা কেন্দ্ৰ তথা ৰাজ্য চৰকাৰে সম্প্ৰতি আঁচনিৰ সফল ৰূপায়ণত মনোনিৱেশ কৰিছে। ৰাষ্ট্ৰীয় পৰ্যায়ত আগন্তুক ৩ টা বছৰৰ ভিতৰত তাপেৰে উজলি উঠা (ইনকেনডেচেন্ট) সকলো বাল্ব এল ই ডি বাল্বৰে প্ৰতিষ্ঠাপিত কৰাৰ পৰিকল্পনা গ্ৰহণ কৰা হৈছে।

৪৫ নং পৃষ্ঠাত চাওঁক

Published on 10th July 2015
Post on 13th-16th July 2015 July, 2015 ISSN-0971-8371




মুদ্রক আৰু প্ৰকাশক ঃ সাধনা ৰাউত, মুৰব্বী আৰু অতিৰিক্ত সঞ্চালক প্ৰধান, প্ৰকাশন বিভাগ
মুদ্ৰক ঃ আশী পাব্লিশ্বিং হাউছ (পেৰাডাইজৰ ওচৰত), গোস্বামী ছাৰ্ভিছ, বিবিধা কমপ্লেক্স এম আৰ ডি ৰোড, গুৱাহাটী-৭৮১০০৩ ফোন/ম'বাইল - ০৩৬১-২৬৬০৬২৫/৯৮৬৪৩২৩৭৯১
প্ৰধান সম্পাদক ঃ দীপিকা কচ্চল, জ্যেষ্ঠ সম্পাদকঃ অনুপমা দাস